মিছ গোঁহাটী

(বিদেশ আৰু অসমৰ পটভূমিত ৰসাল উপন্যাস)

ডক্টৰ দিলীপ কুমাৰ দত্ত

অসমী প্ৰকাশন
আনন্দৰাম বৰুৱা পথ, পাণবজাৰ,
গুৱাহাটী-৭৮১০০১

" Miss Gauhati a modern social novel, Written by Dr. Dilipkumar Dutta, Department of Mathematics, University of Rhode Island kingston, RT, 02881 U. S A, and Published by Asomi Prakashan, Gawahati-1 Price Rs, 50.00

প্ৰকাশক :
নাৰায়ণ দাস
অসমী প্ৰকাশন
পাণবজাৰ গুৱাহাটী-১


জুলাই : ১৯৯৭

মূল্য : ৫০.০০ টকা

বেটুপাত . অংশুমান দাশ

মুদ্ৰক :
অসমী প্ৰিন্টাৰ্ছ
আমবাৰী, ফটাশিল, [illegible]
গুৱাহাটী—২৫

ক্রমণিকা



প্ৰথমভাগ

অসমী আইয়ে মেখলা উজাই দিয়া এটি খোজ

আদি কাণ্ড

১৯৭৮ চনৰ ১৭ জানুৱাৰীৰ দিনটো গুৱাহাটী মহানগৰ তথা সগো অসমৰ কাৰণে এটা চিৰস্মৰণীয় দিন। সেইদিনাই প্ৰগতিৰ পথত অসমীয়া সমাজে বিশেষ ভাৱে আগ বাঢ়িলে, যেন আই অসমীয়ে মেখেলা উজাই এটা দীঘলীয়া খোজ দিলে। সেইদিনাখনেই গুৱাহাটী জিলা পুথি ভঁড়ালত পতা প্ৰথম সৌন্দৰ্য্য প্ৰতিযোগিতাত এগৰাকীক 'মিছ গোৱাহাটী' বুলি কিৰিটী পিন্ধাই সৌন্দৰ্য্য কুঁৱৰীৰ সিংহাসনত বহুৱা হয়—লগে লগে অসমত এটি নতুন যুগৰ সূচনা হয়। সেই নাটকীয় দিনটোৱে সময়কও মাজেদি দুছোৱা কৰিলে—এছোৱা হ'ল "মিছাপূৰ্ব্ব" অৰ্থাৎ তাৰ আগৰ আৰু আনছোৱা হ'ল 'মিছান্ত' অৰ্থাৎ তাৰ পিছৰ।

বহুতে "মিছাপূৰ্ব্ব" আৰু 'মিছান্ত' শব্দ দুটোৰ ভুল বিশ্লেষণ কৰে। তেওঁলোকে কয় যে সেইদিনাখনৰ মিছ গোৱাহাটীৰ প্ৰতিযোগিতা সৌন্দৰ্য্যৰ মিছা প্ৰদৰ্শনী মাথোন; গতিকে মিছাপূৰ্ব্ব মানে হৈছে মিছাৰ-পূৰ্ব্ব আৰু মিছান্তৰ মানে হৈছে মিছা+অন্ত। দৰাচলতে ই যোৱাই নহয়। 'মিছান্ত' শব্দটো হৈছে ইংৰাজীৰ মিছ আৰু সংস্কৃতৰ পূৰ্ব্ব শব্দৰ পৰা ষষ্ঠী তৎপুৰুষ সমাসৰ নিয়ম মতে অৰ্থাৎ 'মিছ'ৰ-পূৰ্ব্বৰ পৰা। সেইদৰে মিছান্ত শব্দটোও ইংৰাজীৰ 'মিছ' আৰু সংস্কৃতৰ অন্ত শব্দৰ লগত সন্ধি হৈ অৰ্থাৎ 'মিছ'+অন্ত। এনেকুৱা ব্যুৎপত্তিত আচৰিত হ'ব লগীয়া একো নাই। আজিকালি আমাৰ সজ-পাৰ, আচাৰ ব্যৱহাৰ, গতি মতি আৰু সমাজত বিজতৰীয়া সজ-ধজ আদি আৰু বিদেশী লোক ইমান বিস্তৃতভাৱে সোমাইছে যে সি আমাৰ ভাব-ভাষাকও স্পৰ্শ কৰিছে। আজিকালি অসমীয়াৰ সমাস সন্ধি সকলোৱে লগতে হয়।

৩৬ মিছাপূৰ্ব্বৰ কথা—ৰূপৰাম চৌধুৰীয়ে '৪২-ৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰাৰ কিছুদিন পিছতে পুলিচৰ লাঠীৰ কোব খাই গুৱাহাটীৰ আলিবাটত উবুৰিমুৰা হৈ পৰিলে আৰু আলিবাটৰ বালি চোবাই চোবাই শপত খালে, "এই বগা বঙালৰ বাজৰ ওফৰাই দেশ স্বাধীন কৰিমে এৰিম। ভাৰতৰ প্ৰত্যেক দিশকে ইংৰাজী প্ৰভাৱৰ পৰা মুক্ত কৰিমেই কৰিম।" গান্ধীজীৰ আহ্বানত আন কোটি কোটি ভাৰতীয়ৰ দৰে ৰূপৰামেও দেশৰ কাৰণে নিজৰ সৰ্ব্বস্ব ত্যাগ কৰিলে। বিদেশী বস্ত্ৰ বৰ্জ্জন কৰি নিজ হাতে কটা খদ্দৰ কাপোৰ পিন্ধিলে, বিলাতী সজ-ধজ আনকি বিলাতী শিক্ষাও এৰি দিলে। ভাৰতীয় জাতীয়তাবোধ আৰু ভাৰতীয়সকলৰ দৃঢ় সঙ্কল্পৰ আগত হাৰ মানি বৃটিচসকলে ভাৰতৰ শাসন ভাৰ ৰূপৰামৰ দৰে নেতাৰ হাতত এৰি থৈ গুচি গ'ল। ভাৰত স্বাধীন হ'ল আৰু হঠাৎ সকলো সলনি হৈ গ'ল।

ভাৰতীয় জাতীয়তাবোধৰ বিশেষ পৰিৱৰ্ত্তন ঘটিল। গান্ধীজীৰ সুদূৰ প্ৰসাৰী দৃষ্টিভঙ্গীৰ মহত্ব উপলব্ধি কৰিব নোৱাৰি আমাৰ নেতাসকলে অতি সোনকালে ভাৰতকও ইংলণ্ড বা আমেৰিকাৰ দৰে জাকজমকীয়া কৰিবলৈহে বিচাৰিলে আৰু তাৰ প্ৰথম খোজ হিচাপে আমাৰ পাত্ৰ মন্ত্ৰীসকলে বৃটিচৰ আমোলত বৃটিচৰ উচ্চ বিষয়া-সকলে উপভোগ কৰা লাস-বিলাসত নিজকে বিলাই দিলে। সেই প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা, গণ্ডাই গণ্ডাই লগুৱা লিকচৌ, ধুনীয়া ধুনীয়া গাড়ী, প্ৰদৰ্শনী সামগ্ৰী আদিৰ পিছত তেওঁলোকে দৌৰিলে। অকল সেয়ে নহয়—ভাৰতীয় জাতীয়তাবোধ দৃঢ় কৰিবলৈ চেষ্টা নকৰি ভাৰতীয় জাতীয় জীৱনত তেওঁলোকে বিদেশী সজ-ধজৰ প্ৰভাৱ বেছিকৈহে পৰিবলৈ দিলে।

ভাৰতীয় বুলিলে কি বুজায় বা ভাৰতীয় সকলৰ জাতীয় চৰিত্ৰ কি তাক বুজাটো একপ্ৰকাৰ টান হ'ল। ভাৰতীয়ৰ সাজ-পোছাক, ব্যৱহাৰ-পাতি, খোৱা-বোৱাৰ নীতি নিয়ম, নাচ-গান, চিনেমা আদি সকলোতে বিদেশৰ ইমান প্ৰভাৱ পৰিল যে ভাৰতীয় জাতীয় চৰিত্ৰৰ ৰূপ বহুৰূপীৰ দৰে হৈ পৰিল। সকলোৰে ভাবধাৰা এনে হ'ল যেন সকলো বিদেশী বস্তুৱেই ভাৰতীয় বস্তুতকৈ উৎকৃষ্ট, বিদেশৰ শিক্ষা যেন ভাৰতৰ শিক্ষাতকৈ সকলো দিশতে শ্ৰেয়, ইংৰাজী ক'ব পাৰিলেই যেন মানুহ জ্ঞানী-মানী-গুণী হয়। ইংৰাজসকলৰ দৰে বিয়াই সবাহে উৎসৱে পৰ্ব্বে মাদকীয় দ্ৰব্য নাযাচিলে আজিকালি একোতে ৰস পোৱা নাযায়। ঘৰত বিদেশী ট্ৰেনজিষ্টৰ, টেপ ৰেকৰ্ডাৰ আদি প্ৰদৰ্শন কৰাটো আভিজাত্যৰ চিন হৈ পৰিল। বিদেশী হাত ঘড়ী, বিদেশী কেমেৰা আদি কঢ়িওৱা লোক সোনকালেই সকলোৰে চকুত পৰে। অসমৰ দুজন মন্ত্ৰীয়েতো বোলে এখন পুৰণা বিদেশী গাড়ীৰ কাৰণে কেৱল ঘুচিয়াঘুচি কৰিবলৈহে বাকী থাকিল।

সকলোৱে ধন দৌলত, সা-সম্পত্তি বা বিদেশী সামগ্ৰীৰ পিছত এনেভাৱে দৌৰিবলৈ ধৰিলে যে টকা-ঘটা আৰু যিমান পাৰা লাভ কৰা আমাৰ জাতীয় চৰিত্ৰৰ নিচিনা হৈ পৰিল। ফলস্বৰূপে দুৰ্নীতিয়েই ভাৰতীয় শাসন বিধিৰ মূলমন্ত্ৰ আৰু ভেজাল বস্তুৱেই দেশৰ শ্ৰেষ্ঠ সামগ্ৰী স্বৰূপ হ'ল। ভেটী নাপালে কেৰাণী মহৰীৰ পৰা আৰম্ভ কৰি একেবাৰে মন্ত্ৰীলৈকে কোনেও একো কাম নকৰা হ'ল। পৰিত্যক্ত বা শিল বালিৰ নিচিনা বস্তু নিমিহলোৱাকৈ একো বস্তু নোপোৱা হ'ল। কেটেচ্চাপ বনাওঁতে বিলাহীৰ সলনি ৰঙালাউৰ বিজলাবিলাক ইমানকৈ মিহলাবলৈ ধৰিলে যে শেষত ৰঙালাউৰ দাম কেটেচ্চাপৰ সৈতে সমান হ'ল। সেইদৰে বৰ্ত্তমান শিল আৰু চাউলৰ দাম প্ৰায় সমান।

অৱশ্যে চৰকাৰী বিষয়াই ভেটী খোৱা টকা লৰা-ছোৱালীয়ে ৰঙালাউৰ কেটেচ্চাপত খৰচ কৰিছে। গুৱালে গাখীৰত পানী মিহলাই মহাজনক বিক্ৰী কৰে আৰু মহাজনে শিলগুটি মিহলাই গুৱালক চাউল বিক্ৰী কৰে। আটাইতকৈ নগুৰ না-গতি হ'বলৈ ধৰিলে দুখীয়া নিচলা লোকৰ, যাৰ সংখ্যা দিনক দিনে বঢ়া স্বত্বেও

চৰকাৰ বা ৰাইজৰ চকু মেল খোৱা নাই। পাছৰ মন্ত্ৰী আৰু উচ্চ বিষয়াসকল কিন্তু দৃঢ় প্ৰতিজ্ঞ যে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত তেওঁলোকে সুদৃঢ় কৰি যাব। তেনে কৰাৰ উপায় তেওঁলোকে দেখিলে ইংৰাজী শিক্ষা আৰু ইংৰাজী সজ-ধজৰ মাজেদি। বিশেষকৈ তেওঁলোকে ইংৰাজী মাধ্যমেৰে শিক্ষা দিবৰ কাৰণে কিছুমান পাব্লিক স্কুল আৰু চেণ্ট্ৰেল স্কুল পাতিলে। এইবিলাক স্কুলত বিলাতী ঢঙেৰে শিক্ষা দিবলৈ প্ৰয়াস কৰা হয়। পাব্লিক স্কুলৰ ল'ৰা-ছোৱালীবিলাকক সৰুৰে পৰা মাক দেউতাকৰ পৰা আঁতৰাই আন বিলাতী আচাৰ ব্যৱহাৰৰ (?) মাজেদি আৰু ইংৰাজী মাধ্যমত শিক্ষা দিয়া হয়। এই বিলাকত পঢ়ুৱাবলৈ খৰচ খুব বেছি। ইয়াত চৰকাৰী বৃত্তি নাপালে বা মাক দেউতাকৰ যথেষ্ট পইচা নাথাকিলে ল'ৰা-ছোৱালীক পাব্লিক স্কুলত পঢ়ুৱা কঠিন। যিহওক, দেশ স্বাধীন হোৱাৰ পিছত পাছ-মন্ত্ৰী, উচ্চ বিষয়া আৰু অন্যান্য চহকীলোকে তেওঁলোকৰ কণ কণ ল'ৰা-ছোৱালীবিলাকক গোৱালিয়ৰ, জয়পুৰ, ডেৰাডুন আদি দূৰণিবৰ্তীয়া ঠাইৰ পাব্লিক স্কুলবিলাকলৈ পঠিয়ালে। তেওঁলোকৰ আশা আছিল যে এই ল'ৰা-ছোৱালীবিলাকে সাধাৰণ ভাৰতীয়সকলে পাব নোৱাৰা সুবিধাবিলাক পাব যেতিয়া তেওঁলোক এক বিশেষ সুবিধা পোৱা শ্ৰেণীত পৰিণত হ'ব।

ৰূপৰাম চৌধুৰীৰ জীয়েক বৰ্ণা চৌধুৰীক জানিবলৈ আৰু তেওঁৰ জীৱনৰ গতিপ্ৰবাহ বুজিবলৈ এইবিলাক অত্যাৱশ্যকীয় কথা ইয়াত আগেয়ে উনুকিওৱা হ'ল।

স্বাধীনতাৰ পিছত ৰূপৰাম চৌধুৰী অসমৰ মন্ত্ৰী হয়। ইংৰাজসকলক দেশৰ পৰা খেদা হ'ল যদিও তেওঁৰ দৰে নেতাসকলৰ অন্তৰত এক বিশেষ ইংৰাজ প্ৰীতি থাকি গ'ল। হয়তো শাসক শাসিতৰ মাজৰ পাৰ্থক্য গাঢ় কৰিবলৈ তেওঁলোকে ইংৰাজ সকলক অনুকৰণ কৰাৰ বাহিৰে আন উপায় নাছিল। হয়তো সমাজক ধনী দুখীয়া শ্ৰেণীত বিভাগ কৰিবলৈ তেওঁলোকে অন্তৰত এক গুপ্ত হেঁপাহ ৰাখিছিল।

এই নেতাসকলে ইংৰাজ আমোলত পোৱা কেৰাণী মহৰী হ'বলৈ দিয়া কেৰাণীয় শিক্ষা আৰু গোলামি জ্ঞান কিছুমান মজিয়াই পেলোৱা দুখৈত আৰু তাৰ তেওঁলোকে যোঁহি দুঃসাহসেৰে সমাজত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। আনৰ লোকক গোলামৰ দৰে ব্যৱহাৰ কৰা স্বভাৱ আৰু সততে আনলোকক বিশ্বাস নকৰা মনোবৃত্তি তেওঁলোকে ইংৰাজ সকলৰ পৰা গ্ৰহণ কৰিলে। নিজে বিলাতী

চোৰ, ঠগবাজী আৰু দুনীতি অৱলম্বন কৰিলে, তেওঁলোকে আনকও তেনে কৰাত সহায় কৰিবলৈ ধৰিলে। অতি সোনকালেই দেশখন চোৰ, ঠগবাজী আৰু কেৱল ফাঁকিৰ দেশ হৈ পৰিল। সৎ কামেৰে বা সজ উপায়েৰে জীৱিকা নিৰ্ব্বাহ কৰাটো একপ্ৰকাৰ কঠিন হৈ পৰিল। ৰূপৰাম চৌধুৰীৰ কাৰ্য্যকলাপবিলাকত অলপ চকু দিলেই এইবিলাক কথাৰ সত্যতা উপলব্ধি কৰিব পৰা যায়।

স্বাধীনতাৰ পিছত এৰা-ধৰাকৈ প্ৰায় বিছ বছৰ কাল ৰূপৰামে অসমৰ মন্ত্ৰিত্বৰ আসন গ্ৰহণ কৰিবলৈ পায়। এই কালছোৱাত তেওঁ নিজৰ বংশ পৰিয়াল সকলোকে উদ্ধাৰ কৰিলে আৰু নিজৰ আজু নাতি বা আজে বাজে নাতিয়েও ভালদৰে ভোগ কৰিব পৰাকৈ সম্পত্তি কৰিলে। কি যোগান বিভাগ, কি পৰিবহন বিভাগ, কি গড়কাপ্তানী বিভাগ সকলোতে তেওঁ নিজৰ ভাগিন, ভতিজা আৰু অন্যান্য অঙহী-বঙহীক উচ্চ উচ্চ পদবীত বহুৱালে। কেৱল শিক্ষা বিভাগত নেজ জোকাৰিবলৈ তেওঁৰ মিতিৰ কুটুম্ব কোনো এজনৰে ভাল ডিগ্ৰীৰ নেজ এডাল নথকা কাৰণে তেওঁ বিশেষ একো কৰিব নোৱাৰিলে। তথাপি খুলশালিয়েকৰ খুলশালিয়েক এজনকে তেওঁ ডি-পি-আই অফিচৰ পিয়ন কৰি থলে। তেওঁৰ এজন পুতেক হ'ল ব্যৱসায়ী আৰু ব্যৱসায়টো হৈছে দেউতাকৰ প্ৰভাৱ আৰু ক্ষমতা প্ৰয়োগ কৰি ধন সংগ্ৰহ কৰা। চাকৰি দিয়া, পাৰ্মিট দিয়া, টেণ্ডাৰ দিয়া, নিৰ্ব্বাচনীত উঠিবলৈ টিকট দিয়া আদি সকলো ধৰণৰ 'দিয়া' কাৰ্য্যত তেওঁ 'টকা লোৱা' কাৰ্য্যটো কৰে। আনকি কেতিয়াবা কেতিয়াবা ৰূপৰামৰ দৰ্শন দিবলৈকো তেওঁ হাতৰ খজুৱতি মাৰিবলৈ মানুহৰ পৰা পইচা লৈছিল। এই কাৰণে এবাৰ ৰূপৰামক চাবলৈ যোৱা ডাক্তৰ এজনৰ লগত তেওঁৰ কেৱল ঘুচিয়াঘুচি হ'বলৈহে বাকী। তেওঁ ভাবিছিল মন্ত্ৰীক চাবলৈ আহিছে যেতিয়া বৰ পুতেকক 'ফিজ' দিবই লাগিব। ডাক্তৰজনেও নামানে—মানুহ চাবলৈ গ'লে সেওঁ 'ফিজ' ল'বহে জানে দিব নাজানে। এই 'ফিজ' লৈ তেওঁলোক দুয়ো দুয়োকে কোন কিমান পানীৰ মাছ পৰিচয় দিবলৈ উদ্যত হ'ল—ভিতৰৰ পৰা বিহ ক্ষৌহুৰাৰ বিস্ত ৰূপৰামে কে'কাই কে'কাই 'ডাক্তৰ আহিল নে নাই?' সোধাতহে ঘটনাটো অন্ত হ'ল।

ৰূপৰামৰ আন এজন পুতেক মদৰ দোকানী। গান্ধীজীৰ আদৰ্শ অনুসৰি ৰূপৰামে বক্তৃতাত মদ নিবাৰণৰ কথা কয়, সদনত ভোট দিওঁতে 'মদ নিবাৰণী আইন'ৰ বিৰোধিতা কৰে, উপাৰ্জ্জন ভাল দেখি তেওঁ পুতেকক মদ ব্যৱসায়ত সহায় কৰে আৰু গুৱাহাটীৰ সভ্য সমাজত নিজকে প্ৰতিষ্ঠা কৰিবৰ কাৰণে ঘৰত আৰু গুৱাহাটী ক্লাবলৈ গ'লে মদ পান কৰে। কাৰণ মন্ত্ৰিত্ব লোৱাৰ পিছত ৰূপৰামে প্ৰায়ে লাগিয়া গুৱাহাটী ক্লাবলৈ গৈ ব্ৰিজ খেলে আৰু কেইটোপামান মদ পান কৰি শৰীৰ মন জুৰাই আহে। কাৰণ এক মিছা-পূৰ্ব্বত অৰ্থাৎ ১৯৭৭ চনত অসমত জনতা চৰকাৰ হোৱাৰ কিছুদিন আগৰে পৰা তেওঁৰ মন্ত্ৰিত্ব গ'ল আৰু তেতিয়াৰে পৰা তেওঁৰ দিনবিলাক অলপ নাথয় নুপুৰায় হ'ল।

মন্ত্ৰিত্ব যোৱাৰ পিছত তেওঁ গুৱাহাটীত সাজি থোৱা প্ৰকাণ্ড অট্টালিকাটোত বহু লগুৱা লিকচৌ লৈ বহিল। তেওঁৰ পুতেক তিনিজনও তেওঁৰ লগতে থাকিবলৈ ল'লে। কেৱল তেওঁৰ একমাত্ৰ জীয়েক বৰ্ণা বন্ধতহে আহি তেওঁলোকৰ লগত থাকে। কাৰণ বৰ্ণা পঢ়া-শুনাত ভাল হোৱা দেখি তেওঁক সৰুৰে পৰাই গোৱালিয়ৰৰ পাব্লিক স্কুলত পঢ়িবলৈ পঠালে যাতে ছোৱালী জাকত জিলিকা হয়। মন্ত্ৰিত্ব নাথাকিলেও ৰূপৰামৰ চাৰিওপিনেই জয়-জয়-ময়-ময় আৰু পুত্ৰ কন্যা পৰিবাৰেৰে সংসাৰখন যেন সুখৰ। কিন্তু ইমান দিনে ক্ষমতাত থকাৰ পিছত এই গাদীবিহীন জীৱনটো ভাল নলগা হ'ল। সেয়েহে ভাল দিন বাৰ চাই লৈ তেওঁ মাজে মাজে দিল্লীলৈকো অহা যোৱা কৰে। এম-পি নাইবা কোনোবা ৰাষ্ট্ৰদূত হোৱাৰ আশাও তেওঁ বান্ধিছিল। আকৌ কেতিয়াবা কেতিয়াবা অসমৰ মন্ত্ৰী হোৱাৰও আশা—যেন পালেই তেওঁ যেওঁক আতৰ কৰা মুখ্য মন্ত্ৰীৰ সমালোচনা কৰে আৰু দেশৰ দুৰৱস্থা, দুৰ্নীতি আদিৰ কাৰণে নিজৰ বাহিৰে আন সকলোকে সমালোচনা কৰে। কোনো কোনো সবল মুহূৰ্ত্তত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ গাদীখনলৈও লোলুপ দৃষ্টিপাত কৰে। ৰূপৰামৰ ঘৰে খেদাখোৱা মন্ত্ৰীয়ে ইখনৰ পিছত সিখনকৈ বহু নাৱত ভৰি দিবলৈ চেষ্টা কৰি যি ভেকো-ভাওনা কৰে সেইবিলাক দেখিলে কি ভণ্ডকবিলাকে আমাৰ দেশ চলাই আছিহে সেইটো ভাবি দুখ লাগে।

অৱশ্যে সেই ভেকো-ভাওনাৰ নায়কসকলৰ কাৰণেও দুখ লাগে। মন্ত্ৰী হৈ থাকোঁতে তেওঁক বৰ বৰ মানুহেও সেৱা শুশ্ৰূষা কৰিছিল। কিন্তু মন্ত্ৰিত্ব যোৱাৰ পিছত তেওঁক কোনেও উভতি নাচায়। আন নালাগে, তেওঁ চাকৰি ৰাকৰি দি সহায় কৰা তেওঁৰ অওহী-বওহীসকলেও তেওঁক কুটা টেকেলিৰ নিচিনা যেনহে জ্ঞান কৰে। তেওঁক যেন কোনেও প্ৰকৃততে আদৰ সাদৰ বা শ্ৰদ্ধা নকৰে। নিজৰ ল'ৰা-ছোৱালীয়েও তেওঁৰ কথাক কোনো মূল্য নিদিয়ে। ক্ষমতাৰ অবিহনে তেওঁৰ জীৱনটো যেন তেনেই সাৰ শূন্য হ'ল।

ৰূপৰামৰ এনে গতিহীন, ক্ষমতাহীন, বন্ধুহীন অৱস্থাতে এক প্ৰচণ্ড ধুমুহা আহিল। তেওঁৰ জীয়েকে পাব্লিক স্কুলৰ শিক্ষা সাং কৰি গুৱাহাটীৰ কটন কলেজতে পঢ়া আৰম্ভ কৰিলে। জীয়েকক পাই প্ৰথমে ৰূপৰামৰ গৰ্ব্ব। জীয়েক অসমত আগ বঢ়ুৱা আৰু তেওঁৰ মুখত ইংৰাজী আখৈ ফুটা দি ফুটে। জীয়েক বৰ্ণাই ইংৰাজীতে গানও গাব পাৰে। আনকি বৰ্ণাই যেনো সপোনবিলাকও ইংৰাজীতহে দেখে। বৰ্ণাই দেউতাকক দাদি, মাকক মাম্মী আৰু মাহীয়েকক 'আণ্টি' বুলি মাতে। দেখিবলৈকো তেওঁ সাইলাখ মেম—তেওঁৰ চুলি চুটিকৈ বাবৰি কাটৰ দৰে কটা, তেওঁ বেছি ভাগ সময় পেণ্ট চোলা পিন্ধি থাকে। তেওঁ কেতিয়াবা শাৰী পিন্ধিলেও শাৰীয়ে ঢকাতকৈ ঢকা অংশহে বেছি প্ৰকাশ পায়। বৰ্ণাৰ ওঁঠত সদায় লিপষ্টিক, মুখত সদায় হাঁহি, গাত সদায় আতৰ, মনত সদায় হাঁহি-ফুৰ্ত্তি আৰু ব্যৱহাৰ-পাতিত সদায়ে উত্তাপ।

ৰূপৰামে অৱশ্যে জীয়েকৰ তেনে মতি গতি বেয়া নাপায়। তেওঁৰ ছোৱালী জাকত জিলিকা, সূচতুৰা আৰু যেই সেই ল'ৰাকে নাকত ধৰি চাকত ঘূৰাবলৈ সম্পূৰ্ণ সমৰ্থ। তেওঁৰ ঘৈণীয়েকে অৱশ্যে প্ৰথমতে পৰাই আপত্তি কৰি আছিছিল। ঘৈণীয়েকৰ মতে ল'ৰা-ছোৱালীক সদায়ে মাক-দেউতাকে ঘৰত ৰাখি পঢ়ুৱাব লাগে। কিন্তু ৰূপৰামে সদায় যুক্তি দিয়ে—

"মই যাৰু মোৰ ছোৱালীক অসমৰ যেই সেই মানুহৰ ল'ৰা-ছোৱালীৰ লগত কেনেকৈ একেলগে পঢ়িবলৈ দিওঁ? কেৰাণী, মহৰী, ধোবা, নাপিত আদিৰ ল'ৰা-ছোৱালীৰ লগত পঢ়ুৱাই মই মোৰ ছোৱালীৰ জীৱনটো নষ্ট কৰিব নোৱাৰোঁ।"

সেয়েহে এদিন কলেজৰ পৰা উভতি আহি বৰ্ণাই দেউতাকক কৈছিল—

"বুজিছা দাদি, অসমীয়া ল'ৰাবিলাক স'চাকৈয়ে বৰ বেকৱৰ্ড। সিহঁতে ছোৱালী এজনীৰ সমুখলৈ আহি ভদ্ৰ ভাৱে কথা পাতিবলৈ সাহস নকৰে, কিন্তু এনেয়ে ৰাস্তাৰ কাষৰ পৰা বা পিছৰ পৰা ডে ছাউট অৰচিনিটিজ—হাউ ষ্টুপিড!"

জীয়েকৰ দুখ শুনি ৰূপৰামৰ প্ৰাণ কান্দি উঠিল আৰু বৰ্ণাক আশ্বাস দিলে—

"তুমি দুখ নকৰিবা মা। মই তোমাক দিল্লী চিল্লী কৰিবা পঢ়িবলৈ পঠিয়াই দিম। নাইবা তুমি বিলাতলৈ কোনিবা পঢ়াৰ বন্দোবস্ত কৰা, মই তোমাক পঠিয়াই দিম।"

তেওঁৰ কথা শুনি কিন্তু বৰ্ণাই মত দিলে—

"নাই দাদি, বিলাতখন আজিকালি সিমান ভাল নহয়। আমেৰিকাহে আজিকালি বেছি ভাল। আই ৱাণ্ট টু গ' টু আমেৰিকা। আই মাষ্ট লাভ আমেৰিকা দাদি, তুমি প্ৰমিজ কৰা মোক আমেৰিকালৈ পঠাবা বুলি। ইউ ন' দাদি, আমেৰিকাত মোৰ বহু পেন-ফ্ৰেণ্ড আছে আৰু ৰমেশ দাদাই যে মোলৈ লিভাইৰ জিনটো পঠিয়াইছিলে, আই ৱাণ্ট লাভ ইট্। সেইটো পিন্ধি মোৰ খুব ভাল লাগে। মোৰ নিচিনা ছোৱালীৰ কাৰণে আমেৰিকাৰ নিচিনা দেশহে ঠিক।"

ৰূপৰামে জীয়েকৰ কথাত হয়তৰ দি জীয়েকক আমেৰিকালৈ পঠিওৱাৰ কথা ভাবিবলৈ ধৰিলে। জীয়েক আমেৰিকালৈ গ'লে ৰূপৰাম চৌধুৰীৰ জীয়েক বৰ্ণা চৌধুৰীৰ বিদেশ যাত্ৰা বুলি কাগজত ফটো ওলাব, বৰ্ণাৰ পাণি গ্ৰহণ কৰিবলৈ ডেকা ল'ৰাহঁত বলিয়া হ'ব আদি ৰংচঙীয়া ভৱিষ্যতৰ ছবিবিলাক তেওঁৰ মনলৈ আহিলে। তেওঁ বৰ্ণাক উপদেশ দিলে সোনকালেই ভতিজাক ৰমেশলৈ লিখিবৰ কাৰণে। আমেৰিকালৈ যোৱাৰ কি ব্যৱস্থা কেনেকৈ কৰিব পাৰি তাক জনাবলৈ। ৰমেশ ইঞ্জিনীয়াৰ, আমেৰিকাত চাকৰি কৰে। ৰূপৰামে ৰমেশৰ বহুত উপকাৰ কৰি থৈছে। বিশেষকৈ তেওঁ জোৰ নিদিয়া হ'লে ৰমেশে অসম ইঞ্জিনীয়াৰীং কলেজত পঢ়িবলৈ সুবিধা নাপালেহেঁতেন আৰু তেওঁ জোৰ দিয়া হ'লে ৰমেশে পঢ়াকাণ্ডানী

বিভাগৰ একজিকিউটিভ ইঞ্জিনীয়াৰ হৈ অসমৰ ৰাস্তা পদূলি, দলং দালান আদিৰ দূৰৱস্থা কৰিব পাৰিলেহেঁতেন। সৌভাগ্যবশতঃ ৰমেশে নিউ ইয়ৰ্কত ড্ৰাফ্‌টচ্‌মেনৰ চাকৰি এটা পাই আমেৰিকাতে আছিল। তেওঁৰ ডিগ্ৰীটোৱে কাম দিলে কিন্তু ইঞ্জিনীয়াৰীঙৰ শিক্ষা বিশেষ কামত নাহিল। ৰমেশৰ উপাৰ্জ্জন ভালেই আৰু তেওঁ আমেৰিকাত থাকে বুলি বংশৰ সকলোৱে গৌৰৱ কৰে। অসমলৈ গ'লে তেওঁ নিজৰ কথা, আমেৰিকাৰ কথা যেনেকৈ কয় সকলোৱে তেওঁক প্ৰেচিডেণ্ট কাৰ্টাৰৰ শাৰীতে ধৰে। এনে ৰমেশে বণহি আমেৰিকালৈ যাব পৰা পথ মুকলি কৰি দিব বুলি ৰূপৰামৰ দৃঢ় বিশ্বাস আছিল। সেয়েহে, ভাৰত বুৰঞ্জীত জৱাহৰলাল-ইন্দিৰাৰ দৰে ৰূপৰাম-বৰ্ণাৰ নাম অসম বুৰঞ্জীত সোণালী আখৰেৰে লিখা থাকিব বুলি ৰূপৰামে ভৱিষ্যতৰ আগতীয়া সংকেত পাবলৈ ধৰিলে। কিন্তু—

কি (?)-কাণ্ড

আগেয়ে অসমীয়া মানুহে বাহিৰা মানুহ-দুনুহ আহিলে বহিবলৈ দিবৰ কাৰণে বা ঘৰৰ মানুহেও আজৰি সময়ত বহি জিৰাবৰ কাৰণে একোটা চ'ৰা-ঘৰ ৰাখিছিল। আমাৰ মানুহে যাকে তাকে বৰ-ঘৰ অৰ্থাৎ গিৰিহঁত শোৱা আৰু মূল্যবান বস্তু থোৱা কোঠাত সোমাবলৈ নিদিছিল। আন নালাগে বাহিৰা তিৰোতাসকলৰ লগত বহি মেল মাৰিবলৈ বা তিৰোতাসকলে বন কৰিবৰ কাৰণে বৰ ঘৰৰ সমুখত এটা মাৰল-ঘৰ ৰাখিছিল। সেইদৰে পাশ্চিমীয়া দেশত নিমন্ত্ৰিত বা বিশেষ অতিথিক আয়োজিতভাৱে সাক্ষাৎ কৰিবলৈ ড্ৰয়িং-ৰুম (drawing-room) থাকে। এই ড্ৰয়িং-ৰুম শব্দটো দৰাচলতে উইড্ৰয়িং-ৰুম (withdrawing-room)-ৰ অপভ্ৰংশ, কিয়নো ড্ৰয়িং-ৰুম আদিতে আজৰি সময়ত জিৰাবৰ কাৰণেই ৰখা হৈছিল। কিন্তু আজি-কালিৰ অসমীয়া অভিজাতসকল অসমীয়াও নহয়, পাশ্চিমীয়াও নহয়। তেওঁলোকে চ'ৰা-ঘৰ বা ড্ৰয়িং-ৰুম নাৰাখে, তেওঁলোকে ৰাখে ড্ৰয়ং-ৰুম। এই ড্ৰয়ং-ৰুম বিলাকক প্ৰকৃততে ছবিৰ-কোঠা বুলিব পাৰি কিয়নো আলোচনীৰ ছবি চাই চাই ইয়াৰ ৰূপ দিয়া হয় আৰু গিৰিহঁত-গিৰিহঁতনীৰ জীৱনৰ কৃতকাৰ্য্যতাৰ মাপকাঠি হিচাপে ইয়াক ব্যৱহাৰ কৰা হয়। সেয়েহে ইয়াত ধুনীয়া বা দামী চোফা, টেবুল, ৰেডিঅ' আদি আমোদ প্ৰমোদৰ সামগ্ৰী, ডাঙৰ ডাঙৰ ছবি, ফটো, অ'ৰ ত'ৰ পৰা গোটোৱা বা দাম দি কিনা বস্তু আদি প্ৰদৰ্শন কৰা হয় যাতে নেদেখাসকলৰ চকু থত-মত খায় আৰু নোৱৰা সকলৰ চকু পোৰে। ৰূপৰামেও নিজৰ ঘৰত এটা ড্ৰয়ং-ৰুম বৰ ধুনীয়াকৈ তৈয়াৰী কৰিছিল আৰু তাত আমেৰিকাৰ মানুহৰ ঘৰত ৰখাৰ নিচিনাকৈ এখন লাভ-চীট (Love-seat) অৰ্থাৎ এহাল বহি ভালপোৱা বিনিময় কৰিব পৰা প্ৰণয়-চকীও আনি ৰাখিছিল। অৱশ্যে, সাধাৰণতে ৰূপৰামেহে সেইখন চকীত ভৰি-হাত তুলি বহিছিল।

আমি উল্লেখ কৰা কেলেঙ্কাৰী আবেলি ৰূপৰামে নিজৰ ড্ৰয়ং-ৰুমৰ সেই প্ৰণয়-চকীত ভৰি তুলি বহি চাহ খাই থাকোঁতে এখন নীলা ফিয়েট গাড়ী তেওঁৰ ঘৰলৈ সোমাই আহিল। গাড়ীত হাঁহি খিকিন্দালি কৰি আহিছিল এহাল ডেকা গাভৰু—তেওঁৰ জীয়েক বৰ্ণা আৰু এজন ডেকা। গাড়ীৰ পৰা নামি দৌৰি আহি জীয়েকে ৰূপামক ক'লে,

—ড্যাডি, ড্যাডি, এয়া মোৰ বয়-ফ্ৰেণ্ড হৃদয়ন্ত বৃন্দ। বামুণী টেকামত যে কাঠৰ ডাঙৰ মিল আছে এওঁলোকৰ। তেওঁৰ দেউতাকৰ প্ৰাইভেট ফিয়াট মোটৰী আছে—

জীয়েকৰ কথা শুনি ৰূপৰামে অলপ থতমত খালে। হনুমন্তই 'নাইচ টু মিত ইউ' [মনৰ ভাৱ ঃ মোৰ পইচা আছে। মই আপোনাৰ মিত্ৰ হ'ব খোজো] বুলি সোঁহাতৰ পৰা চিগাৰেটটো বাওঁহাতলৈ নি সোঁহাতখন ৰূপৰামলৈ আগ বঢ়ালে। ৰূপৰামেও নিৰস ভৰুৰৰ দৰে শুকান হোৱা তেওঁৰ হাতখন শুকান এটা হাঁহি মা ৰ হনুমন্তৰ পিনে আগ বঢ়ালে আৰু সুধিলে,

—হনুমন্তৰ দেউতাকৰ কাঠৰ মিল আছে বুজিলো। কিন্তু হনুমন্তই কি কৰে ?— বগহি গৌৰবেৰে উত্তৰ দিলে,

—হি ইজ ইন্ মাই ক্লাচ। হি হেজ পাছড ফ্ৰম ডেৰাডুন পাব্লিক স্কুল। বুজিছা দাদি। এইবাৰ কটন কলেজত উই আৰ টুৱেন্টী ফাইভ ফ্ৰম পাব্লিক স্কুল এণ্ড উই আৰ ৰিয়েলী ক্ৰিয়েটিং হেভ'ক। ইউ নঅ', হাউ দি বয়জ এণ্ড গাৰ্লচ ইউজ্‌ড টু চিট চেপাৰেটলী, নাউ উই হেভ ৰিভলিউচনাইজড্ দি হ'ল ঠিং। উই আৰ গিভিং দি টিছাৰ্চ এ গুড লেচন। নাউ দে ৰিয়েলাইজ ভেট ইট ইজ নট্ ইজি টু টিচ ইণ্টেলিজেণ্ট এণ্ড স্মাৰ্ট পিপল ফ্ৰম পাব্লিক স্কুল [মনৰ ভাৱ ঃ এওঁ মোৰ দৰে পাব্লিক স্কুলত পঢ়া। আমি আজিকালি কটন কলেজত খুব অভদ্ৰামি কৰো, কাৰণ আমি পাব্লিক স্কুলত পাচ কৰি অহা ল'ৰা-ছোৱালী ২৫জন একেলগে দল পাতি থাকো। আমি অহাৰ আগেয়ে কটন কলেজত ল'ৰাবিলাক এপিনে আৰু ছোৱালীবিলাক আনপিনে বেলেগ বেলেগকৈ বাহিছিল। কিন্তু আমি গোটেইখন সান মিহলি কৰি দিছো। আমি প্ৰফেচাৰবিলাককো একোটা ভাল শিক্ষা দিছো। তেওঁলোকক অনবৰত আমনি কৰো আৰু পদে পদে অপমান কৰো—]।

জীয়েকক অলপ বাধা দি ৰূপৰামে ক'লে,

—ছাত্ৰ ছাত্ৰীয়েহে গুৰুৰ পৰা জ্ঞান ল'বলৈ চেষ্টা কৰিব লাগে। তোমালোকে আকৌ নিজৰ গুৰুকে শিক্ষা দিয়া, এইটো কি মনোভাৱ—

—গুৰু ! হুৱাট এ জ'ক ? দে ডু নট নঅ' হুৱাট ইজ্ এ বয়-ফ্ৰেণ্ড, হুৱাট ইট মিনচ টু হেভ এ গাৰ্ল-ফ্ৰেণ্ড। এ বাঞ্চ অব হাফ ষ্টাৰ্ভড ইডিয়টচ। দে মেক মি চিক্। অ' কে দাদি, ইউ হেভ ৰিয়েলী বুইনড দি লাভ-চীট। নাউ, ইউ বেটাৰ গ' ইনচাইড। উই আৰ গয়িং টু চীট হেয়াৰ—[মনৰ ভাৱ ঃ গুৰু ! বাদ দিয়া, সেইবিলাক পুৰণিকলীয়া কথা। আজিকালিৰ ল'ৰা-ছোৱালীৰ মৌবনৰ অৰ্থ বুজি নোপোৱা এই বাৰ নোপোৱা শিক্ষকবিলাকে আমাক কি শিকাব ? দেউতা, তুমি এতিয়া ভিতৰলৈ যোৱা আমি তোমাৰ প্ৰণয়-চৰ্চাৰ সদ্ব্যৱহাৰ কৰো।]

ৰূপৰামে তাৰ পৰা সোনকালে আঁতৰি যোৱাই ভাল বুলি একো নুবুজোৱাকৈ লাহে লাহে ভিতৰলৈ গুচি গ'ল। তেওঁৰ মনটোৱে পৰাৰ কাকোঁৰ বৰীয় সফলেয় চাই আছিল আৰু শুনি আছিল। ৰূপৰামক সোধ তেওঁ সুধিলে,

—বয়-ফ্ৰেণ্ড মানে নো কি ? তাক এই দিয়া কথাৰ খুজিছে সোঁৰ ?

ছোৱালীয়ে এনেকৈ ল'ৰা আনি ঘৰ সোমোৱাব বুলি মই সপোনতো ভৰা নাছিলোঁ। সিহঁতক হাবি জঙ্গললৈ গুচি যাবলৈ কওক, এই ঘৰখন অপবিত্র কৰিব নালাগে—

ৰূপৰামে আশ্বাস দিলে,

—ৰ'বাচোন ৰ'বা। ইমান দূৰ আগ বঢ়া নাই—

মেণীয়েকে সেই বৃজনি নামানি দৃঢ়ভাৱে ৰায় দিলে,

—এইবিলাক ক্ষেত্রত এক ইঞ্চিয়েই এমাইল। ছোৱালীয়ে কোনো ল'ৰাৰ পিনে এখোজ আগ বঢ়া মানেই আৰু উভতিবৰ পথ নোহোৱাৰ নিচিনা। এতিয়া আৰু চকু মুদি থাকিলে নহ'ব। কিবা এটা কৰক।

—মই কি কৰিম? মানুহে কোৱা কথাবিলাক তাৰ মানে স'চা।

—কি কথা? কোন মানুহে কৈছে?—মেণীয়েক সুধিলে আৰু ৰূপৰামে সকলো খুলি ক'বলৈ বাধ্য হ'ল। তেওঁলোক দুয়ো আলচ কৰিলে।

—নাই মই আজি কিছুদিনৰ পৰা এনেয়ে বু-বু-বা-বা কিছুমান শুনি আছিলোঁ। মই ভাবিছিলোঁ আমাৰ চকু চৰহা মানুহবিলাকে এনেয়ে এইবিলাক কৈ ফুৰিছে। কোনোবাই হেনো সিহঁতক ব্ৰহ্মপুত্ৰৰ দলঙত দেখিছে, কোনোবাই সিহঁতক হাত ধৰাধৰিকৈ বহি চিনেমা চোৱা দেখিছে, কোনোবাই সিঁহতক কামাখ্যা পাহাৰত দেখিছে ইত্যাদি ইত্যাদি।

—কামাখ্যা মন্দিৰৰ ভিতৰত দেখিছে নে বাহিৰত? সিঁহতৰ আকৌ বিয়া হ'লেই নেকি?

—নাই, নাই, ৰ'বাচোন সিহঁতে মন্দিৰত গৈ বিয়া পতা ধৰণৰ ল'ৰা-ছোৱালী নহয়। আজিকালিৰ দিন কাল অলপ সলনি হৈছে। তুমি ধৈৰ্য্য ধৰাচোন, বুদ্ধি কৰি কিবা এটা কৰিব লাগিব।

—জানো দেউ! ছোৱালীক মেম কৰিবলৈ বিচাৰিছিলে, এতিয়া স'চাকৈয়ে মেম হ'ল। তথাপি তাইক মাৰধৰ নকৰিব। যিহে ছোৱালী ক'ৰবাত দলঙৰ পৰাই জাঁপিয়াই দিব। ভাল বিপদখনে পালে। অ' সোৱা চাওকচোন হনুমন্তই কেনেকৈ তাইৰ হাতত ধৰিছে। ভাল বান্দৰে আহি মোৰ ঘৰখনতে নেজ জোকাৰিছেহি। সেইখন হাত আৰু কেনেকৈ আনলৈ যাচিব?

ৰূপৰাম অলপ বিচলিত হৈ পৰে। কি কৰিব, কি নকৰিব তেওঁ একো ভাবি উলিয়াব নোৱৰা হয়। তথাপি মেণীয়েকৰ উত্তেজনা কমাবলৈ তেওঁ কয়,

—"তুমি একো নজনাকৈ খিহকৈচিহকৈ নক'বাচোন। এইবিলাক আমাৰহে ভুল-ভুলনি। তাই একো বেয়া কাম নকৰে।"

"মই সব জানো! ইয়াকেই ইহঁতে আজিকালি প্ৰেম বোলে। মই সেই হিন্দী চিনেমাখন যে চাইছিলোঁ পাহৰিলে বুলি ভাবিছে নেকি?"

"কিয়, কি চিনেমা?"

"সেই যে ডেকাটোৱে কলেজত পঢ়োঁতে ছোৱালীজনীক গাড়ীত তৈ ঘূৰি ফুৰিছিল, ধুনীয়া ধুনীয়া ফুলনিৰ মাজত জাঁপিয়াই জাঁপিয়াই নাচিছিল, নিমজ ঘাঁহনিত হাত ধৰা ধৰিকৈ বহি দুয়ো গান গাইছিল। তাৰ পিছত যে ছোৱালীজনীৰ দেউতাকে তাইক ল'ৰাটোৰ লগত দেখাদেখি হ'ব নোৱাৰাকৈ বন্ধ কৰি থলে আৰু তাই বিহ খাই মৰি থাকিল। তেতিয়া যে সি মনৰ দুখত আন এজনীৰ লগত প্ৰেম আৰম্ভ কৰিলে। এই আছে, এই নাই তাকেই জানো আজিকালি প্ৰেম নোবোলে ?"

"প্ৰেম ! অ' ল'ৰাৰ কাৰণে প্ৰেম, ছোৱালীৰ কাৰণে বিহ। ল'ৰাই কৰে 'লাভ' আৰু সকলো লোকচান হয় ছোৱালীৰ।"

জীয়েকৰ ওপৰত ৰূপৰামৰ খুব খং উঠিল, কিন্তু তেওঁ জীয়েক আৰু হনুমন্তৰ সন্মুখীন হ'বলৈ নিবিচাৰিলে। বৈণীয়েকে কম্পমানা হৈ কোৱা "এই ৰুমটো সজাওঁতেই মই কৈছিলোঁ এইবিলাক ভালৰ লক্ষণ নহয়। ক'ৰ লাভ-বাৰ্ড আনাইছে, ধুনীয়া ধুনীয়া ৰং-বিৰঙৰ বস্তু সজাইছে। সেইবিলাক দেখি এতিয়া ল'ৰা-ছোৱালীৰ প্ৰেম জাগি উঠিছে" আদি কথাই তেওঁক যেনিহে আতঙ্কিত কৰিলে। তথাপি কিবা এটা কৰিবলৈ বা ক'বলৈ তেওঁ মনোবল গোটাব নোৱাৰিলে। ৰূপৰামে নিজৰ শোৱা কোঠালৈ গৈ তাত থকা আৰামী চকীখনত বহি কিবা অলপ ভাবিলে। কিন্তু ভাবিলে বাঢ়ি যোৱা ভাবনাবিলাকৰ একো ওৰ নাপাই আৰু আহি পৰা সমস্যাৰ সন্মুখীন হ'বলৈ সাহস গোটাব নোৱাৰি তেওঁ আলমাৰীৰ কাপোৰৰ পিছৰ পৰা স্কচৰ বটলটো উলিয়ালে—হঠাৎ তেওঁ মন কৰিলে যে স্কচৰ বটলটো বহুত খালী হৈ গৈছে কিন্তু তেওঁ নিজে বহুত দিন তাৰ পৰা স্কচ খোৱাই নাই। তেওঁ বৈণীয়েকক মাতি সুধিলে,

"এইটো কোনোবাই খুইছিল নেকি ?"

"আপোনাৰ বৰ-বৰৰ মূল্যবান বস্তু কেনেকৈ সেৱে সেৱে হব। মই এবাৰ কাহিহে গা বেয়া লাগিলে সেইটোৰ পৰা গিলাচত ঢালি খোৱা দেখিছোঁ। ছোৱালী মানুহে সেইবিলাক খোৱা জানো ভাল বুলি মই এবাৰ সুধিলত তাই ক'লে—দেউতাই খোৱা ভাল যেতিয়া এইবিলাক বস্তু আমাৰ কাৰণেও ভাল।"

বৈণীয়েকৰ উত্তৰ শুনি ৰূপৰামৰ খং দুগুণে চৰিল আৰু খঙেৰে ক'লে,

"অ', তাই এতিয়া মোৰ লগত বেৰ মাৰিব পৰা হ'ল ?"

ৰূপৰামৰ কাৰণেই ল'ৰা-ছোৱালী কেইটাই ভাল পথেৰে যাবলৈ শিকিছিলে বুলি তেওঁৰ বৈণীয়েকৰ দৃঢ় বিশ্বাস। সেয়েহে সুযোগ পালেই [illegible] ঘূৰাই ৰূপৰামক সেই কথাটো উপলব্ধি কৰাবলৈ চেষ্টা কৰে। তেওঁ ৰূপৰামক কলে,

"কেন হবা নালাগে ভাই আপোনাতকৈ এখোজ আগতে। আপুনি একোপহে খায়, তাই একেবাৰে তিনি চাৰি ঢোকমান মাৰে। সেইটো খাবলৈ জানো তাইৰ

গাটো খুব ভাল লাগে। তাই হেনো লগৰ ল'ৰা-ছোৱালীৰ লগত বহুবাৰ খাইছে।”

সমস্যা তেওঁ ভবাতকৈও গভীৰ আৰু জটিল বুলি জানিব পাৰি ৰূপৰামে বটলটো আগৰ ঠাইত থৈ আকৌ আৰামী চকীখনত বহি পৰিল। ৰূপৰামে তেওঁৰ চাৰিওপিনে গঢ়ি তোলা ভুৱা পৃথিৱীখন হঠাৎ খহি পৰিবলৈ আৰম্ভ কৰিলে। মহামাৰীয়ে যেন তেওঁকও আক্ৰমণ কৰিলে। বাৰে বাৰে তেওঁ যুক্তি বিচাৰিলে জীয়েকৰ কাণ্ড কাৰখানা দে খি তেওঁ কিয় এনেদৰে আতঙ্কিত হৈছে, কিন্তু বাৰে বাৰে তেওঁ যুক্তি পালে যে জীয়েক বৰ্ণাই একো বেয়া কাম কৰা নাই। তেওঁ যিমানেই যুক্তি বিচাৰে সিমানেই যুক্তি তেওঁৰ বিপৰীতে যায়। তথাপি তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰে যে বৰ্ণাৰ কাৰ্যকলাপ যুক্তিসঙ্গত হ'লেও সেইবিলাক কিবা কাৰণত ভুল। কেৱল কি কাৰণত ভুল তাৰ উৱাদিহ নাপাই তেওঁ উচপিচাবলৈ ধৰিলে।

হনুমন্ত দেখাই শুনাই ধুনীয়া ডেকা। তাৰ টকা-পইচাও আছে, বুদ্ধিও আছে। বৰ্ণাৰ দেহ মনক সন্তুষ্ট কৰিব পৰা বা সকলো ঐহিক সুখ দিব পৰা সি এজন উজ্জ্বল ভৱিষ্যতৰ লোক। তেনেহ'লে তেওঁৰ শঙ্কা কিহৰ বাবে? তাৰ লগতেই যদি বৰ্ণা সুখী হ'ব পাৰে তেনেহ'লে তেওঁ আনন্দিত হোৱাহে উচিত। তেওঁ এইটো ভালদৰে জানিছিল যে তেওঁৰ পছন্দৰ আৰু তেওঁৰ ভাল লগা ল'ৰা এজনক বৰ্ণাৰ লগত দেখিলে হয়তো তেওঁৰ ভাল লাগিলে হেঁতেন। হনুমন্ত বায়কতো তেওঁৰ ভাল নলগাৰ কোনো কাৰণ নাই। হনুমন্তৰ নিচিনা বৰ্ণাৰ দৰে একে ধৰণেৰে ডাঙৰ হোৱা ল'ৰা এজন বৰ্ণাৰ নিশ্চয় যোগ্য। তথাপি তেওঁৰ মনে নামানে যে হনুমন্ত আৰু বৰ্ণাৰ সম্বন্ধ ভালৰ কাৰণে হৈছে। সিহঁত দুটাই কি ভুল কৰিছে তাকও তেওঁ নাজানে বা তাক বিচাৰ কৰিব পৰা সজ চিন্তা তেওঁৰ নাই।

সিহঁত দুটাৰ ওচৰলৈ গৈ, সিহঁত দুটাৰ সন্মুখীন হ'বলৈ ৰূপৰামৰ সাহস নহ'ল। সিহঁতক ধমকি দিওঁ বুলি কেবাবাৰও চকীৰ পৰা উঠে আৰু নিজৰ কোঠাতে দুটামান পাক মাৰি আকৌ বহি পৰে। তেওঁ নিজৰ এনে দুৰ্বলতাত নিজেই আচৰিত হ'ল। ডেকাকালত, তেওঁ কলেজত পঢ়োতে তেওঁৰ তীক্ষ্ণ যুক্তিৰ তৰ্কৰ আগত কোনো টিকিব নোৱাৰিছিল। অধ্যাপকৰ পৰা আৰম্ভ কৰি একেবাৰে গৱৰ্ণৰলৈকে সকলোৱে তেওঁৰ লগত বাকযুদ্ধ কৰিবলৈ ভয় কৰিছিল। স্বাধীনতা আন্দোলনৰ সময়ত তেওঁৰ বক্তৃতাই সকলোৰে মনত দপদপাই জুই জ্বলাইছিল। আগেয়ে কি ডেকা, কি বুঢ়া সকলোৱে তেওঁৰ কথাত মূল্য দিছিল। কিন্তু স্বাধীনতাৰ পিছত কিবা এক আচৰিত পৰিৱৰ্তন হ'ল। তেওঁৰ জীৱনে বহৰ চকীৰ কঁহৰাত কেনেবাকৈ এনেদৰে আৱদ্ধ হ'ল যে কৰ্মৰ দৰে তেওঁও সকলো অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে পাহৰি গ'ল। মন্ত্ৰিত্বৰ ক্ষমতা আৰু ধনৰ লোভে তেওঁৰ ব্যক্তিত্বৰ সকলো ক্ষমতা লোপ পোৱালে। সেয়েহে ক্ষমতাৰ অভাৱত, ক্ষমতাৰ অপব্যৱহাৰেৰে এনে বটাৰ প্ৰভাৱত তেওঁৰ চৰিত্ৰত আছি পৰিল কেৱল দুৰ্বলতা আৰু নিৰাশ্য।

জ'বন যাত্ৰাৰ স্‌পথ এৰি দুষ্কাৰ্য্যৰ বা বিবেকহীনতাৰ তেওঁ যি পথ অঁকোৱালি লৈছিল সেই পথ তাৰ স্বাভাৱিক পৰিণতিলৈ অহাত তেওঁ দোমোজাত পৰিল। সজ আদৰ্শ আৰু সৎ সাহসে তেওঁৰ ব্যক্তিত্বক আগেয়ে যি নিশ্চিত মনোভাৱ আনিছিল তাৰ পৰিবৰ্ত্তে তেওঁৰ কাৰ্য্য কলাপত পৰিলক্ষিত হ'বলৈ ধৰিলে অনিশ্চয়তা আৰু এক নিৰুপায় অৱস্থা। মস্তিষ্কৰ কাৰণে বা আৰু কিছু, সা-সম্পত্তি কৰিবৰ কাৰণে চেষ্টা কৰাৰ বাহিৰে তেওঁ জীৱনত আন একোকেই চিনি নোপোৱা হ'ল। আগেয়ে নিজৰ কৰ্ম পথ বিচাৰি লওঁতে বা সেই পথত খোজ দিবলৈ তেওঁ কেতিয়াও দ্বিতীয়বাৰ ভাবিব লগীয়া হোৱা নাছিল। কিন্তু বৰ্ত্তমান নিজৰ ধন-সম্পত্তিক আনি তেওঁৰ লগত হাত জোকাৰি পৰিচয় কৰি যি সমস্যাৰ সৃষ্টি কৰিলে সি তেওঁৰ বিচাৰ বুদ্ধিক সম্পূৰ্ণৰূপে ধুঁৱলী-কুঁৱলী কৰিলে। সেই সাধাৰণ সমস্যাটোৱেই তেওঁৰ প্ৰাণ ক'পাই তুলিলে, তাৰ ধুমুহাই যেন তেওঁৰ সকলো চুৰমাৰ কৰিলে। আন একো কৰিব নোৱাৰি তেওঁ শেষত গিলাচ এটাত স্কচকে অলপ ঢালি ল'লে আৰু অলপ পানী মিহলাই খাবলৈ আৰম্ভ কৰিলে। তেওঁ হয়তো আশা কৰিছিল যে সেইটোপাই সকলো পাহৰাই দিব, কিন্তু তেওঁৰ বৈণীয়েকে আহি ঠাট্টাৰ সুৰেৰে ক'লে,

"এনেধৰে সেই সোপা খাই থাকিলে কেনেকৈ হ'ব? যাওক, জোৰাই ল'বা আছিছে, ওলাই মাত এষাৰ নিদিলে কথাটো ভাল নেদেখিব। বহুত পইচা খৰচ কৰি 'লাঞ্চ-চাৰ্ট' আনিছিলে নহয়, এতিয়া সিহঁত দুটাই কেনেকৈ তাৰ সদ ব্যৱহাৰ কৰিছে চাওকহে।"

শ্ৰীযুতা চৌধুৰীৰ পৰা অলপ সহানুভূতি পাবৰ আশাৰে ৰূপৰামে বাওঁহাতৰ আক্ষেপ কৰিলে,

"মই আনিছিলো তোমাৰ কাৰণেহে। কিমান কৰিলো তোমালোকৰ কাৰণে— তোমাৰ কাৰণে। এতিয়া মোক ঠাট্টা কৰিবলৈ বেয়া লগা নাই নে?"

"বেয়াটো লাগিছেই। তথাপি সকলো চকু মুদি চাই থাকিব নোৱাৰো। মইতো কেতিয়াও একোকে বিচৰা নাই। আপোনালোক সুখে থাকক। ল'ৰা-ছোৱালী কেইটাৰ ভাল হওক তাকেই সদায় কামনা কৰি আছিলো। আপুনিতো সিহঁতক ভাল কথা এটা শিকাবলৈ চেষ্টা নকৰিলে। ভাল আদৰ্শ এটা নেদেখুৱালে।"

"মইনো কি বেয়া আদৰ্শ দেখুৱালো? মই জানত থাকি দুৰ্নীতি বাটে ধাৰ লগীয়া হোৱা-হ'লে ধন পালোহেঁতেন?"

ৰূপৰামৰ কথাই শ্ৰীযুতা চৌধুৰীক সান্ত্বনা দিব নোৱাৰিলে। কিবা এক আবেগে তেওঁক কন্দুৱাই পেলালে। আঁচলেৰে চকু পানী মচি তেওঁ নিজকে সুস্থিৰ কৰিলে। তেওঁ যেন পৰিস্থিতিটোৰ আচল কাৰণ বুজি পাইছে আৰু সেই সমস্যা সমাধানৰ উপায়ও দেখা পাইছে তেনে দৃঢ়তা প্ৰকাশ কৰি ক'লে,

"মইতো আপোনাক সদায়ে কৈ আছিলো যে আপোনাৰ জীৱনত কোনো আদৰ্শ

মাইকিয়া। স্বাধীনতাৰ আগেয়ে আপোনাৰ আদৰ্শ দেখি আমি আটায়ে ভাল পাইছিলোঁ। কিন্তু ১৯৪৭ চনৰ ১৫ আগষ্টত ইংৰাজৰ পতাকাখন নমাই কংগ্ৰেছৰ পতাকাখন উত্তোলন কৰা মুহূৰ্ত্তৰে পৰা আপোনাৰ জীৱনত ভোগ-বিলাস, ধন-প্ৰেম আৰু স্বাৰ্থৰ তিৰঙ্গ পতাকা উৰিবলৈ ধৰিলে।"

ঘৈণীয়েকক বাধা দি বুপৰামে অলপ ধমকি দি ক'লে,

"তোমাৰ মুখখন বৰ বেয়া হৈছে দেই। মই কি কৰিব লাগে কোৱাচোন। গুণ্ডা লগাই তাক পিতিব লাগে নে সিহঁতক গুলিয়াই মাৰিব লাগে?"

"যদি তাৰ বাদে আপুনি আন একো পথ দেখা নাই, তেনেহ'লে আপুনি হাত সাৱটি ৰহি থাকক। আজিৰ পৰা ছোৱালীৰ দায়িত্ব মই ল'ম। মোৰ ওপৰত আপুনি একো নামাতিব।" বুলি ঘৈণীয়েকে বৰ্ণা আৰু হনুমন্তৰ লগত কথা পাতিবলৈ গ'ল।

বুপৰামে একপ্ৰকাৰ সকাহ পালে। জীৱনৰ এনেকুৱা সঙ্কটৰ সময়ত তেওঁ যেতিয়া এটা শিশুৰ দৰে নিঃসহায় হৈ পৰে তেওঁৰ ঘৈণীয়েকে নিজৰ মনোবল গোটাই সেই সঙ্কটৰ সমকক্ষী হৈ উঠে—তেতিয়া সেই সঙ্কট ধুমুহাৰ দৰে প্ৰচণ্ড হ'লেও শ্ৰীযুতা চোধুৰীৰ সবল আত্মাৰ বলিষ্ঠ গতিৰ আগত হাৰ মানে। বুপৰামে এইটো ভালদৰে জানে যে তেওঁৰ যদিও কলেজীয়া শিক্ষা আছে, নানা অভিজ্ঞতা আৰু বিশেষ কৰ্মক্ষমতা আছে, তথাপি তেওঁ তেওঁৰ ঘৈণীয়েকতকৈ কিবা প্ৰকাৰে যেন অতি দুৰ্বল। শ্ৰীযুতা চোধুৰী এনে এক আদৰ্শেৰে অনুপ্ৰাণিত যে তেওঁ কেতিয়াও শোক-দুখৰ দ্বাৰা বিচলিত নহয় বা তেওঁ কেতিয়াও বেয়া কাম কৰিলোঁ বুলি অনুতপ্ত হ'ব লগীয়া হোৱা নাই। অথবা, তেওঁ গোটেই জীৱনটো কোনো উচ্চ আকাঙ্ক্ষা নোহোৱাকৈ সহজ সৰল ভাৱে নিজৰ গিৰিয়েক আৰু ল'ৰা-ছোৱালী কেইটাৰ প্ৰতি নিজৰ দায়িত্ব বহন কৰিয়েই কটাই আহিছে। বাহিৰৰ পৰা আনে হয়তো তেওঁক এজন সাধাৰণ অশিক্ষিতা গৃহিণী বুলিয়েই ভাবে। সেই গৃহিণী যে বিশেষ এক জ্ঞানৰ প্ৰভাৱে দীপ্ত তাক হয়তো কেৱল বুপৰামেহে জানে। তথাপি ঘৈণীয়েকৰ কথাই বুপৰামৰ মনত একো প্ৰভাৱ পেলাব নোৱাৰিলে। বুপৰাম এনে এজন ব্যক্তি যাৰ ধাৰণা যে ভাল বা সৎ কাম কৰাটো এক প্ৰকাৰ দুৰ্ব্বলতা।

স্বাধীনতাৰ আগতে বুপৰামে চৰকাৰে যাচি দিয়া ভাল চাকৰি আৰু অভিজ্ঞতাপূৰ্ণ জীৱনও প্ৰত্যাখ্যান কৰিব পাৰিছিল কিন্তু স্বাধীনতাৰ পিছত বুপৰামে ইঞ্জিনীয়াৰ, ঠিকাদাৰ, দোকানী, বেপাৰী সকলোৰে পৰা যেনেকৈ পাৰে তেনেকৈ পইচা সৰকাই নিজৰ জীৱনত ভোগ-বিলাস আনিবলৈহে চেষ্টা কৰিলে। স্বাধীনতাৰ আগতে বিদেশী কাপোৰ পিন্ধিবলৈ এৰি তেওঁ নিজে সূতা কাটি খদ্দৰ কাপোৰ পিন্ধিছিল। এবাৰ তেওঁৰ মোমায়েক এজনে বিলাতৰ পৰা তেওঁলৈ অনা ঘড়ী এটা তেওঁ ল'বলৈ অস্বীকাৰ কৰি মোমায়েকক খিয়াল দিছিল বিদেশী শিক্ষা আৰু বিদেশী বস্তুৰ প্ৰতি মোহ দেখুওৱা কাৰণে। স্বাধীনতাৰ পিছত বুপৰামৰ

বিদেশী বস্তুৰ প্ৰতি ইমানেই লোভ বাঢ়িল যে তেওঁ শিক্ষামন্ত্ৰী থাকোঁতে অসম চৰকাৰে কিনা হাত বাগৰা আমেৰিকান গাড়ী এখনৰ কাৰণে তেওঁ ৰাজহ মন্ত্ৰীক ধুঁচিয়াই মাৰিবলৈ উদ্যত হৈছিল। তদুপৰি তেওঁ ফুটনিহে কৰে যে তেওঁৰ জীয়েকে দেশী প্ৰসাধন সামগ্ৰী ব্যৱহাৰ নকৰে, বিদেশী প্ৰসাধন সামগ্ৰীহে ব্যৱহাৰ কৰে। কেৱল তেওঁ নাজানিছিল যে তেওঁৰ জীয়েক বৰ্ণাই কেৱল যে ওঁঠ বা গালত বিদেশী ৰং সানিয়েই ভাল পাইছিল তেনে নহয়। সেই বিদেশী ৰং-দ্ৰব্যবোৰ তেওঁৰ ওঁঠ-গাল-নখ আৰু ছালৰ সৰু সৰু ছিদ্ৰবোৰেৰে সোমাই বৰ্ণাৰ মন প্ৰাণতো বিদেশী বস্তুৰ প্ৰলেপ পেলাইছিল। সেয়েহে, বৰ্ণাই বিদেশী পশ্চিমীয়া ছোৱালীৰ দৰে বয়-ফ্ৰেণ্ডৰ লগত দেখাদেখিকৈ চহৰত, উলা-মলা কৰি গুৱাহাটীৰ ধূলি বালিবোৰ তাৰ অসমীয়া ৰাইজৰ কাৰণে বেছি অসহ্য কৰি তুলিছিল।

বৰ্ণাৰ এনে ব্যৱহাৰৰ কাৰণে ৰূপৰামে নিজকে অকণো দোষ নিদিয়ে। অথচ স্বাধীনতাৰ পিছত ৰূপৰাম আৰু ৰূপৰামৰ নিচিনা নেতা বা সমাজৰ ভব্য গব্য লোক-সকলেহে কিবা এক ভুৱা জীৱন নিৰ্বাহ কৰি আহিছে। আগেয়ে দেশখনক পৰাধীনতাৰ অন্যায় অবিচাৰৰ পৰা মুক্ত কৰাৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ এই লোকসকলে এটা সুস্থ সবল জাতি গঢ়ি তুলিবলৈ স্বাৰ্থত্যাগ কৰিব পাৰিছিল, কিন্তু স্বাধীনতাৰ পিছত তেওঁলোকে সকলো সজ আদৰ্শ বিসৰ্জ্জন দিলে। প্ৰকাণ্ড প্ৰকাণ্ড ঘৰ সজা, নিজৰ ল'ৰা-ছোৱালীক জাকজমকীয়া জীৱনৰ সোৱাদ দিয়া আৰু যিমান পাৰে সিমান পইচা খোৱাটোৱেই যেন তেওঁলোকৰ জীৱনৰ লক্ষ্য হৈ পৰিল। স্বাধীন জাতি এটাৰ ব্যক্তিসকলে মানৱীয় স্বত্ব আৰু অধিকাৰবিলাক পাবলৈ প্ৰয়োজনীয় বাতাবৰণ সৃষ্টি কৰা দূৰৈত থাওক তেওঁলোকে কেৱল দুৰ্নীতি, ক্ষমতালোভ, অন্যায় অবিচাৰেৰেহে জাতিটোক দুৰ্দশা কৰিবলৈ ধৰিলে। বিদেশী শোষণকাৰী চৰকাৰৰ সলনি অসমত প্ৰতিষ্ঠিত হ'ল স্বদেশী দুৰ্নীতিকাৰী চৰকাৰ। সাধাৰণ লোকে তাৰ সোঁৱাস্থত সমানে ভুগিলে আৰু আনে অসমীয়া ভাষা কৃষ্টি ও সংস্কৃতিৰ মৰিশালী গঢ়িবলৈ ধৰিলে।

দেশৰ এনেকুৱা অৰাজকতা যেতিয়া এখন গণতন্ত্ৰত থাকিব পৰা কিছুমান স্বাভাৱিক দোষ অস্বাভাৱিক ভাৱে বান্ধি পালে আৰু যেতিয়া অসমীয়া তথা ভাৰতীয় জাতিৰ সকলো স্বকীয় বৈশিষ্ট্য এক প্ৰকাৰ লোপ পাওঁ পাওঁ হ'ল তেনেকুৱা এটা সময়ত তেনেকুৱা এখন সমাজত বৰ্ণা আৰু হনুমন্তক ৰূপৰামে বুজি পোৱাত অসুবিধা হ'ব নালাগিছিল; তেওঁ হয়তো ইমান দিনে তেওঁ সক্ৰিয়ভাৱে বিস্তৃত কৰা ভুৱা জীৱনৰ ক'লা মেঘে নিজৰ জীৱনতো ছাঁ পেলাব পাৰে বুলি ভবা নাছিল। যাহওক, তেওঁৰ জীৱন আৰু তেওঁৰ ব্যক্তিত্ব ইমান বিকৃত হৈ পৰিছিল যে তেওঁ সেই সমস্যা সমাধানৰ উপায় ভাবিবলৈ ধৰিলে সজ ভাৱে নহয় কিবা চতুৰালি কৰিহে। গুণ্ডা লগাই হনুমন্তৰ অনিষ্ট কৰাৰ বা বৰ্ণাক আন কোনোবা আঁতৰাই পঠিওৱাৰ তেওঁ জল্পনা কল্পনা কৰিবলৈ ধৰিলে।

শ্ৰীযুতা চৌধুৰীয়ে বৰ্ণা আৰু হনুমন্তৰ সন্মুখীন হৈ তেওঁলোকক স্পষ্টভাৱে ক'লেগৈ যে তেওঁলোকৰ নিচিনা ডেকা-গাভৰু এহালে তেনেদৰে উতনুৱা হৈ উলামুলাকৈ ঘূৰি ফুৰাটো অসমীয়া সমাজত মানুহে ভাল নোবোলে যেতিয়া তেওঁলোকে সমাজৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই অলপ সংযত হোৱা উচিত। বৰ্ণা আৰু হনুমন্তই শ্ৰীযুতা চৌধুৰীৰ ওচৰত হাৰ মানিবলৈ নিবিচৰা কাৰণে এখন সৰুসুৰা বাক যুদ্ধই সংঘটিত হ'ল।

বৰ্ণা ঃ মা, আমাৰ হ্চাইটীত বহুতো বেয়া কথা আছে। সেই বিলাক আমিয়েই গুচাব লাগিব।

মাক ঃ আমাৰ বেয়াবিলাক গুচাব পাৰিলে ভালেই। কিন্তু তহঁতে দেখোন প্ৰথমে ভালবিলাকহে নষ্ট কৰিবলৈ ধৰিছ।

হনু ঃ এটা ল'ৰা আৰু এজনী ছোৱালীৰ ভাল লাগিলে সিহঁত দুটাই বাৰু কিয় অলপ একেলগে ঘূৰাঘূৰি কৰিব নোৱাৰে বা অলপ ফুৰ্ত্তি কৰিব নোৱাৰে।

মাক ঃ তোমালোকে কি ফুৰ্ত্তিৰ কথা কৈছা তাক তোমালোকেহে জানা। আমাৰ সমাজত ভালপোৱাটো অতি পবিত্ৰ বস্তু। তাক শাৰীৰিক বা দেখাদেখিকৈ প্ৰকাশ কৰিবলৈ গ'লে সেই পবিত্ৰতা নষ্ট কৰা হয়।

বৰ্ণা ঃ মা, তুমি সঁচাকৈয়ে খুব অ'ল্ড ফেছন্দ। চোৱা, তোমাৰ গোটেই জীৱন এনেয়ে গ'ল। তুমি কেতিয়াও ফুৰ্ত্তি কৰিবলৈ নাপালা, সদায় ঘৰত সোমাই থাকোঁতেই গ'ল। এতিয়া মই অলপ ৰং-ধেমালি কৰিব পৰা কাৰণে তুমি ভালহে পাব লাগে।

মাক ঃ মইতো জীৱনত কিবা সুখ-সম্প্ৰীতিৰ পৰা বঞ্চিত হোৱা যেন মোৰ নালাগে।

হনু ঃ মই আপোনাৰ ঘৰলৈ অহা কাৰণে যদি বেয়া পাইছে মই গুচি যাওঁ। মোক বৰ্ণাই মাতি অনা কাৰণেহে মই আহিছো।

মাক ঃ তুমি মোৰ ঘৰলৈ অহা কাৰণে মই অকণো বেয়া পোৱা নাই। তোমালোক দুজনে ৰং-ধেমালি কৰিলেও মই বেয়া নাপাওঁ। তোমালোকে ইজনে সিজনৰ প্ৰতি দায়িত্ব আৰু সমাজৰ প্ৰতি তোমালোকৰ দায়িত্ব বুজা নাই কাৰণেহে মোৰ অসুবিধা লাগিছে।

হনু ঃ আমি আমাৰ দায়িত্ব খুব ভালদৰে বুজি পাওঁ। আজিকালি আগৰ দিন নাই আমাৰ মনবিলাক একদম মুকলি। উই আৰ ইন টুৱেন্টিয়েথ চেঞ্চুৰী। আজিকালি পুৰুষ আৰু নাৰী সমান। মই নাৰীৰ মৰ্য্যাদা বুজি পাওঁ।

মাক ঃ তোমাৰ পক্ষে তেনেদৰে কোৱা সহজ। মোৰ ছোৱালীৰ লগত গা লেলাই ঘূৰি নুফুৰিব তুমি যদি লাজ আবৰণৰ কাৰণে সাধাৰণ কাপোৰ-কানি এপাকও ল'ব নোখোৱা বা কোলাৰ কেঁচুৱা বুকুত বান্ধি লৈ শিল ভঙা, বালি কাঢ়োঁতা নাৰীসকলৰ কথা ভাবিলাহেঁতেন তেতিয়া তুমি নাৰীৰ মৰ্য্যাদা বুজি পোৱা বুলি বিশ্বাস হ'ল হেঁতেন। ইমান ডাঙৰ কথা কোৱাৰ কোনো

প্ৰয়োজন নাই। তুমি সাধাৰণ কমাৰ্চিয়েলকে যে বুজি পোৱা মোৰ সন্দেহ।

হৰ্দ : মানে কি? হুৱাট ডু ইউ মিন?

মাক : আচ্ছা, এটা কথা কোৱাচোন, তুমি চলোৱা গাড়ীখন কাৰ?

হৰ্দ : কিয়? মোৰ দেউতাৰ। মোৰ দেউতাৰ দুখন গাড়ী। সেইকাৰণে এইখন মইেই চলাওঁ। আমাৰ ঘৰৰ পৰা কলেজলৈ বহুত দূৰ কাৰণে এতিয়া গাড়ীখন তেওঁ মোকেই দিয়াৰ দিছিল।

মাক : কিন্তু তুমি যে কলেজৰ মেম্বাৰ নামত গোটেইখন বুলি কৰা তাক তোমাৰ দেউতাৰাইখানে নে?

হৰ্দ : মোৰ দেউতাও একদম আঁচত নেথাকে। মই সেইকাৰণে তেওঁক নকওঁ। আমি কিন্তু এইবিলাক সকলো মেৰ কৰি দিব।

মাক : আৰু তুমি এনেকৈ হোৱালীৰ নামত বা বন-পিকনিকত খাই উৰোৱা পইচাবিলাক তুমি নিজেই অৰ্জা নে কি?

হৰ্দ : নাই, মোৰ দৰকাৰী পইচা মোৰ মা দেউতাই দিয়ে। তেওঁলোকে মোক জন্ম দিছে কাৰণে মোক ভালদৰে ভাতৰ দীৱন কথাটো তেওঁলোকৰ ডিউটি।

মাক : তোমাৰ প্ৰতি তোমাৰ মা দেউতাৰ দায়িত্ব মই বুজি পাওঁ। কিন্তু তোমাৰ মা দেউতাৰ প্ৰতি তোমাৰ কি দায়িত্ব তাক তুমি ক'ব পাৰিবা নে?

হৰ্দ : মই তেওঁলোকক সুখী কৰিম বুলো।

বৰ্ণা : মা তোমাৰ পৰা শান্তি নাই। তুমি নিজে বাতিয়ে মোক দেখিবৰ দিয়া। এতিয়া তুমি মোৰ দেখক এনেকৈ জোৰা কৰিব নালাগে। তুমি [illegible] পোৱা আমি আন কেলিবা বহিছোঁ।

মাক : তহঁত এতিয়া ডাঙৰ হৈছে। আমি এনা কথা কয় তহঁতে কৰিব [illegible] নে। [illegible] আছে কিন্তু কোনো আন নাই। তহঁতে নাৰী-বৰ্গা [illegible] তহঁত [illegible] পালিচিয়া বয়স দ'বা-ছোৱালীৰ পুৰুষ নাৰীৰ সমা[illegible] [illegible] দায়িত্ব শিক্ষা হাঁল গাঁজ আদি উপদ্ৰৱো [illegible] শিখিব কিন্তু [illegible] সকলো নাই। তহঁতৰ মা-দেউতা, শিক্ষক, [illegible] আদি [illegible] ব্যক্তিৰে তহঁতৰ প্ৰতি দায়িত্ব আছে কিন্তু তহঁতৰ কাৰো প্ৰতি কোনো দায়িত্ব নাই।

হৰ্দেৱ আৰু বৰ্ণাক মাকে শান্তি দিলে। আজিকালি [illegible] হৰ্দেৱ [illegible] গৈছে। বৰ্ণাই [illegible] মাকে যে বাতি [illegible] কিয় এটা পাতিছে [illegible] তেওঁ বুজি পালে। সেইবিলাকৰ চাই [illegible] কথা-বতৰা [illegible] [illegible] যে [illegible] [illegible] [illegible] [illegible] শিকত খাটি, [illegible] [illegible] [illegible] আদি [illegible] [illegible] [illegible]

আচ্, তাবে যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হ'বই লাগিব, নহ'লে নিস্তাৰ নাই। ই এক সামাজিক যুদ্ধ—সমাজে মোট সলালে ঘৰে ঘৰে এই যুদ্ধ আৰম্ভ হয়। এই যুদ্ধত কোনে জিকে কোন হাৰে তাৰ কোনো ঠিক নাই। কিন্তু সকলোৱেই ভালদৰে আঘাত পায়।

কুপৰামে আঘাত পালে, বৰ্ণাক তেওঁ যি বৰচকীয়া পথেৰে আগুৱাই যাবৰ সুবিধা দিছিলে সি সেখোন তাইৰ অনিষ্ট হে সাধিলে। বৰ্ণাৰ মাকে আঘাত পালে, নিজৰ ছোৱালীয়ে সমাজৰ নীতি-নিয়মাবলীক পদাঘাত কৰা দেখি। সেই যুদ্ধৰ নেপথ্য নায়ক হৃদয়েও বায়ে আঘাত পালে, দেউতাকৰ টকা-পইচা, গাড়ী মটৰ লৈ তেওঁ বৰ্ণাৰ জগত বিষয়ে ফুৰ্ত্তি কৰিম বুলি ভাবিছিল তাত বাধা পৰা দেখি। আটাইতকৈ বেছি আঘাত পালে বৰ্ণাই।

'কি কৰো ?'—কাণ্ড

বৰ্ণালি মাক দেউতাকে বৰ্ণালিৰ লগত ভালদৰে আলোচনাৰ মাজেৰে বুজাই দিলে যে তেওঁ অসমীয়া সমাজত অসমীয়া ছোৱালীৰ নিচিনাকৈহে থাকিব লাগিব। বয়-ফ্ৰেণ্ড লৈ যঁতে তঁতে ঘূৰি ফুৰাটো তেওঁলোকে পছন্দ নকৰে। বৰ্ণালি যদি সেয়া কাম কৰি মাক-দেউতাকৰ নাক-কাণ কাটিবলৈ বিচাৰে তেনেহ'লে তেওঁ নিজৰ কাৰণে নিজেই দ'ব লাগিব আৰু মাক-দেউতাকে যদি তেওঁক একেবাৰে সু-পাত্ৰৰ লগত বিয়া দি ঘৰৰ পৰা উলিয়াই দিয়াৰ একেলো সমাৰম্ভা তেওঁ মানিবলৈ কৰে তেনেহ'লে তেওঁক ঘৰৰ পৰা উলিয়াই দিবলৈ মাক-দেউতাক বাধ্য হ'ব। অসমীয়াই হওক বা আন কোনোবাই হওক তেওঁ যদি কেতিয়াবা একেজনক সঁচাকৈয়ে ভাল পায় আৰু তেনে কোনোবা একেজনৰ লগত বিয়া পাতিবলৈ বিচাৰে তেনেহ'লে তেওঁলোকে বিয়া পাতি দিব। বৰ্ণালি ককায়েকহঁতেও দৃঢ়ভাৱে সেই একে কথাকে ক'লে।

এই বিলাক কথা শুনি বৰ্ণালিৰ জীৱনটো একেবাৰে তিতা হৈ পৰিল। প্ৰেম, বিয়া, ভালপোৱা আদি মাকহঁতে কোৱা কথাবিলাকৰ অৰ্থ তেওঁ বুজি নাপালে। তেওঁৰ বয়-ফ্ৰেণ্ড হলৰ বাবে মাত্ৰ এনে কাৰণে যে মাক-দেউতাকে তেনেদৰে খং কৰিব তাক তেওঁ ভবাই নাছিল। সৰুৰে পৰা তেওঁ পাব্লিক স্কুলতহে শিক্ষা পাইছিল। তেওঁৰ কাৰণে অসমীয়া ছোৱালীৰ ঘৰ অধিক কঠোৰতা কাৰণে, সেয়ে অসমীয়া সমাজখন তেওঁ ভাল দৰে চিনি নাপাইছিল। তেওঁ স্কুলত ইংৰাজী মাত কথাহে শিকিছিল, ইংৰাজী ভাষাত পাশ্চাত্য জীৱনৰ বিষয়েহে তেওঁ স্কুলত পঢ়িছিল। পাব্লিক স্কুলত পঢ়া তেওঁ আৰু তেওঁৰ বন্ধু-বান্ধৱী বিলাকে ইংৰাজী জীৱনৰহে ছবি কল্পনা কৰিছিল—কাউবয় ফিল্ম, হিপ্পি, পেকেট জোতাৰ, ডিস্কো ডান্স আদিহে তেওঁলোকৰ কাৰণে সঁচা। মদ্যপান, নাচ, পাৰ্টি দেখাদেখি ডিস্কো বা বল ডান্স, আমেৰিকান চিত্ৰ অবিকল দৰে ছিনেমাতো পাৰ আনিবহে তেওঁলোকে ফুৰ্তি লোৰিছিল। সঁচাকৈ প্ৰকৃত পক্ষে মাক-দেউতাক, ভাই-ভনী বা আত্মীয়-স্বজনৰ লগত আন্তৰিক সম্বন্ধ গঢ়াৰ তেওঁলোকে কোনো সুবিধা পোৱা নাছিল। তেওঁলোকৰ একমাত্ৰ আন্তৰিক সম্বন্ধ আছিল নিজৰ বয়-ফ্ৰেণ্ড বা গাৰ্ল-ফ্ৰেণ্ডৰ লগত।

যি সমাজত তেওঁলোকৰ জন্ম আৰু যি সমাজত তেওঁলোকে জীৱন নিৰ্বাহ কৰিব লাগিব সেইখন সমাজৰ বিষয়ে শিকিবলৈ তেওঁলোকে কোনো সুবিধা নাপালে। তেওঁলোকে জানে যে মাহে মাহে তেওঁলোকৰ দেউতাকে প্ৰয়োজনতকৈ বেছি টকা পঠিয়ায়। তেওঁলোকৰ মাক-দেউতাকে তেওঁলোকে যি বিচাৰে তাকেই দিয়ে। তেওঁলোকে পঢ়া হিচাপতেই পৰৰ পাত সমাপ্তি ক'ৰিবৰ পৰা উচ্চ-শিক্ষা আছে। কেতোৰ, টকাৰ আৰু বিদেশী বৌদ্ধিক বিলাসিতাত তেওঁলোক কেৱল পশ্চিমীয়া জনসাধাৰণ কথাই প্ৰভাৱান্বিত হৈছে... স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ দৰে

বৌৱৈক অসৎ উপায়ে অৰ্জা ধনেৰে সজা বিনকৰ্চড্ কংক্ৰিটৰ ডাঙৰ ডাঙৰ দালানৰ চাবি যেৰৰ মাজতেই তেওঁলোকে দিনবিলাক কটাই আছিছে। বাহিৰৰ সমাজখনৰ বা জীৱন-বোধৰ প্ৰকৃত জ্ঞান লাভৰ সুবিধা তেওঁলোকে নাপালে। অনাহাৰ অনিদ্ৰাত জীৱন কটোৱা কোটি কোটি দুখীয়ালোকৰ জীৱন সংগ্ৰামৰ বিষয়ে তেওঁলোকে এই-টোৱেই জানে যে তেওঁলোকৰ ঘৰত আছি কাম কৰা ড্ৰাইভাৰ, চাকৰ, আয়া, জমাদাৰ আৰু মোলা-ধুবেৰীৰ বাহে আন আন দুখীয়া মানুহবিলাক চহৰৰ আৱৰ্জনাবোৰৰ দৰে অসহ্য আতিথিৰ বোজা।

কপাহি নিজকেও অৱশ্যে বোজা বুলিয়েই ভাবে—কেৱল তেওঁৰ ধাৰণা যে তেওঁ এনে ঐশ্বৰ্যিক বোজা যে সকলোৱেই তাক বহন কৰি অতৃপ্ত আনন্দ পাব। তেওঁৰ মাক-দেউতাক, বন্ধু-বান্ধৱ, মিতিৰ-কুটুম সকলোৱেই তেওঁক কঢ়িয়াই ভাল পাব। তেওঁৰ নিজৰ ঘৰখন, সমাজখন বা দেশখনৰ প্ৰতি কোনো আপোন ভাব নাই। তেওঁৰ কাৰণে গোটেই পৃথিবীখন এটা গধৰ নিচিনা, যাৰ সৃষ্টি কেৱল তেওঁক কঢ়িয়াবৰ কাৰণেই। সেয়েহে তেওঁৰ ভৰত গাধটোৱে কোঁতয়াবা অলপ ইকাতি সিকাতি কৰিলে তেওঁ নিৰাশ হৈ পৰে 'পৃথিৱীখনৰ কি হৈছে?' বুলি। তেওঁৰ তোঁতয়া ক'লৈ যাওঁ ক ধৰেহি লাগে।

তেওঁ ধনৰ গৰম ওলাই গুচি যাবও নোৱাৰে, কাৰণ তেওঁ টকাৰ মহত্বও বুজে। তেওঁ বিয়া হ'বলৈকো নিবিচাৰে কাৰণ তাতও দায়িত্ব আছে বুলি জানে। এঠৰ বছৰ বয়সতে তেওঁ বৈবাহিক জীৱন আৰম্ভ কৰিবলৈ নিবিচাৰে। তেওঁৰ ইচ্ছা পৃথিৱীখন ঘূৰিবৰ, তেওঁৰ যদি এলোপা টকা থাকিলে হয়তো তেওঁ হয়তো তৎক্ষণাৎ টিকট কৰি আমেৰিকালৈ গুচি গ'লহেঁতেন। সহজ জীৱনৰ কোনো নিৰ্দিষ্ট পথ নাই কাৰণেই তেওঁ আৰু বৌহ হতাশ হয়। এনেয়েতেই তেওঁক সান্ত্বনা আৰু উপদেশ দিয়ে আৰু তেওঁলোকে দুয়ো আলোচনা কৰে,

'ইউ গট টু ৰক আউট আৱ ডেট হাউচ—ইট ইজ হিফিং'

[অসম ভাব: তুমি দেইখন ঘৰত আৰু থকা অনুচিত, তাত থাকিলে আমাৰ কোনো কুৰ্খি নহয়]

"হুৱেৰ ডু আই গ'জ" [অসম ভাব: মই ক'ত থাকিমলৈ ?]

"হুৱাই, ইউ কেন মুভ টু হাজীবাৰী গাৰ্লছ হোষ্টেল"

[অসম ভাব: কিয় তুমি হাজীবাৰীৰ হোষ্টেললৈ গ'লেই আমাৰ যেখোন সুবিধা হ'ব]

"অলৰাইট বি-পুলিচড। সে আৰ নট গ'ইং টু লে মি টু চেট ইন এ হ'ষ্টেল। এনিহাউ, আই কাণ্ট স্টাই ইন্ টু ডেট' [অসম ভাব: মই দেউতাকৰ কথা মতে। মোক হোষ্টেলত থাকিবলৈ দেউতাই নিদিয়ে]

"আইটিং, মি বিচৰণ ইন চাৰ্টিং তিন। তেন আইউল চ'চ ইউ টু গ'ব টু আমেৰিকা" "আই উইল ফাইন্ড ইউ ডেড"

[মনৰ ভাৱ ঃ দুখীয়াই ভোল-ভেটেলাৰ জীয়াই থকা হয়তো দুখীয়ে আছিল। আৰু চাকৰটো টকা-পইচা আৰ্জিব পাৰিলে তেতিয়াহে মাছ কি কৰিব। আৰু সেই কথাতো আমেৰিকানসকলে বুজিব না]

"হাউ কেন আই সৰ্ভ ইউ আমেৰিকান এণ্ড হ্বাইট ইণ্ডিয়ান আৰ্টিষ্ট ফোক?"

[মনৰ ভাৱ ঃ মই আমেৰিকানৰ যে কেনেকৈ চাকৰ হ'ম]

"হুৰাই, ইউ হেড বেটাৰ কামিন ফাৰ্ষ্ট। হিয়ৰ আই হেভ এ বিগ ফ্লেট ৰেডি। হি উইল টেক কেয়াৰ অৱ ইউ" [মনৰ ভাৱ ঃ তোমাৰ কথাবোৰ যথেষ্ট যোৱালে ভাল আছে। সি ভাত খুব ভাল মানুহ বুলি কেতিয়াও মনত কৰিব নাকে। তুমি তাৰ ওপৰতে টকা খাটি চলিব পাৰিবা]

"আই ডণ্ট বিক্রেলী মিনিত ডিয়। হি চেজ হি ইজ এ বিগ ম্যান, হি হেজ এ বিগ হাউচ এণ্ড হি হেজ লটচ অব মানি। বাট হাম হাউ অন আৰ্থ আই ডণ্ট মিনিত হিম। হি বাণ্ট চাৰ্জ মি আৰু ফৰ এ ডিন এণ্ড হি লাইক মি এণ্ড হৰ্মেনেতাৰ হাসবাণ্ড গোজ টু আমেৰিকা হি কাইণ্ডলি হাম আমেৰিকান টু এজেণ্ড মিটিং হিম। মেয়াৰ ইজ হাসবিং বিয়োণ্ড বিলিফ।" [মনৰ ভাৱ ঃ সি মহা ফাকিবাজ, তাৰ ইমানেই পইচা যে সি এবাৰ মোক কিম এটা আনি দেখুৱাব লগা হৈছিল। তাৰ ঘৰ, তাৰ চাকৰি, বহুত পইচা আছে বুলি হি কেতিয়া কাৰো কৈ কিন্তু কেতিয়াবা কোনোবা আমেৰিকানৰ গাঁৱলৈ গৈ যেতিয়া সি কিবা এটা কিনিবলৈ এটা মনহাত দেখুৱাই দাম সঘনাকৈ থাকে। সি এটা মস্ত পাজি তাৰ কথা বাদ দে]

মন-মেজাজৰ সান্ত্বনা, বন্ধুবৰ্গৰ সান্ত্বনাই বা উপদেশে বৰ্ণালিক সহায় কৰিব নোৱাৰিলে। বৰ্ণালি কাৰণে জীৱন নাট্যৰ আদি-কাণ্ডৰ পাং খালে, নেপথ্যৰ অভিনয় শেষ হ'ল আৰু আৰম্ভ হ'ল সঁচা নাটকৰ। তাৰ পিছত আৰু তেওঁৰ জীৱনৰ নহয়, তাৰ পিছত তেওঁ জীৱন নাট্যৰ সঁচা ভাও ল'বলৈ বাধ্য।

কোনো সহজ সৰল পথ নোহোৱাকৈ বৰ্ণা একপ্ৰকাৰ বিবশা হৈ পৰে। তেওঁৰ দুখৰ হাঁহি আৰু হটকটীয়া স্বভাৱবিলাক হঠাৎ অন্তৰ্ধান হয়। তেওঁৰ মাক-দেউতাকে তেওঁক দূৰ দূৰ বিচাৰি বুলি তাৰি তেওঁৰ বন্ধু-বান্ধৱী সকলো আগত জিকিত হৈ পৰে। সকলোৰে সমস্যা যেন তেওঁলোক সকলোৰে সমস্যা—এজন নহয় এজন তেওঁলোক প্ৰত্যেকেই যে একে সমস্যাৰ সম্মুখীন হ'ব তাক তেওঁলোকে বুজি পালে। ই এক প্ৰকাৰ জীৱন-মৰণৰ সমস্যা। তেওঁলোকে কি কৰিব বুলি থিৰ হৈ আছিল তেনেতে জীৱন বাবী বিদেশৰ কৌশলৰ সৃষ্টিৰ লগত একমাত্ৰ উপায় তেওঁলোকে সমাজত তেওঁলোকে মুখিয়া পাব পৰা এক আভাসৰ সৃষ্টি কৰাটো। ই যেন তেওঁলোকৰ কাৰণে যাতি কৰাৰ একেটাৰ সমাধান। অৰ্থনীতিৰ মেধাৰী ছাত্ৰ মনোৰঞ্জন হাজৰিকাই সকলোৰে পৰিচালক।

"ইফ উই ওনলি হেভ হাজবেণ্ড উই ৱাণ্ট টু ডাইভ দেম ইফ ইউ আৰ্ন চিয়েৰ্চ ইণ্ড"

ন্টিকিং ছচাইটি। দি হাজ্‌বেণ্ড ইজ অভাৰ, ইউ গাইজ মাষ্ট নাউ টেক দি ৰিচপন্সিবিলিটী। ইভ'ৰ পেৰেণ্টচ উইল হেৰ ষ্টপ বট্ৰিং মানি অন্ ইউ। ইউ মাষ্ট ফাইণ্ড ৱেজ টু মেক মানি। আদাৰৱাইজ, ইউ উইল হেৱ বিকাম পাৰ্ট অৱ দি ষ্টাৰ্ভিং মিলিয়নচ। বেটাৰ, লাৰ্ণ দি ট্ৰিক অৱ ট্ৰেড্‌চ'। [মনৰ ভাৱঃ এই গোটা সমাজত আমি বিচৰা মতে জীয়াই থাকিবলৈ হ'লে এতিয়া হাতে কামে লাগিবৰ হ'ল। মা-দেউতাৰ ধন শৰৰ ওপৰত টেকা মাৰি চলাৰ দিনবোৰ সোনকালেই শেষ হ'ব। এতিয়া নিজে পইচা ঘটি আমাৰ পাশ্চাত্যীয়া ভাবধাৰা সমাজৰ ওপৰত জাপি দিব নোৱাৰিলে খাব নোপোৱা আন কোটি কোটি মানুহৰ দৰে আমাৰও দুৰ্গতি হ'ব। সেয়েহে চহকী হোৱাৰ উপায় চিন্তা কৰা]

অধিকাৰ কথা সমৰ্থন কৰি সমাজ নীতিৰ ছাত্ৰী বন্ধো শৰ্মাই ক'লে, 'হাৰ্জাৰিকা ইজ ৰাইট। উই মাষ্ট ক্ৰিয়েট এ নেচ ফৰ আৱাৰ লাইফ ষ্টাইল, আদাৰৱাইজ উই উইল হেৱ দি ষ্টাৰ্ভিং হাম ইডিয়টিক হাজবেণ্ড এণ্ড এ মেড অৱ ইউ গাইজ উইল স্পেণ্ড দি ৰেষ্ট অৱ ইঅ'ৰ লাইফ উইথ এ ষ্টুপিড ৱাইফ। উই মাষ্ট ৰিভাইটালাইজ এভ্ৰি ৱেষ্টাৰ্ণ এলিমেণ্ট ইন্ দি ছচাইটি লাইক ক্লাবচ্, বাবছ্, হাই ক্লাচ ৰেষ্টুৰেণ্টচ, অৰ্গেনাইজ ডান্স ফৰ এভ্ৰি খ্ৰীষ্টিয়ান ফেষ্টিভেল এণ্ড চো অন, অলছ', উই মাষ্ট ট্ৰাই টু প্লে ইংলিচ প'প ছংচ এণ্ড প্ৰভাইদ এলকহ'লিক বিভাৰেজচ ইন্ এভ্ৰি ছচিয়েল ফাংশ্যন এণ্ড এব'ভ অ'ল উই মাষ্ট ফাইট এগেইনষ্ট ৰিপ্লেচমেণ্ট অৱ ইংলিচ বাই দি ষ্টুপিড ইণ্ডিয়ান লেঙ্গুৱেজেচ।' [মনৰ ভাৱঃ হাজৰিকাই ঠিক কৈছে। আমি বিচৰা ধৰণৰ দৰে জীৱন কটাব পৰা সমাজ এখন গঢ়াৰ চেষ্টা নকৰিলে কোনোবা বুৰ্বক মানুহ একোটাৰ দাসীৰ নিচিনাকৈ থাকিব লাগিব আৰু তোমালোক ল'ৰাবিলাকে একোজনী ফেৰেলী-ভেৰেলী-গেলেলীৰ লগতে জীৱন কটাব লাগিব। আমি সেইকাৰণে সমাজত চাহাবী ঢং বিলাক বেছি মজবুত কৰিবলৈ চেষ্টা কৰিব লাগিব। চাহাবী ক্লাব, সুৰাঘৰ, ৰেষ্টুৰেণ্ট আদিত আমি নতুন প্ৰাণ দিব লাগিব, হোৱাই নোহোৱাই আমি যৎ জাপৰ ব্যৱস্থা কৰিব লাগিব আৰু কমখিয়া বিয়া সবাহ সকলোতে আমি টেগ ইংৰাজী নাচ-গানৰ ও মদৰ ব্যৱস্থা কৰিব লাগিব। আটাইতকৈ ডাঙৰ কথা হৈছে যে ইংৰাজী ভাষাক ভুলি ভাৰতীয় ভাষা ব্যৱহাৰ কৰাৰ সকলো প্ৰচেষ্টাৰ বিৰুদ্ধে আমি যুঁজিব লাগিব]

মইৰ ওপৰত কৰিব নোৱাৰে সেই পৰিয়াল মূলত ইংৰাজী মাধ্যমেৰে শিক্ষা পাই অহা ডেকা গাভৰু মেইবিলাকৰ ওপৰত পশ্চিমীয়া সভ্যতা বিস্তাৰ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল। ডেকাবিলাকে বহুত দিন আলোচনা বিলোচনা কৰি ঠিক কৰিলে যে তেওঁলোকে এটা ইংৰাজী ধৰণৰ পদ্ধতিৰ দল গঢ়িব, প্ৰত্যেক মাহে মাহে একোটা পাৰ্টি পাতিব, সেই পাৰ্টিত আৰু বিয়া সবাহতো এক গোট হৈ দৈ থুৱে ইংৰাজী গান গোৱাৰ

ও নাচিব, স্কুল কলেজত ইংৰাজী মাধ্যমে পঢ়োৱাৰ প্ৰতিবাদ কৰিব, ধৰত অসমী ।
কথা কেতিয়াও নকয়, মাক-দেউতাকক প্ৰাৰ্থনা যোৱাত উৎসাহ দিব ইত্যাদি,
ইত্যাদি ।

তেওঁলোকে হাতত লোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হ'ল সচৰাচৰ হলিউডত হোৱাৰ দৰে গুৱাহাটীত তেওঁলোকে ক্ষমতাহীন হ'লে কাৰণে এখন সৌন্দৰ্য প্ৰতিযোগিতা পাতি 'মিছ গৌহাটী' বাচি উলিওৱাৰ । এইটো প্ৰস্তাৱ হনুমন্ত বায়ে দিছিল । তেওঁৰ সুপৰিপক্ক মগজুত এইটো খেলাইছে যে অলপ চেষ্টা কৰিলেই বৰ্ণা চৌধুৰীয়েই মিছ গৌহাটী হ'ব আৰু তেতিয়া তেওঁৰ মনতো ফূৰ্ত্তি আহিব । তদুপৰি পুৰস্কাৰৰ কাৰণে অলপ টকা গোটাব পাৰিলে হয়তো বিজয়িনীক পুৰস্কাৰ হিচাপে আমেৰিকালৈ যোৱা টিকট এটা দিব । হনুমন্তৰ প্ৰস্তাৱটো শ[illegible]নি [illegible]লোয়ে হাত চাপৰি দি 'গ্ৰেট আইডিয়া' বুলি সমৰ্থন জনালে । এনে সৌন্দ[illegible] প্ৰতিযোগিতাই যে অসমীয়া সমাজত পাশ্চাত্যীয়া ভাবধাৰাৰ বিশেষ সৃষ্টি [illegible] কৰিব তাক তেওঁলোকে পোনেই উপলব্ধি কৰিলে ।

তেওঁলোকে কৰিব পৰা সকলো কামৰ ভিতৰত 'মিছ গৌহাটী' সৌন্দৰ্য প্ৰতিযোগিতাত সকলোৰে বিশেষ মন বহিছিল কিয়নো, এনে এক প্ৰতিযোগিতাৰ লগত তেওঁলোকৰ জীৱনৰ দৃষ্টিভংগী ভালদৰে খাপ খাই [illegible]ব । তাতে গুৱাহাটী বা অসমৰ আন কোনো চহৰ নগৰত এনে প্ৰতিযোগিতা [illegible] হোৱা নাই বেতিয়া তেওঁলোক এক পথ প্ৰদৰ্শক হিচাপে হ'ব । সেয়েহে 'মিছ গৌহাটী' প্ৰ[illegible] যোগিতা সাফল্য মণ্ডিত কৰিবলৈ তেওঁলোকে বহুতো দিন আলোচনা কৰিলে আৰু বহুতৰ লগত পৰামৰ্শ কৰিলে আৰু শেষত সকলো খাটাং কৰিবলৈ একোটা কমিটি গঠন কৰিলে । তেওঁলোকে এইটোও পাইছে যে গুৱাহাটীৰ যিসকল লোকৰ সৌন্দৰ্য বুভুক্ষা আছে বা থাকিব পাৰে আৰু যিসকল পাশ্চাত্যীয়া ভাবধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব পাৰে সেই লোকসকলক তেওঁলোকে হাত কৰিব । তদুপৰি গুৱাহাটীৰ ক্ষমতাশালী আৰু প্ৰভাৱশালী লোকসকলকো তেওঁলোকে এই সৌন্দৰ্য প্ৰতিযোগিতাৰ যোগেদি তেওঁলোকৰ অনুগামী কৰিবলৈকো তেওঁলোকে পাৰিব । সেয়েহে তেওঁলোকে কমিটিবিলাক অতি কৌশলেৰে গঠন কৰিলে । যেনে, প্ৰধান কমিটিৰ উপদেষ্টা হ'ল এখন বাতৰি কাকতৰ মালিক আৰু [illegible] সকলো হ'ল বহুতো পৰ্যা আৰু [illegible] কাৰণ তেওঁলোক দুয়োৰে বাতৰি কাকতৰ [illegible] লগত তেওঁৰ সম্বন্ধ আছিল । পুৰস্কাৰ কমিটিৰ উপদেষ্টা হ'ল চহৰী ব্যৱসায়ী [illegible] কাকতী আৰু সদস্য হ'ল বিপুল দাস ও প্ৰসন্ন শইকীয়া, কাৰণ দাসৰ দেউতাক হ'ল [illegible] প্ৰাইভে[illegible] সেক্ৰেটাৰী, শইকীয়াৰ দেউতাক হ'ল গৱৰ্ণৰৰ প্ৰাইভেট সেক্ৰেটাৰী ।

বিচাৰকৰ কাৰণে তেওঁলোকে [illegible] উপযুক্ত উপদেষ্টা হিচাপে পালে আৰু আন বিচাৰক বিচৰাৰ ভাৰ দিলে হনুমন্ত বায়ে নিজেই । তেওঁ লগত লৈ তেওঁৰ লেখকী [illegible] এক বন্ধুক [illegible] । আন [illegible] [illegible] [illegible]

আহমদকও বিচাৰক বিচাৰৰ কমিটিত লোৱা হ'ল। আনোৱাৰ আহমদৰ মাক মোৰ সহপাঠী বান্ধৱী, তেওঁৰ খুব সহজেই বিয়া হৈছিল। আমাৰ লগত তেওঁলোকৰ অতি ঘনিষ্ঠ সম্বন্ধ। তাতে আনোৱাৰৰ আইতাকে মোক খুব মৰম কৰিছিল। সেয়েহে সুবিধা পালেই মই আনোৱাৰৰ মাক, আইতাকহঁতক দেখা কৰিবলৈ যাওঁ। সম্ভৱ মই তেতিয়া অসমত থকা হ'লে জানো আনোৱাৰে মোক সেই সৌন্দৰ্য্য প্ৰতিযোগিতাৰ এজন জাজ কৰিবলৈ প্ৰস্তাৱ দিলে।

গুৱাহাটীৰ সৌন্দৰ্য্য বুজুক লোকসকলৰ নামৰ তালিকা কৰোঁতে আমাৰ সেই নতুন ডেকা আৰু নতুন নাৰীসকলে সম্ভৱ মোৰও নাম লৈছিল, কাৰণ মই আমেৰিকাৰ পৰা অসমলৈ আহোঁতে মাজ আকাশত এৰোপ্লেনৰ ভিতৰত এবাৰ ভালদৰেই চৰ্চৰণি খালোঁ আৰু খুব হাঁচিয়াব লগীয়া হ'ল। তেতিয়া যাত্ৰীসকলৰ এজনে ক'লে,

'গেজুনটাইট' [এইটো জাৰ্মান শব্দ gesundheit কোনোবাই হাঁচিয়ালে তেওঁৰ মঙ্গল কামনা কৰি কোৱা হয়]

আন এজনে ক'লে,

'ব্লেছ ইউ' [এইটো ইংৰাজীৰ May God bless you ৰ অপভ্ৰংশ ইয়াৰো অৰ্থ ভগৱানে তোমাৰ মঙ্গল কৰক]

ভাৰতীয় মহিলা এগৰাকীয়ে ক'লে,

"তুমি বৰ ভাগ্যবান। কোনোবাই তোমাৰ নাম লৈছে।"

মই প্ৰত্যেক জনকে 'ধন্যবাদ, ধন্যবাদ' বুলি কৈ হাঁহি হাঁহি জনালোঁ যে ভগৱানে মোৰ সদায় মঙ্গলেই কৰে, কেৱল মানুহেহে মাজতে বিধি পথালি দি অমঙ্গল আনে। অলপ কৌতুহলেৰে ভাৰতীয় মহিলা গৰাকীক সুধিলোঁ, 'আনে কেৱল নাম ললেহে চৰ্চৰণি খায় নে আনে বদনাম গালেও মানুহে চৰ্চৰণি খাব পাৰে?' তেওঁ 'কিয়, মই নাজানো' বুলি কোৱাত মই জনালোঁ—

"অসমত কোনোবাই মোৰ কিবা বদনাম গাইছে বুলিহে মোৰ ধাৰণা, কাৰণ অসমীয়া মানুহে ভাল কথাত আনৰ নাম [illegible], বদনাম গাবলৈহে লয়।"

মোৰ কথা শুনি, তি নিমাতহে হ'ল।

অসম পোৱাৰ পিছদিনাখনেই আনোৱাৰ আৰু আনোৱাৰৰ মাকক লগ পাওঁতে আনোৱাৰে মিচ্ গুৱাহাটী প্ৰতিযোগিতাৰ কথা কৈছিল। মই বিশেষ কাণ দিয়া নাছিলোঁ, কিন্তু তাৰ দুদিনমান পিছতেই এদিন যাতিদুৱা হৃদয়েশ কাকা, দুদেৰ দাস আৰু আনোৱাৰ আহমদ আহি মোৰ ঘৰত হাজিৰ। আনোৱাৰে চিনা পৰিচয় কৰি দিয়াৰ পিছত হৃদয়েশই ক'লে,

'এইবাৰ আমি গুৱাহাটীত বিউটি কনটেষ্ট পাতিম। আপুনি তাৰ এজন জাজ হ'ব লাগে। আমি আপোনাৰ মানুহবিলাকক আপোন দিকিত কৰিব লাগে, কি কয়?'

তেওঁৰ কথাবিলাক শুনি মই হাঁহিলোঁ যে আমাৰ টিক বাৰ বাৰ গোকা হ'লো।

ডেকাহঁতক তাৰকৈ কথা কিছুমান শুনাবৰ ইচ্ছা আছিল। কিন্তু যি দুৰ্বৃত্ত হাতীৰ কাৰণে তৈয়াৰী তাক কস্ত্ৰ পদবোক দি নষ্ট নকৰিবলৈ মই বহুত দিনৰ আগৰ পৰা শিকি আহিছোঁ। জ্ঞানৰ ভাণ্ডাৰ ভৰাবলৈ যাৰে তাৰে সমুখত মেল খুৱাবৰ প্ৰয়োজন নাই। আন এজন ব্যক্তিক সংশোধন কৰা বা শিকা দিয়াটো সহজ কথা নহয়। যাৰ শিকিবৰ বা শুনিবৰ ইচ্ছা আছে তেনেলোকৰ লগতহে মই মোৰ জ্ঞান, অভিজ্ঞতা, চিন্তাধাৰা আদি আলোচনা কৰোঁ। শিং জোকাৰি থাই খোৱা গৰুৰ লগত মা হোৱাই নোহোৱাই লথিয়াই থকা গাধৰ লগত সময় নষ্ট কৰিবৰ অৱসৰ মোৰ নাই।

তথাপি ডেকাহঁতৰ শিঙৰ জোকাৰ আৰু ঠেঙৰ লাথিক মই সম্পূৰ্ণ অৱজ্ঞা কৰিবও নোৱাৰিলোঁ, কিয়নো আমি বিমানেই বাধা নিদিওঁ লাগিলে সমাজত পশ্চিমীয়া সজ-পোচৰ যি জোৱাৰ আহিছে তাক ভেটা দি ৰখাটো অসম্ভৱ। পশ্চিমীয়া ধৰণৰ 'বিউটি কনটেষ্ট' ডেকাহঁতৰ মগজুত খেলাইছে যেতিয়া সি অসমীয়া সমাজলৈ অহাটো নিশ্চিত। তেনে সৌন্দৰ্য্য প্ৰতিযোগিতা চাবলৈ অহা হাজাৰ হাজাৰ লোকেৰে যে জিলা পুথি ভঁড়ালৰ ভিতৰ বাহিৰ উপচি পৰিব তাত সন্দেহ নাই। সেয়েহে অযথা সমালোচনা কৰি সময় নষ্ট কৰাতকৈ উৎসাহেৰে সহযোগ কৰাটোহে ভাল হ'ব বুলি মই বিবেচনা কৰিলোঁ। অন্ততঃ তেনে কৰিলে হয়তো অলপ কৃতিত্ব হ'ব আৰু ভিতৰৰ পৰা ডেকা-ডেকেৰীহঁতৰ মানসিক চিন্তাধাৰাৰ স্বৰূপ তেওঁলোকে বুজিব পৰা কৰিব পাৰিম। তদুপৰি ভাবিলোঁ যে মোৰ পৰা থাই এমুঠি গালে কিজানি তেওঁলোকে শিং জোকাৰিবলৈ এৰেই। সেয়েহে মই উৎসাহেৰে উত্তৰ দিলোঁ,

"বিউটি কনটেষ্ট! কি ব্ৰিলিয়াণ্ট আইডিয়া! তোমালোকে সাংঘাতিক কাম কৰিবলৈ ওলাইছা। এইবাৰ অসমীয়া সমাজে তোমালোকক চিনি পাব। গ্ৰেট, গ্ৰেট, গ্ৰেট—তোমালোক স'চাকৈয়ে গ্ৰেট। কনটেষ্ট কেতিয়া? আৰু কোন কোন জাজ হ'ব?"

মোৰ কথা শুনি তেওঁলোকৰ এজনে উত্তৰ দিলে,

'এই বিষয়ে আমি আপোনাৰ লগত অলপ ডিচকাচ কৰিব লাগে। আপুনি বহুত ঠাই ঘূৰিছে আৰু আপুনি বহুত এক্সপিৰিয়েন্স থকা মানুহ বুলিয়েই আমি আপোনাক চিলেক্ট কৰিছোঁ। আপুনি আমাক দুই এটা ভাল চাজেচন দিয়ক।'

তেওঁলোকৰ কথাৰ পৰা ময়েই যে হৰ্তা-কৰ্তা-বিধাতা আৰু মোক দিয়া পৰামৰ্শমতেই যে সকলো চলিব তাক হৃদয়ঙ্গম কৰিব পাৰি মই গহীনাই ক'লোঁ,

"বিউটি কনটেষ্ট বৰ সহজ কথা নহয়। আমি ভালদৰে কৰিব লাগিব। তোমালোক সকলোৱেই বহুত খাটিব লাগিব। মিছ ইউনিভাৰ্চ প্ৰতিযোগিতা যেনেকৈ আয়োজন কৰে আৰু চলায় তাক মই প্ৰত্যেক বছৰে টেলিভিজনত চাওঁ আৰু এবাৰ মই ইংলণ্ডৰ চাউথাম্পটন বিশ্ববিদ্যালয়ত হোৱা এক সৌন্দৰ্য্য প্ৰতিযোগিতাৰ জাজ আছিলোঁ।'

কথাটো অৱশ্যে মিছা নহয়। মই ছাউথাম্পটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ থাকোঁতে বিশ্ব-বিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত হোৱা মিছ ইউনিভাৰ্চ প্ৰতিযোগিতাৰ মই এজন জাজ আছিলোঁ আৰু মোৰ কথা মতেই মাল্টাৰ পৰা অহা ছোৱালী এজনী জয়ী হৈছিল। ছোৱালীজনী সঁচাকৈয়ে বেছ ধুনীয়া আছিল সেয়েহে তেওঁৰ লগত চিনা পৰিচয় হৈ কথা-বতৰা পাতিবলৈ মোৰ খুব হেঁপাহ হৈছিল। এদিন তেওঁৰ লগত একেলগে সন্ধিয়াৰ আহাৰ খাবলৈ বান্ধ বান্ধিলোঁ। সেই সন্ধিয়া তেওঁক ভেনেই ওচৰত পাইহে মই জানিব পাৰিলোঁ যে তেওঁৰ মূৰত 'উইগ' অৰ্থাৎ কৃত্ৰিম চুলি, তেওঁৰ দাঁত দুয়ো পাৰি 'ফলছ' অৰ্থাৎ প্লাষ্টিকেৰে সজা ভুৱা দাঁত, তেওঁৰ হাতৰ আঙুলিৰ নখবিলাকৰ ওপৰত যেলেগ ভুৱা নখ লগোৱা, আন নালাগে তেওঁৰ চকুৰ চেলাওৰি যোৰও কৃত্ৰিম। তেওঁৰ স্তন যুগলও হেনো কৃত্ৰিম আৰু ভুৱা দ্ৰব্যেৰে সুসজ্জিত। এনেকুৱা ভুৱা অংগ-প্ৰত্যংগৰ এগৰাকীক শ্ৰেষ্ঠ সুন্দৰী বুলি দৃঢ়ভাৱে বিশ্বাস কৰা কাৰণে মোৰ মনটো ইমান বেয়া লাগি গ'ল যে সেই সন্ধিয়া মই একো এটা বস্তু মুখত দিব নোৱৰাৰ নিচিনা হ'ল। সৌন্দৰ্য্যৰ জাজ হিচাপে মোৰ এই কীৰ্ত্তি ভেকাহ'তে জানিলে থোক তেওঁলোকে জাজ নাপাতিব পাৰে বুলি ভাবি মই তেওঁলোকক এই কাহিনীটো নকলোঁ। তথাপি মোৰ কৌতুহলৰ বাবে তেওঁলোকক সুধিলোঁ,

'তোমালোকে বাৰু মোক কিয় জাজ পাতিলা? মোৰ কথা তোমালোকক কোনে ক'লে?'

মোৰ প্ৰশ্নৰ উত্তৰ তেওঁলোক আটাই কেইজনে দিলে। কোনজনে কি কৈছিল পাহৰিলোঁ কিন্তু তেওঁলোকৰ পৰা শুনা কথাবিলাক হ'ল,

'আপোনাৰ কথা আৰু কোনে ক'ব লাগিছে। এভ্ৰিবডি নোজ দেট ইউ আৰ এ গ্ৰেট লাভাৰ এণ্ড ইউ হেভ এন আই ফৰ বিউটিফুল গাৰ্লচ। দেশে-বিদেশে বোলে আপোনাৰ ধুনীয়া ধুনীয়া গাৰ্লফ্ৰেণ্ড। আমি আপোনাৰ কথা চব জানো। আপুনি কটন কলেজত পঢ়োঁতে আপোনাক ছোৱালীবিলাকে 'কৃষ্ণ' নাম দিছিল। ইন দেল্হি ইউ হেড দি মোষ্ট বিউটিফুল গাৰ্ল এজ ইউৰ গাৰ্ল-ফ্ৰেণ্ড, ইংলণ্ডতো বোলে আপুনি এজনী ধুনীয়া ছোৱালী লৈ ঘূৰিছিল আৰু এতিয়া আমেৰিকাত বোলে কথাই নাই ইউ আৰ স্বোৰ্মড উইথ বিউটিফুল গাৰ্লচ। কলেজৰ ছোৱালীবিলাক আপোনাৰ ঘৰত আছি বোলে মচগুলে। উই নো অল এবাউট ইট।'

মোৰ দুৰ্ভাগ্য নে সৌভাগ্য ক'ব নোৱাৰোঁ—দেশে-বিদেশে মই কৰা ভাল কামবিলাকৰ কথা মানুহে নকয়, কিন্তু মোৰ বিষয়ে অসমত অদ্ভুত অদ্ভুত কথা বিদ্যমান এনায়।

মই আমেৰিকাৰ ছোৱালীৰ লগত মন ভাৰ খাই নাচি বাগি ঘূৰিব কৰোঁ, ধুনীয়া ধুনীয়া ছোৱালীৰ ওপৰত মোৰ সদায় চকু, কামাতুৰ বুলি কোনো কোনো অসমীয়াই উলিওৱা মোৰ বদনামৰ কাৰণেই গুৱাহাটীৰ হ'ব লগীয়া প্ৰথম মিছ

গোহাটী প্ৰতিযোগিতাত জাজ হিচাপে নিযুক্ত হোৱাৰ সৌভাগ্যই নে দুৰ্ভাগ্য ঘটিল। সৌভাগ্য বুলি ভাবি মই ভেকাহঁতৰ কথাত আপত্তি নকৰি কথাটো সহজ কৰি ক'লো,

'নাই যেৎ, মই বহুত দেশত ঘূৰিছো হয় কিন্তু হেম বৰুৱাইহে দেশে-বিদেশে সকলো ঠাইতে ছোৱালী লগ পাইছিল। তেওঁৰ 'সাগৰ দেখিছা'খন পঢ়িলে তাৰ প্ৰায় পাতে পাতে একোজনী ছোৱালী পাবা। মই কিন্তু তেনেকৈ ছোৱালীৰ সান্নিধ্য পোৱা নাই। মই নাৰীৰ সৌন্দৰ্য্য চাব ভালো পাঁও কিন্তু নাৰীৰ মৰ্য্যাদাৰ প্ৰতিহে সততে মোৰ চকু। সেয়েহে হয়তো স্বৰ্গীয় বাণীকান্ত কাকতিয়ে বৰ্ণনা কৰা কোনো ধৰণৰ প্ৰেম নিবেদন কৰা নাৰীয়ে কেতিয়াও উপযাচি মোৰ অমূল্য আলিঙ্গন বিচাৰি অহা নাই। নাৰীৰ যৌৱন উন্মেষে হাজৰিকাৰ দৰেও মই গৌৰৱ কৰিব লগীয়া একো নাই। হাকিমা ক'বেন, জেকেলিন কেনেডী, এলিজাবেথ টেইলাৰ আদি দুগৰাকীমান বিশ্ববিখ্যাত মহিলী মূৰ্ত্তিক ওচৰৰ পৰা দেখাৰ বাহিৰে মোৰ আন কৃতিত্ব একো নাই। অৱশ্যে, 'মিছ কেলকাটা' শ্ৰীমতী তিনা ভূঞাৰ লগত মোৰ পৰিচয় আছে আৰু এবাৰ মই কুইন এলিজাবেথৰ লগতো কৰমৰ্দন কৰিছো।'

মোৰ কথা শুনি তেওঁলোকে ক'লে,

'আপুনি বৰ মজেন্ট। হাকিমা ক'বেন, লিজ টেইলাৰ আদি সকলোকে লগ পাইছে আৰু বেছি কৃতিত্ব নাই বুলি কৈছে। তিনা ভূঞা কোন? তেওঁ অসমীয়া ছোৱালী নেকি? কেতিয়া 'মিছ কেলকাটা' হৈছিল? ক'ত থাকে কি কৰে? আপুনি সাংঘাতিক মানুহ দেই। আমি ঠিক মানুহজনকেই পাইছো। আমি আপোনাৰ কথা আৰু বহুত জানো। আপুনি বিয়া কৰোৱা দুজনী ছোৱালীয়েই হেনো খুব ধুনীয়া। তদুপৰি আপুনি বহুত বিদেশীৰ কাৰণে ধুনীয়া ধুনীয়া ছোৱালী ঠিক কৰাত সহায় কৰিছে।'

মই তেওঁলোকক সংযত কৰি ক'লো,

'হবে হুক, হবে বাস! তোমালোকে মোৰ পত্নীসকল বা পৰ-পত্নীৰ বিষয়ে এনে মত দিয়া উচিত নহয়।'

মোৰ অন্তৰখন খুবেই উঠিছিল তাতৰ মানুহৰ মাজ থাকি এনেকুৱে গুণ পোৱা বোধ। তথাপি মনটো সংযত কৰিবলৈ বাধ্য হ'লো কাৰণ মিছ গোহাটী প্ৰতিযোগিতাৰ জাজৰ পদবীটো মই হেঁচুকাব বিচৰা নাছিলো। নতুন অসমীয়া সমাজক নতুনকৈ সেৱা কৰিবৰ এই সোণালী সুযোগটো মই কিয় এৰি দিওঁ। তাতে তেওঁলোকে বিচাৰ এটা কৰিবলৈ ওলাইছে যেতিয়া তেওঁলোকৰ প্ৰত্যেক পুনৰ্গঠনত কৰাত সহায় কৰা উচিত বুলি ভাবি মই তেওঁলোকক কোনো প্ৰকাৰে হতাশ বা নিৰুৎসাহ নকৰিলো। এই নিৰ্বাচন এইটো ঠিক হ'ল যে তাৰ পিছৰ দেওবাৰে আকাশবাণী নিৰ্মিত [illegible] আমি আটায়ে গোট খাই 'মিছ গোহাটী' কেনেকৈ পাতিব, কি কি কৰিব লাগিব আদি আলোচনা কৰি সকলো ঠিক কৰিব লাগিব।

ভৌতিক-কাণ্ড

দৰ্গত কাকতী গুৱাহাটীৰ এজন প্ৰভাৱশালী ব্যৱসায়ী লোক। তেওঁ কৰ্মময় জীৱন আৰম্ভ কৰিছিল এজন অভাৱচিয়েৰ হিচাপে, তাৰ পিছত নিজে ট্ৰাক এখন কিনি মাটি পুতিবলৈ আৰু লগতে নিজেই ঘৰ দুৱাৰ সজা ঠিকা কৰিবলৈ ধৰিলে। গুৱাহাটীৰ উন্নয়নৰ কাৰণে গুৱাহাটীৰ ভিতৰে বাহিৰে, আশে পাশে থকা বিল-খিলাক পুতি ঘৰবাৰী সাজিবৰ কাৰণে চৰকাৰে সেইবিলাক ৰাইজক বিক্ৰী কৰা দিনৰে পৰা তেওঁৰ ভাগ্য উদয় হয়, কাৰণ মাটি পোতা কাৰ্য্যৰ শেষ নোহোৱা হ'ল। বিলবিলাক শেষ হোৱাৰ পিছত আৰম্ভ হ'ল দাঁতি কাষৰীয়া দ পথাৰ বিলাক, কিয়নো নগৰীকৰণৰ হেঁচাত পৰি মানুহে খেতি কৰিবলৈ এৰি পথাৰবিলাক বিক্ৰী কৰি সোন-কালে চহকী হোৱাটোকে ভাল দেখিলে। কাকতীয়ে পোতা বিল-পথাৰবিলাকত ঘৰৰ ওপৰত ঘৰ হ'বলৈ ধৰিলে। তাৰ পিছত অসম চৰকাৰে প্ৰাগজ্যোতিষপুৰৰ কাটি কুটি 'তিৰপুৰ' নে 'দিছপুৰ' নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিলে। তাৰ কাৰণেও প্ৰয়োজন হ'ল পথাৰ পোতাৰ আৰু ঘৰ দুৱাৰ সজাৰ। যিহেতু কাকতীয়ে নিৰ্মাণ কাৰ্য্যও চলাই আছিল সেয়েহে এই ঘৰ দুৱাৰ বিলাকৰ বেছি ভাগ সজা কাৰ্য্যও তেওঁয়েই পালে।

ইও কাকতীৰে সৌভাগ্য যে …ৰ সৃষ্টি বা বৃষ্টি চৰকাৰে খন্দা এই বিল পথাৰ আৰু পুখুৰীবিলাকে এক বিশেষ কাম কৰিছিল। গুৱাহাটীৰ নৰ্দমাৰ পানী আৰু বৰষুণৰ পানী এইবিলাকতে জমা হৈছিলগৈ। বিশেষকৈ বাৰিষা যেতিয়া ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ কাষতকৈ ওপৰলৈ উঠে আৰু ওচৰ কাষৰীয়া অঞ্চলত বেছিকৈ বৃষ্টিপাত হয় তেতিয়া বৰষুণৰ পানী এই বিল পথাৰ আৰু পুখুৰী-বিলাকতে কিছু দিনৰ বাবে আৱদ্ধ হৈছিল আৰু গুৱাহাটীক বানপানীৰ পৰা একপ্ৰকাৰ ৰক্ষা কৰিছিল। কিন্তু আজিকালি গুৱাহাটীত বৰষুণৰ পানী আৱদ্ধ হ'বৰ ঠাই নাই। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ তলত থাকিলে সেইবিলাক ব্ৰহ্মপুত্ৰলৈ ওলাই যাব পাৰে কিন্তু ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ওপৰত থাকিলে এই বৰষুণৰ পানীয়ে কোনো বাট কি কৰো একো ঠিক কৰিব নোৱাৰি কাকতীয়ে সজা মানুহৰ ঘৰে বাৰীয়ে যেনি তেনি সোমাই মানুহৰ লগুৰ-নাগতি কৰাৰ উপৰিও সেই ঘৰবিলাকৰ বিস্তৰ ক্ষতি কৰে। আজিকালি [illegible] তিনি তলা ঘৰবিলাক দেখিলে এনে ধাৰণা হয় যেন সেইবিলাকৰ তলৰ জমা বৰষুণৰ পানী, বানৰ পানী জমাৰে বন্ধ যোৱা কৰিবৰ কাৰণে সজা। এই যেনি তেনি সোমোৱা পানীয়ে যে ঘৰবিলাকৰ বিস্তৰ ক্ষতি কৰে তাত সন্দেহ নাই। সেয়েহে, সমাজহিতৈষী কাকতীয়ে ঘৰ দুৱাৰ মেৰামতি কৰা ব্যৱসায়টোও ৰাইজৰ কল্যাণৰ কাৰণে কৰে।

যিহওক, এতিয়া গুৱাহাটীক বৰষুণৰ বানপানীৰ পৰা ৰক্ষা কৰাৰ এটা উপায়

সেইবো ইয়াৰ বাহিৰে ভিতৰে আৰু আশে পাশে বিদ্যমান ডাঙৰ ডাঙৰ বিল, পুখুৰী খন্দা (আগেয়ে পোতাবিলাকৰ সিচঁনা) বাবে বহুদেশৰ পানী কিছু সময়ৰ বাবে আটক কৰি ৰাখিব পৰা যাব। এই খনন কাৰ্য্যৰ কাৰণেও কাকতী সাজু আছে। তাৰ পিছত আকৌ কোনোবাই সেইবিলাক পুতিব খুজিলেও চিন্তা নাই। মুঠৰ ওপৰত গুৱাহাটীত পোতন, খনন, আকৌ পোতন আৰু মাজৰ ভাঙন কাৰ্য্যৰ অন্ত হোৱাৰ কোনো ভয় নাই আৰু এইবিলাক কাৰ্য্য চলি থাকে মানে কাকতীৰ ধনৰ টোপোলা ওকণি গৈ থাকিব।

কাকতী খুব চতুৰ লোক। তেওঁ আন সকলোকে বিল বা পথাৰ পোতা ঠাইত ঘৰ সাজিবলৈ ক'লেও নিজে নবগ্ৰহ পাহাৰৰ ওপৰত এটা খুনীয়াকৈ ঘৰ সাজি লৈছে। ঘৰ সাজিলে হয় কিন্তু বিল পুতি পোৱা ধন গুণোঁতে কাকতী গোটেই জীৱন ইমান ব্যস্ত আছিল যে তেওঁৰ নিজৰ জীৱনৰ বহু প্ৰয়োজনও সময়ত পোৱা নাথাকে। প্ৰথমে, কাকতীয়ে ঘৰ পাতিবলৈ কোনো সুবিধা নাপালে। কাকতীয়ে বৈবাহিক জীৱন বেয়া পায় বা নিবিচাৰে কাৰণে এনে হোৱা নাই। [illegible] তেওঁ সৌহকে বিয়া কৰিবলৈ বিচাৰে কাৰণেহে কোনো ছোৱালীয়ে তেওঁৰ লগত বিয়া হ'বলৈ সাহস নকৰে। দ্বিতীয়তে, কাকতী গোটেই জীৱন গুৱাহাটীতে আবদ্ধ থাকিব লগীয়া হ'ল। তেওঁ কেতিয়াও অসমৰ বাহিৰলৈ যাব নোৱাৰিলে। অসম ভূমিৰ চাকি বা জোখ শূন্য নিজৰ মনটো অসম বহন কৰিব পৰা অভিলাষ তেওঁ পাহাৰৰ মাটি জাপি জাপি চাকি পেলালে। তৃতীয়তে, তেওঁ ব্যক্তিগত কাকতজনও পঢ়িবলৈ নিশিকিলে। আৰৱ, সাহিত্য, সংগীত আদিৰ লগত তেওঁৰ পৰিচয় আছে যদিও সেই সম্বন্ধে তেওঁ কেতিয়াবাই কোনো পুথি লিপিবদ্ধ কৰিলে।

কাকতীয়ে অৱসৰ সময়ত কি কৰি কটায় বা তেওঁৰ সাধাৰণ স্বভাৱ আদি কি তাক লৈ নানা জনৰৱ আছে। কোনোৱে কয় তেওঁ বুঢ়া খেল ভাল পায়, কোনোৱে কয় তেওঁ মদ খাই গুৱাহাটী চহৰত পথৰীৰ পিছে পিছে ঘূৰি ফুৰে, কোনোৱে কয় তেওঁ মদ খোৱাসকলক খঁতে ত'তে তেনে কৰে, কোনোৱে কয় তেওঁ বুঢ়ী তিৰোতাৰ সঙ্গ ভাল পায়, আনে কয় তেওঁ মেখেলা-চাদৰ বা শাৰী পিন্ধা মহিলাকো ভাল পায়। এইবুলিও এটা গুজৱ আছে যে কাকতীয়ে অৱসৰ সময়ত চেনো খুব ঢুকটোৰ খেলে। বহুতে কয় বোলে বৰ্ত্তমান কাকতীয়ে [illegible] আৰু [illegible] বিয়া পোচে, আনবোৰ দুই চাৰিজনে তেওঁক সিহঁতৰ (সেই [illegible] বিষয়ে) এটা [illegible] সন্দেহ কৰে।

কাকতীৰ লগত মোৰ পৰিচয় আছে আৰু তেওঁৰ ঘৰটো মোৰ [illegible] পাহাৰৰ নামনিত থকা ঘৰটোৰ কাষতে হোৱা কাৰণে এদিন পৰীক্ষা কৰিবলৈ [illegible] কাৰণে মোক কাষৰ পৰ্য্যন্ত কাকতীৰ ঘৰত [illegible]। [illegible] কাকতীৰ [illegible] লগে লগে হাতত এসোপা [illegible] এজন [illegible] লোক কাকতীৰ [illegible] এটাৰ্ পৰা ওলাই আহিল আৰু মোক নমস্কাৰ জনাই [illegible] এটা [illegible]

ওলাই গ'ল। অসমীয়া মানুহে কাকতীৰ ঘৰত ভূত-বিৰা থাকে বুলি কেনেকৈ গুজৱ তুলিলে তাক মোৰ বুজিবলৈ বাকী নাথাকিল। চৰিত্ৰৰ দোষত আমাৰ অসমীয়া মানুহে কেতিয়াবা অজ্ঞতাৰ চৰম সীমা দেখাই যায়। কথাটো হয়তো এনেদৰে আৰম্ভ হ'ল—কোনোবাই সঁচাকৈয়ে ক'লে,

"কাকতীৰ ঘৰত আজি ভোট এটা দেখিলোঁ"

তাৰ পৰা সেই কথাষাৰ ইকাণ সিকাণকৈ এনেদৰে বগালে,

"কাকতীৰ ঘৰত কোনোবাই ভোট দেখিলে"

"কাকতীৰ ঘৰত মানুহে ভূত দেখিছে"

"কাকতীৰ ঘৰত ভূত আছে"

"কাকতীৰ ভূত-বিৰাৰ লগত কাৰবাৰ"

"কাকতীয়ে ভূত-বিৰা পোহে।" ইত্যাদি ইত্যাদি

যাহওক ভুটীয়া লোকজনক দেখি মই কাকতীক সুধিলোঁ,

"ছুৰেটাৰ কিনিবলৈ সে বেচিলে?"

"নাই, নাই এই মানুহজন বৰ ভাল। তেওঁৱেই এবাৰ মোৰ প্ৰাণ বচালে। মানুহজন দেখিলে বুজা নাযায় কিন্তু তেওঁ সাক্ষাৎ দেৱতাৰ অৱতাৰ। খুব সাধু মানুহে। [illegible]লে প্ৰায়ে আহি থাকে।" বুলি কাকতীয়ে সহজভাৱে ক'লে।

কাকতীৰ কথা শুনি মই আচৰিত হৈ সুধিলোঁ,

'আপোনাৰ প্ৰাণ বচালে মানে কেনেকৈ?'

'এ বছৰ আগতে মোৰ এদিন মনটো কি বেয়া লাগিছিল ক'ব নোৱাৰোঁ কাহাৰী-ঘাটৰ শিল এটাৰ পৰা ব্ৰহ্মপুত্ৰত জাপ মাৰি দিছিলোঁ—চুইচাইড কৰিবলৈ। গভীৰ আছিল হ'বলা। পিছত ক'ৰ পৰা আহি এই মানুহজনে মোক পানীৰ পৰা কেনেকৈ তুলি আনিলে ক'ব নোৱাৰোঁ, মোক নতুন জীৱন দিলে। তেওঁ মোক বহুত বুজালে। মোৰ মনটোকে আহিল আৰু ক'লে যেতিয়া—কি আচৰিত হয়, ইমান ধুনীয়া দুকান আছে, ইমান টকা আছে, মাইকী জাইকী নাই আছে, বুঢ়া মাক-দেউতাক নাই, ভাইভনীকো চিন্তা, কাকো কৰি নাই, ব্ৰহ্মপুত্ৰত জাপ মাৰি দিছ, কি কাৰণে—

মানুহজনৰ আৰু অসমীয়া অসাধাৰণী কথাবিলাক শুনিলেই ভাল লাগে। তাৰ পিছত তেওঁ মোক বহুত পৰা বুজোৱাৰ আৰু মই ছুৰেটাৰ গঢ়িবলৈ শিকালে আৰু ক'লে—কৰিবৰ কিছু নাথাকিলে ছুৰেটাৰ বনাব, মই বিক্ৰী কৰিম, নাই জাপ মাৰি কি কৰিবা, তাতকৈ নাৰ্ভিছ [illegible] আহিব লাগিব আৰু বেছি ভাল হ'ব।—তেওঁ এতিয়া কম যোৱে তেওঁৰ ব্যৱসায় খুব ভাল হৈছে। আৰু এই ভুটীয়াজন অসমীয়া মানুহক ছুৰেটাৰ গঢ়িবলৈ শিকাই ল'ব পাৰিলে তেওঁ যেনো ভোটবিলাক পৰা ছুৰেটাৰবিলাক কাঢ়ি আনিব নালাগে। এই গঢ়ি দিয়া ছুৰেটাৰবিলাকৰ পৰা বি [illegible] তাৰ আধা মোক দিয়ে, বাকী এৰ—

'এই পইচা তোৰ ডকালিকৰ পইচা, আজিৰ কামত লগাবি, চয়াব নিকিনিবি !
সেই পইচা কেইটা মোৰ সঁচাকৈয়ে খুব ভাল লাগে, তাক মই বেলেগে থওঁ।
কিবা এটা ভাল কামত লগাব লাগিব।'

কাকতীৰ কথাখিনি শুনি মোৰ তেওঁলোক দুয়োজনৰ প্ৰতি শ্ৰদ্ধা হ'ল। মানুহজনৰ নাম কি সোধাত কাকতীয়ে ক'লে যে তেওঁ নাম চাব নকয়, কেৱল তেওঁক 'দোস্ত' বুলি মাতিবলৈ কয়। এইবিলাক কথা কৈ কৈ কাকতীয়ে মোক ভিতৰলৈ নি বিয়েৰ, হুইস্কি কি খাম সুধিলে। মই বিয়েৰ খাম বুলি কোৱাত তেওঁ মোক লৈ দুয়োই ভিতৰলৈ গ'ল। কাকতী ভিতৰত থাকোঁতেই সেই বুঢ়া ভদ্ৰলোকজন আকৌ মোৰ আহি ডাঙৰ ডাঙৰকৈ কাকতীক সুধিলে,

'দৰ্গভ ভাই, দৰ্গভ ভাই। আৰে মাফ কৰিবি ভাই। বাহিৰত গে মোৰ এখন
হোবা কি তোৰ দোস্তকও চুৰুটাৰ বনাব শিকাই দিব নোকি ?'

কাকতীয়ে ভিতৰৰ পৰাই চিঞৰি উত্তৰ দিলে,

'আৰে নাই বে দোস্ত, ই আমেৰিকাত থাকে। এতিয়া গুচি যাব।'

কাকতীৰ কথা শুনি তেওঁ মোৰ পিনে চাই ক'লে,

'অ' মই ভাবিলো বাটু মহ আহিছে, দীৱানা আছে নোকি ? নাহিলে আপ মত
দিবি। বহুত তকলিফ হ'ব। আজকাল চুৰুটাৰ বনালে কায়দা আছে।'

মই তেনেকুৱা মানুহ নহয় বুলি আশ্বাস দি মই তেওঁক খপহকৰে সুধিব খোজাতো যে তেওঁ কিয় ইমানেকৈ চুৰুটাৰ বিক্ৰী কৰি ফুৰে, তাতকৈ যেকোনো তেওঁ ধাৰ্মীক কাম কৰিলেই ভাল। নাইবা তেওঁ যেখোন ভগৱানৰ পূজা কৰি থকাই ভাল। মোৰ কথা শুনি তেওঁ উত্তৰ দিলে,

"আৰে পেট পূজা নহলে কি কৰি ভগৱান পূজা হ'ব আৰু মইতো ধাৰ্মীক
আছে। এই চৰকে চুৰুটাৰ বনাব শিখায়, পাৰ্বতী শিখায়, কিতাপ বনাব শিখায়,
হাতকা কাম শিখায় আৰ চৰসে নেহি আদমীক পহচানিব শিখায়। তথাপিও বুঢ়াৰ
কাৰণে আৰু পেট পূজাৰ কাৰণে কৰো।"

তেওঁ কথা কৈ থাকোঁতেই কাকতীয়ে বিয়েৰৰ বটল এটা আৰু গ্লাচ দুটা হাতত লৈ সেই কোঠাটোত সোমাল। মই তেওঁক বাহিৰলৈ আৰু আমাৰ লগতে অলপ বিয়েৰ খাবলৈ অনুৰোধ কৰিলো। তেওঁ মোক ডাঙৰকৈ নমস্কাৰ এটা কৰাই ক'লে,

'নাই চাহাব। মইতো বুঢ়াৰ চৰখৰ পূজাৰি আছে। বুঢ়া কি চৰখাত আচা
নেছে। মই চৰাচ, আৰু বুঢ়াক আৰু নহি মানালে।'

তাৰ পিছত মানুহজন বৰান্দাকে গুচি গ'ল। কাকতীৰ মন উদিগ্ন দেখিয়েই যে তেওঁ বাবলৈ মনাপাৰি কৰিলে তাক বুজিব পাৰি মই ক'লো,

"আপুনিও ভাল। মানুহজনে যেন পাই বুলি জানিও বাৰু আপুনি কেলেই
বিয়েৰৰ বটলটো উলিয়াব লাগে ?"

"নাই, তেওঁ এনেয়েও গ'ল হয়। মোক তেওঁ এবেলা সদায় বাধা নিদিয়ে। আঁচল-

কালি যে আমাৰ সমাজত মদ নাখালে নচলে তেওঁ ভালদৰে জানে। বুজিছে আমাৰ নিচিনা ব্যৱসায়ী মানুহৰ কাৰণে মদ বৰ দৰকাৰী।"

কাকতীৰ কথা শুনি মই আচৰিত হৈ সুধিলোঁ,

"মানে কি? আপুনি মদ নোখোৱাকৈ থাকিব নোৱাৰে নেকি?"

"সঁচা কথা ক'বলৈ গ'লে মই মদ খাবলৈ বেয়া পাওঁ। কিন্তু আজিকালি ঘৰত ৰিফ্ৰিজাৰেটৰ নাথাকিলে আৰু ৰিফ্ৰিজাৰেটৰত বিয়েৰ বৰফ আদি বা আলমাৰীত হুইস্কি, ৰাম আদি নাথাকিলে আমাৰ কোনো প্ৰেষ্টিজেই নাথাকে। এইবিলাক নাথাকিলে মানুহে ভাবিব মোৰ ষ্টেণ্ডাৰ্ড বেয়া আৰু ঠিকা পোৱাতও বাধা পৰিব। ড্ৰিংক কৰাতকৈ ঘৰত যে ড্ৰিংক আছে সেই কথাটো মানুহক জানিবলৈ দিয়াটো ভাল।"

তাৰ পিছত কাকতীয়ে তেওঁৰ ঠিকাৰ বিষয়ে আৰু আজিকালি চহকী হোৱা অসমীয়া সমাজত কেনে দৰে অনবৰত মদ পান আদি চলে সেইবিলাক ক'বলৈ ধৰিলে। সেই-বিলাক কথাত অৱশ্যে মই বৰ বেছি ৰস পোৱা নাছিলোঁ। তেওঁ চুৰেটাৰ গেঁঠাৰ উপকাৰিতাৰ বিষয়ে বহলাই ক'লে। কাকতী বুদ্ধিজীৱী নহয় তেওঁ ঠিকাজীৱীহে। তেওঁৰ ব্যক্তিত্বৰ একমাত্ৰ আকৰ্ষণীয় দিশ হ'ল চুৰেটাৰ গেঁঠাত তেওঁৰ পাৰদৰ্শিতা। সেইটো বিষয়ত অৱশ্যে মোৰ কোনো বাপ নাই। চুৰেটাৰৰ ক্ষেত্ৰতো মোৰ জীৱনটো আধৰুৱা—মোৰ দুয়ো গৰাকী পত্নীকে মই মোৰ কাৰণে চুৰেটাৰ গাঁঠিবলৈ উল কিনি দিছিলোঁ কিন্তু তেওঁলোক দুয়ো মোৰ কাৰণে আধা কৰা চুৰেটাৰ একোটাহে এৰি থৈ গ'ল। মোৰ দুই চাৰি গৰাকীমান বান্ধৱীয়ে মোৰ কাৰণে চুৰেটাৰ গাঁঠিবলৈ আৰম্ভ কৰিছিল, কিন্তু কেৱল এগৰাকীৰ বাহিৰে বাকী আটাই কেইগৰাকীয়ে চুৰেটাৰ বিলাক আধাকৰা হওঁতেই হয় আমাৰ বন্ধুত্বৰ সানৰ্বাণ পৰিব নহয় তেওঁলোকে মোৰ কাৰণে চুৰেটাৰ গাঁঠি লাভ নাই বুলি উপলব্ধি কৰিলে। গোটা চুৰেটাৰৰ লগত মোৰ এনে দুখ লগা সম্বন্ধ কাৰণেই হয়তো কাকতীৰ কথাত মই বৰ বাপ নাপালোঁ। ভাগ্য ভাল কাকতীৰ কাম কৰা ল'ৰাটোৱে আমাক নানাধৰণৰ জলপান বহুত যোগান ধৰি আছিল। মই সেইবিলাকৰ সহায়ত দুপিয়লামান বিয়েৰ খালোঁ। পিছতে উঠি আহিবৰও মন যোৱা নাছিল। কাকতীৰ লগতও মোৰ কথা-বতৰা জমা নাছিল। সেই কাৰণে নিজৰ মনটো সুস্থ ৰাখিবৰ কাৰণে মই প্ৰেম বুলি নিজৰ লগতে কথা পাতিবলৈ ল'লোঁ। কেনে ধৰণে মই নিজকে ডাঙৰকৈ সুধিলোঁ,

"আচ্ছা, দলৈ জামাই বাবু নিজকে কিয় সেকাণ্ডচন্দ্ৰ অভিজাত বুলি ভাবে আৰু তিলকতীয়া লোকক কিয় বঙাল নামাক দুখমেদৰ অৱতাৰ বুলি ভাবে?"

প্ৰশ্নটো মোৰ কাণত পৰাৰ লগে লগেই মই উত্তৰ দিলোঁ,

"কাৰণ সেকাণ্ডচন আৰু দুখমেদ একেই।"

সেই উত্তৰটো শুনি কিন্তু মই পাতিলন মনটো আৰু নিজকে বুজাব দিলোঁ,

"বুদ্ধদেৱ আৰু জেফাবচন যদি একেই তেনেহ'লে তেওঁলোকে কি ভাষাত কথা পাতে ?"

এনেকুৱা যুক্তি খণ্ডাবা প্ৰশ্নৰ বিষয়ে অৱশ্যে মই নিজেই মত দিওঁ,

তেওঁলোক দুয়ো কথা নাপাতিছিল আৰু যেতিয়া কথা পাতিব লগীয়া হৈছিল যেন'লে বা ৰাজা ৰাম মোহন ৰায়ক অনুবাদক হিচাপে মাতিছিল। কি দুখ লগা কথা দুয়োজন একেই অথচ মোৰ নিচিনাকৈ নিজৰ লগত কথা পাতিব নোৱাৰে। সেইটো অসম্ভৱ।"

এই যুক্তিত পতিয়ন নৈ মই নিজকে তেতিয়া দৃঢ়ভাৱে কওঁ,

"এৰা ঠিকেই কৈছে। এই বিলাক বাজে কথা ; দলৈ লামা, জেফাবচন বা বুদ্ধদেৱৰ অৱতাৰ আদি বাজে কথা। মানুহে অৱতাৰৰ আচল অৰ্থ নুবুজিছে বুলিহে ত'ত্তে যেনেকৈ পায় তেনেকৈ 'অৱতাৰ' শব্দটো ব্যৱহাৰ কৰে।"

মই নিজৰ লগত ইমান স্ফূৰ্তিৰে কথা পাতি থকা দেখি কাকতীয়ে ধৈৰ্য্য পোৱা হ'ল আৰু তেওঁ উচপিচাবলৈ ধৰিলে। সেইকাৰণে মই তেওঁক ক'লোঁ যে তেওঁৰ যদি আমনি লাগিছে বা তেওঁ যদি হাত ভৰিবোৰ চলালিব নোৱৰা হৈছে তেনেহ'লে তেওঁ চুৰুটাৰক অলপ পৰ্য্যটিব পাৰে আৰু মইও চাই ভাল পাম। মোৰ কথা শুনি কাকতীয়ে একে জাপে উঠি তেওঁৰ উলৰ মোনাটো আনিলে আৰু আধা ... চুৰুটাৰ এটা পৰ্য্যটিবলৈ আৰম্ভ কৰিলে, তাৰ পিছত কাকতী স্বাভাৱিক হৈ পৰিল। তেওঁৰ কথা-বতৰাবোৰও বেছ সৰল হ'ল। তেওঁ বেছ মুকলিমূৰীয়াভাৱে নিজৰ জীৱনৰ কথাবিলাক ক'বলৈ আৰম্ভ কৰিলে। মই তেওঁক ক'লোঁ,

'আপুনি কিন্তু সাংঘাতিক মানুহ দেই—জুটীয়াক চুৰুটাৰ বেচিব পৰা অসমীয়া মানুহ চাগৈ দ্বিতীয় জন নাই দেই।' তাৰ উত্তৰত কাকতীয়ে ক'লে,

'নাই, নাই মই এইটো ব্যৱসায় হিচাপে লোৱা নাই। মোৰ কাৰণে এইটো বৰ চখৰ কাম। মই ব্যৱসায় কৰি হাজাৰ হাজাৰ টকা লাভ কৰিলে যিমান আনন্দ লাগে তাতকৈ চুৰুটাৰ এটাৰ পৰা পোৱা চাৰি পাঁচ টকাই মোক বেছি আনন্দ দিয়ে। ঠিকাদাৰৰ জীৱন বৰ বেয়া বুজিছে। আমাৰ এই মিনিষ্টাৰ আৰু ডাঙৰ ডাঙৰ অফিচাৰবিলাকে আমাৰ জীৱন একেবাৰে মিজাৰেবল কৰি দিয়ে বুজিছে।'

মই কথা ঘূৰাবলৈ সুযোগটো পাই তেওঁৰ কথাত বাধা দি সুধিলোঁ,

'তাৰ মানে আপুনি কোনো মন্ত্ৰী বা চৰকাৰী বিষয়াৰ ওপৰত খং কৰিহে চুইচাইড কৰিবলৈ ওলাইছিল নেকি ?"

কাকতীয়ে কিন্তু হাঁহি হাঁহি উত্তৰ দিলে,

'নাই নহয়। সেই সমাচ বিলাকৰ কাৰণে মই কিয় মৰিবলৈ যাম। অৱশ্যে, সিহঁতৰ কাণ্ড কাৰখানাবিলাক দেখি কেতিয়াবা ইমান বিতৃষ্ণা হয় যে ঠিকা চিকা সকলো বাদ দিবৰ মন যায়, কিন্তু সেইকাৰণে কেতিয়াও মই চুইচাইড কৰাৰ কথা

ভবা নাই। মানে কি ক'ম বুজিছে এই জাতিটোৰ যে ইমান অধঃপতন হৈছে ভাবিলেই দুখ লাগে। কিবা এটা ঠিকা ল'বলৈ যাওক ইঞ্জিনীয়াৰ, চীফ ইঞ্জিনীয়াৰ, ছেক্রেটাৰী, মন্ত্রী সকলোকে আপুনি ভাগে ভাগে পইচা দিব লাগিব। আন নালাগে টেণ্ডাৰ দিবলৈ যাওঁতে আপুনি কেৰাণীকো পইচা দি আহিব লাগিব, নহ'লে ক'ৰ টেণ্ডাৰ ক'লৈ যায় তাৰ ঠিকনা নাই। দহ জনাৰ কাম ললে, আপোনাৰ ছয় জনা গুহ পূজা কৰোঁতেই যায়। বাকী চাৰি জনাৰে মই কামও কৰিব লাগিব আৰু লাভও কৰিব লাগিব।'

মই তেওঁৰ সুত্রটো বুজি পাই ক'লোঁ,

"অ' বুজিলোঁ আপুনি প্রথমে লাভটোহে চাব লাগিব তাৰ পিছতহে কাম, নহয় জানো? অর্থাৎ দহ জনাৰ কাম ওলালে কেৰাণী, মহৰী, ইঞ্জিনীয়াৰ পাৰ মন্ত্রী সকলোৰে লাভ হ'ব লাগিব যোতিয়া আচল কাম হ'বগৈ মাত্র দুজনাৰে আৰু সেই দুজনাতও যে কাৰ ভাগ আছে ভগবানে হে জানে ?"

কাকতীয়ে মোক তেওঁৰ কথা শুনিবলৈ ভাল মকেল পোৱা বুলি ভাবি কৈ গ'ল,

"এতিয়ানো ইয়াত কাম কেনেকৈ হয় কওকচোন। দেশখন যে কেনেকৈ তিষ্ঠি আছে ক'ব নোৱাৰোঁ। বৰ ছোট বুজিছে। ঠিকাদাৰবিলাকও সেই—ভাল কাম কৰিবলৈ চেষ্টা নকৰি কেনেকৈ যোচ ভোচ দি কামটো লয় আৰু কেনেকৈ ফাঁক মাৰি কামটো শেষ কৰে তাৰহে ধান্দা। মন্ত্রী, বিষয়াবিলাকৰতো কথাই নাই, অতি ছোট। বাহিৰা মানুহক বাহিৰা ঠিকাদাৰকহে বেছি সুবিধা দিয়ে, কলিকতা, দিল্লী, বা বোম্বাইৰ ব্যৱসায়ীয়ে থকাত অলপ আদৰ সাদৰ কৰি বাখি গাড়ীৰে ঘুৰালেই তেওঁলোক একেবাৰে পমি যায়।"

মই সুধিলোঁ,

আচ্ছা অসমত এতিয়াও বাহিৰৰ ঠিকাদাৰ বা কোম্পানীবিলাকে ভাল কাম পায় নেকি ?"

তেওঁ ধপইকৰে ক'লে,

'ভাল কাম মানে ? কোটি কোটি টকাৰ ডাঙৰ ডাঙৰ কাম সকলো বাহিৰৰ কোম্পানী বা ঠিকাদাৰ বিলাকলৈ যায়। আমি সৰু সৰু খন্দা, পোতা ভঙা মেৰামতি কৰা কামবিলাকহে পাওঁ।'

মই আচৰিত হৈ সুধিলোঁ,

'আমাৰ ইঞ্জিনীয়াৰ, মন্ত্রী আৰু বিষয়াসকলে যেখোন ইমান দিনে ভাল ভাল কামবিলাকৰ কাৰণে অসমীয়া মানুহক সজাগ কৰি জেনে কাম বিলাক শিকিবলৈ আৰু কৰিবলৈ সহায় কৰিব পাৰিলেহেঁতেন ?'

'কৰিব বিয়ক, অসমীয়া মানুহে সদায় ইটোৱে সিটোক খেচা দিখা কৰোঁতেই যায়। বুজিছে এই বিলাক আমাৰ জাতীয় দোষ—এজন অসমীয়াই আন এজনৰ ভাল হোৱা দেখিব নোৱাৰে। অসমীয়াই ইজনে সিজনক যিমান পাৰে

নিয়ান ভনতেছে সবাই ৰাখিবলৈ চেষ্টা কৰে। এজনৰ উন্নতি দেখিলে সকলোৱে হাকুটি লগাই ভনতে মাৰিবলৈহে চেষ্টা কৰে। কোনোবা এজনে যদি ভাল কাম কৰে তাক তেওঁলোকে সমাগা হৈহে থাকক তেওঁলোকে কেনেকৈ তেওঁৰ অপমান উলিয়াব পাৰে তাৰহে চেষ্টাত থাকে। বদনাম, বদনাম, বদনাম মানে অসমীয়াই আন অসমীয়াৰ বদনাম গাবলৈ আচৰিত ভাল পায়। সেয়েহে আপুনি বিয়াৰ বদনাম শুনিব।

মই কাকতীক আশ্বাস দিবৰ কাৰণে ক'লোঁ,

'ক'তা মইতো আপোনাৰ একো বদনাম শুনা নাই। আপোনাৰ ছোৱালীৰ ওপৰত ৰাগ নাই, হেপীটিক ঠেকৰ ওপৰতহে ৰাগ শুনিব দুই চাকৰিজনে কয়। সেয়াতো বদনাম নহয়। অ' মানুহে কয় আপুনি বিলাতী হাউচ কোট পিন্ধি বজাৰ কৰিবলৈ যায় শুনি—মই কওঁ আপোনাৰ বিলাতী হাউচ কোট গাৰ কাৰণেহে পিন্ধিছে, সেই কাৰণে মহকাবিলাকৰ মিছা হিংসা। অৱশ্যে, ঘৰ সাজিবলৈ লওঁতে চিমেণ্ট কাক মানে আহি কথা দুই একী মোৰ কাণত পৰিছে। মই অৱশ্যে কৈ দিওঁ আজিকালি চিমেণ্ট যি দুৰ্লভ, কাকতীয়ে চিমেণ্ট কাক নামাৰি বাজি কাক মাৰিব নে? মানুহৰ যে আৰু কথা!"

কাকতীয়ে মোৰ কথাবিলাক ভাল পালে নে নাই ক'ব নোৱাৰো কিন্তু কৈ গ'ল,

'আপুনি বৈদ্য কাটিং মানে নেই। এইবিলাক মামুলি কথা। মোৰ যেনেদ বহুত বদনাম আছে যাৰ কাৰণে মোৰ এই অৱস্থা। বিয়া কৰিবলৈ এজনী ছোৱালী নাপাওঁ।

"তাৰ মানে আপুনি বিয়া কৰিবলৈ বিচাৰে? মই আকৌ ভাবিছিলোঁ যে আপোনাৰ বৈবাহিক জীৱনত অকণো স্পৃহা নাই।" মই সুধিলোঁ।

'বিয়া কৰিব বিচাৰো মানে—মই আজি কুৰি বছৰৰ পৰা বিয়া কৰিবলৈ বিচাৰিহে আছোঁ কিন্তু মোৰ ভাগ্যত বিয়া উঠা নাই। মোৰ আই-দেউতাই বহু দিন চাগে ছোৱাই নোছোৱাই ছোৱালী এজনী চাই দিলেহেঁতেন। কি কৰিব বিধি মোৰ ভাগ্যতে নাই।'

'কিন্তু আপোনাৰ দেখোন আন মিতিৰ-কুটুম আছে। তেওঁলোকে আপোনাক ছোৱালী এজনী চাই দিবলৈ চেষ্টা নকৰে নে?'

'কৰিব কিয়? মোৰ মিতিৰ-কুটুমবিলাক বিয়া পতা মিতিৰ নহয়, বিয়া ভঙাহে। কোনোবাই যদি [illegible] তেওঁলোকে ছোৱালীৰ ঘৰত উলিয়াব লাগে ছোৱালীৰ ঘৰত গৈ মোৰ বিষয়ে অদ্ভুত কথা বিয়াৰ কয়। বিয়া আৰু হয় কেনেকৈ? এতিয়া সকলো ছোৱালীয়ে হয় মোক ভয় কৰে নহয় মোৰ কথা শুনিলে ভাত পেপুৱা পায়।' [illegible] মানুহক জানে [illegible] নকৰিব। শুনিছোঁ, তেওঁ নিজে এতিয়া [illegible] যে মই [illegible] বাঁচিছোঁ।

কাকতীৰ কথা শুনি মোৰ দুখ লাগিল আৰু সেই অপবাদে যে তেওঁৰ যথেষ্ট অনিষ্ট কৰিছে তাক মোৰ বুজিবলৈ বাকী নাথাকিল। তাৰ কাৰণে যে কাকতীৰও দোষ তাক মই ইঙ্গিত দিবৰ কাৰণে ক'লোঁ,

'আপোনাৰ বিষয়ে এই কথাটো ওলোৱাৰ এটা কাৰণ হৈছে আপুনি আপোনাৰ ছুটীয়া বন্ধুজনৰ লগত আন্তৰিক সম্বন্ধ আৰু চুৰেটাৰ গোঁঠাত আপোনাৰ বাপটো মানুহৰ পৰা গোপনে ৰাখিবলৈ চেষ্টা কৰে। আপুনিতো এইবিলাক লুকাবৰ কোনো কাৰণ নাই। আপোনাৰ যে বিস্কিজাকেটৰ আৰু বিস্কিজাৰেটৰত মদ আছে সেইটো মানুহক দেখুৱাবলৈ বিচাৰে কিন্তু আপোনাৰ যে এজন ইমান ভাল বন্ধু আৰু এনেকুৱা এটা হ'বি আছে তাক কিয় লুকুৱাবলৈ বিচাৰে, মই আচৰিত ?

কিন্তু কাকতীয়ে মোৰ কথাত সম্মতি নজনাই ক'লে,

'এ, আপুনি নাজানে দিয়ক আমাৰ মানুহৰ কথা।—ভোটটোৰ লগতহে কাৰবাৰ এনেক ক'ব। তাতে কেনেবাকৈ যদি মই চুইছাইড কৰিবলৈ চেষ্টা কৰা বুলি গম পায় তেনেহ'লেতো কথাই নাই। মোক যে কিমান হাঁহিব ঠাট্টা কৰিব। আৰু মোৰ বিলেটিজৰবিলাকে বৈদ্য স্ফূৰ্ত্তি পাব। বৰ বেয়া বুজিছে মোৰ বিলেটিভবিলাক। সিহঁতক লাগে কেৱল টকা আৰু সহায়, কিন্তু মোৰ কি দুখ মই কিহত ভুগিছোঁ, সেইবিলাকৰ প্ৰতি ভ্ৰুক্ষেপ নাই। সিহঁতৰ ভয়তে মই বহুত কথা ঢাকিব লগীয়া হয়।'

ঈৰ্ষা পৰায়ণ অসমীয়া সমাজৰ কথা মই নজনা হয়। কাকতীয়ে চুইছাইড কৰাটো হাঁহিব লগীয়া কথা, কিন্তু সমাজৰ কি হেঁচাত কাকতীয়ে ৱৰ্ষপুত্ৰত জাপ দিব লগীয়া হৈছিল তাৰ প্ৰতি কাৰো লক্ষ্য নাই। সমাজে কাকতীৰ ভোট বন্ধুক জুত পাতিলে কিন্তু সমাজৰ কি জুতৰ অত্যাচাৰত কাকতীয়ে অকলে অকলে কণ খাপিব লগীয়া হৈছে তাক কোনেও বুজিবলৈ চেষ্টা নকৰে। কাকতীৰ টকা আছে আৰু কাকতীয়ে আজি বহুত দিনৰে পৰা এজনী গোৱালী বিয়া কৰিবলৈ চেষ্টা কৰি আছে এই দুটা কথাৰ সুযোগ ল'বলৈকে যে ডেকাহঁতে কাকতীক 'মিছ গোৱাহাটী' প্ৰতিযোগিতাৰ এজন পৃষ্ঠপোষক পাতিবলৈ পাতিছিল তাক মোৰ বুজিবলৈ বাকী নাথাকিল। ই সমাজৰ এক কাণ্ড—কাকতীয়ে যদি এই ফান্দত পৰি ছটফট কৰে তেনেহ'লে হয়তো কাণ্ড পাতোঁতা সকলেই বেছিকৈ হাঁহিব। কিন্তু কেনেকুৱা মানসিক হেঁচা আৰু সামাজিক অন্যায়ৰ কাৰণে কাকতীয়ে এই কামৰ পিনে খোজটো দিছিল, তাক সহানুভূতিৰে বুজিবলৈ চেষ্টা কৰাটো আমাৰ সমাজৰ নীতি নহয়। সেইকাৰণে মই কাকতীক সতৰ্ক কৰি ক'লোঁ,

"এই যে কেওনাৰে মিছ গোৱাহাটী প্ৰতিযোগিতাৰে কাৰণে ল'ৰাহঁতে আপোনাৰ ঘৰত মিটিং পাতিছে আপোনাক গৰিয়াৰ কাৰণেই নহয় জানো ?"

"হয় সিহঁতে মোৰ পৰা কিছু পইচা বিচাৰিছে। সামাজিক কামত মই অলপ

অচৰপ পইচা খৰচ কৰিবলৈ যেৱা নাপাওঁ। তাতে এইটোৰ পৰা মোৰ যথেষ্ট লাভ হ'ব লাগে। কাৰণ এই দলটো গোটেই ভাল ভাল মানুহৰ লʼৰা-ছোৱালীহে যুঁজিছে। তেওঁলোকক সহায় কৰিলে মই এই মানুহবিলাকৰ পৰা সহায় পাম। তাতে এনেকুৱা এটা ভাল কাৰণত একটিভ পাৰ্ট লৈ দেখুৱালে মোৰও প্ৰেষ্টিজ বাঢ়িব।"

মই কাকতীক বুজালোঁ,

"সামাজিক কামত যদি পইচা খৰচ কৰিবলৈ বিচাৰিছে তেনেহʼলে বহুত ভাল কাম দেখুৱাই দিব পাৰো। আপুনি কিয় অনৰ্থকতে ভাল ভাল মানুহক খোৱাবলৈ কৰাৰ কথা ভাবিব লাগে। তাতকৈ দুখীয়া নিচলাৰ জীৱনত অলপ সুখ-উপভোগ আনিবলৈকে চেষ্টা কৰকচোন। যুঁজিছে এই তেওঁলোকে জানে যে আপুনি এজনী ছোৱালী নিজৰ কাৰণে আশাত নেই কোনো ছোৱালীৰ কাষ চাপিবলৈ পাগল। সেইকাৰণে আপোনাৰ এই দুৰ্বলতাৰ সুযোগ লʼবলৈকে সিহঁতে আপোনাৰ সহযোগিতা বিচাৰিছে। আপুনি টকা দিলেও সিহঁতে আপোনাক দূৰতে থিয় কৰিব। এনেকৈ আনৰ দুৰ্বলতাৰ সুযোগ লোৱাটো মই সহ্য কৰিব নোৱাৰো, সেইকাৰণে মই সিহঁতক আপোনাৰ ওচৰলৈ আহিবলৈ মানা কৰি দিম।"

মোৰ কথা শুনি কাকতীয়ে তেওঁৰ মুখৰ এক্সপ্ৰেছন সলনি কৰি জাপ মাৰি উঠি মোক হেঁচা মাৰি ধৰি কʼলে,

'হে হে, দত্ত, বʼব আপুনি একো বিধি পথালি নিদিব। ইয়াৰ পৰা মোৰ বহুত লাভ আছে। তেওঁলোক মোৰ ওচৰলৈ অহা কাৰণে মই ভালহে পাইছো। দহ পোন্ধৰ হাজাৰ টকা যায় যাব, মোৰ কোনো পৰোৱায় নাই। মোৰ কাৰণে এইটো এটা ভাল সুযোগ আহিছে। প্লিজ, প্লিজ আপুনি নষ্ট নকৰিব। আপুনি সিহঁতক একো নকʼব। মই কি কৰিব লাগে জানো, মই কি বিচাৰো জানে। আপুনি যদি মোক সহায় কৰিব বিচাৰে আপুনি মোক ৰেডিওৰ এই প্ৰতিযোগিতাত দিয়া ছোৱালী সন্ধান কৰক। যুঁজিছে মই আপোনাৰ অধিক ধৰিছো মই যাতে সেই বিউটি কণ্টেষ্টত বেছ ভাল ভাৱে মানুহৰ চকুত পৰিবলৈ সুবিধা পাওঁ তাৰ বাবে চেষ্টা কৰক।"

কাকতীৰ আকুলতা দেখি মোৰ পুৰণা হʼল। তেতিয়া মই মোৰ লʼচা বিচাৰ-বুদ্ধিৰ ব্যৱহাৰ কৰিলোঁ। তাতে সময় বহু লাগিল। মই নিজাবিলাকে দিয় তেওঁক দুখ দিওঁ। সেইবুলি ভাবি মই আশ্বাস দিলোঁ,

"তেনেকুৱা কথা নাই। এইটো আপোনাৰ ইচ্ছা, আপুনি কি ভাল পায় কৰক। মই মোৰ পাৰিব কৰিছো। আপোনাক যে সিহঁতে ধৰিবলৈ চাইছে আৰু সিহঁতে যে আপোনাৰ দুৰ্বলতাৰ সুযোগ লৈছে তাক মই সাৱধান দিলো। মই একো বিধি পথালি নিদিওঁ। আপুনি যাতে 'মিছ গোৱাহাটী' প্ৰতিযোগী-সকলৰ সম্পৰ্কত আহিবলৈ সুবিধা পায় তাৰ বাবে মই চেষ্টা কৰিম।"

খীৰোৰা-কাণ্ড

নিৰ্ধাৰিত দেওবাৰে বাতিপুৱা নটামান বজাতে প্ৰায় পহজনমান ডেকা, দুজনী ছোৱালী বন্না শৰ্মা আৰু মল্লিকা মহন্ত দৰ্গত কাকতীৰ ঘৰত গোট খালে। মইও সময়মতে গৈ পালোঁ। কাকতীয়ে কোনে কি ড্ৰিংক অৰ্থাৎ জিন, হুইস্কি, বিয়েৰ আদি কি জাতীয় মদ খাব সুধিলে। মই আচৰিত হৈ ক'লোঁ, 'এই বাতিপুৱা চাহ খাই উঠি বা একো নোখোৱাকৈ কোনোবাইনো ড্ৰিংক কৰে নে? মই ইংলণ্ড, আমেৰিকাত আজি বিছ বছৰ থাকিলোঁ কিন্তু কেতিয়াও কাকো এনেকুৱা সময়ত ড্ৰিংক কৰা দেখা নাই'। মোৰ কথা শুনি এজনে মাত দিলে,

"মিঃ বৰু, এইখনতো আমেৰিকা নহয়। এইয়া অসম। আমি চান্স পালেই ড্ৰিংক কৰোঁ। কাকতী দাদা, বি আছে উলিয়াওক।"

কথাটো অৱশ্যে সঁচা। মাদক দ্ৰব্যৰ দাম খুব বেছি। নতুন চহকীসকলেহে তাক কিনিব পাৰে আৰু সেইকাৰণে কিনিব নোৱাৰাসকলে যেতিয়াই সুবিধা পায় তেতিয়াই আনৰ ঘৰত এইবিলাক খায়। তাতে এওঁলোক হৈছে আধুনিক যুগৰ ডেকা গাভৰু, নতুনত্বক নিৰ্ভীকভাৱে সাবটিবলৈ তেওঁলোকে বিচাৰে। সেইকাৰণে, তেওঁলোক যেয়ে যি পাৰে হুইস্কি, ৰাম, বিয়েৰ আদি গিলাচ ভৰাই ল'লে। মই চাহ একাপকে মোৰ কাৰণে কাম কৰা ল'ৰাটোক আনিবলৈ দিলোঁ।

তাৰ পিছত সভাৰ কাম আৰম্ভ হ'ল আৰু মোকেই সভাপতিৰ আসন ল'বলৈ অনুৰোধ কৰিলে। এই অপ্ৰত্যাশিত সন্মানৰ বাবে মই তেওঁলোকক ধন্যবাদ দিলোঁ। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি হেমন্ত বাৰে ক'লে যে প্ৰত্যেক সভ্য জাতিয়ে প্ৰত্যেক আধুনিক মহানগৰত সৌন্দৰ্য্য প্ৰতিযোগিতা পাতে কিন্তু অসমীয়া জাতি আৰু গুৱাহাটী মহানগৰী ইমান পিচ পৰি আছে যে গুৱাহাটীত কেতিয়াও এখন সৌন্দৰ্য্য প্ৰতিযোগিতা হোৱা নাই। অথচ অসমত বহুত ধুনীয়া ধুনীয়া ছোৱালী আছে। তেওঁৰ দৃঢ় বিশ্বাস যে "মিছ ইউনিভাৰ্চ" হ'ব পৰা ছোৱালী অসমত বহুত আছে। সেইকাৰণে তেওঁলোকে অসমৰ যুৱতীৰ প্ৰথমবাৰৰ কাৰণে 'মিছ গৌহাটী' প্ৰতিযোগিতা পাতিবলৈ ঠিক কৰিছে। তেওঁৰ আশা যে এনেকুৱা প্ৰতিযোগিতা সফল ভাবে পাতি থাকিব পাৰিলে এদিন অসমীয়া ছোৱালীৰ সৌন্দৰ্য্যই পৃথিৱীক মুহিব পাৰিব আৰু আমাৰ নাম চাৰিওপিনে [illegible] কাটি যাব। তেওঁৰ কথাত সকলোৱে হাত চাপৰি দিলে আৰু সেই মৃদু ধ্বনিৰ মাজে মাজে মই শুনিবলৈ পালোঁ কাকতীয়ে এনেকুৱা এজনী অসমীয়া ছোৱালী [illegible] কৰিব নোৱাৰিব কথা [illegible] কাটি [illegible] ও মল্লিকাৰ [illegible] ডেকা প্ৰকাশ।

তাৰ পিছত এজনে ইজনলৈ কি কি [illegible] কৰা [illegible] আৰু কেনেকুৱা ধৰণে

কৰিব বুলি ভাবিছে সেইবিলাক ক'লে আৰু তাক লৈ কিছু আলোচনা হ'ল। শেষত সকলোৱে মোৰ পৰা মই কি পৰামৰ্শ আগ বঢ়াবলৈ বিচাৰিছো ক'বলৈ খাটিলে। মই তেওঁলোকক ক'লো,

"আমি এতিয়াৰ পৰা প্ৰচাৰ কাৰ্য্য ভালদৰে চলাব লাগিব। এই প্ৰতিযোগিতাৰ বিষয়ে কেৱল অসমতে নহয় অসমৰ বাহিৰৰ বাতৰি কাকত, আলোচনী আদিত মাজে মাজে কিবাকিবি কথা উলিয়াই থাকিব লাগিব। তোমালোক কোনোবাই যদি ভাল প্ৰবন্ধ লিখিব পাৰা তেনেহ'লে অসমৰ পূৰ্বোত্তৰ-অঞ্চলত থকা বেলেগ বেলেগ জাতি উপজাতিৰ ধুনীয়া ধুনীয়া ছোৱালীৰ [illegible] সেই জাতি, উপজাতিৰ বিষয়ে সৰু সৰু প্ৰবন্ধ লিখিব পাৰা আৰু প্ৰত্যেক প্ৰবন্ধৰ শেষত এনেকুৱা যে সৌন্দৰ্য্য প্ৰতিযোগিতা হ'ব তাক উল্লেখ কৰিব পাৰা।

দ্বিতীয়তে, চাল ভাল প্ৰতিযোগীয়ে যাতে ইয়াত অংশ গ্ৰহণ কৰে, তাৰ কাৰণেও তোমালোকে এতিয়াৰ পৰা খাটিব লাগিব আৰু এই কমিটিবিলাকৰ কোনেও একো অসভ্যামি বা বেয়া ব্যৱহাৰ কৰিব নোৱাৰা। আমি আটায়ে যে সম্মানিত ব্যক্তি আৰু অতি গম্ভীৰভাৱে এই সৌন্দৰ্য্য প্ৰতিযোগিতা পাতিব খুজিছো তাক যেন সকলোৱে বুজি পায়। কিবা বদনাম ওলাব লগীয়া কাম কৰিলে সকলো শেষ হ'ব। তাতে কোনো প্ৰতিযোগী নাহিলেতো এনেয়ে কষ্ট কৰা হ'ব। সেইকাৰণে প্ৰতিযোগী যোগাবলৈ তোমালোকে এটা ভাল কমিটি গঠন কৰিব লাগিব। এইটো কমিটিত তোমালোক কোনো ডেকা থাকিব নোৱাৰা কাৰণ তোমালোক প্ৰত্যেকেই বদনাম হ'ব লগীয়া কাম কৰিছা আৰু মইও থাকিব নোৱাৰো কাৰণ বহুতেই মোৰ বদনাম গাই ভাল পায়। এইটো কমিটিত দুই এজনী গহীন গম্ভীৰ ছোৱালী হ'লে ভাল হ'ব। (মোৰ কথা শুনি বহুতো আৰু মণিৰা গহীন হ'ল)।

তৃতীয়তে, মোক তোমালোকে জাজ পাতিছা ভাল কথা। আমি আৰু দুজন জাজ বিচাৰিব লাগিব আৰু এওঁলোক সমাজৰ [illegible] লোক হ'ব লাগিব। তেওঁলোকক নিয়োগ কৰাৰ আগেয়ে তোমালোকে মোক সুধিব লাগিব কিয়নো সৌন্দৰ্য্য কি, নাৰীৰ সৌন্দৰ্য্য বিষয়ে আমি বিচাৰে তেওঁলোকৰ মত মোৰ লগত মিলাব দিবৰ প্ৰয়োজন। আমাৰ এই সৌন্দৰ্য্য প্ৰতিযোগিতা পোনেই হলিউদক অনুকৰণ কৰিবলৈ নহ'ব—তাত ছোৱালীবিলাকক বেলেগ বেলেগ ধৰণে নাঙঠা কৰি উলিয়ায় আৰু দৰ্শকে [illegible] কাঢ়িহে তাৰ ওপৰতে নিৰ্ভৰ কৰি [illegible] নম্বৰ দিয়ে। [illegible] আকৌ [illegible] চাপ [illegible] নম্বৰ দিয়া হয়। [illegible] প্ৰতিযোগিতাত সৌন্দৰ্য্যৰ বিষয়ে [illegible] আৰু [illegible] হ'ব লাগিব। এই বিষয়ে মই [illegible] আৰু [illegible] আৰু [illegible] এই সৰু সৰু প্ৰবন্ধ

লিখি প্ৰকাশ কৰিম। (তেওঁলোকে আটায়ে মোক ওস্তাদ বুলি মানি লৈ নৰ্ত্তাশৰ হ'ল)।

তাৰ পিছত আন এটা ভাবিব লগীয়া বিষয় হৈছে পুৰস্কাৰ। আমি ভাল পুৰস্কাৰ দিব লাগিব আৰু যি ফেইগৰাকী ফাইনেলিষ্ট হ'ব তেওঁলোককও ভাল পুৰস্কাৰ দিব লাগিব। কেনেকুৱা ধৰণৰ পুৰস্কাৰ আজিকালিৰ ছোৱালীয়ে ভাল পাব তাক এতিয়া তোমালোকে কোৱা।"

মোৰ কথা শুনি তেওঁলোকে এফুট হিলৰ জোতাৰ পৰা আৰম্ভ কৰি তিনি ফুট দীঘল শাৰীলৈকে নানা দ্ৰব্যৰ কথা ক'লে। গাড়ী, স্কুটাৰৰ কথাও ক'লে কিন্তু সেইবিলাক ব্যয় বহুল হ'ব বুলি বাদ দিয়া হ'ল। শেষত হনুমন্তই ক'লে, 'হাউ এবাউট এ ট্ৰিপ টু এমেৰিকা' [ভাবাৰ্থ : আমেৰিকা ভ্ৰমণৰ খৰচ দিলে কেনে হয়]। তেওঁৰ কথা শুনাৰ লগে লগে সকলোৱেই উত্তেজিত হৈ হৰ্ষধ্বনি দিলে। এজনে ক'লে, 'বঢ়িয়া কথা।'

আমি 'মিছ গোহাটী' হোৱা গৰাকীক আমেৰিকালৈ যোৱা খৰচ দিম আৰু ফাইনেলিষ্টবিলাকক দিল্লী, আগ্ৰা বা বোম্বাই ফুৰা খৰচ দিম। পোন্ধৰ বিছ হেজাৰ টকাতে সকলো হৈ যাব।'

তেওঁৰ কথাত সকলোৱে হৰ্ষধ্বনি দিলে আৰু মইও সমৰ্থন জনালোঁ। তাৰ পিছত মই ক'লোঁ,

"এতিয়া আহিল আটাইতকৈ প্ৰয়োজনীয় কথাটো আলোচনা কৰাৰ সময় আৰু সেইটো হৈছে টকা। পুৰস্কাৰত যদি বিছ হেজাৰ লাগে তেনেহ'লে গোটেই প্ৰতিযোগিতাটোৰ কাৰণে আমাক অন্ততঃ ত্ৰিছ হেজাৰ টকা লাগিব। টিকট বিক্ৰী কৰি হয়তো দুই তিনি হেজাৰ টকা গোট খাব। তথাপি তোমালোকে ত্ৰিছ হেজাৰ টকা গোটাব নোৱাৰিলে মিছ গোহাটীৰ সলনি মিছা গোহাটী পাতিব লাগিব। এতিয়া এইখিনি টকা কেনেকৈ সংগ্ৰহ কৰা তাকে আলোচনা কৰা।"

টকাৰ প্ৰশ্ন উঠাত সকলো কিছু যেন নিমাত হ'ল। তাৰ পিছত দুজনে অল্প ওঁ আঁ কৰি ক'লে যে সকলোৱে চান্দা তুলিব পাৰে নাইবা নটাৰী খেল পাতিব পাৰে। শেষত এজনে অলপ সাহস গোটাই ক'লে,

"কাকতী দাদা আপুনিতো বিয়া কৰাবলৈ ছোৱালী বিচাৰিছেই। এইটো আপোনাৰ কাৰণে ভাল চান্স। আপুনি একেবাৰে মনপ্ৰাণ আৰু টকা ঢালি দি এই 'মিছ গোহাটীৰ' কাৰবাৰত লাগি যাওক। আপুনি সকলোৰে চকুত পৰিব। তাৰ পিছত আপুনি আটাইতকৈ ভাল ছোৱালী এজনী বাচি ল'ব পাৰিব।"

তেওঁৰ কথা শুনি কাকতী যেন উৎসাহিত হ'ল, তেওঁ হাঁহি এটি মাৰি ক'লে,

"এইবিলাক তোমালোক-তেকা কথাহে নেকি। আমি কিমান চান্স পাম?

তোমালোকে এইবিলাক কমিটি পাতিলা, কিন্তু মই দেখোন মূৰ সোমাবলৈকে জাগা নাই।"

কাকতীৰ কথা শুনি আন এজনে মাত দিলে,

"কিয়, মিণ্টাৰ দত্তই যে কৈছে প্ৰতিযোগী গোটোৱা কমিটিটোৰ কথা যিটো ছোৱালীৰ হ'ব লাগে সেইটো কমিটিত দেখোন ৰুমা, মন্দিৰা আৰু কাকতী দাদাক ল'ব পাৰি। কাকতী দাদা থাকিলে সুবিধাও হ'ব, কাৰণ তেখেতৰ গাড়ী আছে যেতিয়া গাড়ীতে ছোৱালীবিলাকক ঘৰে ঘৰে ঘূৰিব পাৰিব।'

তেওঁৰ কথাত সকলোৱে হয়ভৰ দিলে, ৰুমা সন্মত হ'ল, মই একো নক'লোঁ, কেৱল মন্দিৰা মহন্তই অলপ অসন্তোষেৰে ক'লে যে তেওঁ কোনো কমিটিতে যোগদান দিব নোৱাৰিব। তাকে শুনি কাকতীৰ মনটো অলপ বেয়া হ'ল। হনুমন্ত আৰু বুবুক দাসে কুচকুচাই কিবা এটা আলোচনা কৰি বুবুকে খপজকৈ ক'লে,

"মন্দিৰা সম্ভৱ নিজেই প্ৰতিযোগী হ'ব সেইকাৰণে তেওঁ কমিটিত নাথাকে, ভাল কথা। আমি কাকতীৰ লগত সেইটো কমিটিত আন কোনোবা এজনী বা দুজনী ছোৱালী দিম। কিন্তু কথা হৈছে যে টকা নহ'লে যে এইবিলাক পাতি তো কোনো লাভ নাই।"

তাকে শুনি কাকতীয়ে ক'লে,

"মই দুই চাৰি হেজাৰ ডনেট কৰিব পাৰো কিন্তু ত্ৰিছ হেজাৰ টকা যেয়ালি কথা নহয় ভাই।"

আকৌ সকলো কিছু সময় নিমাত হ'ল। তাৰ পিছত হনুমন্ত ৰায়ে আকৌ মাত দিলে।

"ইউ হেভ টু ফাইণ্ড দি মানি। উই উইল এৰেঞ্জ আদাৰ বিজনেচমেন। যি ত্ৰিছ হেজাৰ টকা দি আমাক স্পনছৰ কৰিব হি উইল গেট টু সিত দি উইন্নী কিচ টু মিছ গৌহাটী" [ভাবাৰ্থ: আপুনি যদি আমাক ত্ৰিছ হেজাৰ টকা দিয়ে তেতিয়া হ'লে 'মিছ গৌহাটী'ক বিজয়িনীৰ চুমা দিয়া আৰু আন ছোৱালীৰ সংস্পৰ্শত অহাৰ সুবিধা আমি আপোনাক দিম। আপুনি টকা নিদিলে আমি আনৰ ওচৰলৈ যাম]

'মিছ গোহাটী'ক চুমা খাবলৈ পোৱাৰ আশাত কাকতীৰ ওঁঠৰ পৰা পানী পৰিবলৈ ধৰিলে আৰু বহুত চটফট হৈ ক'লা ক'লা পাতি পৰা দাঁত কেইটা উলিয়াই হাঁহি হাঁহি ক'লে,

'ম'বাচ্চোন ব'ধা তোমালোক কেলেই ইমান অধৈৰ্য্য হৈছা। যাৰে তাৰে ওচৰত তোমালোকে কিয় হাত পাতিব লাগিছে। মইতো কৈছেই মিছ গোহাটী আমি খুব গহীন ভাৱে পাতিব লাগিব যাতে কলংক নহয়। মই বিশ হাজাৰ কিয় ত্ৰিছ হাজাৰ টকা দিব পাৰো কিন্তু মোৰ যাতে লাভ হয় সেইটো তোমালোকে চাব লাগিব। জানাইতো মই ব্যৱসায়ী মানুহ।'

মই লাহেকৈ সুধিলোঁ বোলো কাকতীয়ে ইংৰাজী 'ল্যাভ'ৰ কথা কৈছে নে অসমীয়া

লাভৰ কথা কৈছে। সকলোৱে হাঁহিলে আৰু কাকতীয়ে 'দুয়োটা বুলিয়েই ধৰকচোন' বুলি কোৱাত মই মন্তব্য কৰিলোঁ,

'কাকতী আপুনি কথাটো স্পষ্টকৈ নকয় কেলেই যে আপোনাক ভালদৰে বাইজৰ চকুত পৰাৰ আৰু ছোৱালীবিলাকৰ সংস্পৰ্শত অহাৰ সুবিধা দিলে আপুনি খৰচৰ দায়িত্ব লোৱাত ৰাজী আছে।'

কাকতীয়ে কিবা ক'বলৈ পোৱাৰ আগেয়েই হনুমন্ত বায়ে মাত দিলে,

"সংস্পৰ্শ কিয়, উই আৰ গিভিং হিম চাঞ্চ ফ'ৰ এক্সুৱেল কনটেক্ট। হি উইল গিভ ভিক্টৰী কিচ্ টু দি উইনাৰ এণ্ড কনছ'লেচন কিচ টু দি লুজাৰ্চ এণ্ড উই উইল পাব্লিচাইজ হিজ কনট্ৰিবিউচন"

হনুমন্তৰ কথাখিনি মই কাকতীক ভালদৰে বুজাই দি ক'লোঁ যে যিজনী ছোৱালী মিছ গোহাটী হ'ব তেওঁক সৌন্দৰ্য্য ৰাণীৰ মুকুট পিন্ধাই চুমা খোৱাৰ ভাৰ আৰু সৌন্দৰ্য্য ৰাণী হ'ব নোৱাৰা সুন্দৰীসকলক সান্ত্বনা দিবৰ কাৰণে প্ৰত্যেকৰ গালত একোটাকৈ চুমা দিয়াৰ ভাৰও তেওঁৰ ওপৰতেই, যদিহে তেওঁ ত্ৰিছ হেজাৰমান টকা দি পৃষ্ঠপোষকতা কৰে। মোৰ কথা শেষ হওঁ নোহওঁতেই দুই চাৰিজনে কাকতীক "কাকতী দাদা, এনেকুৱা চাঞ্চ এৰি নিদিব" বুলি আৰু উত্তেজিত কৰি দিলে। এই সকলোবিলাক শুনি কাকতীৰ মন প্ৰাণ নাচি উঠিল আৰু তেওঁ একপ্ৰকাৰ উত্তেজিত হৈ ক'লে,

'স'চাই মোক যদি সেই কিচিং কৰা কামটো দিয়া হয় তেনেহ'লে মই গোটেই বিলাক পুৰস্কাৰৰ পইচা দি দিম। কেইহাজাৰমান টকা লাগিব, কি পৰোৱায়। আমি "মিছ গোহাটী" ছাত্ৰেছ কৰিবই লাগিব, কি কয় ?'

বুলি কাকতীয়ে মোক একেবাৰে সাবটি ধৰিলে, তেওঁৰ টাৰ্টাৰেৰে ভৰা দাঁতৰ আৰু মুখৰ দুৰ্গন্ধত মোৰ উশাহ প্ৰায় বন্ধ হ'ব লগীয়া হ'ল, সেইকাৰণে মই তেওঁৰ কাণে কাণে ক'লো, 'আপুনি পিছে দাঁত মুখ অলপ ভালদৰে চাফা কৰিব লাগিব।' কাকতীয়ে মোৰ কথা শুনিলে নে নাই ক'ব নোৱাৰো তেওঁ, আন দুই একজন ডেকাৰ লগতও একে ধৰণে আলিঙ্গন কৰিলে আৰু বাকীবিলাকৰ লগত হাত মিলালে। তেওঁক এনেদৰে খীৰাবলৈ নন্দৰ হৈ আটায়ে জাউঁৰিয়ে জাউঁৰিয়ে হাত চাপৰি দিলে। সভাৰ কাম প্ৰায় শেষ হোৱা বুলিয়েই সকলোৱে ধৰি ল'লে।

সভাপতি হিচাপে মোৰ দায়িত্ব কৰিবৰ কাৰণে এই, কেইজনক সোঁৱৰাই দিলোঁ যে তেওঁলোকে দুটা ডাঙৰ কাম বাকী ৰাখিলে, এটা হৈছে তেওঁলোকে কোন দিনাখন মিছ গোহাটীৰ প্ৰতিযোগিতা পাতিব চাব, আৰুটো ঠিক কৰা নাই আৰু দ্বিতীয়তে এজন লেখেকেৰ ছাত্ৰেতৰী বি লৈকি সকলোৱে নিয়মিতকৈ চলি আছে নে নাই চাব পাৰিব আৰু কমিটি বিলাকৰ ওপৰত চকু ৰাখিব পাৰিব নিয়োগ কৰা নাই।

অৱশেষত সৰ্বসম্মতিক্ৰমে হনুমন্ত বায়ক 'মিছ গোহাটী' আয়োজন কমিটিৰ সাধাৰণ সম্পাদক নিৰ্বাচন কৰা হ'ল আৰু ১৯৭৮ চনৰ ১৭ জানুৱাৰীকে দিন নিৰ্ধাৰণ কৰা হ'ল।

বহু-কাণ্ড

সুন্দৰীহঁত

তাৰ পিছত দুয়ো পক্ষৰ কাম আগ বাঢ়িবলৈ ধৰিলে। গুৱাহাটীৰ ছোৱালী-হঁতক সেই সৌন্দৰ্য্য প্ৰতিযোগিতাৰ প্ৰতি আহ্বান কৰি দিয়া হ'ল। ভিতৰি ভিতৰি সুন্দৰীহঁত সাজু হ'বলৈ ধৰিলে। প্ৰত্যেক গৰাকীয়েই নিজৰ সৌন্দৰ্য্যক আনৰ আগত প্ৰতিস্ফুট কৰিবৰ কাৰণে গোপন আঁচনি কৰি সেইমতে কাম কৰিবলৈ ধৰিলে। যেনে :—মধুস্মিতাই মঙহৰ টোপোলা সৰাবৰ কাৰণে একাদশী আউসী সকলো ব্ৰত পালন কৰা হ'ল—তেওঁৰ নাকে ছোৱালীৰ প্ৰাণত ভাঁজ জাগি উঠিছে বুলি ভাল পালে, দীপাই শৰীৰৰ বিশেষ অংশক অলপ দেখনিয়াৰ কৰিবৰ কাৰণে যৌগিক ব্যায়াম আৰম্ভ কৰিলে, মাধুৰীয়ে হাতৰ নোম আঁতৰাবৰ কাৰণে ডিব্ৰুৰ নোম-বিশেষজ্ঞক দেখুৱাই নানা দৰৱ খাবলৈ আৰু গাত ঘঁহিবলৈ ধৰিলে, উৰ্মিলাই নিজকে অলপ ক্ষেবেকী বুলি ভাবি ড্ৰাইভাৰৰ হতুৱাই প্ৰকাণ্ড প্ৰকাণ্ড লোহাৰ দুডাল চেপেনা বনালে আৰু তাত ভৰি চেপি চেপি ভৰি পোনাবলৈ চেষ্টা কৰিলে—তেওঁৰ দেউতাকে ভাবেই পালে। গাড়ীৰ দুখনা স্প্ৰিঙৰ লোহা কেইছটা কামত অহা বুলি। অঞ্জলীয়ে ওঁঠৰ প্ৰকাণ্ড কলোণীৰ মাহটো গুচাবৰ কাৰণে ভেলুৰলৈ গৈ অস্ত্ৰোপচাৰ কৰিলে।

'মিছ গৌহাটী' হ'বৰ কাৰণে কৰা প্ৰচেষ্টাৰ প্ৰগতি ঘণ্টাই ঘণ্টাই নিৰীক্ষণ কৰিবৰ কাৰণে গুৱাহাটীৰ সৌন্দৰ্য্য-প্ৰয়াসী ছোৱালীহঁতৰ প্ৰত্যেকেই ডাঙৰ ডাঙৰ আইনা কিনিলে। তেওঁলোকৰ আইনা এনেকৈ বিক্ৰী হোৱা দেখি নাগৰিকীয়াৰ আইনা বেপাৰীসকল বিশেষ উৎসাহিত হ'ল। অনুৰূপ সাজ পোছাক আৰু প্ৰসাধন সামগ্ৰীৰ সংগ্ৰহ বিয়হতো আছেই—আমেৰিকা বা বিলাতত থকা ককাই-ভাই, বান্ধৱী-বন্ধু বা চিনাকি অচিনাকি মানুহ আছে সকলোৰেকে যেনে থাকিব পাৰে তেওঁলোকে নিজৰ বাৰ্তাৰ আদেশৰ সকলোকে কৰাকৈ পঠিয়ালে। যেনে : দীপাই নিজৰ এজন বন্ধুলৈকে মানে বাৰে চিঠি লিখিলে তেওঁলৈ এটা ভাল বিকিনি পঠাবলৈ, অনামিকাই এজনী আই বান্ধৱীৰ বাবে সেইটো হ্ৰিম আদিৰ তালিকা পঠিয়ালে, একগৰাকীয়ে বিচাৰিলে কাৰ্ডিগান, আন একগৰাকীয়ে বিচাৰিলে অতি ওখ হিলৰ জোতা, আন একগৰাকীয়ে আকৌ চুলি কোঁচোৱাৰ আৰু চুলিকে বিচাৰিলে। সংক্ষেপতে কবলৈ গ'লে নানা ধৰণৰ বিলাতী আৰু আমেৰিকান আয়োজনী যোগাই লৈ সৌন্দৰ্য্যৰ সাজ [illegible] সুন্দৰীহঁতৰ প্ৰতি-নিয়োগ আৰম্ভ কৰিবৰ ধৰিলে যাতে তেওঁলোকৰ প্ৰত্যেকে আলী-বাটে, মানুহ সমাজ, সভা-সমিতিত সকলোতে নিজৰ সৌন্দৰ্য্য প্ৰদৰ্শন কৰি সেই আদৰ্শ আয়ত্ত কৰিব পাৰে। [illegible] কৰি আশ্বাস দিলে যে গুৱাহাটীৰ তেওঁৰ

নিচিনা ধুনীয়া ছোৱালী দ্বিতীয়জনী নাই, সেইকাৰণে তেওঁৱেই যে মিছ গোহাটী হ'ব তাত সন্দেহ নাই।

বৰ্ণাক সৰুৰে উৎসাহ দি থকাৰ উপৰিও হনুমন্ত আৰু ৰবৰুকে মোৰ লগতও ভালদৰে লাগিবলৈ ধৰিলে। তেওঁলোক মোৰ তালৈ প্ৰায়ে অহা হ'ল, মোক তেওঁলোকে চাহ খাবলৈ, চিনেমা চাবলৈ বা তেওঁলোকৰ লগত এনেয়ে ঘূৰি ফুৰিবলৈকো নিমন্ত্ৰণ কৰা হ'ল। তেওঁলোকৰ এজন নহয় এজনক মই যতে ততে এনেভাৱে লগ পাবলৈ ধৰিলোঁ যে তেওঁলোক কিবা ধৰণৰ গুপ্তচৰ নাইবা চি-আই-এৰ এজেন্ট বুলিয়েই মোৰ সন্দেহ হ'ল। মই অলপ সতৰ্ক হলোঁ। কিন্তু মোৰ আচৰিত লাগিলে যে তেওঁলোকে সৌন্দৰ্য্য প্ৰতিযোগিতাৰ বাদে মোৰ লগত আন একো বিষয়ৰ কথা নাপাতে। লাহে লাহে মই বুজিব পাৰিলোঁ যে তেওঁলোকে মোৰ মনটোক জানিব খুজিছে আৰু মইনো কেনেকৈ সৌন্দৰ্য্যৰ বিচাৰ কৰিম তাক তেওঁলোকে খুটুৰি খুটুৰি উলিয়াবলৈ বিচাৰিছে। সৌন্দৰ্য্যৰ বিষয়ে মোৰ কি চিন্তাধাৰা, মিছ গোহাটীক মই কেনেকৈ বিচাৰ কৰিম আদি তেওঁলোকে ভালদৰে শিকিব আৰু বুজিব বিচাৰিছে। তেনে কৰিবলৈ তেওঁলোকে মোৰ এনেদৰে পিছ লৈছিল যেন তেওঁলোকে মোক অপহৰণ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে যে মোৰ ব্যক্তিত্বকে একপ্ৰকাৰ হৰণ কৰিবলৈ চেষ্টা কৰিছিল তাত সন্দেহ নাই—মোৰ ধাৰণা হ'ল যে মোৰ পৰা সকলো শিকি বুজি লৈ তেওঁলোকৰ কোনোবা এজনে মোক আঁতৰাই মোৰ স্থান ল'ব। সেয়েহে নিজকে ৰক্ষা কৰিবৰ কাৰণে মই ৰবৰুকক নট বনাবলৈ ঠিক কৰিলোঁ।

ৰবৰুক নাকৰ

মই এদিন ইণ্ডিয়া ক্লাবত টেনিচ খেলি থাকোঁতে ৰবৰুক তাতে গৈ ওলাল। গুৱাহাটীৰ ইণ্ডিয়া ক্লাবটো গুৱাহাটীৰ অসমীয়া সমাজৰ এতিয়াও জীয়াই থকা এটা সভ্য প্ৰতিষ্ঠান। ইয়াত নতুন আৰু পুৰণা অসমীয়া ক্ৰীড়ামোদীৰ বিশেষ সমাবেশ। ডেকা-বুঢ়া আটাইৰে খেলুৱৈসুলভ মনোভাব জোকোৱাজুৰি হাঁহি তামাচা আৰু নিজৰ দেহ মন ভালে ৰাখিবলৈ বিশেষ প্ৰচেষ্টা। চাৰিকুৰিৰ ডেওনা পাৰ হোৱা শ্ৰীপ্ৰেমধৰ চৌধুৰী, শ্ৰীধৰণীধৰ চৌধুৰী, নতুন অসমীয়া মানবু লাহিড়ী, লাহৰী, কলেজীয়া ডেকা আৰু ডেকা হৈ থাকিবলৈ চেষ্টা কৰা আমহীয়া বয়সে ভাটী দিয়া বহুতো। এওঁলোক আটায়ে টেনিচ খেলত সিদ্ধহস্ত হোৱাৰ উপৰিও একপ্ৰকাৰ সিদ্ধমুখী—তেওঁলোকে ইজনে সিজনক জোকোৱাত বা সুযোগ পালেই এজনৰ পৰা চাহ চিগাৰেট উলিওৱাত বাকপটু। সাধাৰণতে দুখন কৰ্টত আঠজনে খেলে আৰু বাকী আঠ দহজন মানে দুই কৰ্টৰ মাজত চকীত বহি খেলা চায় আৰু কথাৰে নানা তৰহৰ খোঁচা বিন্ধা কৰে। এওঁলোক একপ্ৰকাৰ সক্ৰিয় দৰ্শক। দুই কৰ্টৰ খেলুৱৈক মাজৰ এই সক্ৰিয় দৰ্শকৰ কথা আৰু তামচা অলায় আমোদজনক। সেইকাৰণে কোনোবাই কেতিয়াবা কিয় কাৰণে খেলিব নোৱাৰিলেও ইণ্ডিয়া ক্লাবলৈ আহি সেই

সক্ৰিয় কৰ্মকৰ্তা হৈছে বাহি খেল চাই খেলোৱৈসকল ক্লাবত অংশ গ্ৰহণ কৰে। ইণ্ডিয়া ক্লাবত টেনিচ খেলিলে নিজৰ টেনিচ খেল উন্নত কৰাৰ উপৰিও নিজকে কথা-কটকী কৰিব পৰাটো নিশ্চিত। ইণ্ডিয়া ক্লাবত কটোৱা সময়খিনি বেছ উপভোগ্য কাৰণে মই খেলিয়াই পাৰো তাতে যাওঁ। আজি প্ৰায় পঁচিছ বছৰ মই তাত টেনিচ খেলি আহিছো। প্ৰথমে মই কলেজৰ ছাত্ৰ হিচাপে দেউতাৰ লগত গৈ তাত টেনিচ খেলিলো তাৰ পিছত কেইবছৰমান নানকু দাদা আৰু মই পাৰ্টনাৰ হৈ একপ্ৰকাৰ অপ্ৰতিদ্বন্দ্বী হৈ আছিলো, পিছত তেতিয়াৰ স্কুলীয়া ছাত্ৰ শ্যামাজ বাজখোৱা, চিত্ত জকানী, গৌতম বৰুৱা, মঞ্জু দাস আদিক টেনিচ খেলাত সহায় কৰিলো আৰু তেওঁলোকক লগত লৈ অসমৰ বহু ঠাইত প্ৰদৰ্শনী খেল খেলিলো, আকৌ আজি কেইবছৰমান আগতে তাৰপৰাই প্ৰশান্ত দাসৰ লগত খেলি অসমৰ ডাবলচ চেম্পিয়নো হ'লো। ইও উল্লেখযোগ্য যে মই প্ৰথমে ইণ্ডিয়া ক্লাবত খেলিবলৈ আৰম্ভ কৰোঁতে প্ৰশান্ত দাস আছিল তেনেই সৰু ল'ৰা, তেওঁ দেউতাকৰ লগত বল'ল দলিয়াই ফুৰিছিল। গুৱা-হাটীৰ ক্ৰীড়ামোদীৰ বহুতৰে ইণ্ডিয়া ক্লাবৰ লগত ওতঃপ্ৰোত সম্বন্ধ। ই সেইকাৰণে এটা ক্লাব হৈয়েই থকা নাই, ই একপ্ৰকাৰ সামাজিক প্ৰতিষ্ঠানত পৰিণত হৈছে। ইয়াৰ পুৰণা সভ্য বহুতেই খেলিবলৈ এৰিলে, আন বহুতেই এই পৃথিৱীকে এৰিলে, কিন্তু শ্ৰীপ্ৰমথৰ চৌধুৰী আৰু শ্ৰীমনশীৰ চৌধুৰীয়ে এতিয়াও ইয়াত দক্ষতাৰে দপদপাই আৰু কেপকেপাই আছে।

সেই সভ্য সমাজত মোক লগ পোৱাৰ চেষ্টাৰে বুবুক আহি সমুখত মোৰ বৰ অস্বস্তি লাগিল। মোৰ ব্যক্তিগত জীৱনত থ'তে ত'তে যি কোনো উপায়েৰে জুমাক মাৰি দি মোৰ ওপৰত ম'চাকেৰে মানসিক হেঁচা দিবলৈ ধৰিলে। গতিকে মই সেই মুহূৰ্তৰ পৰা তাক এটা ভাল শিক্ষা দিবলৈ আৰম্ভ কৰা উচিত হ'ব বুলি ভাবি মই বুবুকক ক'লো, বুবুক, তুমি আহিলা ভালেই হ'ল, তোমাৰ লগত মোৰ বহুত কথা আছে। বুবুকে ভালেই পালে, মইও বুবুকক সেই সভ্য সমাজৰ পৰা আঁতৰাই আনি ভাল পালো। মিছ গোৱাহাটী বিষয়ক কথা বুলি কোনোৱে তেওঁ আঁতৰত উৎসাহিত হ'ল আৰু মোক তেওঁ চলোৱা হৰমেত বাজৰ গাড়ীত তুলি মোৰ ঘৰলৈ লৈ আহিল।

মই বুবুকক জনালো যে মিছ গোৱাহাটী প্ৰতিযোগিতা অনে আপাদেহি যেতিয়া আমি বহুত কথা ভাবিব লগীয়া হৈছে বিশেষকৈ ছোৱালী একনীৰ সৌন্দৰ্যলৈ কিহত সেই বিষয়ে আমি ভালদৰে জনা উচিত নহ'লে পিচলৈ বিচাৰ কৰোঁতে আমাৰ বৰ দিগদাৰ হ'ব। আমি যদি ভাবো ছোৱালীৰ সৌন্দৰ্য্য সহজ, তেন্তে ই'লে আমি অসমীয়া ছোৱালীৰ দেহটো খুলি বিচাৰক সকলে জোখাৰ দৰে চাবলৈ পোৱাৰ আশা নাই, আকৌ কোনোবাই হয়তো মুখখন চায়েই সৌন্দৰ্য্য নিৰ্বাচন কৰিবলৈ চাব। কোনোবাই বিচাৰিব ভোটা নাক, কোনোবাই বিচাৰিব ৰঙা নাক কোনোবাই বিচাৰিব সৰু নাক সেইবিলাক মহা বিপদ হ'ব। সেইকাৰণে বিচাৰকসকলৰ সহায়ৰ কাৰণে আমি সৌন্দৰ্য্যৰ এটা ধাৰ্য্য দিব লাগিব। এইটো সহজ কথা নহয়। এই

বিলাক ভাবি ভাবি মোৰ এই কেইদিন টোপনি নোহা হৈছে। মই সেইকাৰণে ভাবিছো যে তুমি যদি মোক অলপ সহায় কৰা তেনেহ'লে আমি অলপ ভালদৰে গৱেষণা ক'ৰি চাব পাৰো।"

মোৰ কথা শুনি ৰুবুকে অতি উৎসাহিত হৈ ক'লে,

"মই কি কৰিব লাগে কওক। আই এম ৰেডি। মিষ্টাৰ বায়েও মোক কৈছে আপোনাক সকলো ৰকমে হেল্প কৰিবৰ কাৰণে। ইউ বাণ্ট টেল মি হোৱাট ইউ বাণ্ট মি টু ডু।"

ৰুবুকৰ উৎসাহত সন্তুষ্ট হৈ মই জনালো,

"মই ভাবিছো যে আমি সৌন্দৰ্য্যৰ বিষয়ে ভাৰতীয় আৰু পশ্চিমীয়া ভাবধাৰা ভালদৰে গৱেষণা কৰিম আৰু সকলো ভালদৰে গমি পিতি চাই কিবা এটা নিৰ্দ্ধাৰণ কৰিম। প্ৰথমে আমি প্ৰাচীন কালৰ সৌন্দৰ্য্য চাম, তাৰ পিছত মধ্য যুগৰ, তাৰ পিচত আধুনিক যুগৰ; আমি ভাৰতীয় আৰু পশ্চিমীয়া দৃষ্টিভঙ্গী দুয়োটা পৰীক্ষা কৰিম। বুজিছা, তুমি কি কোৱা।"

"বঢ়িয়া কথা," ৰুবুকে হয়ভৰ দি ক'লে।

মই ৰুবুক পাসক আৰু ক'লো,

"আমি কিন্তু বহুত নিষ্ঠা আৰু টান কাম কৰিব লাগিব। পহুত উঠা, শৈতোৱা, হোৱালীৰ পিছত ৰ। আগত দোৱা নানা কাম কৰিব লাগিব। মইতো এতিয়া এইবিলাক বৌছ কৰিব নোৱাৰো সেইকাৰণে মোক তোমাৰ নিচিনা তেকা এজন লাগে যি মোক সহায় কৰিব পাৰিব।"

"ইউ ডওণ্ট বৰী, আই উইল ডু এনীথিং পছিবল। কিন্তু, কি কাৰণে এইবিলাক কথা দৰকাৰ মই সেইটোহে বুজি পোৱা নাই।" ৰুবুকে মন্তব্য কৰিলে।

ৰুবুক পাসক সন্তুষ্ট কৰিবৰ কাৰণে মই তেওঁক জনালো,

"চোৱা, মই বহুত গৱেষণা কৰি এইটো বুজিছো যে সীতাই প্ৰাচীন কালৰ মিছ ইণ্ডিয়া আছিল। সীতাৰ সৌন্দৰ্য্যত সকলোৱেই পাগল। কবি-মুনিবিলাকে তেওঁৰ সৌন্দৰ্য্য বৰ্ণনা কৰিবলৈ হেজাৰ ওপৰা লগাইছিল আৰু তুমিতো জানাই যাৰণে সীতাক তেনেকুৱা বলিয়া হৈছিল যে একেবাৰে নিজৰ মান সন্মান দেশ প্ৰজা সকলো পাহৰি তেওঁক অপহৰণ কৰিলে আৰু পিছত সীতাৰ কাৰণেই নিজে প্ৰাণ হেৰুৱালে। ৰামচন্দ্ৰতো সীতাই নিজেই সন্দেহ কৰিছিল যে তেওঁৰ কাৰণেই ৰাৱণে নিজৰ জীৱনেৰে এৰি বনে বনে ঘূৰিছিল। আৰু ৰাৱণৰ চোৱা, কোটি কোটি বানৰ, ৰাক্ষস যুদ্ধ কৰিলে, লোকৰ নৰসংহাৰ হ'ল, কৰিলে একমাত্ৰ সীতাৰ কাৰণেই। ৰাৱণৰ ভাই বিভীষণেও সীতাৰ কাৰণেই নিজৰ ককায়েকক বিশ্বাসঘাতকতা কৰিলে। মুঠৰ ওপৰত ত্ৰেতা যুগত সীতা যে 'মিছ ইণ্ডিয়া' আছিল তাত সন্দেহ নাই। মই সেইকাৰণে সীতাহৰণ কাব্যত বৰ্ণোৱা সীতাৰ সৌন্দৰ্য্য ভালদৰে পঢ়িবলৈ লৈছো কিন্তু কিছুমান কথা একেবাৰে বুজিব পৰা নাই। সেইকাৰণে সেইবিলাক অনুসন্ধান কৰিব খোজো।"

"কেনেকুৱা ধৰণৰ কথা ? সীতাৰ সৌন্দৰ্য্যনো কেনেদৰে ভিন্নতাইৰ কাঁৰছে ?" ববুৱে মোক সুধিলে।

"এই ধৰা কবিয়ে কৈছে যে সীতাৰ উৰু কেইটা ভীমকলৰ গছৰ দৰে। কিয় ভীমকলৰ গছ, আকৌ চোৱা তেওঁৰ ভৰি কেইটা হেনো দাম্মুৰিৰ দৰেহে। কিয় দাম্মুৰিৰ দৰে ? আটাইতকৈ চিন্তাৰ কথা হৈছে যে সীতাৰ পয়োধৰ দুটা হেনো পুৱৈ তালৰ নিচিনা। পয়োধৰ মানে দুজ্জা নহয়, শ্ৰেষ্ঠ দুটো—তাক সংস্কৃতত পয়োধৰ বোলে, কাৰণ সেইকেইটাতে কেঁচুৱাক খুৱাবলৈ গাখীৰ থকা থাকে। আজিকালিহে মানুহে তাক যৌন-আবেদনৰ চিন বুলি ভাবে। আগৰ দিনত তাক কেঁচুৱাক খুৱাবৰ কাৰণে গাখীৰৰ আধাৰ বুলিয়েই ভাবিছিল। আন দালাগে আমি সৰু থাকোঁতেও বাটে ঘাটে, মেলে, বাছে বা ট্ৰেইন ষ্টেচনত যদি মাকে মানুহৰ আগত কেঁচুৱাক পিয়াহ খুৱাবলৈ অকণো সংকোচ কৰা নাছিল। সেইটো স্বাভাৱিক কাৰ্য্য আছিল বুলি সকলো ভদ্ৰ মহিলাই ভেবে কৰিছিল। কিন্তু আজিকালিৰ ভদ্ৰ বা অভদ্ৰ মহিলাই কেঁচুৱাক তেনেকৈ পিয়াহ খুৱাবলৈ এৰি বটলেৰে কৃত্ৰিমুলা খুৱাবলৈ ধৰিছে। প্ৰকৃতিয়ে দিয়া বস্তু কামত ব্যৱহাৰ নকৰাই সি আজিৰ সমাজত যৌন-কামনাৰ চিন হৈ পৰিল। ফলত কেঁচুৱাৰ স্বাস্থ্য হানি হোৱাৰ লগে লগে মানুহৰ অস্বাভাৱিক বাঢ়িল। আচ্ছা, সেইবিলাক বাদে কথা বাদ দিয়া।"

"নহয়, নহয়। এইবিলাক বৰ ইণ্টাৰেষ্টিং কথা। মই বেয়া নাপাওঁ আপুনি ইমান কথা জানে। মোক কওক", ববুৱে কথাত ৰস পাই মোক ক'লে। মই তাৰ পিছত আচল কথালৈ আহিলোঁ।

"এতিয়া কথা হৈছে যে কবিয়ে কিয় পুৱৈ তালৰ কথা ভাবিলে। এইবিলাক ভালদৰে চাব লাগিব। সেইকাৰণে মই ভাবিছো যে আমি এই বস্তুবিলাক একো এটাকৈ চামগৈ আৰু আমি যি দেখোঁ তাৰ টোকা লিখি যাম। সেইকাৰণে তুমি যদি ইচ্ছা কৰা আমি কাইলৈৰ পৰাই গৱেষণা আৰম্ভ কৰিম। তুমি কাইলৈ বাপ্তিপুৰো গাড়ীখন লৈ আহিব পাৰিবা নেকি ? লগত যদি হৃদয়েকো আনিব পাৰা ভালেই হয়। কিন্তু অলপ সাজু হৈ আহিবা আমি বহুতো ফিল্ড-ৱৰ্ক কৰিব লাগিব।"

মোৰ কথা শুনি ববুৱে উৎসাহেৰে ক'লে,

"নই বাপ্তিপুৰোই আহি যাম। মিণ্টাৰ বায় যে আহিব সন্দেহ, তেওঁ ফিল্ড-ৱৰ্ক বৰ ভাল নাপায়। মই এটা বজাত আহিলে হ'ব নহয় ?"

মই "হ'ব" বুলি কোৱাত ববুৱে যাবলৈ ওলাল। তেওঁ যে সৌন্দৰ্য্যৰ বিষয়ে মোৰ লগত গৱেষণা কৰিবলৈ আমন্ত্ৰিত হৈ খুব সন্তোষিত হৈছিল তাক তেওঁৰ মুখৰ প্ৰকাশৰ পৰা ভালদৰে বুজা গ'ল। কিন্তু কিবা এটা খুন্দুৱনি মনত তেওঁ দুৱাৰ মুখত ৰৈ মোক সুধিলে,

"আপুনি মোক বহুত ক'লে, কিন্তু সীতা কোন আছিল তাক সেখোন নক'লে। মিণ্টাৰ বাৰে সুধিলে মই সীতাৰ কথা কি কম ?"

তেওঁৰ কথা শুনি মই কাম্পোন সামৰি ক'লো,

"কিয় মই ক'লো যেখোন সীতা প্ৰাচীন কালৰ 'মিছ-ইণ্ডিয়া' আছিল। তোমাকও কোনোবাই সীতা কোন বুলি সুধিলে তেনেকৈ ক'লেই যথেষ্ট হ'ব।"

"ৰাইট, ফৰমাৰ মিছ ইণ্ডিয়া। ডেট ইজ ম'ৰ দেন্ এনাফ। আপুনি বঢ়িয়া বৰ্ণনা দিছে।"

বুলি বুবুকে নিজৰ অজ্ঞতা ঢাকিবলৈ হঁহা মূৰ্খৰ হাঁহি এটা মাৰি ওলাই গ'ল।

পিছদিনাখন ৰাতিপুৱাই বুবুক সাজি কাছি সৌন্দৰ্য্যৰ ফিল্ড ৱৰ্ক কৰিবলৈ আহিল। তেওঁ ক'ৰবাৰ পৰা এটা বাইন' কুলাৰ আৰু এটা কেমেৰাও যোগাৰ কৰিলে, লগতে মই কোম্পানীৰ দৰে এখন দা, বছী আদিও গোটাই আনিলে। মইও ওলালো বেছ ব্যস্ততা আৰু গুৰুত্বপূৰ্ণ কাম কৰিবলৈ ওলোৱাৰ দৰে। মই এখন নতুন একজাৰচাইজ বহী আৰু কলম ল'লো আৰু লগতে পাঁচ ফুটীয়া দৰ্জ্জিৰ ফিটা এডাল ল'লো। গাড়ীত উঠি বুবুকে 'কোন ৰাম' বুলি সোধাত মই ক'লো,

"আমাক লাগে এজোপা ভীমকলৰ গছ, এডাল তাল গছ, এজনী দামুৰি আৰু দুটা পৰুৱৰ কলি। আজি এই কেইটা বস্তু পৰ্য্যবেক্ষণ কৰিব পাৰিলেই যথেষ্ট হ'ব। প্ৰথমে ভীমকলতে ধৰো দিয়া। চানমাৰীৰ পিনে ব'লা, কোনোবা এখনত নিশ্চয় ভীমকলৰ গছ এজোপা বিচাৰি উলিয়াব পাৰিম।"

বুবুকে গাড়ীখন নি বাৰীত বহু কল গছ থকা নেপালী মানুহ এঘৰৰ সমুখত ৰাখিলে আৰু ভীমকলৰ গছ আছে নেকি সুধিলে। মানুহজনে আচৰিত হৈ সুধিলে, "কল গাছ, কি কৰিবি বাবু ? পতুৱাতকৈতো কাগজকা প্লেটেই ভাল। শিলপুখুৰীৰ দোকানতে বহুত পাবি, আমাৰ গাছটো মুফত নষ্ট হ'ব।" বুবুক দাসে মানুহজনৰ হাতত টকা দুটা দি ক'লে, "আৰে মনে মনে থাক। তোৰ গাছ নাকাটো, আমি এনেয়ে ফটো তুলিম আৰু চাম। তই ভাল গছ এটা দেখাই দে।" মানুহজনে বেছ খুছী হৈ আমাক গছ এজোপা দেখুৱাই দিলে। মই বুবুকেক ক'লো, "তুমি গছ জোপা চাই মোলে তোমাৰ মনত কি ভাব আহে কৈ যোৱা মই লিখি যাম।"

গছজোপাৰ শুকান পাত কেইটামান আঁতৰাই বুবুকে ক'লে, "বেছ ভাল, হেলডি মানে অসমীয়াত কি কয় হৃষ্ট-পুষ্ট।" তাৰ পিছত তেওঁ এখন ফটো লৈ মোক সুধিলে, "আৰু কি কৰিম ?" মই তেওঁক ক'লো যে তেওঁ দাখন লৈ অলপ গছ জোপাৰ গাটো চিকুণাই এটামান পতুৱা কাটি ভিতৰখন চোৱা ভাল হ'ব। তেওঁ তেনে কৰি ক'লে, "এই গছ জোপাৰ চেহেৰা ভাল, ভাল কল হ'ব লাগে।". তাৰ পিছত বাহিৰৰ অলপ আধা শুকান আৱৰণ এটা গুচাই তেওঁ উচাপ খাই ক'লে, "ইয়ে, ভিতৰত কেছু আৰু এইবিলাক কিবা পোক।" . সেইবিলাকও পৰিস্কাৰ কৰি তেওঁ গছ জোপাত হাত সোহাৰি ক'লে, "বেছ মিহি আৰু কোমল সেই।"

"তুমি ল'ৰা ঠিক আছা। তোমাৰো সৌন্দৰ্য্য বুজুকা আছে। তোমাৰ কথাৰ পৰা কবিয়ে সীতাৰ উৰুক কিয় ভীমকলৰ গছৰ লগত তুলনা কৰিছিল বুজিব পাৰিছোঁ আৰু সৌন্দৰ্য্যৰো অলপ সঁহাৰি পাইছোঁ" বুলি মই বুঢ়াক উৎসাহ দিবৰ কাৰণে ক'লোঁ। তেওঁও আত্মহাস্মিত হৈ ক'লে,

"কি পালে কওকচোন। আপুনি কিন্তু এইবিলাক বহীত লিখিলেহে নহ'ব। মোকও ক'ব লাগিব, কাৰণ মিষ্টাৰ ৰায়ে মোক কৈছে মই যেন সকলো কথা এখন নোট বহীত লিখি থওঁ।"

"প্ৰথম কথা হ'ল উৰু কেইটা হৃষ্ট-পুষ্ট হ'ব লাগে যাতে সেই কেইটা দেখিলেই বুজা যায় যে ভাল ল'ৰা-ছোৱালী জন্ম দিব পাৰিব। দ্বিতীয়তে সেই কেইটা মিহি আৰু কোমল হ'ব লাগিব। বুজিলা" মই তেওঁক কলোঁ। মোৰ কথা শুনি বুঢ়াকে বেছ সন্তোষ পালে আৰু সেই কল গছ জোপাকে কোনোবা যুৱতীৰ উৰু বুলি ভাবি তাত আকৌ দুবাৰমান হাত ফুৰাই গছ জোপাৰ ওপৰৰ পিনে চালে। সেই যাত্ৰাত তেনেদৰে সফল হৈ বুঢ়াক খুব আনন্দিত হ'ল আৰু তেওঁৰ নিজৰ ওপৰত বিশ্বাস বাঢ়িল আৰু গাড়ীত উঠি বেছ গৌৰৱেৰে ক'লে, "এতিয়া আমাক লাগে গৰুৰ নেজ, তাল আৰু পদুম ফুল নহয় জানো?" মই "হয়" বুলি সমৰ্থন জনোৱাত বুঢ়াকে চিন্তা কৰি কৰি গাড়ী চলাবলৈ ধৰিলে আৰু মন্তব্য কৰিলে,

"গাই গৰু য'তে ত'তে পোৱা যাব। এতিয়া তাল গছ আৰু পদুম ফুল ক'ত পোৱা যাব সেইটোহে হৈছে কথা?"

"তুমিহে জানা। আমি সৰু থাকোঁতে যোৰ পুখুৰী, দীঘলী পুখুৰী সকলোতে পদুম ফুল হৈছিল আৰু গুৱাহাটীৰ বহুত মানুহৰ ঘৰত তাল গছ আছিল। আজিকালি তাল গছ নালাগে গুৱাহাটীত গছ-গছনিকে দেখিবলৈ পোৱা টান হ'ল। সেইবিলাকৰ ঠাইত কেৱল ঘৰেই ঘৰ হৈছে। যোৰ পুখুৰীত মই দেখোঁ কেৱল মেটেকা আৰু দীঘলী পুখুৰীত কি হয় ভগৱানেহে জানে।" মই ক'লোঁ।

যাহওক, তাল গছ, পদুম ফুল আৰু গাই বিচাৰি ঘূৰি ঘূৰি আমি উজান বজাৰ লতাশিল স্কুলৰ সন্মুখত থকা খেল পথাৰ পালোঁগৈ। মোৰ এক প্ৰকাৰ আচৰিত লাগিল যে গুৱাহাটী চাৰিওফালে আচৰিত ধৰণেৰে বাঢ়িব লাগিছে, ইয়াৰ জনসংখ্যা পৰুৱাৰ দৰে বাঢ়িছে কিন্তু ইয়াত ক'তো মুকলি পথাৰ এডোখৰ পাবলৈ নাই, য'ত ল'ৰা-ছোৱালীয়ে খেলিব পাৰে বা যি ঠায়ে চহৰত বতাহ চলাচলত অলপ সহায় কৰিব পাৰে। গুৱাহাটীৰ চাৰিওপিনে হৈছে কেৱল ঘৰৰ ওপৰত ঘৰ আৰু ৰাস্তাৰ ওপৰতও ঘৰ। গুৱাহাটীখন কল্পনাবিহীন পৰিকল্পনাৰ মূৰ্ত্তিমন্ত চূড়ান্ত নিদৰ্শন। মানুহ কিমান মূৰ্খ হ'ব পাৰে তাক গুৱাহাটীত দুদিনমান থাকিলেই বুজিব পাৰি। আন নালাগে, লণ্ডনৰ নিচিনা ডাঙৰ ডাঙৰ মহানগৰতো দুই এক মাইলৰ মূৰে মূৰে মুকলি উদ্যান থাকে। লণ্ডনৰ এই উদ্যানবিলাক লণ্ডনৰ হাঁওফাঁও নামে জনাজাত

কিয়নো, এই বিলাকেই মহানগৰীৰ বায়ু চলাচলত সহায় কৰে আৰু ওচৰ পাজৰৰ বাসিন্দা সকলক ইয়ালৈ আহি অলপ মুকলি বতাহ লোৱাৰ সুবিধা দিয়ে। আনকি কলিকতা মহানগৰীৰও এটা দিশত ইমান মুকলি ঠাই আছে যে ইয়াত সততে ভাল জলবায়ুৰ চলাচল হয়। গুৱাহাটীত কিন্তু লাহে লাহে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ইমান ডাঙৰ ডাঙৰ অট্টালিকা সজা হৈছে যে ব্ৰহ্মপুত্ৰৰ পিনৰ পৰা অহা জল-বায়ু নগৰত সোমাবলৈকো বিশেষ বাধা পাইছে। মোৰ আটাইতকৈ দুখ লাগিল কটন কলেজত প্ৰদৰ্শোৱা মুৰ্খামিৰ কাৰণে। কটন কলেজৰ পুৰণা ছাত্ৰাবাসবিলাকত আগেয়ে বাস কৰি অহা সকলো লোকে এইটো ভালদৰে জানে যে এই ছাত্ৰাবাসবিলাক বুটিচৰ আমোলত ইমান মুকলি আৰু আহল বহলকৈ সজা হৈছিল যে ইয়াত গৰমৰ দিনত নদীৰ পিনৰ পৰা অহা ফিৰ ফিৰিয়া বতাহে সকলোৰে দেহ মন জুৰাইছিল। এনে হ'বলৈ পোৱাৰ এটা কাৰণ আছিল যে ব্ৰহ্মপুত্ৰৰ দিশটো টেনিচ খেল পথাৰ আদিৰে সম্পূৰ্ণ মুকলি আছিল। কিন্তু এতিয়া সেই খেল পথাৰ আৰু মুকলি ঠাইৰ ওপৰত প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা এনেভাৱে সজা হ'ল যে বতাহ এটাটি ছাত্ৰাবাসৰ পিনে যাবলৈ ছিদ্ৰ এটিও নাই। আজিকালি নিজৰ ঘৰ-দুৱাৰ, চহৰ, মহানগৰ বিলাকৰ পাৰিপাৰ্শ্বিকক সংৰক্ষণ কৰিবলৈ চেষ্টা নকৰাটো সঁচাকৈয়ে মুৰ্খামিৰ চিন।

যাহওক লতাশিল খেল পথাৰখন পথাৰ হিচাপে বাচি থকা দেখি মোৰ ভাল লাগিল। সেইখিনিতে মুকলি বতাহ অলপ পাই মই বুবুকক গাড়ী ৰখাবলৈ ক'লো আৰু চৰি থকা গৰুবিলাক দেখুৱাই ক'লো,

"যোৱা তুমি এতিয়া দামুৰি একনীৰ নেজ এডাল ভালদৰে পৰীক্ষা কৰি চোৱা আৰু কি দেখা বা ভাবা আহি ক'বা। তুমি এই কিটাডালও লৈ যোৱা, কিমান দীঘল, মেৰটো কিমান আদি জুখি চাই আহিবা। মই গাড়ীতে আছো, মই লতাশিল স্কুলতো পঢ়িছিলো কাৰণে এই স্কুলটো অলপ ওপৰে ওপৰে চাওঁ।"

বুবুকে এডেও দুডেওকৈ গৰু ছাগলীবিলাকৰ মাজত ঘুৰাঘুৰি কৰি নেজবিলাক চাবলৈ ধৰিলে। হাতত কিটা এডাল লৈ গৰুবিলাকৰ মাজত তেওঁ তেনেদৰে ঘূৰি ফুৰা চাব লগীয়া হৈছিল। তেওঁক তেনেদৰে ঘূৰি ফুৰা দেখি সন্দেহ হৈ লতাশিল থানাৰ পুলিচ একজনে আহি মোক সুধিলে,

"তেখেতে কি কৰিছে দিয়ক ?"

"গৰুৰ নেজ জুখিছে। তুমি কিন্তু লৈ একো নক'বা, নহ'লে জানাইতো মানুহে তোমাক গৰু-চোৰ ধৰা পুলিচ বুলি হাঁহিব", মই তেওঁক সতৰ্ক কৰি ক'লো। পৰিস্থিতি বৰ ভাল নাপাই তেওঁ মোক ক'লে, "হাঁহিব দিয়ক, আমাৰতো আৰু উপায় নাই। আমাক মানুহবোৱে আনক হাঁহোতেই নিজৰ অৱস্থা নাইকিয়া হৈছে।"

তাকে শুনি মই তেওঁক ক'লো,

"ঠিকেই কৈছা দিয়া। আমাৰ মানুহে পুলিচক হাঁহে আৰু তাকে দেখি আন ঠাইৰ মানুহে আমাৰ মানুহক হাঁহে। বুজিছা নে নাই, আন আন দেশত

পুলিচ মানে আইনৰক্ষী। তেওঁলোকক আইন আৰু আইনু কেনেকৈ ৰক্ষা কৰিব লাগে সেই বিষয়ে ভাল শিক্ষা দিয়া হয়। তদুপৰি তেওঁলোকক যথেষ্ট দায়িত্ব আৰু ক্ষমতা দিয়া হয়। অৱশ্যে, আমেৰিকাৰ নিচিনা কিছুমান দেশত আকৌ পুলিচক অত্যাধিক ক্ষমতাহে দিয়া হয়। সি যিয়েই নহওক, শিক্ষা-দায়িত্ব-ক্ষমতা থকা কাৰণে আন দেশত পুলিচক সকলোৱে সন্মান বা ভয় কৰে, আমাৰ দেশত পুলিচৰ কৰ্ত্তব্য হৈছে কেৱল হুকুম মনা, শিক্ষা হৈছে ওপৰৱালাক চেলাম কৰা, দায়িত্ব হৈছে 'গৰু-ৰে ' ধৰা আৰু ক্ষমতা হৈছে চাৰি আলিত গাড়ী নিয়ন্ত্ৰণ কৰা। হঁহাটো অৱশ্যে বেলেগ কথা—ভাল কথাত হাঁহিব নাজানে কাৰণে আমাৰ মানুহে আনক হাঁহিবলৈ নানা উপায় উলিয়ায়।"

আমি তেনেদৰে কথা পাতি থাকোঁতেই বুবুকে গোৱালিক পিয়াই থকা গাই এজনীৰ নেজডালত ধৰি চাবলৈ চেষ্টা কৰোঁতেই গাইজনীয়ে তেওঁক ভালদৰে এটা খোচ মাৰি মাটিত বগৰাই দিলে। বুবুকে বেয়াকৈ দুখ পোৱা বুলি মই আগ বাঢ়ি গ'লোঁ। বুবুকে উঠি থিয় হ'ল। গাইজনীয়ে তেওঁৰ পিনে চাই আকৌ মূৰ জোকাৰি চোঁচা ল'লে, তেওঁ জীউ লৈ দৌৰি আহি একেবাৰে মোৰ বুকুত সোমালেহি। তেওঁ বেয়াকৈ দুখ নাই পোৱা বুলি জানি মই তেওঁক ক'লোঁ,

"তুমিও ভাল দিয়া গোৱালি থকা গাইজনীৰ ওচৰলৈ যাবলৈ কিহে পাইছিল? দামুৰি মানে হৈছে গোৱালি জন্ম দিব পৰা বয়স নোহোৱা মাইকী গৰু।"

"নাই নাই, এই গৰুবিলাক ইমান ভেজাবাছ বুলি মই ভবাই নাছিলোঁ। খৰ সাংঘাতিক। নেজডাল ছুবলৈকে নিদিয়ে।" বুবুকে ক'লে।

"নাই, নাই তুমি দুই এজনী দামুৰিক চেষ্টা কৰাচোন," মই তেওঁক উৎসাহ দিবৰ কাৰণে ক'লোঁ।

অলপ দৌৰি গুণা-গথা কৰাৰ পিছত বুবুকে দাস কৰ্মক্ষেত্ৰ গো-চাৰণ ক্ষেত্ৰত পুনৰ অৱতীৰ্ণ হ'ল আৰু বহুত চেঁউৰী দামুৰিৰ পিছে পিছে হাতত খিটা লৈ খেদিলে— দৃশ্যটো বেছ উপভোগ্য হৈছিল আৰু আলিবাটৰ মানুহেও তাক ঘূৰি ঘূৰি চালে। মানুহে হয়তো গম পোৱা নাছিল যে বুবুক দাস সমাজৰ উদীয়মান ডেকা। নিজৰ লগৰীয়াৰ সৈতে গুৱাহাটীত 'মিছ গোহাটী'ৰ কাৰণে সৌন্দৰ্য্য প্ৰতিযোগিতা পাতি অসমীয়া সমাজত সভ্যতাৰ পোহৰ আনিবৰ কাৰণে চেষ্টা কৰিছিল আৰু সেয়া ভাবেই প্ৰস্তুতি মাখোন। তেওঁ এবাৰ এজনী চেঁউৰীৰ নেজডালত দুই হাতে মুঠি মাৰি ধৰোঁতে চেঁউৰীজনীয়ে দৌৰিবলৈ আৰম্ভ কৰিলে। বুবুকে তেওঁৰ হাত দুখন এৰিবলৈ সময় নোপোৱা কাৰণে নেজডালত দুইহাতেৰে ধৰিয়েই পিছে পিছে দৌৰিব লগীয়া হ'ল। চেঁউৰীজনীয়েও জ :বেগেৰে দৌৰিবলৈ আৰম্ভ কৰিলে আৰু বুবুকেও প্ৰাণ টাকি নেজডাল ধৰি ধৰি দৌৰিলে।

সেই দৃশ্যটো দেখি পুলিচজনে "এই মানুহজনৰ মগজ নষ্ট হোৱা হৈছে" বুলি একেবাৰে খাখাৰি খাখাৰি হাঁহিলে। সুবিধাটো পাই মই তেওঁক ক'লোঁ, "তুমি কি মতে

মানুহ হে ? এইমাত্ৰ আমাৰ মানুহে পুলিচক গৰু-চোৰ ধৰা পুলিচ বুলি হাঁহে কাৰণে তুমি আক্ষেপ কৰিলা। কিন্তু এতিয়া তুমি এই মানুহজনে গৰুৰ নেজত ধৰি নিজৰ প্ৰাণ বচাবলৈ দৌৰিব লগীয়া হৈছে কাৰণে তেওঁৰ নট-মিলা হৈছে বুলি এতিয়া হাঁহিছা। এয়েই হ'ল আমাৰ কথা—পালে পিছক হঁহা সমাজ। যোৱাচোন তুমি মানুহজনক ৰক্ষা কৰা চাওঁ; তেওঁক সহায় কৰাটোহে তোমাৰ কৰ্তব্য।"

মোৰ কথা শুনি পুলিচৰ কনিষ্টবলজনে হাতত তেওঁৰ সৰু লাঠীডাল লৈ বুবুকক সহায় কৰিবলৈ বুলি দৌৰি দৌৰি গৈ হেঁউৰীজনীকে এক কোৰ মাৰিলে। কোৰ খাই হেঁউৰীজনীয়ে বেছিহে জোৰে দৌৰিবলৈ ধৰিলে। বুবুকে নেজত ধৰি ধৰিয়েই দৌৰিলে আৰু পাছে পাছে পুলিচ কনিষ্টবলজনে লাঠী দাঙি দাঙি খেদিলে—দৃশ্যটো আৰু বেছিহে উপভোগ্য হ'ল। এবাৰ বুবুকৰ বুধি হোৱাত হাতৰ মুঠিটো এৰি দিলে—হেঁউৰীজনীয়ে এৰ খাই দৌৰিলে, বুবুক হামখুৰি খাই পৰিল আৰু কনিষ্টবলজন গৈ তেওঁৰ ওপৰতে লুটি খাই পৰিলে।

বুবুকে তেওঁৰ গাৰ ধূলি-মাকতি গুচাই গুচাই মোৰ ওচৰ পোৱাত, তেওঁ আপত্তি কৰিবলৈ পোৱাৰ আগতেই মই কলোঁ,

"তুমি কিন্তু খুব জোৰে দৌৰিব পাৰা দেই। এতিয়া গাড়ীত আৰামকৈ বহি কি দেখিলা কি ভাবিলা কৈ যোৱা মই লিখোঁ।"

"নাই, নাই সীতাৰ ভৰি কেইটাক কিয় গৰুৰ নেজৰ লগত তুলনা কৰিছে মই ক'ব নোৱাৰোঁ, নেজবিলাক দেখোন বৰ খীণ আৰু কি যে দুৰ্গন্ধ। অৱশ্যে মেখেপটো বেয়া নহয়। তদুপৰি সিহঁতে নেজডাল যেনি তেনি ঘূৰাব পাৰে আৰু ভৰিত মেখ খুৱাই ধৰিব পাৰে।" বুবুকে ক'লে।

"তুমি ঠিক কৈছা, খীণ বা দুৰ্গন্ধৰ কাৰণে সীতাৰ ভৰি দুটাক গৰুৰ নেজৰ লগত তুলনা কৰা নাই। অৱশ্যে আজিকালি বহুতো ধুনীয়া ছোৱালীয়ে ভালদৰে পৰিশ্ৰম নকৰে কাৰণে হাত ভৰি একেবাৰে খীণাই শুকাই নিশকতীয়া হয় আৰু ভালদৰে গা-পা নোধোৱাকৈ সুগন্ধি ঘহোঁতে ঘহোঁতে গাৰ পৰা দুৰ্গন্ধহে ওলায়। মোৰ বোধেৰে তুমি ঠিক কৈছা, ভৰিৰ আকৃতিটোহে গৰুৰ নেজৰ লগত তুলনা কৰিছে। গৰুৰ নেজ যেনেকৈ মোৰত শকত আৰু ক্ৰমান্বয়ে তললৈ সৰু কিন্তু সুন্দৰী তেনেকুৱা ভৰিৰ গঠন হ'লে নিশ্চয় ধুনীয়া লাগিব আৰু নিশ্চয় নেজৰ দৰে ধুনীয়া ছোৱালীৰ ভৰি কেইটা ক্ষিপ্ৰ, দক্ষ আৰু সহজে লৰচৰ কৰিব পৰা হ'ব লাগিব। বুজিলা, আমাৰ আজিৰ গৱেষণা বৰ কৃতকাৰ্য্য হৈছে।" বুলি মই বুবুকক উৎসাহিত কৰিলোঁ। কাৰণ মোৰ ভয় হৈছিল যে গৰুৰ খোচ খাই আৰু হেঁউৰীৰ নেজত ধৰি হোৱা দুৰ্দশাৰ পিচত বুবুকে হয়তো নিৰাশ হৈ সকলো এৰিব। তাতে মোৰ বৰ ইচ্ছা হৈছিল বুবুকক এবাৰ 'মিছ গোৱাহাটী'ৰ নামত ভালকৈ একোপাত তুলিবলৈ।

গুৱাহাটীৰ উজান বজাৰৰ দুই চাৰিঘৰ মানুহৰ ঘৰত আগেয়ে দুই চাৰি জোপা তালগছ আছিল আৰু তাৰ পকা তালেৰে আমি সদায়ে বহু তাল পিঠাও খাইছো। কিন্তু আজিকালি তাল পাবলৈ বৰ বিপদাৰ, কিয়নো সেই তালগছ বিলাক কাটি শেষ কৰিলে। শেষত এজোপা তালগছ পালোঁ। গছ জোপাৰ অৱস্থা নাছিল যদিও কেইটামান তাল লাগি আছিল। তদুপৰি তালগছ জোপাত তাৰিৰ কাৰণে কলহ এটাও ওলোমাই থোৱা আছিল। সম্ভৱ সেইকাৰণে তাল কেইটাৰ চেহেৰা বৰ ভাল নাছিল আৰু গছ জোপাৰও অৱস্থা বেয়া হৈছিল, কিয়নো তাৰিৰ কাৰণে বছৰি বছৰি থাক থাককৈ কটা অংশবোৰে তাল গছ জোপাক দেখিবলৈ বৰ বেয়া কৰিছিল। মই ৰবুৰুক প্ৰথমতে তাল কেইটাৰ এখন ফটো ল'বলৈ আৰু তাৰ পিছত গছত উঠি দুটা তাল ছিঙি আনিবলৈ নিৰ্দেশ দিলোঁ। ৰবুৰুৱে গছত উঠিবলৈ প্ৰথমে আপত্তি কৰিছিল কিন্তু হনুমন্ত যাৱে পতা 'মিছ গৌহাটী'ৰ কাৰণে তেওঁ তালবোৰ নালাগিলে হনুমন্তই বেয়া পাব বুলি সোঁৱৰাই দিয়াত তেওঁ চেষ্টা এটা দিবলৈ মান্তি হ'ল। ৰবুৰুৰ কাৰণে হনুমন্ত যায় একপ্ৰকাৰ ভগৱান। হনুমন্তৰ গাড়ী আৰু টকা আছে আৰু সেইবিলাকৰ পৰা ৰবুৰুৱে বহুত উপকাৰ পায় কাৰণে তেওঁ সততে হনুমন্তক তোষামোদ কৰিবলৈ ভাল পায়। ৰবুৰুৰ পৰা হনুমন্তৰও লাভ, কিয়নো তেওঁৰ কাৰণে সকলো লেহেৰা কাম ৰবুৰুৱেই কৰে। তাতে আত্মম্ভৰী হনুমন্তৰ অহংকাৰক ৰবুৰুৱে সদায় আহাৰ যোগাই থাকে।

সেয়েহে হনুমন্তৰ মনত কষ্ট নিদিয়াৰ কাৰণে ৰবুৰুৱে ভৰিত পঘাৰ যোপানি বান্ধি লৈ তাল গছত উঠিল মীতাৰ সৌন্দৰ্য্যৰ ৰহস্য উন্মোচন কৰিবলৈ। উঠি গৈ থাকোঁতে তেওঁ তাৰিৰ কথা, মেহুবালীৰ কথা, কোনোবা এজনী বোৱাৰীৰ কথা কিবাকিবি বকিব ধ'ল। সেইবিলাকৰ প্ৰতি মই কাণও দিয়া নাছিলোঁ আৰু তালবোৰ বুজি পোৱাও নাছিলোঁ। ৰবুৰুৱেনো তাল কেইটাৰ ওচৰলৈকে উঠিব পাৰে নে নোৱাৰে তাকেই মই চাই আছিলোঁ। ৰবুৰুক ল'ৰা ঠিক আছে। প্ৰকৃততে তেওঁ বেছ কৰ্মপটু। গছৰ একেবাৰে ওপৰ পাই তাল ছিঙিবলৈ হাত মেলিলে, কিন্তু তেওঁ তালত হাত দিওঁতেই মৌ নে কৰলে তেওঁক আক্ৰমণ কৰি হাতে মুখে কামুৰিলে। ৰবুৰুক সেলাউমি পাৰি ধকধককৈ মাৰি আছিল, আনকি আধাজোখৰ তেওঁ চুঁচৰিও নামিব লগীয়া হ'ল। ৰবুৰুৰ হাত ভৰিৰ ছাল-বাকলি ছিন্ন হ'ল, কিন্তু তেওঁৰ কাপোৰ-কানিৰ অৱস্থাহে বেছি শোকনীয় হ'ল।

ৰবুৰুক আকৌ মোৰ পিছ ল'ব পাৰে বা মোক কিজানি ধৰিব পাৰে বুলি মই ভয় খাই আছিলোঁ। এদিন মই ৰাতিপুৱা কিবা কিবা পঢ়া কৰি থাকোঁতে ৰবুৰুক আহি ওলাল আৰু মই আৰু কিবা নতুন সিদ্ধান্ত আহিছো নেকি জানিবলৈ বিচাৰিলে। 'মিছ গৌহাটী' হ'বৰ কাৰণে আৰু কিবা প্ৰয়োজনীয় সৌন্দৰ্য্যৰ কথা

ভাবি পালোঁ নেকি তেওঁ মোক সুধিলে। মই তেওঁক এটা দীঘলীয়া বক্তৃতা দিলোঁ,
"বুজিছা প্ৰাচীন কালৰ সীতাৰ সৌন্দৰ্য্যৰ তত্ত্ব ভাঙি মই আজি কিছু দিনৰ পৰা শঙ্কৰদেৱৰ ৰচনাবিলাক পঢ়িছোঁ। বিশেষকৈ তেওঁনো ছোৱালীৰ সৌন্দৰ্য্য কিহত দেখিছিল সেইবিষয়ে বহু গৱেষণা কৰিলোঁ। অতি প্ৰাচীন কালত অৰ্থাৎ ৰামায়ণৰ যুগত দেহৰ গঠনৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। সেই কাৰণে সীতাৰ সৌন্দৰ্য্য বৰ্ণনা কৰোঁতে তেওঁৰ দেহৰ প্ৰতিটো অঙ্গ বৰ্ণনা কৰিবলৈ কবিয়ে ইমান যত্ন কৰিলে আধুনিক লোকৰ মুখত তোমাৰ ইমান লটি-ঘটি কৰিলে। কিন্তু, নাট্য-শিল্পী শঙ্কৰদেৱ আছিল এজন অভিনেতা। তেওঁ অঙ্গতকৈও অঙ্গ-সঞ্চালনৰ ওপৰত বেছি গুৰুত্ব দিছিল। তেওঁ অঙ্গ সঞ্চালনৰ প্ৰকাশ ভঙ্গীতহে সৌন্দৰ্য্যৰ সন্ধান পাইছিল। ধুনীয়া হ'বলৈ হ'লে যেন অভিনয়ও কৰিব লাগিব—তেওঁ এনে কটাক্ষ মাৰিব পাৰিব লাগিব যে সিদ্ধ মুনিৰো চিত্ত মুহিব পাৰে। তেওঁ মোহিনীৰ সৌন্দৰ্য্য বৰ্ণনা কৰোঁতে মোহিনীৰ ৰূপ লাৱণ্যতকৈ মোহিনীৰ অভিনয়তহে বেছি চকু দিছে। প্ৰথমে মোহিনীয়ে ভ'টা-খেৰি খেলি আছিল আৰু মাজে মাজে ভ'টাগুটি ওপৰলৈ দলিয়াই খোপা সুলকিবলৈ দিয়ে, যাতে পাৰি যোৱা পাৰিজাতৰ খোপা তেওঁ বাওঁ হাতেৰে সামৰিব পাৰিছিল। এইবিলাক অভিনয়ৰ উদ্দেশ্য আছিল তেওঁৰ লীলা-গতি দেখুৱাই হৰক মুগ্ধ কৰা। তদুপৰি তেওঁৰ মুখত মধুৰ হাঁহি, লয়লাস খোজ, আগ বাঢ়ি পাছলৈ ঘূৰি চোৱা চল। অকল সেয়ে নহয় মোহিনীয়ে উলঙ্গ-নৃত্য অৰ্থাৎ ষ্ট্ৰীপ-টিজ (Strip-tease) কৰা অভিনয়ও শঙ্কৰদেৱে বৰ্ণনা কৰিছে। মোহিনীয়ে ছেলো নানা ধৰণে ঘূৰো পকা কৰি নিজৰ গাৰ কাপোৰ-কানি ঊৰিবলৈ দিছিল যাতে তেওঁৰ দেহে যৌন আবেদন কৰিব পাৰিছিল। এবাৰ তেওঁ খেলি থকা ভ'টাগুটি হাতৰ পৰা বহুত দূৰলৈ ওফৰাই পেলাইছিল। আৰু তাক আনিবলৈ বেগাই দৌৰোঁতে বতাহত সকলো কাপোৰ-কানি সুলকি পৰাত তেওঁ সম্পূৰ্ণ উলঙ্গ হৈ পৰিছিল। তাৰ পিছত মোহিনীয়ে যি উলঙ্গ-নৃত্য আৰম্ভ কৰিলে মোক নুসুধিবা।" মই মোৰ বক্তব্য শেষ কৰাত বুবুকেৰ বেয়া লাগিল। সেয়েহে, তেওঁ সুধিলে,

"তাৰ পিছত কি হ'ল কওকচোন। তেওঁ কেনেদৰে নাচিছিল? কওকচোন কওক।"

"নাই নাই সেইবিলাক মোৰ আলদৰে মনত নাই। তুমি শঙ্কৰদেৱৰ কীৰ্তনতে সেইবিলাক সকলো পাবা। মুঠৰ ওপৰত অঙ্গৰ সৌন্দৰ্য্য থাকিলেই নহ'ব সেই বিলাকৰ সঞ্চালনেৰে সৌন্দৰ্য কুটাই তুলিবও পাৰিব লাগিব।"

"আচ্ছা, শঙ্কৰদেৱৰ কেনে আৰু সেই মোহিনী বোলা ছোৱালীজনী কোন?"

তেওঁও 'মিছ ইণ্ডিয়া' আছিল নেকি?" বুবুকে মোক খুব কৌতুহলেৰে সুধিলে। মই মোৰ কপালত ওলোৱা বাম হাতৰ আঙুলিৰে দুটি ছিটিকাই মাটিত

পেলাই তেওঁৰ জ্ঞাতাৰ্থে জনালোঁ,

"নাই, মোহিনী একেবাৰে 'মিছ ইউনিভাৰ্চ' আছিল আৰু তেওঁ এগৰাকী প্ৰসিদ্ধ ষ্ট্ৰিপ-টিজ আছিল আৰু তেওঁক আৱিষ্কাৰ কৰিছিল নাট্যকাৰ শঙ্কৰদেৱে। আচ্ছা সেইবিলাক বাদ দিয়া, এতিয়া আচল কথা হৈছে তুমি অলপ মোক সহায় কৰিব লাগে। তুমি আজিকালিৰ ছোৱালীবিলাকৰ গতিবিধি অলপ লক্ষ কৰি আজিকালিৰ ছোৱালীবোৰে কেনেদৰে অঙ্গ সঞ্চালন কৰে তাক অলপ অনুসন্ধান কৰা আৰু তোমাৰ কি ভাল লাগে সেইবিলাক নোট বহীতে লিখি যোৱা আৰু মই পিছত তোমাৰ লগত আলোচনা কৰিম।"

"তাৰ মানে, আপুনি খুব ছোৱালী চাবলৈ কৈছে। এইটো একেবাৰে সহজ কথা। এনেকুৱা কামেইতো মই ভাল পাওঁ। কিন্তু আপুনিও দেখোন মোৰ লগত আহিব পাৰে। আপুনি লগত থাকিলে খুব জমিব।" ৰৰুকে অতি আনন্দেৰে ক'লে।

"নাই নাই। মোক লগ নধৰিবা। মই কোনোবা ছোৱালীৰ পিনে চালেই মানুহে মই বিয়াৰ প্ৰস্তাৱ দিবলৈ ওলোৱা বুলি ভাবে। এইটো কামত তুমি হনুমন্তক লগ ল'বা। তেওঁও ভাল পাব।" মই আপত্তি কৰি ক'লোঁ।

ৰৰুকে হনুমন্তক লগ ল'লে নে নাই ক'ব নোৱাৰোঁ। কিন্তু তাৰ পিছত তেওঁলোকৰ কোনো এজনে মোৰ পিছ লোৱা নাছিল আৰু বহুত দিন মই তেওঁলোকক লগও পোৱা নাছিলোঁ।

চুমা-কাণ্ড

হনুমন্ত আৰু বুবুকৰ চোৰাংচোৱাগিৰিৰ পৰা জেনেদৰে হাত সাৰি কিছু দিন শান্তিত থাকিব পাৰিলোঁ। তাৰ পিছত এদিন দৰ্শত কাকতীয়ে তেওঁৰ কাম কৰা ল'ৰাটোৰ হাতত চিঠি এখন দি মাতি পঠিয়ালে যে মই যেনে তেনে তেওঁৰ ঘৰলৈ যাব লাগে। কাকতীৰ কেনেবাকৈ আকৌ আপোনঘাতী হ'বৰ ইচ্ছা হৈছে বুলি ভাবি মই লৰালৰিকৈ কাকতীৰ ঘৰলৈ গ'লোঁ।

কাকতী বেছ উঠি মেলি হাঁহি মাতি থকা দেখি বুজিলোঁ কথা বৰ বেয়া নহয়। সেইকাৰণে অলপ সকাহ পালোঁ। কাকতীয়ে মোক ভালদৰে বহিবলৈ দি 'কি খাম' সুধিলে। 'মই চাহকে খাম' বুলি কোৱাত কাকতীয় অতি ভক্তিপূৰ্ণভাৱে চাহৰ লগত কি খাবলৈ ভাল পাম তাক জানিবলৈ বিচাৰিলে আৰু মই যি বিচাৰোঁ তাকেই ড্ৰাইভাৰৰ হতুৱাই অনাই দিম বুলি বাৰে বাৰে ক'লে। মই আজি তেইছ বছৰ অসমৰ বাহিৰতে বসবাস কৰিছোঁ যদিও মোৰ গাৰ অসমীয়া তেজ সম্পূৰ্ণৰূপে পৰিশোধিত হোৱা নাই। 'পৰৰ পালে জৰৰ গাতে থোৱা অসমীয়া স্বভাৱটো মোৰ গাতো অলপ অচৰপ আছে। মই অতি নম্ৰভাৱে জনালোঁ,

"ড্ৰাইভাৰক পঠাব খুজিছে যেতিয়া দুই এটা চপ কাটলেট অনাওক। আপুনিও খাব নহয়। লগতে অলপ ৰস মলাই আনিলে আমি মিষ্টি মুখও কৰিব পাৰিম। মোৰ খোৱাত বেছি বাপ নাই, তথাপি ইমান দূৰ যাব যেতিয়া সেথ ব্ৰাদাৰ্চৰ পৰা ভাল কেক এবিধ অনাওক, যচ হৈ যাব আমি বঢ়িয়াকৈ চাহ খাব পাৰিম। অলপ ডালমুট আনিব পাৰিলেও ভাল।"

কাকতীয়ে ড্ৰাইভাৰক টকা দি সেইবিলাক আনিবলৈ কোৱাৰ পিছত মই আৰু ক'লোঁ, "এ পাৰিলে দুখন খিলি পাণও লৈ আহিবলৈ কওক।" মোৰ ভালদৰে যতন লোৱাৰ সকলো দিহা লগাই কাকতী আহি মোৰ ওচৰত বহিল আৰু মোৰ লগত এটা অতি ডাঙৰ কথা আলোচনা কৰিব লগীয়া আছে বুলি দীঘলীয়া পাতনি মেলোঁতেই মই বুজিলোঁ যে কাকতীৰ অতি ভক্তি চোৰৰ লক্ষণ। তেওঁ নিশ্চয় মোক আমেৰিকাৰ পৰা ঘড়ী, টেপ ৰেকৰ্ডাৰ, কেমেৰা, জিন-পেণ্ট আদি কিবা বস্তু আনিবলৈ খাটিব নাইবা তেওঁক আমেৰিকাত কুৰিবলৈ যোৱাৰ সুবিধা কৰি দিবৰ কাৰণে ধৰিব। কিন্তু কাকতীয়ে দেখোন মিছ গোহাটীৰ লগত লাগি তেওঁ বৰ বিপদত পৰিছে, তেওঁৰ বাক্তি টোপনি নহা হৈছে আদি কিবা আবোল তাবোলহে গাবলৈ ধৰিলে। মই তেওঁক আচল কথা ক'বলৈ ধৰাত তেওঁ ক'লে যে একমাত্ৰ মইহে তেওঁক ৰক্ষা কৰিব পাৰিম। মই তেওঁক সহায় কৰিবলৈ সন্মত হ'লেই হয়। মই কেনেকুৱা ধৰণৰ সহায় লোৱাত তেওঁ মোৰ ওচৰ চাপি আহি সৰু সৰুকৈ ক'লে,

"মানে বুজিছে নে নাই? এই যে মোক ভিক্‌ট্ৰি-কিচ কৰাৰ দায়িত্বটো দিলে তাৰ কাৰণে মই বৰ মস্কিলত পৰিছো। মোৰ একেবাৰে বাতি টোপনি নোহোৱা হৈছে। সেই ছোৱালীজনীক মই চুমাটো কেনেকৈ খাম তাকে ভাবি মই পাৰ নোপোৱা হৈছো।"

"সেইটো আকৌ কি চিন্তাৰ কথা। আপুনি চুমা খাবলৈ বেয়া পাইছে যেতিয়া তেওঁৰ মুৰত মুকুটটো পিন্ধাই নমস্কাৰ কৰিব।" মই তেওঁক কথাটো পাতলাই ক'লো। কিন্তু কাকতীৰ সমস্যা বেলেগ ধৰণৰ আছিল, তেওঁ ক'লে,

"নাই আপুনি কথাটো বুজা নাই। চুমা খাবলৈ মই বেয়া নাপাওঁ, আন ঠাইৰ বিউটি কনটেস্টত চুমা খাই যেতিয়া আমাৰ ইয়াতও চুমা খাই প্ৰাইজ দিবই লাগিব। নহ'লে আমাক মানুহে হাঁহিব নহয়?"

"তেনেহ'লে চুমাকে খাব আৰু তাৰ কাৰণে কি ভাবিব বা চিন্তা কৰিব লগীয়া আছে?" মই ক'লো।

"আছে আপুনি বুজা নাই। চুমাটো কেনেকৈ খাম বা কেনেকুৱা ধৰণৰ খাম মই তাকহে জানিবলৈ বিচাৰিছো।"

"এনেয়ে সৰু সৰু ল'ৰা মৰম কৰাৰ দৰে গালত সযত্নে চুমা এটা খাই দিলেই হয়।" মোৰ তেনে পাতল মৰা উত্তৰত কাকতী সন্তুষ্ট নহ'ল। তেওঁ অলপ অতিষ্ঠ আৰু অলপ অধৈৰ্য্য হৈ মোৰ আৰু ওচৰ চাপি আহি জোৰ দি ক'লে,

"আপুনি কিয় নুবুজা ভাও ধৰিছে। মোক আপুনি চুমা খাবলৈ শিকাব লাগে।"

মই হতভম্ব হ'লো। 'কি' বুলি সোধাত কাকতীয়ে পুনাই ক'লে, "মোক আপুনি চুমা খাবলৈ শিকাব লাগে, কথা সিমানেই। এইটো কিন্তু টপ ছিক্ৰেট, আপুনি কাকো নক'ব। মই আপোনাক যি লাগে তাকে দিম। আপোনাৰ ওপৰত মোৰ বিশ্বাস আছে দেখিহে কৈছো।"

কথা বেছি গহীনেই বুলি ভাবি মই বহাৰ পৰা উঠিলো আৰু কোঠাটোৰ ভিতৰতে ইফালে সিফালে খোজ কাঢ়ি কি কওঁ কি নকওঁ গুণা-গঁথা কৰিবলৈ ধৰিলো। মই জীৱনত বহুতকে বহুত শিকাইছো কিন্তু চুমা খাবলৈ মই কাকো কেতিয়াও শিকোৱা নাই বা কোনেও মোক চুমা খাবলৈ শিকাবৰ কাৰণে কেতিয়াও অনুৰোধ কৰা নাই। মই ছাত্ৰক অংক শিকাইছো, টেনিছ ক্লাবত বহুতকে টেনিছ খেলিবলৈ শিকাইছো, ক্ৰিকেট খেলিবলৈ শিকাইছো, এতিয়া আমেৰিকাৰ কণ কণ ল'ৰা-ছোৱালীৰ ফুটবল প্ৰশিক্ষক হিচাপে ফুটবল খেলিবলৈ শিকাইছো. মৰমী মিনু নবৌকে আদি কৰি বহুতকে চাইকেল চলাবলৈ শিকাইছো, আনকি কটন কলেজৰ ছাত্ৰ থাকোঁতে মই সন্মিকে ছোৱালী কলেজৰ ছাত্ৰীৰ অনুৰোধত তেওঁলোকক 'মাৰ্চ্চ-পাৰ্ট'ৰ কাৰণে খোজ মিলাই মিলাই মাৰ্চ্চ কৰিবলৈকো শিকাইছো। কিন্তু চুমা খাবলৈ—কেতিয়াও মই শিকাব লগীয়া হোৱা নাই। এনে অনভিজ্ঞতাৰ কাৰণে মই চুমা খাবলৈ শিকাবৰ

কোনো পদ্ধতি নাজানিছিলো। সেয়েহে মই বৰ বিপাঙত পৰি সেই দায়িত্বৰ পৰা' গা এৰা দিবৰ মনেৰে ক'লো,

"আপুনিও ভাল দিয়ক। চুমা খাবলৈ আৰু শিকিব লাগে নে? তাতোকৈ মই আপোনাক টেনিচ খেলিবলৈ বা তেনে কিবা ভাল খেলকে শিকাওঁ নাইবা অংকৰ কিবা ফৰমূলা বা বেদান্ত দৰ্শনৰ নিগূঢ় তত্বকে আপোনাক শিকাওঁ। নহ'লে সঁচাকৈয়ে আপোনঘাতী হোৱাৰ উপায়ৰ নিচিনা সহজ কিবা বুদ্ধিকে শিকাওঁ। আপুনি কিয় মিছামিছিকৈ চুমা খাবলৈ শিকিব লাগিছে?" মোৰ কথা শুনি কাকতীয়ে বেছি জোৰ দি ক'লে,

"নাই, নাই মোক আপুনি চুমা খাবলৈ শিকাবই লাগিব। আপুনি এনেকুৱা কথা ঘূৰাব নালাগে। আপুনি জানে দেখিছে মই আপোনাক খাটিছোঁ। আপুনি আকৌ কিয় ইমান বাহাদুৰি কৰি দেখুৱাইছে? চাওকচোন মইতো কেতিয়াও কাকো চুমা খাই পোৱা নাই আৰু কোনেও মোক কেতিয়াও চুমা খোৱা নাই। আন নালাগে মই সৰু সৰু ল'ৰা-ছোৱালীকো কেতিয়াও চুমা খোৱা নাই। মোৰ নিজৰ ল'ৰা-ছোৱালীতো নাই নাইয়েই, নিজৰ সৰু ভাই-ভনীও নাই। আনৰ ল'ৰা-ছোৱালী দেখিলে কেতিয়াবা মৰম কৰিবৰ মন যায়, কিন্তু কেনেকৈ মৰম কৰিব লাগে তাক নাজানো। মোক আপুনি শিকাবই লাগিব। আপোনাক যি লাগে মই তাকে দিম। টকা লাগে টকা দিম। কিন্তু মোক চুমাৰ বিষয়ে সকলো নিশিকালে মই আপোনাক নেৰিছোঁ।"

কাকতীয় তেনেদৰে নেৰা নেপেৰাকৈ লগাত ধৰকৈ কাবৌ কাকুতি কৰা কাৰণে মোৰ হৃদয় গলি গ'ল। তাতে মই শিক্ষক মানুহ, শিক্ষকতা কৰাটোৱেই মোৰ বৃত্তি। মই যি জানো বা যি জ্ঞান আহৰণ কৰিছোঁ তাক আনৰ মাজত বিলাই দিয়াটোৱেই মোৰ আনন্দ। সেই কাৰণে কি খেল-ধেমালিয়েই হওক, কি গণিত শাস্ত্ৰৰ কথাই হওক বা ভাব অনুভূতিৰ কথাই হওক, মই যি জানো তাক আনকো শিকাবলৈ মই সদায় প্ৰস্তুত। কিন্তু চুমা খোৱাৰ বিষয়ে শিক্ষা দিয়াটো সহজ কথা নহ'ব। তথাপি মই যি জানো আৰু যি ভাবোঁ তাকে কাকতীক শিকাবলৈ মনে মনে ঠিক্ কৰিলোঁ। তেনেকুৱাতে চাহ মিঠাইও আহি পৰিল। ভণ্টীলৌ শিষ্যও ভাল—গুৰু মানিন আগেয়ে দিছে।

তাৰ পিছত, ভালদৰে চাহ-মিঠাই খাই কাকতীৰ চুমা পাঠ আৰম্ভ কৰিলোঁ। মই কাকতীক বুজালোঁ যে চুমা এটা সাত্বিক বস্তু—ই মৰম-চেনেহ বা প্ৰেম ভাবৰ প্ৰকাশ যেতিয়া ইয়াৰ প্ৰকাশ ভাঙ্গ স্বাভাৱিক। অন্তৰত মৰম-চেনেহ থাকিলে বা প্ৰেমভাব থাকিলে ই আপোনাআপুনি প্ৰকাশ পাব। এনে চুমা খাবলৈ শিকিবৰ প্ৰয়োজন নাই। মই কাকতীক ক'লোঁ,

"আপুনি যে চুমা খাব নাজানো বুলি কৈছে তাৰ অৰ্থ এয়েই যে আপোনাৰ অন্তৰত মৰম চেনেহ নাই বা কাৰও প্ৰতি প্ৰেমভাব নাই। থকা হ'লে আপুনি

এনেধৰে নক'লেহে'তেন। আপোনাৰ যদি সৰু সৰু ল'ৰা-ছোৱালীৰ প্ৰতি মৰম আছে তেনেহ'লে মৰমতে চুমা এটা খাবলৈ শঙ্কা নকৰিলেহে'তেন। কিন্তু, আপুনিয়েই দেখোন মোক কৈছিল যে প্ৰথমবাৰ মাটি-পোতা ঠিকাৰ কাৰণে পোৱা দহ হেজাৰ টকাৰ বাণ্ডিলটো আপুনি বেঙ্কৰ পৰা উলিয়াই খোলে টকাৰ নোটবিলাকত বাৰে বাৰে চুমা খাইছিল। তাৰ অৰ্থ এয়েই যে আপুনি টকা-খিনিক অসম্ভৱ ভাল পাইছিল আৰু সেয়েহে নিজৰ সেই বাণ্ডিলটোক বাৰে বাৰে চুমা খাব পাৰিছিল। টকাৰ দৰে আপুনি যদি মানুহৰ প্ৰতিও প্ৰেমভাব ওপজাব পাৰে তেনেহ'লে আপুনি সহজেই চুমা খাবলৈ ব পাৰিব।"

মোৰ কথাত হয়ভৰ দি কাকতীয়ে ক'লে,

"অ' ঠিক কৈছে দেই। কিন্তু মই প্ৰেমভাব প্ৰকাশ কৰিবলৈ কোনোৱেই নাই। প্ৰেমনো হয় কেনেকৈ, আজি ইমান দিনে ছোৱালী এজনী বিচাৰি পোৱা নাই।"

"সেইয়া আপুনি প্ৰেমৰ কথা কওঁতে পোনেই ছোৱালীৰ কথা ভাবিলে। কেৱল ছোৱালী এজনীৰ প্ৰতি থকা প্ৰেমৰ কথা মই কোৱা নাই। মই আন মানুহ বা আন জাতিৰ প্ৰতি থকা প্ৰেমৰ কথাহে কৈছোঁ। আপুনি আন মানুহৰ প্ৰতি সদ্ভাব ওপজাবলৈ চেষ্টা ক'ৰকচোন তেতিয়া হ'লে আপুনি সাত্ত্বিক চুমা খাব পাৰিব বা চুমা নাখালেও আপোনাৰ বেয়া নালাগিব।"

কাকতীয়ে কিন্তু জানিবলৈ বিচাৰিলে পশ্চিমীয়া দেশত মানুহে কিয় ইমান বেছিকৈ চুমা খায়। মই বুজালো—

চুমা এটা দৈহিক কাৰ্য্যও। দৰাচলতে দৈহিক ভাষাত চুমা এটা বিভিন্ন ভাৱে ব্যৱহৃত আখৰৰ দৰে। যিদৰে বেলেগ বেলেগ সমাজৰ ভাষাও বেলেগ বেলেগ, সেইদৰে বেলেগ বেলেগ সমাজত এই আখৰটোৰ অৰ্থ ও ব্যৱহাৰ বেলেগ বেলেগ। দেশ কাল পাত্ৰ অনুসৰি চুমা খোৱাৰ ৰীতি নীতি বা নিয়ম কানুনও বেলেগ বেলেগ।

পশ্চিমীয়া সমাজত চুমাৰ ব্যৱহাৰ অতি বেছি—মৰম-স্নেহৰ উপৰিও, কৃতজ্ঞতা, বন্ধুভাব, অতিশয় আনন্দ, শুভ ইচ্ছা, আশ্বাস আদি নানা ভাব প্ৰকাশ কৰিবলৈ মানুহে চুমা খায়। এই চুমা কেৱল মতা আৰু মাইকীৰ মাজতে সীমাবদ্ধ নহয়। গ্ৰীচ, ৰাছিয়া আদি দেশত মতা মানুহেও ইজনে সিজনক আলিঙ্গন কৰি চুমা খোৱাৰ প্ৰথা আছে—এনে চুমাৰ অৰ্থ আড়ভাব আৰু সম্ভাষণ। সেইদৰে নৱবৰ্ষৰ আৰম্ভণিৰ মুহূৰ্ত্তত নতুন বছৰটোত শুভেচ্ছা জনাবলৈ পশ্চিমীয়া দেশৰ মানুহে ওচৰত থকা পৰিচিত অপৰিচিত সকলোকে চুমা খায়। আন নালাগে মৃত লোকৰ স্বৰ্গবাস আৰু শান্তি কামনা কৰিও ইয়াৰ সকলো লোকে মৰা শ'টো চুমা খায়।

আমাৰ সমাজত সৰু সৰু ল'ৰা-ছোৱালীক মাক-বাপেকে মৰমতে চুমা খায়, ইয়াত কিন্তু মৰম জনাবৰ কাৰণে মাক-বাপেকে ল'ৰা-ছোৱালীক চুমা খাবই লাগিব। চুমা নোখোৱা মানে মৰম নকৰা। ইয়াৰ ল'ৰা-ছোৱালীক মাক-দেউতাকে 'শুভ ৰাত্ৰি' বুলি কৈ একোটা চুমা নাখালে ল'ৰা-ছোৱালীৰ ৰাতি টোপনি নাহে। ল'ৰা-

ছোৱালীয়ে ঠেঁহ বা ওফোন্দ পাতিলেও ভাঙৰে ফচুলোৱাৰ প্ৰধান অস্ত্ৰ হৈছে চুমা। তেনে ল'ৰা-ছোৱালীক বুজাই বঢ়াই ডাঙৰে শেষত কয়, "আচ্ছা, এতিয়া সকলো ঠিক হৈ যাব, এতিয়া মোক এটা চুমা দিয়া।" সেইদৰে মাক-দেউতাকৰ কিবা কাৰণে খং তোলাৰ পিছত ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ খং-ভাব দূৰ কৰাৰ প্ৰধান অস্ত্ৰ হৈছে এটা চুমা।

স্বামী-স্ত্ৰীৰ সম্বন্ধও বিশেষ ভাৱে আশ্বাসিত হয় চুমাৰে। ইয়াত মুহূৰ্ত্তে মুহূৰ্ত্তে স্বামীয়ে স্ত্ৰীক বা স্ত্ৰীয়ে স্বামীক চুমা নোখোৱা মানে ডাঙৰ বিপদ। ৰাতিপুৱা সাৰ পাই ইজনে সিজনক 'গুড মৰ্নিং' বলি চুমা খাব, অফিচলৈ যাবৰ সময়ত দুৱাৰ মুখত আৰু অফিচৰ পৰা উভতি আহি দুৱাৰ মুখত জাপি দিয়েই গিৰিয়েকে ঘৈণীয়েকক চুমা খাব লাগিব। সেইদৰে ৰং-মেল আদিলৈ যাওঁতে আনৰ লগত কথা-বতৰা পাতি হলিগলি কৰি থকাৰ মাজতো আহি ইজনে সিজনক একোবাৰ চুমা খাব লাগিব। স্বামী-স্ত্ৰীৰ এনে চুমাৰ অৰ্থ ইজনৰ সিজনৰ প্ৰতি আশ্বাস। মুঠৰ ওপৰত গৃহীত ৰীতিগত চুমাৰ অবিহনে এটা পৰিয়ালৰ বান্ধও সোলোক-ঢোলোক।

সেইদৰে পাশ্চমায়া দেশত বন্ধু ভাবৰ কাৰণেও মতা আৰু মাইকী মানুহে সততে চুমা খায়। এই চুমা কেৱল স্বামী-স্ত্ৰীৰ মাজতে সীমাবদ্ধ নহয় বা নিজৰ গাৰ্ল-ফ্ৰেণ্ড অথবা বয়-ফ্ৰেণ্ডৰ মাজতে সীমাবদ্ধ নহয়। এজনী ছোৱালীয়ে নিজে ভাল পোৱা ডেকাৰ উপৰিও নিজৰ পুৰণা বিশ্বাসী বন্ধু বা আন ডেকাকো বন্ধু ভাব প্ৰদৰ্শন কৰিবলৈকো চুমা খাচে। আন নালাগে এজন ডেকাই বা এজন বিবাহিত মানুহে নিজৰ গাৰ্ল-ফ্ৰেণ্ড বা স্ত্ৰীক নিজৰ অন্তৰঙ্গ বন্ধুক চুমা খাচিবলৈ অনুৰোধ কৰে। মই ইংলণ্ডত পঢ়োঁতে টনী ভেণ্ট নামৰ এজন ইংৰাজ ছাত্ৰৰ লগত মোৰ খুব বন্ধুত্ব হৈছিল। আমি দুয়ো একেলগে টেনিচ খেলিছিলোঁ, ইউৰোপত ভ্ৰমণ কৰিছিলোঁ আৰু অনেক সময় একেলগে কটাইছিলোঁ। আজি কেইবছৰমান আগতে তেওঁক আৰু তেওঁৰ পত্নীক লগ পাওঁতে ঘৈণীয়েকে মোলৈ হেণ্ড-শ্বেক কৰিবৰ কাৰণে হাত আগ বঢ়ালে। তাকে দেখি টনীয়ে ঘৈণীয়েকক ক'লে, "মেগী, মোৰ আটাইতকৈ অন্তৰঙ্গ বন্ধুক তুমি তেনেদৰে সম্ভাষণ জনালে নহ'ব, তেওঁক এটা ডাঙৰ চুমা দিয়া।"

'ডাঙৰ চুমা'ৰ কথা শুনি কাষতীয়ে মোক খপৰাই সুধিলে,

"আচ্ছা, ডাঙৰ চুমাটো কি বস্তু? চুমাৰ আকৌ সৰু ডাঙৰ কেনেকৈ থাকে?"

"থাকে, বন্ধু ভাবৰ যেনেকৈ কম বেছি আছে আন্তৰিকতাৰ বিধৰে মাত্ৰা আছে সেইদৰে চুমাৰও সৰু ডাঙৰ আছে। তাক এপোৱা দুপোৱা বা এখনাহী দুখ-খাহীকৈ জুখিব নোৱাৰিলেও চুমা ডাঙৰ সৰু বিচাৰ কৰিব পৰা যায়। অৱশ্যে, যেনেকৈ যেনেকৈ সমাজত সৰু ডাঙৰ বিচাৰ বেলেগ বেলেগ ধৰণে কৰা হয়। আমাৰ সমাজত ডাঙৰ চুমাৰ শব্দটো ডাঙৰ। ইংৰাজী সমাজত ডাঙৰ চুমা

দীঘলীয়া আৰু সৰু চুমা খবেকীয়া, আমেৰিকাত ডাঙৰ চুমাত আন্তৰিকতা বেছি। ফৰাচী দেশত মুখ মেলি চুমা খায় আৰু ছোৱালীয়ে কিমানেই বেছিকৈ মুখ মেলে চুমাটো সিমানেই ডাঙৰ।"

মোৰ কথা শুনি কাকতীয়ে আক্ষেপ কৰিলে,

"আপোনাৰ কেনে ভাগ্য দেহি, বহুত দেশত ডাঙৰ ডাঙৰ চুমা খাই পাইছে। কিন্তু মোক চাওক, ইয়াতেই সৰু চুমা এটা খাই পোৱা নাই। আপোনাৰ ভাগ্য ভাল। আমেৰিকাত আছে, চিভিলাইজড্ কাণ্ট্ৰী—অনেক কাৰণত অনেক ধৰণৰ চুমা। তাত আৰু কি কি কাৰণে ছোৱালীয়ে চুমা যাচে?"

আমেৰিকাত ছোৱালীয়ে কৃতজ্ঞতা প্ৰকাশৰ বাবে চুমা যাচে। এগৰাকী ছাত্ৰীয়ে যদি এজন শিক্ষকৰ শিক্ষকতা ভাল পাইছে তেনেহ'লে বছৰটোৰ শেষত কৃতজ্ঞতা প্ৰকাশ কৰিবলৈকো চুমা এটা যাচিবহি। সেইদৰে বাটত চকা ফুটি বা গাড়ী বেয়া হৈ ৰৈ থকা ছোৱালী এজনীক যদি আপুনি ফুটা চকা সলাই ভাল চকা এটা লগোৱাত সহায় কৰে বা গাড়ীখন ভাল কৰি দিয়ে তেতিয়া আপোনাক কৃতজ্ঞতা জনাবলৈকো আপোনাক এটা চুমা যাচিব। ছোৱালীৰ যেই কোনো উপকাৰ কৰ'ক আপোনাক হয়তো কৃতজ্ঞতা জনাবলৈ তেওঁ চুমা এটা যাচিব।"

"মই কৈছোঁ নহয় চিভিলাইজড কাণ্ট্ৰী। আমাৰ ছোৱালীৰ কৃতজ্ঞতাই নাই আৰু কি চুমা যাচিব? কৈছোঁ নহয় এই জাতিৰ কোনো উন্নতি নাই। কৃতজ্ঞতা নাই, চুমা খাব নাজানে কেনেকৈ উন্নতি হয়?"

বুলি কৈ দৰ্গত কাকতীয়ে বৰ দুখ কৰিলে। মই তেওঁক জনালোঁ যে,

আমাৰ সমাজত কৃতজ্ঞতা, বন্ধুভাব, শ্ৰদ্ধা আদি জনাবলৈ 'নমস্কাৰ', 'সেৱা' আদি জনোৱাহে নিয়ম। আমাৰ নিচিনা গৰম আৰু লেতেৰা দেশত চুমাতকৈ এই-বিলাকহে স্বাস্থ্য আৰু প্ৰকাশ-ভঙ্গীৰ পিনৰ পৰা বেছি উত্তম। অধিকন্তু মৰম-চেনেহ, প্ৰেম, ভক্তি আদিৰ উৎস হৈছে আত্মা। সেয়েহে এইবিলাকৰ দৈহিক প্ৰকাশতকৈ এইবিলাকৰ নিত্য গুণতহে আমাৰ সমাজে বেছি গুৰুত্ব আৰোপ কৰে। গতিকে মৰম-চেনেহ, প্ৰেম, ভালপোৱা আদি প্ৰকাশ কৰাৰ শ্ৰেষ্ঠ উপায় হৈছে ত্যাগ। আমাৰ মাক-দেউতাকে ল'ৰা-ছোৱালীক ঘনাই চুমা নাখালেও ল'ৰা-ছোৱালীৰ কাৰণে নিজৰ সকলো ত্যাগ কৰিবলৈ সততে প্ৰস্তুত থাকে। পাশ্চাত্যৰ দেশত কিন্তু মাক-দেউতাকে সাধাৰণতে নিজৰ আমোদ-প্ৰমোদ বা নিজৰ ভাল লগা জীৱনৰ একোকেই ল'ৰা-ছোৱালীৰ কাৰণে ত্যাগ নকৰে। তেওঁলোকে সুবিধা পালেই ল'ৰা-ছোৱালীক আনৰ লগত এৰে আৰু নিজৰ লাগতিয়াল বস্তুবোৰ আহৰণ কৰিহে বা নিজৰ প্ৰয়োজনীয় ৰং-তামাচাবোৰ উপভোগ কৰিহে ল'ৰা-ছোৱালীৰ কথা ভাবে। সেইকাৰণে আমাৰ স্বাৰ্থত্যাগী পিতৃ-মাতৃৰ কঠোৰ উক্তিও তেওঁলোকৰ হাজাৰ চুমাতকৈ উৎকৃষ্ট।

সেইদৰে আমাৰ স্বামী-স্ত্ৰী বা ডেকা-গাভৰুৰ সম্বন্ধকও দুটি আত্মাৰ মিলন বুলিহে ধৰা হয়। তাত দৈহিক বা মানসিক মিলন গৌণ। সেই মিলনৰ আশ্বাস আছে দৈহিক প্ৰকা বা নীলা থামৰ ধুনীয়া ধুনীয়া চিঠিত নহয়, ইজনে সিজনক সজ জীৱন যাপন কৰাত যোগোৱা সহায় আৰু উৎপ্ৰেৰণাৰ মাজেদিহে। জনে সিজনৰ জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ কৰাৰ দায়িত্ব পালনেই হৈছে এনে সম্বন্ধৰ মুখ্য উদ্দেশ্য। সেয়েহে এনে সম্বন্ধক দৈহিক ভাৱে প্ৰদৰ্শন কৰাটো আমাৰ সমাজে নিৰ্বিচাৰে। চুমা খোৱা নালাগে আন যেই কোনো দৈহিক প্ৰকাশেৰে মানুহৰ আগত তেওঁলোকৰ প্ৰেমভাব প্ৰদৰ্শন কৰাটো আমাৰ কাৰণে লাজৰ কথা। তেওঁলোকে ইজনে সিজনৰ প্ৰতি থকা প্ৰেমভাব প্ৰদৰ্শন কৰাৰ উত্তম উপায় হৈছে ত্যাগ, দায়িত্ব পালন আৰু আগ্ৰহ—এইবিলাকেই আমাৰ সমাজত ইজনে সিজনক আশ্বাস দিয়ে।

কেৱল স্বামী স্ত্ৰীৰ ক্ষেত্ৰতে নহয় জীৱনৰ সকলো দিশতে হিন্দু সমাজে দেহ মনৰ প্ৰয়োজনক গৌণ বুলি ধৰে। হিন্দু দৰ্শনৰ শ্ৰেষ্ঠত্ব এইখিনিতেই যে প্ৰত্যেক ব্যক্তিক একোটি জন্ম-মৃত্যু-বিহীন আত্মা বুলি ধৰা হয় যি ইন্দ্ৰিয়গম্য বা বোধগম্য নহয়। আত্মাই হে দেহ ধাৰণ কৰে, দেহত আত্মা নাথাকে। পশ্চিমীয়া সমাজত কিন্তু এক প্ৰকাৰ ওলোটা আৰু অস্পষ্ট কথা। পশ্চিমীয়া দৰ্শনৰ মতে এজন ব্যক্তিক এটা দেহ আৰু মনৰ সমষ্টি বুলি ধৰা হয় আৰু প্ৰত্যেক দেহ-মনৰ একোটি আত্মা আছে বুলি বিশ্বাস কৰে। তেওঁলোকৰ কাৰণে দৃশ্যমান দেহ-মনৰ ব্যক্তিজনহে মুখ্য কিন্তু আত্মা গৌণ। সেইকাৰণে তেওঁলোকৰ কাৰণে জীৱনৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে দৈহিক আৰু মানসিক কৃতকাৰ্য্যতাৰ ওপৰতে। তেওঁলোকৰ কাৰণে দেহ-মনৰ প্ৰকাশ অতিশয় আৱশ্যকীয়।

হিন্দু আৰু পশ্চিমীয়া সমাজত এই পাৰ্থক্য ভালদৰে বুজিব পাৰি শৱ সৎকাৰ কৰা নিয়মৰ মাজেদিয়েই। হিন্দু সমাজত মৃত্যু দেহৰহে, আত্মাৰ কাৰণে ই দেহান্তৰ মাথোন। এনে দেহান্তৰৰ পিছত শৱটো এটা সাধাৰণ বস্তু, একপ্ৰকাৰ অপবিত্ৰ, কিয়নো ইয়াকও পেলাই থলে গেলি পচি এক দুৰ্গন্ধময় বস্তুত পৰিণত হ'ব। সেই-কাৰণে আমাৰ সমাজত অতি সোনকালেই মৰা শ পুৰি পেলোৱা হয়। মানুহে দেহান্তৰ হোৱা আত্মাই সেই দেহটোৰ জীৱন কালত প্ৰদৰ্শোৱা তাৰ সৎ আদৰ্শ আৰু প্ৰেম প্ৰীতিৰ স্মৃতিকহে স্মৰণ কৰে, দৈহিক ব্যক্তিজনক নহয়। দেহটোৰ প্ৰতি একমাত্ৰ শ্ৰদ্ধা এই কাৰণেই যে সেই দেহটোত থাকিয়েই তাৰে সংযোজিত কৰ্মৰ যোগেদিয়েই আত্মাই নিজৰ সদগতি কৰিছিল।

পশ্চিমীয়া সমাজত দেহৰ ওপৰত ইমান গুৰুত্ব আৰোপ কৰা হয় যে মানুহৰ মৃত্যু হ'লে মৰা শ'টোক ভালদৰে ধুই পখালি, ধুনীয়া কাপোৰ-কানি পিন্ধোৱা হয় আৰু তাত পাউদাৰ স্নো ও দৰৱ-জাতি সানি ধুনীয়াকৈ সজাই পৰাই মানুহে চাব পৰাকৈ কেবাদিনও ৰখা হয়। সেই মৃতদেহটোকে মিত্ৰৰ কুটুম, বন্ধুবৰ্গই আহি চুমা খাই বা আন প্ৰকাৰে সন্মান প্ৰদৰ্শন কৰে। তাৰ পিছত তাক কবৰ দিয়া

হয় আৰু সেই কবৰৰ ওপৰত সৰু ভাঙৰ সৌধ সাজি ফুল আদি যোৱা হয় যাতে মৃত লোকজনৰ লগত একপ্ৰকাৰ দৈহিক সম্বন্ধ ৰাখিব পৰা যায়। আত্মীয় স্বজনে সেই কবৰত গৈ সময়ে সময়ে ফুল দিয়েগৈ বা দৰ্শন কৰে। তেওঁৰ আত্মাৰ কথা চিন্তা কৰা নহয় বা চিন্তা কৰিবলৈ গৃহীত বিশ্বাস নাই।

দেহ-প্ৰধান পশ্চিমীয়া সমাজত দেহৰ ভোগ-বিলাস, তৃপ্তি বিলাক পূৰ্ণ কৰিহে আত্মাৰ কথা ভবা হয় আৰু আত্মাৰ ক্ষেত্ৰতো নিউ টেষ্টামেণ্টৰ দহ নিৰ্দেশৰ ওপৰতে নিৰ্ভৰ কৰা হয়। আত্মা-প্ৰধান হিন্দু সমাজত কিন্তু আত্মা-উপলব্ধিৰ কাৰণে দেহ মনৰ প্ৰয়োজনবোধ সংযত কৰাটোহে নিয়ম। জীৱনৰ এনে আধ্যাত্মিক লক্ষ্য এৰি পশ্চিমীয়া লোকৰ দৰে দৈহিক ভোগ-বিলাসৰ যোগেদি পৰিতৃপ্তি বিচৰাটো একপ্ৰকাৰ মূৰ্খামি। এইবিলাক কথা বুজাই মই কাকতীক ক'লোঁ,

"বুজিছে পশ্চিমীয়া দেশ আমাৰ তুলনাত বেছি চিভিলাইজড নহয়। আমাৰ জীৱন-দৰ্শনক আমাৰ সভ্যতাক স্পৰ্শ কৰিব পৰা কোনো পশ্চিমীয়া সমাজ বা জীৱন দৰ্শন নাই। আমাৰ জীৱন-দৰ্শনক নুবুজি পশ্চিমীয়া আচাৰ-ব্যৱহাৰ অনুকৰণ কৰিবলৈ যোৱা আমাৰ মানুহ বিছুমানহে অসভ্য আৰু নিলাজ। সেইকাৰণে আপুনি চুমা খাবলৈ শিকিব নালাগে, নিজৰ আত্মাক উপলব্ধি কৰিবলৈকে শিকক। আপুনি বিয়া কৰিবৰ কাৰণে ছোৱালী নিৰ্বিচাৰি ভাল পাবৰ কাৰণে ছোৱালী বিচাৰক আৰু নিজৰ দেহ মনৰ কাৰণে ভাল পাবলৈ নিবিচাৰি ভাল-পোৱাৰ কাৰণে ভাল পাবলৈ বিচাৰক। অৱশ্যে, কেৱল ছোৱালীক ভাল পাবলৈ বিচাৰিবলৈইতো নহ'ব, ল'ৰা-ছোৱালী, ডেকা-বুঢ়া আটাইকে ভাল পাবলৈ শিকক। আপোনাৰ অন্তৰাত্মা বিকশিত হ'লে আপোনাৰ হাতৰ স্পৰ্শইও একোটা চুমাতকৈ আনক বেছি তৃপ্তি দিব। কি কয়?"

মোৰ কথাবিলাক দৰ্শত কাকতীয়ে খুব মনোযোগেৰে শুনি আছিল আৰু তেওঁ এইবিলাক আপুনি বৰ সাৰুৱা কথা কৈছে" বুলি মত প্ৰকাশ কৰাত মোৰ ধাৰণা হ'ল যেন কাকতীৰ জীৱনলৈ হয়তো ৰূপ পোহৰ আনিব পৰা যাব। সেইকাৰণে মই উৎসাহিত হৈ ক'লোঁ,

"মূঠৰ ওপৰত আপুনি চুমা খাবলৈ শিকাৰ আগতে চুমাৰ উৎস মৰম-চেনেহ, প্ৰেম ভাব, বন্ধু ভাব আদি আহৰণ কৰিবলৈ যত্ন কৰক। নহলে বন্ধু এইটোতো আপুনি প্ৰকাশ কৰিব নোৱাৰে। উদং অন্তৰৰ পৰা প্ৰেম নিজৰা বৈ আহিব নোৱাৰে। পাত্ৰই যদি খালী তাৰ পৰা কোনো কি ঢালিব পাৰিব। সেইকাৰণে আপুনি প্ৰথমে আপোনাৰ অন্তৰ পূৰ্ণ কৰক। মানুহক ভাল পাবলৈ শিকক, ল'ৰা-ছোৱালীক মৰম কৰিবলৈ চেষ্টা কৰক, জীৱনক ভাল পাবলৈ চেষ্টা কৰক জীৱন প্ৰতি প্ৰেম উপলব্ধিক, মনুষ্যক আদৰ কৰিবলৈ যত্ন কৰক, প্ৰথমে অন্তৰ শুদ্ধি কৰিবই লাগিব।"

মোৰ কথা শুনি কাকতীয়ে তেওঁৰ কাম নহ'ব বুলি ভাবি সন্তোষিত হৈ ক'লে,

"মইতো এইবিলাক চব জানো। মোৰ অন্তৰ পৰ্ণে। বুদ্ধিয়ে মোৰ মানুহৰ প্ৰতি যিমান ভাল ভাব আছে আন কাৰোৱেই নাই। আই কেন্ ৰেঞ্চ। কিমান মানুহক কিমান টকা-পইচা দি সহায় কৰিছো আপুনি কি জানিব? আচ্ছা, এটা কথা নহয়। আপুনি মোক এটা কথা নক'লে। এই যে ভিক্‌ট্ৰি কিচটোৰ কথা আপুনি সেইদিনাখন আলোচনাত ক'লে, সেইটো কেনেকুৱা ধৰণৰ চুমা, তাক কেনেকৈ খায়? মোৰ বৰ চিন্তা হৈ আছে?"

কাকতীৰ কথা শুনি মোৰ বুজিবলৈ বাকী নাথাকিল যে কাকতীৰ মনত মাত্ৰ এটাই ধান্দা। তেওঁ 'মিছ গোহাটী'ক কেনেকৈ চুমা খাব তাকে ভাবি গুণি আছিল। 'গৰুৰ আগত টোকাৰী বজায়, শিং জোকাৰি ঘাঁহ খায়' কথাষাৰৰ অৰ্থ মই বুজি পালো। মোৰ কথাবিলাক দগৰ্ভ কাকতীৰ গৰ্দভ কাণৰ এপিনে সোমাই আনপিনে ওলাই গ'ল তাকও ভালদৰে বুজি পালো। শিং জোকাৰিহে যেতিয়া টোকাৰী বজাবলৈ এৰি অলপ ঘাঁহকে খুৱাবলৈ মই ঠিক কৰি ক'লো,

"পশ্চিমীয়া দেশত মানুহ এজন যদি অতিশয় আনন্দিত হয় তেতিয়াও তেওঁ আনন্দত ওচৰৰ থাকে তাকে চুমা খায়। কোনোবাই যদি লটাৰীত টকা জিকে, ডাৰ্বিৰ ঘোঁৰা-দৌৰত যদি নিজৰ ঘোঁৰাই জয়লাভ কৰে, তেনেহ'লে সেই ব্যক্তিজন ইমান আনন্দিত হয় যে ওচৰত থকা হাতী, ঘোঁৰা, খুটা, মতা মাইকী থাকে পায় তাকে সাবটি একোটা মচমচীয়া চুমা খায়। সৌন্দৰ্য্য প্ৰতিযোগিতাত জয়লাভ কৰা বা 'মিছ ইউনিভাৰ্চ' হোৱা ছোৱালীৰ ক্ষেত্ৰতো সেই একে কথা। সেই সৌন্দৰ্য্য প্ৰতিযোগিতাত জয়লাভ কৰা বুলি শুনাৰ লগে লগে সৌন্দৰ্য্য কুঁৱৰী গৰাকী ইমান আনন্দিত হয় যে তেওঁ আনন্দত জাঁপিয়ায়, চিঞৰে, বান্দৰীয়ে নেজ জোকৰাৰ দৰে টিকা জোকাৰে ইত্যাদি, ইত্যাদি আৰু তেওঁক পুৰস্কাৰ দিবলৈ অহা মানুহজনক সাবট মাৰি ধৰি তালোপকে এটা চুমা খায়। সেই চুমাৰে তেওঁ মৰম-চেনেহ বা প্ৰেমভাব জনোৱা নহয়, জানো—সি তেওঁৰ মনৰ এক অতিশয় আনন্দৰ প্ৰকাশ মাথোন। আপুনি সেইকাৰণে ভিক্‌ট্ৰি-কিচ কৰোঁতে সাৱধান হ'ব। 'চুমা খাম' 'চুমা খাম' বুলি অধৈৰ্য্য নহ'ব। ছোৱালীজনীৰ অতিশয় আনন্দৰ মুহূৰ্ত্তলৈ অপেক্ষা কৰিব।"

তাৰ পিছত কেনেদৰে আনৰ আনন্দত শুভেচ্ছা জনাবলৈ মানুহে চুমা খায় তাক মই কাকতীক দেখুৱাবলৈ চেষ্টা কৰিলো। মই থিয় হৈ আছিলো দেখি কাকতীও থিয় হ'ল। মোৰ একেবাৰে কাষতে থকা দেখি মই কাকতীক বাঁওহাতেৰে কেনেকৈ ছোৱালীজনীৰ সোঁ কিলাকুটি বা বাউসিত ধৰিব লাগে আৰু সোঁহাতখনেৰে পিঠিত কেনেদৰে মৃদু চাপ দিব লাগে দেখুৱাবলৈ চেষ্টা কৰোঁতেই কাকতীয়ে মোক জোৰেৰে গৰা মাৰি ধৰি মোৰ দাড়িয়ে ছুঁইয়ে ভোৰোকাৰ গালত গোটেই জেলাটি স্মাৰ্ট কামুৰিলেই নে চুমা খালে কিবা এটা কৰিলে। মোৰ একেবাৰে দিবাট খং উঠি গ'ল। মই খঙত কাকতীক ধুমধাম গালি দিলো,

"আপুনি মুখ নষ্ট নেই। কি যে কাণ্ড মানুহ! মোৰ গালত এনেকৈ কিয় লেমাউটবিলাক মাৰিব লাগে। এইয়াৰ খিলি পাণ খাই এই লেতেৰা বস্তা থুই গোপা মাৰিছে, কি যে দুৰ্গন্ধ! আই মদ পানী, আন চাবোন আন। বাওক এতিয়াই এক বাল্টি পানী আনক। একেবাৰে অসহ্য পাইছে। কথা নাই বতৰা নাই, থিয়ে থুই গোপা মাৰিল।"

মোৰ একেবাৰে লাগিল যেন মোৰ গোটেই দেহটোৱেই অপবিত্ৰ হৈ গ'ল। মোৰ খং উঠা দেখি কাকতীয়ে এটা মন্দ হাঁহি মাৰি ক'লে যে সেইটো তেওঁৰ প্ৰথম চুমা, সেই কাৰণে অলপ বেয়া হোৱাটো স্বাভাৱিক, গতিকে মই তেনেকৈ খং কৰা অনুচিত। তেওঁৰ কথা শুনি মোৰ খং দুগুণে বাঢ়িল আৰু মই কলাক গ'লো,

"প্ৰথম চুমা খাইছে। চুমা খাবৰ বাবে আগতে মুখ চাফা কৰি আহিব লাগিছিল। চাহাব লোকে চুমা খাব লগা হ'লে মুখ পৰিষ্কাৰ কৰি লয়। নিজতে নিজে অন্ততঃ দুবাৰ দাঁত ঘঁহে আৰু দুবাৰ কুলকুলি কৰে। আপুনিতো চাগে ওপৰৰ শিৰত এটা এফাল দাঁত ঘঁহা নাই—কি দুৰ্গন্ধ! তেনে মাৰিলেও আপোনাৰ মুখৰ গোন্ধ নাযায় কৰিব নোৱাৰে। আপোনাৰ দাঁতৰ ফাঁকত লগা সেইবিলাক ক'ব ক'ব গোটেই জাৰ্মি ভৰ্ত্তি। সেইবিলাকে যে ডাক্তৰ ওচৰলৈ গৈ দেখুৱাব লাগে খবৰ নাই। চাহাব লোকে প্ৰত্যেক বাৰতে দাঁতৰ ডাক্তৰ ওচৰলৈ নিয়মিত ভাৱে গৈ দাঁতৰ ফুটবিলাক ভালকৈ পৰিষ্কাৰ কৰায়। মূৰ্খই জানে কি কাৰণে, মুখ-শুদ্ধি। আপুনি চুমা খাবলৈ হ'লে কেৱল ভালকৈ মুখ ধুলেই নহ'ব, মুখত সুগন্ধ কৰি যাব লাগিব।"

মোৰ খং উঠা দেখি কাকতীয়ে বনালীবিলৈ চাবোন আৰু এক বাল্টি পানী অনাই থাপাথাপ দিলে। মই পানীৰে মুখ থুই থুই কলাক গ'লো,

"হৰে কৃষ্ণ, হৰে ৰাম! মোৰ গোটেই দাড়ি, গাল নষ্ট কৰি দিলে। দাড়িখিনি খুৰাই পেলাব লাগিব। এতিয়া আৰু আন উপায় নাই। মানুহক মই কি ক'ম—কাকতীয়ে চুমা খোৱা কাৰণে দাড়িখিনি খুৰাই পেলালোঁ। কোনে বিশ্বাস কৰিব? সকলোৱে ক'ব যোগে মি গোঁসাই পোৱাল আগতে দাড়ি খুৰাই চিকুণ হ'বলৈ চেষ্টা কৰিছে। মোৰ গোটেই দাড়িকে নষ্ট কৰি দিলে।"

মোৰ তেনে কঠুৱা উক্তি শুনি কাকতীৰ দুখে দুখ লাগিল আৰু তেওঁ মোক বুজালে,

"আপুনি মোক মিছাতে ইমান খং কৰিছে। মই নাজানো কাৰণেহে আপোনাৰ পৰা শিকিবলৈ বিচাৰিছো। আপুনি মোক হাতত ধৰি দেখুওৱা কাৰণে মই অলপ একচাইটেড হৈ গৈছো। মোৰ মাইণ্ড খুলিছে—আৰু মনো। মোক সেইকাৰণে আপুনি ভালকৈ শিকাওক। আপুনি জানে কাৰণে আপোনাৰ পৰা শিকিব খুজিছো। কিন্তু আপোনাৰ ইমান খং। মোৰ আৰু একো নহ'ব।"

শিষ্যৰ এনে অনুতাপ দেখি মোৰ হিয়া গলি গ'ল আৰু মোৰ খং আঁতৰ হ'ল। ঠিকেইতো, জ্ঞান অৰ্জ্জন কৰিবৰ কাৰণে মোৰ কাষ চপা এজনক শিষ্য বুলি গ্ৰহণ কৰি মই তেনেদৰে খং কৰা উচিত নহয়। মই শিক্ষক হৈ ছাত্ৰৰ দুষ্কৰ্ম বা ভুলৰ কাৰণে খং কৰা অনুচিত বা ব্যক্তিগত ভাৱে ছাত্ৰৰ প্ৰতি কোনো ধৰণৰ বিদ্বেষ ভাব মনলৈ আহিবলৈ দিয়া উচিত নহয়। সেই ভাবি নিজকে সংযত কৰিলোঁ। তদুপৰি মোৰ দৃঢ় বিশ্বাস হ'ল যে চুমাৰ তত্ত্ব বা সূত্ৰতকৈ কাকতীৰ চুমাৰ টেকনিকহে বাপ। তেওঁৰ কাৰণে চুমা-খোৱাটো থিঅ'ৰিটিকেল বিষয় নহয়, প্ৰেক্টিকেল বিষয়হে। কাকতী ঠিকাদাৰ মানুহ। তেওঁৰ কাৰণে জীৱনটোৱেই একপ্ৰকাৰ ঠিকা, হাতে কামে লগা কাৰবাৰ, যাৰ একমাত্ৰ উদ্দেশ্য নিজৰ লাভালাভ।

সেইকাৰণে কাকতীৰ ওপৰত খং নকৰিলেও তেওঁৰ লগত বেছি সময় নষ্ট নকৰাই ভাল বুলি বিবেচনা কৰিলোঁ। মোৰ কাৰণে তেওঁলোক শ্ৰেণীৰ পিছৰ বেঞ্চত বহা ছাত্ৰ, যাৰ উদ্দেশ্য যে শিক্ষকে 'ৰোল-কল' শেষ কৰাৰ পিছত শিক্ষকে নেদেখাকৈ শ্ৰেণীৰ পৰা ওলাই দৌৰ মৰা। তেওঁলোকে ভাবে তেওঁলোক অতি চতুৰ আৰু তেওঁলোকে শিক্ষকৰ চকুত ধূলি মাৰিব জানে। তেওঁলোকে এইটো বুজি নাপায় যে যি ছাত্ৰৰ পঢ়া-শুনাত মন দিবৰ ইচ্ছা নাই বা যাৰ শিকিবৰ ইচ্ছা নাই তেনে ছাত্ৰ শ্ৰেণীৰ পৰা আঁতৰিলে শিক্ষকে ভালেই পায়। এনে মূৰ্খ ছাত্ৰৰ ওপৰত শিক্ষকে সময় নষ্ট কৰিবলৈ নিবিচৰাটো স্বাভাৱিক।

ভাল কথা শিকিবলৈ কাকতীৰ ইচ্ছা নাই যেতিয়া অযথাত মই সময় নষ্ট কৰাৰ কোনো প্ৰয়োজন নেদেখিলোঁ। তথাপি তেওঁৰ মনোৰথ পূৰ্ণ কৰিবলৈ মই চুমাৰ অভিনয় অলপ দেখুৱাই আহিলোঁ। চুমা-খোৱাৰ সেই অভিনয়ৰ পাঠ পাই কাকতী সন্তুষ্ট হ'ল আৰু দুবাৰমান চেষ্টা কৰি মোক ক'লে,

"আপুনি মোক চুমা-খোৱাৰ খুব ভাল টেকনিক শিকালে। মই পাৰিম নে নাই? বহুত প্ৰেক্টিচ লাগিব নহয় জানো? এতিয়া প্ৰেক্টিচ কেনেকৈ কৰোঁ? আপুনি মাজে মাজে মাজে আহক না? আপুনিতো কৈছে যে বাহিৰৰ আদি দেশৰ মতা মানুহে মতা মানুহক চুমা খায়। মই আপোনাকে চুমা খাই প্ৰেক্টিচ কৰিম। আপুনি ভয় নকৰিব মই আপুনি কোৱা মতে মোৰ তাঁৰবিলাক চাফা কৰিম। আৰু আই প্ৰমিজ আজিৰ পৰা মই দিনে দুবাৰ দাঁত ঘঁহিম।"

"অ' মধু, আজিৰ পৰা মই বাতি শুবলৈ যোৱাৰ আগতে গৰম পানী দিব বুজিছ নে নাই। আৰু দাঁত ঘঁহা বস্তুবিলাক গোটাই দিবি। [illegible] শুনিলি নে নাই, বিড়ি খাই ঘৰলৈ [illegible] মই তোৰ পিঠি ফালি দিম। [illegible] [illegible]"

[illegible] [illegible]নিত হৈ বহাৰ পৰা [illegible] যাবলৈ ওলাই ক'লোঁ,

"[illegible] আদি দেশত [illegible] [illegible] হ'ত [illegible] মানুহৰ [illegible] [illegible] ইজনে সিজনকে ভাই ভাই যেন জ্ঞান [illegible] নিজৰ, তাত মতা মানুহে মতা [illegible] [illegible] [illegible] সেইকাৰণেই উদ্ভৱ হ'ল—[illegible] মানুহৰ প্ৰতি সন্মান [illegible]

প্ৰীতি প্ৰদৰ্শন কৰিবৰ কাৰণেই। আপুনিতো মধুৰ দৰে কাম কৰা ল'ৰা, মুচি, মেথৰ আদিক মানুহ যেনেই জ্ঞান নকৰে। আপোনাৰ যদি চুমা খাবলৈ প্ৰেক্টিচ কৰিবৰ মন ভৈছে'লে কোনোবা দুখীয়া মানুহ এজনকে মাতি আনি প্ৰেক্টিচ কৰক। অলপ পইচা দিলে হয়তো বেয়ে নেপাব আহিব। মানুহজনৰও হয়তো অলপ উপকাৰ হ'ব আৰু আপোনাৰও কাম হ'ব।"

তাৰ পিছত মই কাকতীৰ ওচৰৰ পৰা আঁতৰিলোঁ। কিন্তু অসাৱধানতাৰে মই কাকতীক বৰ মাৰাত্মক কথা এষাৰ কৈ আহিলোঁ, কাৰণ কাকতীয়ে মোৰ কথা আৰু যুক্তিক নিজৰ সুবিধাৰ কাৰণে নিজৰ স্বাৰ্থৰ পিনে পোনালে। দুদিনমান এদিন মই বাটত মধুক লগ পাই মধুক কাকতী কেনে আছে সোধোঁতে মধুৱে ক'লে,

"নাই মই তাত কাম কৰবা এবি দিলোঁ। মানুহজন পাগল হৈছি কিবা। এ কিবা বোলে চুমা খাবা শিকিছি। মোক গোটে সাতটা মাৰি ধৰবা খুজে। আক দিনা জামাদাৰনীটোৱেই খুব গালি দিলাক। তাই ঝাৰুদুয় চাকা কৰি থাকোতে বাবুৱেই সাতটা মাৰি ধৰিছিল। তাই মোৰ বাহিৰৰ আহি খুব গালি দিলাক বোলে, 'ক্যা গধবৰ কৰতা বাবু হম ঐসা ঐসা নহি হ্যায়, ঐসা কৰনেসে ঝাৰুসে মাৰ দেগে'। ক'বা নৱু দ'ক কি হৈছি।"

মোৰ বুজিবলৈ বাকী নাথাকিল যে 'মিছ গৌহাটী' ক চুমা খাবৰ কাৰণে কাকতীয়ে পূৰ্ণ উদ্যমে আখৰা চলাইছে।

এনেদৰেই সেই মহত্বপূৰ্ণ প্ৰতিযোগিতাৰ কাৰণে গুৱাহাটীত আয়োজন চলিল। কাকতীয়ে ভিক্ট্ৰি কিচ দিবৰ কাৰণে নিতৌ আখৰা, কাম কৰা ল'ৰা-জামাদাৰনী আদিকও স্নেহ চুম্বন। সৌন্দৰ্য্যৰ অৰ্থ বিচাৰি যুবক দাস, হনুমন্ত ৰায় আদিৰ প্ৰচেষ্টা—তেওঁলোকৰ ইমান উৎসাহ আৰু দৃঢ়প্ৰতিজ্ঞা যে তাৰ কাৰণে ছেঁউৰীৰ নেজত ধৰি সোঁৱৰলৈ বা তাল গছত উঠি মো-ষৰলৰ কামোৰ খাবলৈকো তেওঁলোক কুণ্ঠিত নহয়। এনে প্ৰতিযোগিতা যে সফল হ'ব তাত অকণো সন্দেহ নাই। লগতে ছোৱালীহঁতৰও প্ৰচেষ্টা আমি পাহৰা উচিত নহয়। ধুনীয়া ধুনীয়া সাজ-পোছাক, পাউডাৰ-স্নো, গোন্ধ তেল, মলম আদি পুঁজিবাদৰ সকলো চুক কোণৰ পৰা অসমলৈ আমদানী হ'বলৈ ধৰিলে। সেই বিলাকৰ গোন্ধত গুৱাহাটী চহৰ আমোদ মোদাবলৈ ধৰিলে। অন্ততঃ কিছুদিনৰ কাৰণে গুৱাহাটীৰ মানুহে ইয়াৰ নলী নৰ্দমা আদিৰ আৱৰ্জনা আদিৰ দুৰ্গন্ধ পাহৰিলে।

জনা-শুনা কাণ্ড

১৯৭৮ চনৰ ১৭ জানুৱাৰীৰ দিনা আবেলিৰে পৰা গুৱাহাটীৰ জিলা পুথিভঁৰাল লোকে লোকাৰণ্য হ'ল। হনুমন্ত ৰায়, বুবুক দাসহঁতৰ নিচিনা কিছুমান ডেকা লঁৰা আৰু দৰ্পভ কাকতীৰ দৰে কিছুমান ভদ্ৰলোকে সৌন্দৰ্য্য সাধনাৰ পথত অসমীয়া মাইজক আগুৱাই নিবলৈ বিপুল আয়োজন কৰিলে। কেৱল অজ্ঞাত কিছুমান কাৰণে বিবাহিতা মহিলা আৰু বয়োবৃদ্ধ লোকসকল এই আয়োজনৰ পৰা আঁতৰি থকা যেন লাগিল। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ধুনীয়া ধুনীয়া আৰু নিজকে ধুনীয়া বুলি ভবা কেবাগৰাকীও ছোৱালীয়ে টোপোলাত বেলেগ বেলেগ সাজ-পোছাক আৰু প্ৰসাধন সামগ্ৰী লৈ আহিল। তেওঁলোকক বেলেগে ছোঁ ধৰবলৈ অৰ্থাৎ মঞ্চৰ কাষৰ সাজ-সজ্জাৰ কোঠালৈ লৈ যোৱা হ'ল। কোৱা বাহুল্য যে বুবুক দাস আৰু হনুমন্ত ৰায়েই সুন্দৰীহঁতৰ আলপৈচান ধৰাৰ দায়িত্ব ল'লে।

ছোৱালীহঁতৰ উশ্বাস-নিশ্বাস আৰু আপোন বস্ত্ৰ প্ৰবাহৰ উৎসাহত তেওঁলোক দুজনৰ গা সাতখন আঠখন কৰিবলৈ ধৰিলে আৰু সুন্দৰীহঁতৰ সংখ্যা বঢ়াৰ লগে লগে তেওঁলোক দুজনৰ উশ্বাস-নিশ্বাসৰ বেগ আৰু বহুগন্ধী সুগন্ধিৰ দুৰ্গন্ধ বঢ়াৰ লগে লগে তেওঁলোকৰ ছটফটনিও বাঢ়িবলৈ ধৰিলে। তেওঁলোক দুয়ো এবাৰ কোঠাটোৰ ভিতৰলৈ এবাৰ বাহিৰলৈ সঘনাই অহা-যোৱা কৰিবলৈ ধৰিলে। কোঠাটোৰ বাহিৰত থাকিলে তেওঁলোকৰ কোঠাটোৰ ভিতৰলৈ সোমাবৰ মন যায় আৰু কোঠাটোৰ ভিতৰত থাকিলে তেওঁলোকৰ বাহিৰলৈ ওলাই আহিবৰ মন যোৱা যেন অনুমান হ'ল। এবাৰ নজৰ অলপ মুকলি বতাহ ল'বৰ কাৰণে তেওঁলোক দুয়ো কোঠাটোৰ পৰা কিছু দূৰ আঁতৰি আহে, কিন্তু কিবা এক সৌন্দৰ্য্যবোধৰ প্ৰভাৱত তেওঁলোক আকৌ সুন্দৰীহঁতৰ কোঠাটোৰ ওচৰলৈ যায়গৈ।

অলপ দূৰৈৰ পৰা মই কিছুপৰ এই আলেখ লেখ চাই থকাৰ পিছত মোক কিবা এক 'ছোট দুখে' কামুৰিলে। তাহানি গুৱাহাটী দলৰ হৈ ক্ৰিকেট খেলোতে আমাৰ দলৰ বাবল ঠাকুৰে আমাক কেচ ধৰিবলৈ যোৱাৰ আগতে সদায় সাৱধান কৰি দি কয়,

'[illegible] [illegible] খেলিবি, ছোটদুখে কামুৰিবলৈ নিদিবি'।

ছোটদুখে এবিধ অদৃশ্য পোক যি কামুৰিলে কেচ ধৰাৰ এনে মন হয় যে এইবাৰ যি বল [illegible] [illegible] [illegible] কোনোবাই হয় বাউণ্ডেৰী নহয় ওভাৰ-বাউণ্ডেৰী মাৰি দিয়। ধৈৰ্য্য এৰি [illegible] [illegible] কৰিবলৈ মনে হয় [illegible] দুটি [illegible] [illegible] নহয় বেলেগৰাকে আউট হ'ব লগীয়া হয়। পিছত মোৰ এই অভিজ্ঞতা হ'ল যে কেৱল ক্ৰিকেট খেলতেই নহয় জীৱনৰ [illegible] [illegible] [illegible] [illegible] [illegible]

ছোটখুৰে কামৰূপিলে নকীয়কলীয়া কাম কৰিবলৈ উঠিপৰি লাগিলে। যিহওক, সেইদিনাখন সুন্দৰীহঁতৰ সান্নিধ্যত ভেকা হনুমন্ত, বুবুহঁতৰ অগাপিছা কৰা উঠিপৰিলনিকন দেখি মোৰো ছোটখুৰে কামৰূপিলে—এবাৰ ছোৱালীহঁতৰ বেহৰূপ চাই আহিবলৈ। সেই কথৰ পিছে প্ৰথম খোজটো দিওঁতেই মোৰ মনত অলপ খোন্দাইছিল যে কেনিবা কোনোবা এটা চুকত কামদেৱ আৰু লজ্জাদেৱীয়ে মোক খুঁচিবলৈ যেন কাঁড় ধৰি বৈ আছে।

কিন্তু তেওঁলোকে মোক ইমান সোনকালেই শৰবিদ্ধ কৰিব বুলি মই জনা নাছিলোঁ। মই দুখোজমান আগ বঢ়াৰ পিছতে বুবুক আৰু হনুমন্তই নিয়োগ কৰা দুজন স্বেচ্ছাসেৱকে মোক আগ ভেটি ধৰি ক'লে, 'মাই, এইপিনে আপুনি যাব নোৱাৰে'। লাজ অপমানত মই কথা কওঁ পাহৰিলোঁ। ভাবিলোঁ মোৰ কি কপাল! যাৰ দিহা পৰামৰ্শমতে এই বিপুল আয়োজন অনুষ্ঠিত হৈছে, যাৰ অবিহনে হয়তো সেই সৌন্দৰ্য্য প্ৰতিযোগিতা সম্পূৰ্ণ ব্যৰ্থ হ'লহেঁতেন তেওঁক সোমাবলৈ যাওঁতে স্বেচ্ছাসেৱকে বাধা দিলে—সিহঁতৰ কি অভদ্ৰামি, মোৰ একেবাৰে গাত হাত দি বাধা দিলে। স্বেচ্ছাসেৱক দুইজনক মই মোৰ পৰিচয় দি গহীন ভাবে জনালোঁ,

“মই যাব পাৰিম দিয়া, মই আজিৰ প্ৰধান বিচাৰক।”

তাকে শুনি এজন স্বেচ্ছাসেৱকে খপখপাই উত্তৰ দিলে,

“নাই, বুবুক দাদা আৰু যায় দাই কৈ দিছে যে তেওঁলোক দুজন আৰু প্ৰতিযোগীসকলৰ বাহিৰে আন কোনোৱেই ইয়াৰ ভিতৰলৈ যাব নোৱাৰে।”

তেনেকুৱাতে আৰু দুজনমান প্ৰতিবন্ধী অহাই স্বেচ্ছাসেৱক এজনে মোক একেবাৰে ঠেলা মাৰি আঁতৰাই দিলে। অকল সেয়ে নহয়, ছোৱালীহঁতক দেখি হনুমন্তই আগ বাঢ়ি আহি—

“ডিয়ৰ কাম ইন—এভিৰিভি ৱেইটিং ফৰ ইউ। অহ, ইউ লুক ভেৰি নাইচ”

[অৰ্থ তাৰ : আহা, আমি তোমালোকৰ কাৰণেই বৈ আছোঁ। আজিৰ ভাওনাৰ তোমালোকেই নায়িকা আৰু মই নায়ক]

আৰু কথা কৈ ছোৱালী দুজনীক আগ বঢ়াই লৈ গ'ল। হনুমন্ত যাওঁতে দেখি স্বেচ্ছাসেৱক এজনে “আচ্ছা, এখেত ভিতৰলৈ যাব পাৰিব নেকি?” বুলি মোৰ কথা সুধিলত হনুমন্তই খঙেৰে উভতি চাই ৰায় দিলে,

“নব' ৱে, হুৱেন আই ছে ন' বডি আই মিন ন'বডি, গ'ট ইট?”

[অৰ্থ তাৰ : মই যোৱাই নোসোমাবাই ইংৰাজী ক'ব পাৰো বুলি সকলোৱে জানে। এওঁক সোমাবলৈ দিলে মোৰ কাৰ্য্য সিদ্ধি নহ'ব। ক'তে এওঁৰ কথা নুশুনিবা]

মোৰ বুজিবলৈ বাকী নাথাকিল যে এইবিলাক স্বেচ্ছাসেৱক নহয়, হনুমন্তৰ সেনাহে। তেওঁলোকক হনুমন্ত নাৰে মহাত্মা কৌশলেৰে এক বিশাল চাহ আৰু একোটা চিগাৰেট খুৱাই হাত কৰি লৈছে। ছোটখুৰৰ কাযোঁৰণিৰ উঠিপৰিল মোৰ দেহ-মনৰ পৰা দূৰ হ'ল আৰু মই কি কৰিম কি নকৰিম ভাবি একোকণ থিয় হৈ থাকিলোঁ।

মই সেইখিনিত কিংকৰ্ত্তব্যবিমূঢ় হৈ থকা দেখি লাজদেৱীয়ে হেগ যুদ্ধি আৰু এপাট শৰ মাৰিলে—শ্ৰীবুদ্ধক দাস ক'ৰবাৰ পৰা আহি মোক উদ্দেশ্যি কিন্তু সকলোৱে শুনাকৈ চিঞৰি চিঞৰি ক'লে,

"মিস্টাৰ দত্ত, হুৱাট ইউ দুৱিং হেঁয়াৰ। ইউ গ' টু ইয়ৰ চীট। অ' ইউ আৰ নট দি চীফ জাজ। আৱাৰ ডি-চি উইল কাম এণ্ড দু দি অনাৰ্ছ। ইউ আৰ এ জাজ হাৰেভাৰ। আৰ ইউ ছিঅ'ৰ ইউ কেন দু দি জব। এনি ৱে আই উইল কাম এণ্ড হেল্প ইউ।"

[অৰ্থৰ ভাব : আপোনাক আমাৰ আৰু প্ৰয়োজন নাই। সেইকাৰণে আপুনি ইয়াত ওস্তাদি মাৰিবলৈ নাহিব। আন নালাগে আপোনাক প্ৰধান বিচাৰকৰ পৰা আঁতৰাই আমি গুৱাহাটীৰ ডি-চি ক প্ৰধান বিচাৰক পাতিছো; আপুনি ইচ্ছা কৰিলে ঘৰলৈ উভতি যাব পাৰে। এতিয়া মই বুবুক দাসেই সকলো চলাম।]

যাহওক, মই ঘৰলৈ উভতি নগৈ লাজ অপমান সহ্য কৰি হ'লেও সেই ঐতিহাসিক দিনটোৰ কাৰ্য্য-কলাপ থিলাক সশৰীৰেৰে চাবলৈকে ঠিক কৰিলো। মই অলপ নিজকে ধিক্কাৰও দিলো, যি বুবুক দাসক মই তাল গছৰ ওপৰত তুলিলো, হে'উৰীৰ নেজত ধৰি দোৰাই নট বনালো সেই বুবুকে দাসৰ নিচিনা নট ডিলা ল'ৰা এটাই মোক তেনেদৰে লাজ দিবলৈ সুবিধা পালে—ছোটখুৰৰ কামোৰ খাই মোৰ যেন মাজৰ খুটি প্ৰথম কল্পতে উফৰি পৰিল। মই অৱশ্যে অলপ সতৰ্ক হ'ব লাগিছিল। বুবুক দাসৰ নিচিনা অসমীয়া মানুহ মই আগেয়ে বহুত লগ পাইছো, যি দৰকাৰৰ সময়ত আহি ভৰিত দীঘল দি পৰিব বা চুৰাপাত চেলেকিবলৈ পোৱাৰ আশাত কুকুৰৰ দৰে নেজ জোকাৰি জোকাৰি আহিব কিন্তু যি নিজৰ কাৰ্য্য সিদ্ধি হ'লে পাৰ পাই ভুৰত লাথি মাৰে। অসমীয়া মানুহে সময়ত জখলাৰে ওপৰলৈ উঠিবলৈ ভাল পায়, কিন্তু ওপৰ পোৱাৰ পিছত আঁত অকৃতজ্ঞভাৱে জখলাডাল গোৰ মাৰি পেলাই দিবলৈ চেষ্টা কৰে।

মোৰ নিজকে গোৰ খোৱা জখলা বা লাথি খোৱা ভুৰৰ নাচৰীয়া যেন লাগিল। ইপাৰৰ লোকক সিপাৰ কৰাটোৱেই যাৰ কৰ্ত্তব্য সেই নাৱৰীয়াইনো যাত্ৰীৰ অকৃতজ্ঞতাৰ কাৰণে নিজৰ কৰ্ত্তব্য কেনেকৈ এৰে। মোৰ সহায়েই যদি আনৰ কৃতকাৰ্য্যতাৰ জখলা হয় তেনেহ'লে সেই কৃতকাৰ্য্যতাই জখলাৰ পুৰস্কাৰ। গতিকে নিৰাশ নহৈ মই বিচাৰক সকল বহিব লগীয়া স্থানৰ পিনে খোজ ললো।

অৱশ্যে, মই নিৰাশ নহ'বৰ আন এটা কাৰণ আছিল। মই সাজ-সজ্জাৰ কোঠাৰ দুৱাৰ মুখত থিয় হৈ থাকোঁতে এজনাকী প্ৰতিযোগী মোৰ চকুত পৰিছিল। বগা কুন্দৰহা মুগাৰ মেখেলা আৰু কেঁচ বগা বিহা পিন্ধি মিঠা বৰণৰ অসমীয়া ছোৱালী এজনীয়ে একুৰত থিয় হৈ মোৰ পিনে ৰ লাগি চাই আছিল। আঁত মকম লগা সেই সন্ধ্যাতো যুগপহীৰ দেহৰ ভাঁজত আৰু মকমৰ চাৱনিয়ে মোৰ হিয়া জুৰে পেলালে। আজিৰ গঢ়ৰ যাথৰ নকোৱা কেউঁৰ জোনাকীৰিটো যেনিৰ গোহৰত জিলিকি

উঠিছিল, আৰু জিলিকি উঠিছিল তেওঁৰ মুখত এক ৰকমৰ কিন্তু কিবা এক অসহায় প্ৰকাশ। তেওঁ মোৰ পিনে এনে ভাবে চাইছিল যেন মোক তেওঁ ক'বলৈ বিচাৰিছিল, আপুনি মোৰ কাৰণে কিবা এটা কৰক না, মই এই আধা পাগলবিলাকৰ উৎপাতত থাকিব নোৱাৰা হৈছো'। সেই ছোৱালীজনীৰ প্ৰতি স্বাভাৱিকভাৱে ওপজা মোৰ মমতাৰ কাৰণেই হয়তো মোৰ বিচাৰি যে এবা কামদেৱে মোলৈ শৰ মাৰিলে। ছোৱালীজনীৰ ওচৰলৈ গৈ মোৰ খুব ক'বৰ ইচ্ছা হৈছিল,

"তোমাক মোৰ খুব চিনাকি চিনাকি লাগিছে। তোমাৰ নিচিনা ছোৱালী এজনী আপোন কৰি ল'বলৈ মই সদায় বিচাৰি ফুৰিছো। তোমাক দেখি মোৰ এনেহে লাগিছে যেন তুমিয়েই মোৰ কল্পনাৰ হৰিণী নয়না। তুমি চিন্তা নকৰিবা, তোমাৰ মই যত্ন ল'ম।"

কিন্তু সেই হনুমন্ত বায়ৰ সেৱক দুজন আৰু বুৰকে পাসৰ বাধাৰ কাৰণে মই ছোৱালীজনীক ওচৰৰ পৰা মাত এষাৰ দিব নোৱাৰি মোৰ মনটো খুব বেয়া লাগিল —আৰু বেয়া লাগিল অসমৰ বুকুতে অসমীয়াৰ মাজতে অসমীয়া ছোৱালীজনীৰ দুৰ্গতি দেখি। যাহওক সেই ছোৱালীজনীৰ আঁত-গুৰি জানিবৰ কাৰণে তেওঁক লগ ধৰি ভালদৰে কথা বতৰা হ'মগৈ বুলি দৃঢ় প্ৰতিজ্ঞ হ'লো আৰু মনতে এই বুলি সংকল্প ল'লো যে তেওঁৰ সৌন্দৰ্য্যই যাতে সেই প্ৰতিযোগিতাত স্বীকৃতি পায় তাৰ কাৰণে চেষ্টা কৰিম। সেই কাৰণে মই খৰখেদি উঠি গৈ বিচাৰকৰ আসনত বহিলোগৈ। ইতিমধ্যে আন দুজন বিচাৰকও আহি উপস্থিত হ'ল।

ডেকাহঁতে মোৰ পৰা যিখিনি পাব লগীয়া আছিল তাক সকলো আদায় কৰিলে বুলি ভাবি মোক অনাদৰ কৰিবলৈ ধৰিলে আৰু যি কোনো উপায়ে তেওঁলোকৰ স্বাৰ্থসিদ্ধিৰ কাৰণে সকলো সুযোগ গ্ৰহণ কৰিবলৈ চেষ্টা কৰিলে। সম্ভৱ সেই কাৰণেই তেওঁলোকে কামৰূপৰ উপায়ুক্ত বিতী-বেসোৱা মুৰুলী আৰু অসম চৰকাৰৰ উচ্চ বিষয়া তোষুক বোলা গুপ্তাক বিচাৰক পাতিলে। মই কিন্তু তেওঁলোকক উপদেশ দিছিলো যে সুৰকাৰ ভূপেন হাজৰিকা আৰু চিত্ৰশিল্পী পুলক গগৈক হে সৌন্দৰ্য্যৰ বিচাৰক হিচাপে মোৰ লগত দিবলৈ। কিন্তু ডেকাহঁতে তেওঁলোকৰ নামেই নুশুনিলে কাৰণ তেওঁলোক অসমীয়া, তেওঁলোকৰ চৰকাৰী ক্ষমতা নাই আৰু তেওঁলোকৰ সাজ-পোছাক চলন ফিৰণও সম্পূৰ্ণ ভাৰতীয়। অকল সেয়ে নহয়, আগেয়ে মইহে মুখ্য বিচাৰক হোৱাৰ কথা আছিল, কিন্তু হঠাৎ বুৰকে ঘাসে ঘোষণা কৰিলে যে উপায়ুক্ত মুৰুলীহে মুখ্য বিচাৰক হ'ব। তাৰ কথা শুনি মোৰ খং উঠিল যদিও মই বৰ বেয়া নাপালো কাৰণ মুৰুলী মোৰ ভাল বন্ধু।

বিতী-বেসোৱা মুৰুলী খাচিয়াৰ লোক। আমি দুয়ো শিলঙৰ বামজাচ কলেজৰ ছাত্ৰ। তেওঁও গণিতৰ ছাত্ৰ আছিল। মুৰুলীয়ে আমাতকৈ এবছৰ আগত পঢ়িছিল যদিও আমি একেটা হোষ্টেলতে আছিলো আৰু বহুত বছৰ সময় একেলগে কটাইছিলো। কেতিয়াবা কিবা অংক আমি বুজি নাপালে তেওঁ মোৰ আমাকেই সহায় কৰিব

আহিছিল। তদুপৰি আমি দুয়ো ৰাজনীতি, দৰ্শন, সাহিত্য আদি নানা বিষয়ে প্ৰায়ে আলোচনা আৰু তৰ্কাতৰ্কি কৰিছিলোঁ। আমাৰ বন্ধুত্ব ইমানেই গাঢ় আছিল যে গৰম দিনত ৰাতি বাহিৰত ছাতৰ ওপৰত শোওঁতে আমি দুয়ো ওচৰা-ওচৰিকৈ বিছনা কৰিছিলোঁ। মুৰুলীয়ে আই-এ-এছ দিয়াৰ আগতে মই তেওঁক মানাই কৰিছিলোঁ যে তেওঁৰ নিচিনা পঢ়া-শুনাত চোকা আৰু সাধুলোকে জেনে চৰকাৰী কামলৈ নগৈ শিক্ষা বিভাগতহে থাকিব লাগে। কিন্তু মুৰুলীৰ ঘৰুৱা অৱস্থা বৰ ভাল নাছিল আৰু তেওঁৰ বহুত দায়িত্ব থকা কাৰণে তেওঁ শিক্ষকৰ দৰমহাৰে জীৱন কটাব নোৱাৰিব বুলি তেওঁ আই-এ-এছৰ কাৰণেই উঠি পৰি লাগিল। যাহওক মুৰুলী আৰু মোৰ বন্ধুত্ব সদায়ে ভাল। গুৱাহাটীলৈ অহাৰ পিছতো মই তেওঁক কেবাবাৰও লগ ধৰিছোঁ।

আনজন বিচাৰক তোষুক বোলা গুপ্তাক মই আগেয়ে লগ পোৱা নাছিলোঁ। তেওঁ এজন উদ্ধত বিষয়া বুলিহে মই মানুহৰ মুখত শুনিছিলোঁ। বিশেষ কিছুমান কাৰণত অসমীয়া ল'ৰাই আই-এ-এছ আদি কেন্দ্ৰীয় চাকৰিত ভালদৰে প্ৰতিযোগিতা কৰিব পৰা নাই। কিন্তু অসমৰ বাহিৰৰ পৰা অহা বহু আই-এ-এছ বিষয়াক দেখিলে এইটো স্পষ্ট হয় যে তেনেকুৱা বিষয়া হ'ব পৰা অসমীয়া ডেকা বহুত আছে। কেৱল কেন্দ্ৰীয় পৰীক্ষাটোৱেই তেওঁলোকৰ একমাত্ৰ হেঙাৰ। তাতে অসম চৰকাৰে অসমীয়া এ-চি-এছ বিষয়াসকলক পদোন্নীত কৰাতকৈ বাহিৰৰ পৰা আই-এ-এছ বিষয়াক আনিবলৈহে বেছি ভাল পায় যেন লাগে। সেয়েহে অসমৰ প্ৰশাসনৰ উচ্চ বিষয়াসকল সাধাৰণতে অনা-অসমীয়া। ই অতি দুখ লগা কথা যে স্বাধীনতাৰ পিছত অসমৰ মুখ্য সচিবৰ পদত কেৱল এজন অসমীয়াহে নিযুক্ত হৈছিল। বিশেষকৈ অসমীয়া লোকক এৰি তোষুকবোলা গুপ্তাৰ নিচিনা লোকক অসমৰ প্ৰশাসনৰ দায়িত্ব-পূৰ্ণ বিষয়া কৰি আনিব লগীয়া হোৱাটো অতি দুৰ্ভাগ্যৰ কথা।

মুৰুলী আৰু গুপ্তা প্ৰায় একে সময়তে অনুষ্ঠানলৈ আহিলে। মোক দেখিয়েই মুৰুলীয়ে চিঞৰি আগ বাঢ়ি আহি সাৱটি ক'লে, 'মই এতিয়া আহোঁতে ঠিক ভাবি আহিছিলোঁ যে তোক নিশ্চয় আজি ইয়াত লগ পাম।' তাৰ পিছত তেওঁ মোক গুপ্তাৰ লগত চিনাকি কৰি দি ক'লে,

"এইয়া মোৰ বন্ধু ডক্টৰ দিলীপ দত্ত—দেখিছাহে বিভি-খাজাং কিন্তু সাংঘাতিক মানুহ। আমি দুয়ো বিলাতত একেলগে দুখ কষ্ট কৰিছিলোঁ।

গুপ্তাই মোৰ লগত হাত মিলাই এনে মন্তব্য কৰিলে যেন তেওঁ ক'বলৈ বিচাৰিছিল,

"তুমি মোৰ মনত ইমান নধৰা যে মই তোমাৰ নামটোকে ল'বলৈ টান পাইছোঁ। জালুকবাৰীত যে কিবা পঢ়াশালি এখন আছে তুমি তাতে মাষ্টৰ নেকি?"

মই গুপ্তাৰ কথাৰ উত্তৰ দিয়াৰ আগতেই মুৰুলীয়ে ক'লে,

"তুমি মানুহ একেবাৰে চিনি নোপোৱা, এওঁ আমেৰিকাৰ বিশ্ববিদ্যালয়ৰ প্ৰফেচাৰ আৰু এওঁৰ নাম আছে।"

মুকুলীৰ কথা শুনি গুপ্তাই মোক জনালে,
"এ' হয় নেকি? আমেৰিকাৰ কোন ঠাইত? তুমি যেতিয়া কুটীন নামাৰিবা, মোৰও তাই এজন বন্টনত থাকে আৰু তেওঁৰ বহুত টকা আছে।"
আমাৰ কথা কাটি তেওঁলোকা মুকুলীয়ে মোক ক'লে,
"নাৰীৰ সৌন্দৰ্য কিহত মই নাজানো। নাৰীৰ দেহত সৌন্দৰ্য্যৰ পম খেদিবলৈ মোৰ ভালেই লাগে। সেইকাৰণে আজি তই মোক সহায় কৰিব লাগিব"
মই মুকুলীক কিবা এটা ক'বলৈ ওলাওঁতেই গুপ্তাই মাজতে মাত দিলে,
"মোৰ পত্নী ধনীয়া নহয় যদিও মই ডেকা কালত ছোৱালীৰ পিছে পিছে ঘূৰি বহুত সময় নষ্ট কৰিছো। সেই কাৰণে ছোৱালীৰ পিনে চাবলৈ মোৰ লাজ নাই। মই আপোনাক সহায় কৰিম।"
গুপ্তাৰ কথাত অতিষ্ঠ হৈ মুকুলীয়ে ঠাট্টাৰ সুৰত গুপ্তাক ক'লে,
"তোৰ মুখটো জানৰেৰে পৰিপূৰ্ণ। তোৰ কোপজহ মৰা ক বিলাক নিতৌ শুনি শুনি মোৰ কাণ বেগা হৈ গৈছে। দিলীপৰ লগত মোৰ আন্তৰিক সম্বন্ধ। সেইকাৰণে তই অলপ মনে মনে থাক আৰু আমাৰ দুটাক অলপ শান্তিত কথা-বতৰা হ'বলৈ দে।"
মই মুকুলীৰ কাণে কাণে ক'লো যে গুপ্তাই নিশ্চয় যৌতুকত টকা লৈ বিয়া কৰোৱা মানুহ আৰু তাৰ ঘৈণীয়েক দেখাই শুনাই বৰ ভাল নহয়। মোৰ কথা শুনি মুকুলীয়ে ডাঙৰকৈ চিঞৰি হাঁহিলে আৰু গুপ্তাক ঠাট্টা কৰি ক'লে,
"গুপ্তা, চা তই এবাৰ মুখ মেলোঁতেই দিলীপে তোৰ কথা সকলো জানিলে। গুপ্তাৰ ঘৈণীয়েকে এদিন মোক কি কৈছিলে জান—যোৱে তেৰ লাখ টকা লৈ মোক বিয়া কৰাইছে বোলোৱা মই ইয়াক শুনাই লৈছো। তই সেইকাৰণে মনে মনে থাক, নহ'লে তোৰ কথা সকলো গম পাব।"
যাহওক, সেই পাট শেষে গুপ্তাৰ মুখ কিছু বেছিৰ কাৰণে বন্ধ কৰাত মুকুলী আৰু মই অলপ আমাৰ কলেজীয়া দিনৰ কথা পাতিবলৈ সমৰ্থ হ'লো। আমি কথা পাতি থাকোঁতেই অনুষ্ঠানৰ কাৰ্য্যাৱলী আৰম্ভ হ'ল।

প্ৰথমে বৰুৱাক পাসে আদৰণি বক্তব্য দিলে। বৰুৱাকে কম সময়তে লগাই নানা ধৰণৰ কথা ক'লে। সি ইয়ান জনালে যে দৰ্শকে আৰ্তাৰে জাতাৰে কৰতালি দিলে। তাৰ প্ৰত্যেকটো কথাই মোৰ কাণত ঠহৰ ঠহৰকৈ লাগিল, কিয়নো তাৰ প্ৰত্যেকটো কথাই আছিল মোৰ পৰা শুনা। সি সীতাৰ সৌন্দৰ্য্যৰ কথা ক'লে, হেলেন অৱ ট্ৰয়ৰ কথা ক'লে, গ্ৰীক দেৱী ভেনাচৰ কথা ক'লে অথচ সি সীতা বাৰৰ মাক নে ঘৈণীয়েক তাকে নাজানে। সি গ্ৰীচ ভাৰতৰ উত্তৰে নে দক্ষিণে হয়তো তাকও নাজানে—সি উত্তৰ কোন পিনে, দক্ষিণ কোন পিনে তাকও যে জানে সন্দেহ। পৃথিৱীখন সি চেপেটা বুলিয়েই ভাবে। আন মানুহে মই এদিন তাক কিবা এটা কথাত কৈছিলো যে চিত্ৰ-তাৰকা মেৰিলিন মনৰোক বহুতে যৌন-আবেদনৰ প্ৰতীক

বুলি ভাবিলেও তেওঁৰ এনে এক সৌন্দৰ্য্য আছিল যে বংগালী পৰ্দাতও নাৰ্গিসৰ প্ৰতিছবিৰ পৰা বিশেষ এক আভা প্ৰজ্জ্বলিত হৈছিল। ৰবুকে আনকি তাকও নিজৰ কথা বুলি ব্যক্ত কৰিলে। মই তেতিয়াহে বুজিলোঁ ৰবুক দাসে কিয় মই ঘৰলৈ উভতি যোৱাটো বিচাৰিছিল। যাহওক, অতি কম সময়ৰ ভিতৰতে ৰবুক দাস সাংঘাতিক ডেকা বুলি সেই সুধী মণ্ডলীত সমাদৃত হ'ল। মোৰ বেয়া লাগিল এই ভাবিয়েই যে মই জনা বৰ্ণিকিৎ কথাৰ সত্তীয়া প্ৰদৰ্শনী কৰিয়েই পাবত-গজা পণ্ডিত ৰবুক দাসে খ্যাতি অৰ্জ্জন কৰিলে আৰু মণ্ডত তাৰকা হিচাপে স্বীকৃতি লাভ কৰিলে, কিন্তু মই নেপথ্যত কোনোবা অনাৱশ্যকীয় উপসৰ্গৰ দৰে থাকিব লগীয়া হ'ল।

আমাৰ সমাজত অৱশ্যে এনেকুৱা প্ৰায়ে হয়। ভুৱা প্ৰদৰ্শনীত আমাৰ মানুহ সোনকালেই ইমান ভোল যায় যে আমাৰ সমাজে সৃষ্টি, গুণ আৰু প্ৰকৃত ব্যক্তিত্বৰ বিচাৰ কৰিবলৈ সম্পূৰ্ণ অক্ষম। গুণীৰ মোল আমাৰ সমাজে নুবুজে। জোনৰ ধাৰ কৰা স্নিগ্ধ কিৰণত আমাৰ লোকে সূৰ্য্যৰ প্ৰখৰ ৰশ্মিৰ সন্ধান বিচাৰিব নাজানে।

অকল সেয়ে নহয়। ৰবুক দাসৰ পিছত মঞ্চলৈ উঠিল হনুমন্ত ৰায় আৰু তেওঁও মোৰ পৰা শুনা কথাকেই কৈ বাঃ বাঃ লভিলে। বিচাৰকসকলক উদ্দেশ্যি তেওঁ ক'লে যে মিছ গোহাটীৰ দেহৰ সৌন্দৰ্য্য প্ৰাচীন কালৰ মিছ ইণ্ডিয়া সীতাৰ দেহৰ দৰে হোৱা উচিত—তেওঁৰ ভৰি ভীমকল গছৰ দৰে হুষ্ট পুষ্ট ও মিহি, পয়োধৰ কেইটি তালৰ দৰে পুৰঠ ইত দি, ইত্যাদি। তেওঁ আৰু ক'লে, বিচাৰকসকলে কেৱল দেহৰ সৌন্দৰ্য্য চালেই নহ'ব—শঙ্কৰদেৱৰ মোহিনীৰ দৰে মিছ গোহাটীয়ে সেই সৌন্দৰ্য্যক ধুনীয়াকৈ প্ৰদৰ্শনও কৰিব পাৰিব লাগিব। মোক আৰু আমাক মই কোৱা কথাবিলাক তেনেদৰে বুজি নোপোৱাকৈ বুজাই দি হনুমন্তই প্ৰতিযোগীসকলে কেনেদৰে এগৰাকী এজনীকৈ ওলাই আহি নিজৰ পৰিচয় দি দুআষাৰ ক'ব তাক তেওঁ বৰ্ণনা কৰিলে। সকলোবিলাক প্ৰতিযোগীয়ে নিজৰ ভাও কৰি অ'তোৱাৰ পিছত সকলো প্ৰতিযোগী মঞ্চত একেলগে থিয় হ'ব আৰু তেওঁলোক থিয় হৈ থাকোঁতেই কোনোবা এজন কলেজীয়া ডেকাই গীটাৰ বজাই বজাই এটা ইংৰাজী গীত গাব। সেই গীত শেষ হোৱাৰ পিছত বিচাৰকসকল মঞ্চলৈ আহি প্ৰত্যেক প্ৰতিযোগীক ওচৰৰ পৰা ভালকৈ পৰীক্ষা কৰি কোন মিছ গোহাটী হ'ব তেওঁক বাচি উলিয়াব।

অদ্ভুত কাণ্ড

হনুমন্ত ৰায়ৰ কৰ্ম-ক্ষমতা দেখি ৰাইজ মুগ্ধ হ'ল আৰু জাউৰিয়ে জাউৰিয়ে হাত চাপৰি মাৰি তেওঁৰ শলাগ ল'লে। এইটো স্পষ্ট হ'ল যে সুদক্ষ নেতা হনুমন্ত ৰায়ৰ তত্বাৱধানত সকলো নিয়াৰিকৈ আয়োজন কৰা হৈছে আৰু তেওঁ বিচাৰক-সকলকে আদি কৰি সকলোকে যথাবিহিত দিহা পৰামৰ্শ দিছে যেতিয়া সেইদিনাখনৰ অনুষ্ঠান কৃতকাৰ্য্য যে হ'ব তাত সন্দেহ নাই। তেওঁৰ কথাৰ পৰা তাকে বুজিব পাৰি সমবেত ৰাইজে পুনাই হাত চাপৰি মাৰিলে—সেই কৰধ্বনিত পুথি ভঁৰালৰ বেৰবিলাকেও কেৰ কেৰ কৰিবলৈ ধৰিলে। হনুমন্ত ৰায়ে সন্তুষ্ট হৈ হাতেৰে বৰ্ণাক মঞ্চলৈ আহিবলৈ নিৰ্দ্দেশ দিলে আৰু সৌন্দৰ্য্য প্ৰদৰ্শনী আৰম্ভ হ'ল,

বৰ্ণাই ঢেউ ধৰি ওলাই আহি মাইক্ৰ'ফোনটোত ক'লে,

“গুড ইভিনিং লেডিজ এণ্ড জেণ্টলমেন। মাই নেম ইজ বৰ্ণা চৌধুৰী। বিলিভ ইট্ অৰ নট আই এম এ ষ্টুডেণ্ট এট কটন কলেজ। দি ড্ৰেচ আই এম্ ৱেৰিং ৱাজ মেড বাই আইলিনছ ফেছনছ অৱ এমেৰিকা। আই লাইক পঅপ ছঙছ এণ্ড আই লাইক টু ট্ৰেভেল। মাই এম্বিচন ইন্ লাইফ ইজ টু বিকাম এ ফেছন মডেল।”

[মনত ভাৱ ঃ যিসকলে ইংৰাজী বুজি নাপায় ইয়াৰ পৰা গুচি যোৱাই ভাল। মোৰ নাম বৰ্ণা চৌধুৰী আৰু মই পশ্চিমীয়া ধৰণৰ। ই মোৰ দুৰ্ভাগ্য যে মই অসমীয়া হৈ জন্ম লৈ কটন কলেজত পঢ়িব লগীয়া হৈছে। মই বেশী বস্তু ভাল নাপাওঁ। আমেৰিকাৰ বস্তুৱেহে মোৰ পৰাণ জুৰাব পাৰে। মই নিজকে খুব ধুনীয়া বুলি ভাবোঁ।]

এই বুলি কৈ বৰ্ণাই ওপৰলৈ হাত দুখন দাঙি, দাঁত কেইটা দেখাকৈ মুখখন অলপ মেলি কিছু দেৰি ইফালে সিফালে মুৰ ঘূৰাই থিয় হৈ থাকিল আৰু দৰ্শকমণ্ডলীৰ পৰা জাউৰিয়ে জাউৰিয়ে হাত চাপৰি পৰিবলৈ ধৰিলে। বৰ্ণাৰ সৌন্দৰ্য্যই যেন সকলোৰে অন্তৰ জয় কৰিলে। কিন্তু সেই সৌন্দৰ্য্যপ্ৰয়াসী দৰ্শকসকলে এগৰাকী নাৰীমূৰ্ত্তিৰ দৰ্শনৰ দ্বাৰাই সন্তুষ্ট হোৱা বিধৰ নাছিল। তেওঁলোকে জানিছিল যে সেয়া সৌন্দৰ্য্যৰ প্ৰদৰ্শনী যেতিয়া সেই সন্ধিয়া সৌন্দৰ্য্যৰ মেলা হ'ব। পাছতে বৰ্ণাই মাইক্ৰ'ফোনৰ ওচৰৰ পৰা আঁতৰিব নুখুজা দেখি বহুতে 'নেক্স, নেক্স' [মনত ভাৱ ঃ আৰু কোনো ৰূপ দেখুৱাব বিচাৰে ওলাবলৈ দিয়া] বুলি চিঞৰিবলৈ ধৰিলে। বৰ্ণাই কিন্তু মঞ্চ এৰিবলৈ নিবিচাৰিলে।

ইফালে আন এগৰাকী প্ৰতিযোগী ইমান দেৰি বৈ বৈ অধৈৰ্য্য হৈ পৰিল—তেওঁ ৰাইজৰ আহ্বান শুনি আৰু ৰ'ব নোৱাৰা হ'ল আৰু বৰ্ণা আঁতৰি যোৱাৰ আগেয়ে মঞ্চত সোমালে। তেওঁ পাজামা চোলাৰ কামিজ পিন্ধি আহিছিল আৰু বহু এখন

পাতল যোপাট্টাৰে ঢাকিছিল—মঞ্চত উঠিয়েই তেওঁ যোপাট্টাখন অন্যমনস্ক ভাবে পৰিবলৈ দিলে। তেওঁ দোপাট্টাখন তুলি হাতত ল'লে আৰু লগে লগে লগে সকলোৰে দৃষ্টি তেওঁৰ বুকুলৈ গ'ল। তেওঁ খোজ কাঢ়োঁতে তেওঁৰ বুকুৰ ভৰত মঞ্চত কেঁট কেঁট শব্দ হ'বলৈ ধৰিলে। দৰ্শকৰ মাজতও উস, আস, উঁ, আঁ, শব্দ হ'ল। তেওঁৰ স্তন যুগলৰ আয়তন দেখিয়েই দৰ্শক মণ্ডলীৰ মাজত এনে হা-হুমুনিয়াহৰ সৃষ্টি হৈছে বুলি জানিব পাৰি তেওঁ লাজ কৰা যেন দেখুৱালে। মাইক্ৰ'ফোনৰ ওচৰত থিয় হৈ থকা বৰ্ণাক এক ঠেলা মাৰি তেওঁ 'মোৰ নাম সুজাতা কোঁৱৰ' বুলি একাষত এনেদৰে থিয় হ'ল যাতে সকলোৱেই তেওঁৰ দেহৰ ওফোন্দা সৌন্দৰ্য ভালদৰে বুজি পায়। হয়তো সুজাতাই ভাবিছিল যে নাৰীৰ সৌন্দৰ্য্য দেহৰ এক বিশেষ অংশৰ আয়তনতে নিৰ্ভৰ কৰে।

মানুহে তেওঁৰ বিশ্বাসত পতিয়ন গ'ল নে নাই ক'ব নোৱাৰোঁ কিন্তু অতি সোনকালেই এটা উৰাবাতৰি ওলাল যে সুজাতাৰ এটা স্তন হেনো ভুৱা, সেইটো আচল তেজ মঙহৰ নহয়। মুৰুলীয়ে কথাটো শুনিয়েই হতাশেৰে ক'লে,

"হায় ভগৱান আমি এতিয়া কি কৰোঁ?"

গুপ্তাই কিন্তু গহীনাই মন্তব্য দিলে,

"মোৰতো দেখাত আচল যেনেই লাগিছে আৰু তেওঁক মই খুব ধুনীয়া দেখিছোঁ।"

হনুমন্ত আৰু বুৰুকেও অতি ব্যস্ততাৰে দৌৰি আহি আমাক ক'লে,

"ইউ গট টু ডিচকুৱালিফাই হাৰ। শি হেজ এ ফল্‌ছ ব্ৰেস্ট।"

[অৰ্থ : এওঁক আপোনালোকে বাদ দিয়ক, কাৰণ এওঁৰ এটা স্তন ভুৱা]

তেওঁলোকৰ কথা শুনি মুৰুলীয়ে বিচাৰকৰ উচিত বিবেচনাৰে ক'লে,

"তোমালোকে জানো কথাটো শ'চাকৈয়ে জানা?"

"বাট, দেয়াৰ ইজ এ ৰিউমাৰ হাৰ," বুৰুকে ঘপৰাই উত্তৰ দিলে।

[অৰ্থ : তেনে বুলি এটা গুজৱ আছে]

তাকে শুনি মুৰুলীয়ে ৰায় দিলে,

"এটা গুজৱৰ কাৰণেই আমি তেওঁক বাদ দিয়া উচিত নহ'ব।"

তেতিয়া "বাট, এভ্ৰিবডি ন'জ ইট, হাৰ" [অৰ্থ : কিন্তু এইটো সকলোৱে জানে] বুলি বুৰুকে কোৱা কথাষাৰ শুনি মুৰুলীৰ একপ্ৰকাৰ খং উঠি গ'ল। বুৰুকৰ কথাৰ পাক বুজি পাই মুৰুলীয়ে ধমকি দি ক'লে,

"তুমি কাক ফাকি দিব খুজিছা। সকলোৱে গুজবটোহে জানে—আচল কথাটো কোনেও নাজানে।"

বুৰুকে দাসে লেমেনামেলি কৰিলে কিন্তু মুৰুলীয়ে তেনেবাকে কথাটো সঁচা নে মিছা নিৰ্দ্ধাৰণ কৰা দৰকাৰ হ'ব বুলি [illegible] গুৰুত্বৰে যোগাযোগ কৰিলে যে তেওঁ কথাটো নিষ্পত্তি কৰিব পাৰিব। গুপ্তাই বুৰুকক বুজাই দিলে যে তেওঁ

কেনেবাকৈ বুলিব খুজিব হুই পেলাই গম পাই উক্ত কথাটো সঁচা নে মিছা। মুন্নুকেও ভাল কাম এটা পালো বুলি অতি উৎসাহেৰে মন দি লাগি গ'ল।

মুন্নুলীয়ে সমস্যা এটা সমাধান কৰা বুলি অলপ সকাহ পোৱা যেন দেখুৱাত মই ক'লো যে তেওঁ নতুন সমস্যাবহে সৃষ্টি কৰিবলৈ, কাৰণ কেনেকুৱা নকল নির্বাচন কৰিবলৈ মুন্নুক দাসৰ কোনো জ্ঞান নাই আৰু যদি কোনোবাই কয়, অমুকৰ চেলাউৰি ভুৱা, অমুকৰ চুলিখিনি ভুৱা, অমুকৰ দাঁত কেইটা বা নখবিলাক ভুৱা তেনেহ'লে সেইখোন আমি কাৰ কোনটো অঙ্গ ভুৱা বা প্ৰকৃত তাক পৰীক্ষা কৰোঁতেই গোটেই সময় যাব। মই আৰু ক'লো যে প্ৰত্যেকজনী ছোৱালীয়েই সেইখোন বহু বিধৰ কিবাকিবি সানি মুখৰ বৰণটো ভুৱা কৰিছে, আমি যেতিয়া ভুৱা বৰণ গ্ৰহণ কৰিব পাৰিছোঁ তেনেহ'লে ভুৱা দাঁত বা ভুৱা চুল গ্ৰহণ কৰাত কিয় আপত্তি।

মোৰ কথা শুনি মুন্নুলী বিপাঙত পৰিল। তথাপি সমস্যা সিমান জটিল নহ'ব বুলি মুন্নুলীয়ে আশা কৰিলে। তেওঁ ভাবিলে যে সুন্দৰতাৰ কাৰণে এটাও ভুৱা নহয় বুলি যদি মুন্নুকে সমিধান দি আছে তেনেহ'লে হয়তো সমস্যাৰ ওৰ পৰিব।

মুন্নুক দাস আহিল—কিবা এটা সমিধান দি নহয়, গালত আচুঁৰৰ দাগ আৰু হাতত কামোৰৰ দাগ দি হে। তাৰ গাৰৰ পৰা দুই এটোপ তেজ অতি লাহে লাহে ওলাবলৈ আৰম্ভ কৰিছিল। মুন্নুলীয়ে সেইবিলাকৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি মুন্নুকক সুধিলে,

"কিবা ভাল পালা নে নাই?"

মুন্নুকে কিন্তু ভঙা ভঙা মাতেৰে উত্তৰ দিলে,

"ইয়েছ মাম, চি ইজ ভেৰী ভেৰীবাছ। বাঁহ ইট ইজ ভেৰী পেইনফুল। মাই চিক ইজ পেইনিং ছিৰিং ছিৰিং।"

[কথাৰ অৰ্থ: হয় মাম তাই বৰ সাংঘাতিক আৰু আক্ৰোশ পূৰ্ণ বিধ বুলি মই গম পালোঁ। মোৰ গালখন একেবাৰে জেকজেকাই থকিছে। মোৰ বাবা নহ'ব আপুনি আন কোনোবাক কওক।]

মই মুন্নুকে মাৰৰ চেকচেকনি অলপ কমাবৰ অভিপ্ৰায়েৰে সুধিলো,

"মুন্নুক, ভাল মতে উঠোঁতে যে মৰলে কামুৰিছিল তাতোতকৈও বেছি বিষ লাগে নেকি? সেই মতে কামোৰ খোৱাৰ পিছত তুমি আকৌ সুধিব লাগিছিল যে কেনেকুৱা বস্তু হাতেৰে মুখেৰে কেটা নকৰাই ভাল।"

মুন্নুকৰ অভিজ্ঞতা শুনি [illegible] এই চেকটো নকৰাটোহে মোৰ মনলৈ এই ভাব আহিল যে মাক সেই কাৰণেই [illegible] কৰাত নীতিৰ [illegible] তুলনা কৰিছিল নেকি। মই এই প্ৰশ্নৰ উত্তৰ বিচাৰি [illegible] হৈ থকা সময়ত মুন্নুলী, মুন্নুক আৰু [illegible] কৰি ঠিক কৰিলে যে এনে [illegible] কিবা এটা

মীমাংসা কৰা ভাল হ'ব। মইও আপত্তি নকৰিলোঁ কাৰণ প্ৰদৰ্শনীৰ কাম একপ্ৰকাৰ স্থগিত হৈ পৰাৰ বাবে বাইজ, আৰু বোছকৈ ছোঁ ঘৰৰ ছোৱালীবিলাক অধৈৰ্য্য হ'বলৈ আৰম্ভ কৰিছিল।

গাইন'ক'লজিষ্ট অৰ্থাৎ মহিলাৰ শাৰীৰিক বিজ্ঞানৰ বিশেষজ্ঞ ডাক্তৰ পোগিনী গোস্বামী তাতেই দৰ্শকৰ মাজত আছিল যেতিয়া তেওঁকেই মাতি অনা হ'ল। ডাঃ গোস্বামীক সমস্যাটো বুজাই ভুৱা নে আচল কেনেকৈ সমিধান ল'ব পাৰি সুধিলত ডাক্তৰ গোস্বামীয়ে ক'লে,

> "নাৰীৰ সকলোবেই ভুৱা। কেৱল দেহটোৱেই ভুৱা নহয় নাৰীৰ মনবিলাকও ভুৱা। অকল সেয়ে নহয় গোটেই নাৰী জাতিটোৱেই ভুৱা। নাৰীৰ অঙ্গ-প্ৰত্যঙ্গ, অসুখ-বিসুখৰ কথা জানিলে মানুহে কেতিয়াও নাৰীৰ সৌন্দৰ্য্যলৈ নাচাই পৰ্বত-পাহাৰ নদ-নদী আদিৰ প্ৰাকৃতিক সৌন্দৰ্য্যতে সন্তুষ্ট হ'ব..."

ডাক্তৰ গোস্বামীৰ কথা অলপ শুনিয়েই মুৰুলীয়ে মোক কাণে কাণে ক'লে যে তেওঁ দেখোন ডাক্তৰ নহয়, দাৰ্শনিকহে আৰু কিবা বিলাকহে বলকিছে গতিকে তেওঁৰ দ্বাৰা কামটো হোৱা টান।

মই মুৰুলীক আশ্বাস দিলোঁ যে ডাঃ গোস্বামী দাৰ্শনিক নহয়, ক'ৰবাত কোনোবা তেওঁৰ অলপ নট এটা ঢিলা, কিন্তু ডাক্তৰ হিচাপে তেওঁ বেয়া নহয়, তেওঁ হয়তো মুৰুলীক কিবা এটা সমিধান দিব পাৰিব। ডাঃ গোস্বামীৰ কেনেকৈ নট ঢিলা হ'ল সেই বিষয়ে জানিবলৈ মুৰুলী খুব ইচ্ছুক হোৱা কাৰণে আৰু মই যি জানো ক'বলৈ খুবকৈ খাটিলত মই ফুচফুচাই যি জানো ক'লোঁ।

ডাক্তৰ পোগিনী গোস্বামীৰ ডেকা কালৰে পৰা নাৰীৰ দেহৰ প্ৰতি বিশেষ কৌতুহল। এজনী ছোৱালীক এজন ব্যক্তি বুলি ভাবিবলৈ নোপাওঁতেই ছোৱালীজনীৰ দেহটোৱেহে তেওঁৰ মন আৰু শৰীৰক আলোড়িত কৰিছিল। কলেজত লগৰীয়া বন্ধুৰ লগত ছোৱালীৰ কথা পাতিলে গোস্বামীয়ে ছোৱালীৰ গুণ, আচাৰ-ব্যৱহাৰ, কোমলতা আদিতকৈ কাৰ কলাফুল ডাঙৰ, কাৰ ক'কাল খামুচীয়া আদি কথাতহে বেছি ৰস পাইছিল। ছোৱালী এজনীৰও যে বুকুভৰা প্ৰাণৰ কথা, কামনা বাসনা, ভাব অনুভূতি আদি থাকিব পাৰে তাক গোস্বামীয়ে কেতিয়াও বুজিবলৈ চেষ্টা নকৰিলে।

ডাক্তৰি পঢ়িবলৈ লৈ তেওঁ নাৰীৰ দেহৰ প্ৰতি থকা তেওঁৰ কৌতুহলৰ কাৰণেই গাইন'ক'লজিষ্ট হ'ল। কাৰণ ছাত্ৰ জীৱনত সকলো ছোৱালীয়েই তেওঁৰ পৰা আঁতৰি থাকিছিল। নাৰী জাতিৰ প্ৰতি সেয়েহে তেওঁৰ ৰোষ। গাইন'ক'লজিষ্ট অৰ্থাৎ গোপিনী-দেৱক হৈ তেওঁৰ কৌতুহল আৰু নাৰীৰ প্ৰতি থকা ৰোষ নাইকিয়া হ'ল, লগতে তেওঁৰ মনৰ পৰাও কিবা এটা নাইকিয়া হ'ল। সেই কাৰণেই হয়তো সকলোৱে তেওঁৰ নট ঢিলা হোৱা বুলি কয়। আমাৰ সমাজত মানুহৰ মানসিক

হেঁচাত পৰি মনটোত কিবা অলপ বিজুতি হ'লেই নট ঢিলা হোৱা বুলি হাঁহে। কিন্তু কোনেও কি কাৰণে কি মানসিক হেঁচাত এজন ব্যক্তিৰ মনত বিজুতি ঘটে তাক বুজিবলৈ বা তাৰ প্ৰতিকাৰ কৰিবলৈ কেতিয়াও চেষ্টা নকৰে।

যোৱানীৰ পৰা আৰম্ভ কৰি চাকিকুৰি বছৰীয়া বুঢ়া মহিলালৈকে সকলো ধৰণৰ মাইকী মানুহ ডাক্তৰ গোস্বামীৰ ওচৰলৈ আহিবলৈ ধৰিলে। সকলো নাৰীয়েই তেওঁৰ কাষ চাপিবলৈ হাবাথুৰি খায়, তেওঁক বিচাৰি মহর তেওঁৰ দ্বাৰা ৰোগ ব্যাধি চিকিৎসা কৰাবলৈ। সেই কাৰণে নাৰীতকৈও তেওঁ নাৰীৰ দেহৰ বিজুতীবিলাকহে বেছি ভালদৰে জনা হ'ল। তেওঁৰ কাৰণে তেওঁৰ সেই কৌতুহলৰ নাৰীৰ দেহটো ভঙা মটৰ বা চাইকেলৰ দৰেই হৈ পৰিল। তাৰ পাৰ্টচবিলাক তেওঁ ভালদৰে জানে আৰু কেতিয়া কি বেয়া হ'লে কেনেকৈ মেৰামতি বা কেনেকৈ কি ভাল কৰিব লাগে তাক তেওঁ ভালদৰে জানে। আনকি লগৰ বন্ধু-বান্ধৱেও তেওঁক 'নাৰী-মেকানিক' বুলি জোকায়। কোনেও তেওঁৰ সমস্যাবিলাক বুজিবলৈ চেষ্টা নকৰে। বহুত টকা-পইচা কৰা বুলি আৰু বহুত নাৰীৰ সান্নিধ্য পোৱা বুলি বহুতো লগৰীয়াই তেওঁক হিংসাহে কৰে, কাৰণ বহুত পুৰুষৰ ধাৰণা যে যি পুৰুষৰ বহুত নাৰীৰ লগত পৰিচয়, সংস্পৰ্শ বা সান্নিধ্য তেওঁ সঁচাকৈয়ে ধন্য।

ডাক্তৰ গোস্বামীয়ে বিয়াবাৰু কৰোৱা নাই, কাৰণ তেওঁক কোনেও ভাল ছোৱালী চাবলৈ নামাতে—ছোৱালীৰ কিবা বেয়া হ'লে বা বিজুতি ঘটিলেহে তেওঁক মাতে। সেই সৌন্দৰ্য্য প্ৰতিযোগিতাৰ দৰ্শক-সমাজত বুঢ়ি থকা গোস্বামীক কোনেও মনেই কৰা নাছিল। কিন্তু এগৰাকীৰ স্তনৰ গণ্ডগোল থকা বুলি ভয় কাৰণেহে ডাঃ গোস্বামীক সকলোৱে বিচাৰিলে। ডাক্তৰ গোস্বামীয়ে দুখপো মুচুকিয়াই ক'লে,

"নাৰীৰ দেহৰ প্ৰত্যেকটো অঙ্গ-প্ৰত্যঙ্গৰে একো একোটা কাম আছে ঃ কেতিয়াবা কিবা কাৰণত দুই এটা বেয়া হয় বা কাম নকৰা হয়। সেইবিলাক মেৰামতি কৰিব পৰা যায় বা সলনি কৰি পেলাব পৰা যায়। যেতিয়ালৈকে দেহটোৰ প্ৰধান কাৰ্য্য সমাপন হৈ থাকে আমি চিন্তা কৰিব লগীয়া একো নাই। ভুৱা আৰু আচলৰ মাজত কোনো পাৰ্থক্য নাই। আমি যিটোক আচল বুলি ভাবোঁ হয়তো সেইটোৱেই ভুৱা আৰু যিটোক ভুৱা বুলি ভাবোঁ হয়তো সেইটোৱেই আচল।"

ডাঃ গোস্বামীৰ কথাত হয়ভৰ দি মই ক'লোঁ "সঁচা কথা, ইন্দ্ৰিয়গ্ৰাহ্য বস্তু সকলোবিলাকেই ভুৱা বুলি দৰ্শনে বাৰে বাৰে কৈছে।"

মুকুলীয়ে মোৰ কথা সমৰ্থন কৰিলে নদৰও অলপ কৌতুহলেৰে ক'লে,

"তোমালোকৰ দাৰ্শনিক কথা মই বুজি পাইছোঁ। কিন্তু মই চৰকাৰী বিষয়া। চৰকাৰী কাম কৰি কৰি মোৰও মনটো সাধাৰণ মানুহৰ নিচিনা হৈ গৈছে। সেয়েহে কথাটো বলোগতিয়াল হ'লেও এটা মীমাংসালৈ আহিবলৈ মোক দুবছৰি লাগিছে।"

যেনেকুৱাতে উকীল মাকাম্ শইকীয়া আৰু বাকী আমি মৃদুলাৰ কাষে কাষে থ'লো যে সুৰৰঞ্জনৰ এটা ভুল হুৱা হয় যে কাৰণে তেওঁ সহজেই ধৰা প'ব পাৰিব, কাৰণ তেওঁৰ পৰিকল্পিত হেনো এটা ভুল হুৱা। শইকীয়াৰ আশ্বাস বাণী শুনি মৃদুলাৰ নতুন উপায় দেখিলে। তদুপৰি ইমান দিনৰ আন কোনো সন্দেহজনক ইন্দ্ৰজিত বাৰে মণ্ডল আছিল নিমিষতে দেখি আৰু ঘটনাৰ সবিশেষ নাজানি মৰ্মকে ধৰি ছদ্মবেশে আৰম্ভ কৰিলে। পৰিস্থিতিটো নিয়ন্ত্ৰণাধীন কৰিবলৈ মৃদুলাই সকলোকে নিজৰ নিজৰ ঠাইত বহিবলৈ ক'লে আৰু প্ৰতিযোগীসকলক এজনী এজনীকৈ ওলাবলৈ দিবৰ কাৰণে ইন্দ্ৰজিতক নিৰ্দেশ দিলে। তাৰ পিছত তেওঁ শইকীয়াক কাষলৈ মাতি আনি সুজাতাৰ বিষয়ে ওলোৱা কথাটোৰ সত্যাসত্যতা নিৰূপণ কৰি বিচাৰকসকলক জনাবলৈ ক'লে। শইকীয়াক তেওঁ সহায় কৰিবলৈ মান্তি কৰালে যদিও সকলো প্ৰতিযোগী ওলাই শেষ হোৱাৰ আগতে জনাবলৈ ক'লে। পৰিবেশটো আকৌ শৃংখলাবদ্ধ হোৱা দেখি মৃদুলাৰ আত্মবিশ্বাস আৰু কৃতকাৰ্যতাৰ বিশ্বাস পোনাই ধীৰ স্থিৰভাৱে বহি গৌৰৱ কৰিলে,

“দেখিলি মই কেনেকৈ গোটেই পৰিস্থিতিটো নিয়ন্ত্ৰণাধীন কৰিলোঁ।”

বিকিনি-কাণ্ড

মুৰুলীয়ে আই-এ-এছ বিষয়াৰ দক্ষতাৰে আনি দিয়া শৃংখলা বোধৰ ডোৰ নিটিকিলে। সকলো খান-খিত লাগি নিলম হোৱাৰ লগে লগে মঞ্চৰ এটা কোণৰ পৰা বিকিনি পিন্ধি অহা প্ৰতিযোগী এগৰাকীয়ে যেন কোনো বাহত জুই লগালে। তেওঁ প্ৰথমে এখুজি দুখুজিকৈ আৰু তাৰ পিছত মাইক'ফোনৰ পিনে ঢপলিয়াই অহা দৃশ্য দেখি বহাই বহাৰ পৰা উঠিলে, উঠাই আৰু ওপৰলৈ উঠিবলৈ চেষ্টা কৰিলে, দোবাই জপিয়ালে, জপিওৱাই উবা মাৰিবলৈ চেষ্টা কৰিলে। সেই প্ৰতিযোগীৰ, সেই সুন্দৰীৰ অনাবৃত সৌন্দৰ্য্য চাবলৈ সকলোৱে হেতা-ওপৰা লগালে—আৰু তাকে দেখা সকলৰ কিৰিলি, হুৰুৰি, অনবৰত চিঞৰ-বাখৰত জিলা পুথি ভঁৰালৰ দেৱালবিলাক চটাচট্ ফাটি পৰিবৰ উপক্ৰম হ'ল। দৰ্শকসকলৰ উত্তেজনাৰ পৰা এইটো প্ৰতীয়মান হ'ল যে জোনবাইত মানুহে পদক্ষেপ কৰাৰ দৰে তেওঁলোকে এক বিশেষ ঐতিহাসিক ঘটনা দেখিলে। তেওঁলোকে হিয়াই হিয়াই উপলব্ধি কৰিলে যে গুৱাহাটী মহানগৰী হ'ল, পিছপৰা অসমৰ অজ্ঞান আন্ধাৰ ঠেলি সভ্যতাৰ পোহৰ প্ৰবল বেগে আহিবলৈ ধৰিলে। সভ্যতাৰ সেই তীব্ৰ ৰশ্মি বিলাতী তেল সনা সেই প্ৰতিযোগী গৰাকীৰ সকলো অংগ-প্ৰত্যংগৰ পৰা প্ৰতিফলিত হৈ সকলোৰে চকু জলক-মলক কৰিলে। ফলস্বৰূপে চছমা পিন্ধাই চছমা মোহাৰিলে, চছমা নিপিন্ধাই চকুকে মোহাৰিলে আৰু সেই তীব্ৰ ৰশ্মিয়ে তপা তালু তেল কৰি মগজু গৰম কৰে বুলি ভয় কৰি মোৰ নিচিনা অৰ্ধ তপা বা সম্পূৰ্ণ তপাই তালু মোহাৰিবলৈ বাধ্য হ'ল। সেই প্ৰতিযোগী গৰাকীয়ে ঘোষণা কৰিলে,

"মাই নেম ইজ চেম্পা চেটাৰজী। মাই কাজিন হেণ্ট মি দিছ বিকিনি ফ্ৰম এমেৰিকা। বাট দেয়াৰ আৰ নৰ্ম' বিচেজ অ'ৰ ছুইমিং পুলচ ইন গৌহাটী। সো'অ আই ৱেৰ ইট অল দি টাইম। ইট ইজ সো' বিউটিফুল এণ্ড কমফৰটেবল।"

[মৰ্ম ভাৱঃ মোৰ নাম চম্পা চেটাৰ্জী। এই বিকিনিটো আমেৰিকাৰ। মোৰ ব্যক্তিত্ব দেখুৱাবলৈ আন একো নাই যেতিয়া এইটোৱে নতুবা মোৰ গাটোকে আপোনালোক দেখুৱালো। গুৱাহাটীত সাঁতুৰিবলৈ ঠাই নাই যেতিয়া মই বিকিনিটো উৎসৱে পৰ্বে সুবিধা পালেই পিন্ধিম বুলি ভাবিছো]।

মুঠৰ ওপৰত চম্পা গুৱাহাটীৰ সুপ্ৰতিষ্ঠিত ডাক্তৰ চেটাৰ্জীৰ চতুৰ জীয়েক। তেওঁ পাব্লিক স্কুলত পঢ়িবলৈ পোৱা, আমেৰিকান আলোচনী আদিত বিকিনি পিন্ধা ছোৱালীৰ ফটো বহুত দেখিছিল আৰু নিজৰ বন্ধু-বান্ধৱীসকলৰ লগত সময়ে সেইবিলাক বহুত আলোচনা কৰিছিল। তাতে আমেৰিকাৰ পৰা অহা চিনেমাত সাগৰৰ পাৰৰ বালিত বিকিনি পিন্ধি বহি গা মেলা ছোৱালীবিলাক দেখিও তেওঁ

সদায় খুব উৎসাহেৰে চাইছিল। সেয়েহে তেওঁ সদায় তেওঁৰ আমেৰিকাত থকা ককায়েকলৈ চিঠি লিখিছিল তেওঁলৈ বিকিনি এটা পঠাই দিবৰ কাৰণে। অৱশ্যে মোৰও গৌৰৱ যে সেই বিকিনি কেইটা চম্পাৰ ককায়েকে মোৰ হাততে পঠিয়াইছিল। এনে প্ৰগতিৰ পথপ্ৰদৰ্শক নহ'লেও মই অন্ততঃ ভাববাহী বুলি ক'ব পাৰো।

চম্পাই নিজৰ বিষয়ে আৰু দুই চাৰিটা কথা ক'লে। তেওঁৰ প্ৰত্যেকটো কথা আৰু প্ৰত্যেকটো পাকতে সমবেত সভ্য সমাজে ভীষণ আনন্দ পালে আৰু বাৰে বাৰে গিজ্জনি মাৰি হাত চাপৰি দিলে। সেই হৰ্ষ ধ্বনি আৰু কৰ ধ্বনিত পুথিভঁড়ালৰ বিদ্যুত চাকিবোৰেও ধ্বনিৰ তালে তালে এবাৰ জ্বলিবলৈ আৰু এবাৰ নুমাবলৈ ধৰিলে। বাইজক এনেদৰে আমোদ দিবলৈ পাই চম্পাই তেওঁৰ প্ৰচেষ্টা যে সফল হ'ল তাক বুজিব পাৰি গৌৰৱতে 'থেঙ্ক ইউ, থেঙ্ক ইউ' [মনৰ ভাব ঃ ধন্য মই, ধন্য মই] বুলি ওপৰলৈ হাত দুখন তুলি গৌৰৱেৰে হাঁহি হাঁহি ঘোষণা কৰিলে,

"মাই মাদাৰ অলৱেজ ৰিডিকোলচ মি বিকজ আই কেনট চিঙ্গ, আই কেনট ডান্স, আই কেনট কুক এণ্ড দু অ'ল দোজ ষ্টুপিড থিঙ্গছ। চি হে'জ ডেট ন'বডি উইল মেৰি মি। বাট আই অলৱেজ টেল হাৰ ডেট পিপুল বোড এপ্ৰিচিয়েট মি দি ৱে আই এম। অহ! আই এম্ চোঅ প্ৰিজড টু বি হেয়াৰ।"

[মনৰ ভাব ঃ মই গান গাব নাজানো, নাচিব নাজানো বা কথা-বতৰাৰ নিচিনা অদৰকাৰী কামবোৰ কৰিব নাজানো বুলি মোক মায়ে সদায় হাঁহে আৰু কয় মোক হেনো কোনেও বিয়া নকৰিব। মই মাক কওঁ যে আজিকালিৰ নতুন মনৰ তৰুণ-তৰুণীয়ে সেইবিলাকৰ মূল্য নিদিয়ে। সকলোৱেই সাৰশূন্য যৌতিয়া সকলোৱে তেজ মঙহৰ সাৰকহে ভাল পায়। আজি আপোনালোকৰ মনত এনেদৰে আনন্দ দিব পাৰি মোৰ সঁচাকৈয়ে খুব ভাল লাগিছে]।

চম্পাৰ অঙ্গী-ভঙ্গী দেখি শইকীয়াই উপায়ুক্ত মুৰুলীৰ কাণে কাণে ক'লে, "তেওঁৰ কেইটা ভুৱা নহয়"। তাকে শুনি মুৰুলীয়ে অলপ খঙেৰে ক'লে,

"মোৰও চকু আছে। সেইটো মইও ভালদৰে ধৰিব পাৰিছো। আপুনি এইবিলাক চাই সময় নষ্ট নকৰি আপোনাক দিয়া কামটো সোনকালে সমাধা ক'ৰকগৈ।"

মুৰুলীৰ ধমকি খাই শইকীয়াই বীৰদৰ্পে ছোঁ ধৰৰ পিনে আগ বাঢ়িলে। মই মুৰুলীক সতৰ্ক কৰি ক'লো যে সেই দুৰ্ঘলচিতীয়া মানুহজনক তেনেদৰে নিৰস্ত্ৰভাৱে ধাধৰ নেজত ধৰিবলৈ পঠিয়াই তেওঁ ভাল কাম নকৰিলে। মই কথা কৈ থাকোঁতেই চম্পাৰ বক্তব্য শেষ হ'ল আৰু তেওঁ মঞ্চৰ একেবাৰে সন্মুখলৈকে আহিলে। চম্পাই অৱশ্যে তেওঁৰ স্তন-প্ৰদেশলৈ লোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰা নাছিল— তেওঁ চেষ্টা কৰিছিল তেওঁৰ নিতম্ব প্ৰদেশ প্ৰদৰ্শন কৰিবলৈ হে। তেওঁ মঞ্চৰ সন্মুখলৈ আহি ক'কালটো ঘূৰাই নিতম্বৰ এনে এটা পাক মাৰিলে যে দৰ্শকসকল তেনেই থত-মত খালে। আনকি তেওঁৰ নিতম্বৰ জোকাৰত যি বায়ু চাপ সৃষ্টি হ'ল সেই

বায়ুচাপে কেবাটাও চাকিৰ চুইচ জ্বলোৱাৰ (on) পৰা নুমোৱাৰ (off) দিলে হেঁচুকি সলালে। এই দৃশ্যই বি শিহৰণি আৰু কোলাহলৰ সৃষ্টি কৰিলে যেন গোটেই পৃথিৱী ভঁড়ালটো এখন মহাপথগামী জাহাজৰ (Space ship) দৰে শূন্যতে ওপঙিবলৈ ধৰিছে। মুৰুলীয়ে কি দেখিলে বিশ্বাস কৰিব পৰা নাই বুলি কোৱাত মই তেওঁক আশ্বাস দিলোঁ,

"এনেকুৱা নিতম্বৰ পাক মই সদাই দেখি আছোঁ। বুজিছে, মই খৰ সাজি আছোঁ নহয়। ঘোঁৰা গাড়ীৰ গাড়োৱানে গধূৰে চিমেণ্টৰ বস্তা পিঠিৰ পৰা নমাওঁতে ঠিক এনেদৰে পাক মাৰি বস্তাটো ধপচকৈ পেলায়। সম্ভৱ চম্পাইও বোজনৰ গধূৰ দায়িত্বৰ বোজা তেনেদৰে গাড়োৱান পাক মাৰিয়েই এৰাবলৈ বিচাৰিছে।"

আমাৰ ওচৰতে বহি থকা সৰু ল'ৰা এটাই চম্পাৰ গোল সেই কেইটা ফুটবল যেন বুলি চম্পাৰ নিতম্ব ভালদৰে চাবলৈ আগ বাঢ়ি অহাত মই ল'ৰাটিক উৎসাহ দি ক'লোঁ,

"অ', ভাইটি বোৱা তুমি কৰ্ণাৰ কিক এটা মাৰি দিয়াগে।" ল'ৰাটোৱে পৃথিৱী ভঁড়ালৰ ভিতৰত একেলগে দুটা ফুটবল কিক মাৰিবৰ মানসেৰে অতি উৎসাহেৰে মঞ্চৰ পিনে দৌৰিলে। চম্পাই ল'ৰাটোক দেখিলে নে নাই ক'ব নোৱাৰোঁ কিন্তু তেওঁ সেই দায়িত্বৰ বোজা আৰু ফুটবল দুটাৰ সৈতে ছোঁ খৰৰ পিনে ঘোৰ মাৰিলে। ল'ৰাটোৱে মঙ্গিৰ নোপোৱা মঙহও হেৰুওৱা চেকুৰা কাইৰ দৰে নিৰুৎসাহ হৈ উভতি আহিল। চম্পা ছোঁ খৰত সোমোৱাৰ অলপ পিছতে তাত এক বিৰাট হুলস্থুল আৰম্ভ হ'ল। এই হুলস্থুল বৰ ভয়ানক আছিল—এই কাৰণেই যে ই কেৱল ছোৱালী হ'তৰ মাজতে সীমাবদ্ধ আছিল।

ঘটনা এয়েই যে চম্পাই বিকিনি পিন্ধি বাইজৰ দৃষ্টি আকৰ্ষণ কৰাত তাৰ প্ৰতিযোগীসকলে প্ৰমাদ গণিলে আৰু তেওঁলোকে,

"দিচ্ ইজ ন'ট ফেয়াৰ", "ছি ইজ ছিয়'ৰ টু উইন",

"ন'বডি ট'ল্ড আচ্, উই কুড ৱেৰ বিকিনি"—[অৰ্থাৎ তাৰ ঃ এইজনীয়ে নঙঠা হৈ দেখুৱালে যেতিয়া তাই নিশ্চয় জিকিব, আমাকতো কোনেও বিকিনি পিন্ধি আহিবলৈ নক'লে, ই বৰ অন্যায়…]

আদি কৈ ইজনীয়ে সিজনকী ধৰ্পাৰিয়াবলৈ ধৰিলে আৰু কোনো কোনোৱে চম্পাৰ অনাবৃত মঙহত জোৰে জোৰে চিঁপিৰ আৰু পিটিকিব ধৰিলে। চম্পাই বাৰে বাৰে মানা কৰা স্বত্বেও কোনেও নুশুনোত তেওঁ নিজকে প্ৰতিৰক্ষা কৰিবলৈ বল যোৰৰ ব্যৱহাৰ আৰম্ভ কৰি দিলে। তাৰ পিছত চৰ, গোৰ, খোঁচা চাবিওপিনে চলিল আৰু বেয়ে বাকে বোছ ধুনীয়া বুলি তাৰে তেওঁকেই আক্ৰমণ কৰিলে। তাৰ পিছত চুলিয়াচুলি, নখানখি, কামোৰাকামুৰি, বগৰাবাগৰি আদি সভ্য সমাজৰ সকলো সংগ্ৰাম প্ৰণালীৰ মুক্ত আৰু সবল প্ৰয়োগ চলিল।

গণ্ডগোল শাম কটা দেখি হলসেত আৰু মুৰুকে ছোৱালীহঁতৰ মাজত

সোমাবলৈ তাল সুবিধা পালে আৰু সোৱাসোৰি কৈ গৈ তেওঁলোকক শান্ত হ'বলৈ খাটি সকলো কথা তেওঁলোক দুজনকে জনাবলৈ ক'লে আৰু বাৰে বাৰে আশ্বাস দিলে যে তেওঁলোক দুজনে সকলো ঠিক কৰি দিব পাৰিব। কিন্তু ছোৱালীহঁতে 'চম্পাই-বিকিনি পিন্ধিব বুলি কিয় আমাক আগেয়ে কোৱা নাছিলি', 'তাই এতিয়া নিশ্চয় জিকিব', 'বৰ্ণাক কিয় প্ৰথমে-ওলাবলৈ দিছিলি' আদি দোষাৰোপ কৰি সকলো হনুমন্ত আৰু মুখুকৰ ওপৰতে জাঙুল খাই পৰিল। তেওঁলোক দুজনে প্ৰাণ লৈ সাৰি আছিল যদিও দুয়োটাৰ হাল মগুহ অলপ অলপ কাবোবাৰ নখত, চুলি একোসোপা কাবোবাৰ হাতৰ খামুচিত আৰু কোটৰ এবকলা কাবোবাৰ দাঁতত থাকি আছিল। মুখুকৰ টাইডাল লেতেৰা হেঁউবীৰ নেজৰ নিচিনা আৰু হনুমন্তৰ পলিষ্টাৰৰ চুট খানচামাৰ পোছাকৰ দৰে হ'ল। সিহঁত দুটাৰ সেই অৱস্থা দেখি আমাৰ খুব দুখ লাগিব লাগিছিল যদিও মুৰুলী, গুপ্তা আৰু মই, আমাৰ হাঁহি সামৰিব নোৱাৰিলোঁ। মোৰতো পেটে পেটে খুব ৰঙেই লাগিল যে সিহঁত দুটাই মোক অপমান কৰাৰ মজাটো পালে।

তেনেকুৱাতে উকীল শইকীয়াই তেওঁ লোৱা গধুৰ দায়িত্ব সমাধা কৰিবলৈ ভাল সুযোগ ওলাল বুলি ভাবি খুব ওস্তাদী মাৰি ছোৱালীহঁতক ক'লেগৈ,

"শুনা তোমালোক প্ৰত্যেকেই বিকিনি পিন্ধা আৰু যি কেইজনীয়ে আগেয়ে দেখা দিছিলা মানে বৰ্ণা আৰু সুজাতাই আকৌ বিকিনি পিন্ধি ওলোৱা।"

শইকীয়াই হয়তো ভাবিছিল যে বিকিনি পিন্ধলে তেওঁ সুজাতাৰ কথা ঠিকমতে গম পাব, কিন্তু তেওঁ ভবা নাছিল যে সেই সুন্দৰীহঁতৰ হয়তো বিকিনি নাথাকিবও পাৰে। সেয়েহে তেওঁৰ কথা শেষ হোৱাৰ লগে লগে "আমি বিকিনি ক'ত পাম?" বুলি গোটেইখনে শইকীয়াক হেঁচা মাৰি ধৰিলে। শইকীয়াই কোনোমতে সেই হেঁচাৰ পৰা সাৰি আছিল যদিও তেওঁৰ চচমাযোৰ হেঁচাত ভাঙি খান খান হ'ল। শইকীয়াৰ চকু অতিশয় বেয়া আছিল। খপাই জপাই আহোঁতে চচমাবিহীন শইকীয়াই মঞ্চৰ পৰা নমা ছিৰীত খোজ পেলাব নোৱাৰি লুটি খাই পৰি বাগৰি একেবাৰে আমাৰ ওচৰত পৰিলহি আৰু মজিয়াৰ পৰাই ওপৰলৈ চাই মুৰুলীক আতংকিত ভাৱে ক'লে,

"ছাৰ, অৱস্থা একেবাৰে নিয়ন্ত্ৰণৰ বাহিৰ, আপুনি এতিয়া ১৪৪ ধাৰা জাৰি ক'ৰক। ন'হলে উপায় নাই।"

মুৰুলীয়ে সেই ছোৱালীবিলাক যদিয়া হৈছে নেকি, চৰকে জেলত ভৰাই থোৱা উচিত বুলি মত দিলে দুখোজমান আগ বাঢ়ি গৈ আকৌ উভতি আহি মোকেই এবাৰ কি হৈছে চাই আহিবলৈ খাটিলে। চতুৰ মুৰুলীয়ে নিজৰ আগে আথানি হ'ব পাৰে বুলিয়েই যে মোক যাবলৈ খাটিছিল তাত সন্দেহ নাই। মই পা এৰা দি ক'লো,

"আৰে গুপ্তা চাহাব থাকোঁতে মই কিয় যাব লাগিছে। তেওঁহে ছোৱালীৰ বিষয়ত ওস্তাদ। তেওঁ নিশ্চয় এই ছোৱালী কেইজনীক ঠাণ্ডা কৰিব পাৰিব।"

মোৰ কথা শেষ হোৱাৰ আগতেই গুপ্তাই খিং খৈ মুৰুলীক ক'লে যে তিৰোৰ কোনো

কাৰণ নাই তেওঁ ছোৱালীক কেনেকৈ জয় কৰিব আৰু বশ কৰিব লাগে জানে আৰু তেওঁ সে তৎক্ষণাৎ সকলো ঠিক কৰি আহিব। তেওঁ ছোৱালীহঁতৰ পিনে ঘূৰি যদিও তেওঁলোকৰ একেবাৰে কাষ নাচাপি অলপ দূৰৈৰ পৰাই ক'লে,

"গুড্ গাৰ্লচ, আই এম্ মিষ্টাৰ তৌৰকমালা গুপ্তা। ইউ নো' আই এম্ এন আই-এ-এছ অফিচাৰ অন স্পেচিয়েল ডেপুটেশ্যন টু আচাম।"

[মনৰ ভাব ঃ মই আই-এ-এছ অফিচাৰ। মোৰ নিচিনা গুণী মানুহ পৃথিৱীৰ জগতত নাই। মোক আদৰিবলৈ তোমালোকে হাতত মালা তুলি লোৱা উচিত।]

ছোৱালীহঁতে হাতত মালা তুলি ল'লে কিন্তু 'উই ৱাণ্ট বিকিনি', 'উই ৱাণ্ট বিকিনি' [অৰ্থ ঃ আমাকও বিকিনি লাগে] বুলি গুপ্তাৰ পিনে ডোঙা দ'লে। গুপ্তা বেচ মধ্যবয়সী আৰু নিজকে খুব সুন্দৰ পুৰুষ বুলি ভাবিলেও আই-এ-এছ অফিচাৰ কাৰণেই নতুবা যৌতুকত ডেৰ লাখ টকা লৈ বিয়া কৰোৱা তেওঁৰ পত্নীৰ আক্ৰমণাত্মক চৰিত্ৰৰ কাৰণেই তেওঁ নাৰীৰ টেম্পাৰ বুজিব পাৰে। সেইকাৰণে ছোৱালীহঁতে তেওঁক ধৰিব পৰাৰ আগেয়েই তেওঁ ভিৰাই লৰ মাৰি আহি মন্ত্ৰীক উপদেশ দিলে যে আমি কিছুমান বিকিনি গোটোৱা উচিত। সকলো ছোৱালী বিকিনি পিন্ধি ওলালে চাবলৈকো ভাল হ'ব।

ইপিনে এজন দুজনকৈ প্ৰায় সকলো দৰ্শকে কি গণ্ডগোল লাগিছে অলপ গম পালে। সেইকাৰণে দৰ্শকসকলেও 'সকলোকে বিকিনি পিন্ধি ওলাবলৈ দিয়ক', 'বিকিনি পিন্ধিলেহে কোন কিমান ধুনীয়া আমি গম পাম', 'মঞ্চ পৰা ছোৱালীহঁতক ইয়াতে আহিব দিয়ক' আদি চিঞৰিবলৈ ধৰিলে।

আন এটা উপায় নেদেখি মন্ত্ৰীয়ে মোক ক'লে যে মই কিবা এটা কৰিব নোৱাৰিলে কথা বৰ বেয়া হ'ব। মই মন্ত্ৰীক সুধিলোঁ, 'কিয়, তোৰ গুদামত বিকিনি নাই নেকি?' তাকে শুনি মন্ত্ৰীয়ে জনালে যে বানপানীৰ সময়ত বাইৰক দিবলৈ থোৱা কিছুমান সস্তীয়া কম্বলৰ বাহিৰে তেওঁৰ গুদামত আন একো নাই। মই মন্ত্ৰীক ক'লোঁ যে উপায় হিচাপে তেওঁহে সে ছোৱালীহঁতক বুজোৱা উচিত। কিন্তু চতুৰ মন্ত্ৰীয়ে পৰিস্থিতিটোৰ উত্তাপ বুজিব পাৰি মোৰ কাণে কাণে ক'লে যে তেওঁ যদি কেনেবাকৈ ছোৱালীহঁতৰ বাবা লাগিলে হয় তেনেহ'লে তেওঁৰ পত্নীয়ে তেওঁক খেদাই দিব। মন্ত্ৰীৰ কথা শুনি মই তেওঁৰ কাণে কাণে ক'লোঁ,

"ব'ল, কথা অতি বেয়া হোৱাৰ আগেয়েই আমি দুয়ো ইয়াৰ পৰা পলাওঁ।" মোৰ কথা শুনি মন্ত্ৰীয়ে উত্তৰ দিলে,

"নাই, নাই মই তেনে কৰিব নোৱাৰোঁ। কথাটো জনতাই জানিলে মোৰ প্ৰমোচন বন্ধ হৈ যাব"

মই তৌজা মন্ত্ৰীক ঠাট্টা কৰি ক'লোঁ,

"তই কি ধৰণৰ আই-এ-এছ অফিচাৰ—এনেও মানুহ, আৰু কথাৰোৰ পৰা পলাইও নাজান।"

মুকুলীয়ে মোক একপ্ৰকাৰ সমৰ্থন কৰি ক'লে,

"তই ঠিক কৈছ। আমি মুক্ত দাস, মুকলিভাৱে আমি হুকুম মানি চলিব পাৰো কিন্তু শাসক হিচাপে আমাৰ হাত ভৰি বন্ধা—নিজৰ বিচাৰ বুদ্ধি একপ্ৰকাৰ ব্যৱহাৰ কৰিব নোৱাৰাৰ নিচিনা।"

বহুত তৰ্কাতৰ্কি, বুজোৱা-বুজনিৰ পিছত মই কিবা এটা কৰিব পাৰো নেকি গাত ল'লো এই চৰ্ত্তত যে তাৰ পিছত গোটেই অনুষ্ঠানটো মৰেই চলাম, বুবুক দাস আৰু হনুমন্ত ৰায় মণ্ড বা ছোঁ ঘৰৰ ওচৰলৈ যাব নোৱাৰিব (তেওঁলোকে ইচ্ছা কৰিলে গেট ৰখীয়া হ'ব পাৰিব)। উত্তপ্ত ছোৱালীহঁতৰ ওচৰলৈ নিবস্ত্ৰ হৈ যোৱাটো ভুল হ'ব বুলি ভাবি মই মোৰ গাড়ীত থকা আৰু আমেৰিকাৰ পৰা অনা চকলেট কিছুমানকে হাতত লৈ যাবৰ মানসেৰে গাড়ীলৈ গ'লো।

মই বাহিৰলৈ ওলাই যাওঁতে মোৰ ভাল লগা সেই ৰিহা মেখেলা পিন্ধা ছোৱালীজনী একপ্ৰকাৰ বিবৰ্ণা বিবস্ত্ৰা হৈ ছোঁ ঘৰৰ পৰা ওলাই অহা দেখিলো। মই তেওঁৰ ওচৰলৈ গৈ 'তোমাৰ কি হ'ল' বুলি চাই দেখোঁ তেওঁৰ একেবাৰে অৱস্থা নাই, তেওঁৰ মিঠা দুটি ওঁঠ একেবাৰে ভেজেৰে ৰাঙলী, ধুনীয়া চকু দুটিৰ পৰা টোপ টোপকৈ চকুলো। কোনোমতে উশাহ টানি টানি তেওঁ মোক ক'লে,

"মই ইহঁতৰ অত্যাচাৰত আৰু থাকিব নোৱাৰা হৈছোঁ, মোৰ কিবা এটা ক'ৰক না?"

তেওঁৰ অৱস্থাটো দেখি মোৰ প্ৰাণ কান্দি উঠিল। বাইজৰ সকলোৱেই নতুন সৌন্দৰ্য্যৰ উলাহ মালহত বা বিজতৰীয়া কামিনীৰ বং ছঙত মোহ গৈ সেই নিঃসহায়া ছোৱালী-জনীক কোনেও নেদেখিলে। মাথোঁ পুথি ভঁড়ালত পাঢ়িবলৈ অহা কেইজনমান কুমলীয়া ডেকাৰ চকু চলচলীয়া হ'ল সেই ছোৱালীজনীৰ দুৰৱস্থাটো দেখি। তেওঁলোক আগ বাঢ়ি আহি 'এঃখতৰ কোনে এনেকুৱা অৱস্থা কৰিলে?' বুলি আথে-বেথে ছোৱালীজনীৰ যতন ল'লে। ল'ৰা কেইজনৰ নাম সুধি জানিব পাৰিলো একজনৰ নাম প্ৰফুল্ল, এজনৰ নাম ভৃগু, এজনৰ নাম অমৰ। তেওঁলোকে খুব আদৰ কৰি ছোৱালীজনীক লৈ গ'ল। তেওঁলোকৰ আন্তৰিকতা আৰু সাহসী অভিব্যক্তি দেখি মই নিশ্চিত হ'লো যে তেওঁলোকে সেই ছোৱালীজনীৰ ভাল যতন ল'ব। তথাপি ছোৱালীজনীয়ে মোৰ পিনে এনে সকৰুণ ভাবে চালে যেন তেওঁ মোক ক'বলৈ বিচাৰিছিল, 'আপুনিও মোক চাবলৈ নিবিচাৰে কিয়?" মই নিৰুত্তৰ হ'লো। হাতৰ চকলেট কেইটালৈ নিস্প্ৰাণ ভাবে চাই মই ভাবিলো যে কেতিয়াবা আকৌ লগ পালে হয়তো তেওঁক কম যে মোৰ খেলি মেলি জীৱনত তেওঁকেই মই সদায় বিচাৰিম আৰু হয়তো বিশ্বাস কৰাব পাৰিম যে তেওঁৱেই মোৰ জীৱনৰ মধুৰ আল্পনা।

বিধিৰ কি পৰিহাস, সেই সৌন্দৰ্য্য মেলাত অৰ্ঘ্য গ্ৰহণ কৰিবলৈ থকা সাময়িক ছুকাম কাৰণে মই জীৱন ভুৱাকো বিসৰ্জ্জন দিলো ই মোৰ কল্পনাৰ হৰিণী-

নয়নাক এৰি হাতত চকলেট লৈ সেই খেলিমেলি হৈ থকা মহ. আৰু তাৰ ওচৰত থকা ভাৱৰীয়া ছোৱালী কিজাকৰ কাৰণে আগ বাঢ়িলো।

সৌন্দৰ্য্যৰ ৰাণী হ'বলৈ বিচৰা সেই ছোৱালীহ'তক মই আমেৰিকান চকলেট কেউটা দেখুৱাই ক'লো, "শুনা, এই দুৰ্ঘৰ্ষ বৰ'তে তোমালোকৰ কাৰণে লিবাৰ্টিন আনে মানে এটুকুৰা এটুকুৰা আমেৰিকান চকলেট খাই লোৱা।"

বেচেৰীহ'ত অলপ জাগৰি পৰিছিল। গীতকে ধৰ হে'পাহেৰে মোৰ পৰা চকলেট একোটা লৈ খাবলৈ ধৰিলে আৰু প্ৰায় আটায়েই চকলেট লৈ 'থেংক ইউ, থেংক ইউ আংকল' অৰ্থাৎ 'ধন্যবাদ, মোৰ মাৰ ভায়েক বা প্ৰেমিক-বন্ধু' বুলি ক'লে। এইখিনিতে উল্লেখযোগ্য যে ইংৰাজী আগেয়ে 'আংকল' (uncle) শব্দৰ অৰ্থ আছিল মাক বা দেউতাকৰ ভাই-ককাই। কিন্তু আজি-কালি পশ্চিমীয়া সমাজত বিবাহ-বিচ্ছেদ খুব বেছি হোৱা কাৰণে ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ ভাই ককাইতকৈ মাকৰ 'বয়-ফ্ৰেণ্ড' অৰ্থাৎ প্ৰেমিক-বন্ধু বহুত বেছিকৈ লগ পায়। মহিলাৰ ৰুচি পৰিবৰ্তন হৈ থকা কাৰণে এনে প্ৰেমিক বন্ধুৰ সংখ্যাও সৰহ হ'বলৈ ধৰিছে। ল'ৰা-ছোৱালীয়ে মাকৰ এনে ওচৰ সম্বন্ধৰ অহা প্ৰেমিক বন্ধু বহুত আজি-কালি 'আংকল' বুলি মাতে। এনে আংকলে ল'ৰা-ছোৱালীক বেছ মৰম কৰে কাৰণে 'আংকলিং' (uncling) কথা মানেও হৈছে চকলেট আদি খুৱাই আকোৱালি মৰম কৰা। মোমায়েক বা খুৰাকক পশ্চিমীয়া সমাজত আজি-কালি কেৱল 'মাকৰ-ভায়েক' বা 'দেউতাকৰ ভায়েক' হে বোলা হয়। এওঁলোকে সাধাৰণতে ল'ৰা-ছোৱালীক আকোৱালি লৈ মৰম নকৰে কিন্তু সদায় উপদেশ দিয়ে, এমকি দিয়ে বা কাটিং মাৰে।

যিহওক ছোৱালীহ'তে মোক মৰমেৰে আংকল বোলা কাৰণে মোৰ খুব ভাল লাগিল আৰু মই কুৰাই ক'লো,

"তোমালোকৰ 'মা'বাপকলকতো মই চিনিয়েই নাপাওঁ তথাপি আংকল বুলিছা যেতিয়া মই আংকল হ'বলৈ চেষ্টা কৰিম।" কথাবোৰ তেওঁলোকে কি বুজ পালে ক'ব নোৱাৰো কিন্তু গোটেই কেইগৰাকীয়ে প্ৰাণ খুলি হাঁহিলে। সেই হাঁহি শুনি মুহুৰ্তলীহ'তে বুজিলে যে সমস্যা সমাধানৰ পথত। তেওঁলোক আটায়ে উচপিচাবলৈ ধৰিলে যদিও মই অতি সাৱধানেৰে কাম আৰম্ভ কৰিলো।

চকলেট খুৱাই আৰু আংকলিং কৰি মই তেওঁলোকৰ সহানুভূতি আদায় কৰিবলৈ সমৰ্থ হ'লো। চম্পাক চকলেট এটা দি মই সুধিলো,

"চম্পা, তোমাৰ গাত বিকিনিটো বেছ ভালদৰে খাইছে নহয়?"

"ইয়েচ আংকল, থেংক ইউ" [অৰ্থ : হয়, মোৰ মাৰ প্ৰেমিকবন্ধু] বুলি চম্পাই মোক সোমবেহেৰে ক'লে! তাৰ পিছত মই আন সকলো ছোৱালীয়ে শুনাকৈ চম্পাক ক'লো,

"কিন্তু চম্পা, তোমাক মই এটা কথা ক'বলৈ বাধ্য যে বিকিনি পিন্ধোতে

আমেৰিকান ছোৱালীয়ে ভৰিৰ নোমবিলাক খুৰাই লয়। তোমাৰ ভৰিৰ ক'লা নোমবিলাক খুৰাই লোৱা হ'লে তোমাক আৰু ভাল দেখিলেহেঁতেন।" মোৰ কথা শুনি প্ৰায় গোটেই কেইজনী ছোৱালীয়েই 'ছেম, চম্পা, ছেম অন ইউ' [অৰ্থ তাৰ: চম্পা লাজ নাইকিয়া পহু, গায়ে মূৰে খহু) বুলি চম্পাক লাজ দিলে। চম্পাই সেমেনা সেমেনি কৰি মোৰ পিনে পিঠি দি উভতি বাওঁতে তেওঁৰ অনাবৃতা পিঠিত মোৰ চকু পৰিল আৰু মই খুব উৎকণ্ঠাৰে ক'লোঁ,

"চম্পা, তোমাৰ পিঠিত সেয়া খৰ হৈছে। আৰু বাঢ়িলে বৰ বেয়া কথা হ'ব। তুমি আজিয়েই খোল কোম্পানীৰ মলম কিনি ঘঁহিবা।"

চম্পাই দোৰ মাৰি নিজৰ কাপোৰ-কানি কেইটা তুলি কালিৰ কাটিলে। আনবিলাক ছোৱালীয়ে চম্পাৰ দৰে দুৰ্গতি হোৱাৰ ভয়ত প্ৰমাদ গণিলে। মই সুবিধা বুজি ক'লোঁ,

"বুজিছা, বিকিনি পিন্ধাটো বৰ ভাল কথা নহয় নেকি? কাৰ গাত খৰ, ভাকৰ ঘাঁৰ দাগ আদি ওলাই কোনে জানে? ইহঁত কেইটাই যেখোন তোমালোকৰ কাৰণে বিকিনি বিচাৰিবলৈ মানুহ পঠিয়াইছে। তোমালোকে বিকিনি পিন্ধিবা জানো? এতিয়াও সময় আছে কোৱা। তোমালোকৰ মতেই হ'ব।"

তেওঁলোক সকলোৱেই একমত হৈ ক'লে,

"নাই, নাই আমাক বিকিনি নালাগে। আমি নিজৰ নিজৰ কাপোৰ-কানি পিন্ধিয়েই ওলাম।"

অৱশ্যে, কোনোবা এগৰাকীয়ে প্ৰশ্ন কৰিলে,

"কিন্তু চম্পাই যে বিকিনি পিন্ধি ওলালেই। তাৰ কাৰণে যে তাইক সকলোৱে ভাল দেখিলে।"

তাকে শুনি মই তেওঁলোকক আশ্বাস দিলোঁ,

"নাই, নাই মইতো এজন বিচাৰক আৰু বাকী কেইজন বিচাৰকেও মোৰ কথামতে চলিম বুলি কৈছে। আমি চম্পাক দিয়া নম্বৰ বিলাক কাটি পেলাম আৰু চম্পাই আকৌ শাৰী বা আন ভাল পোছাক পিন্ধি শেষত ওলাব লাগিব যাতে তেওঁক আকৌ নতুনকৈ বিচাৰ কৰা হয়। তেওঁক আমি কোনো সুবিধাও নিদিওঁ বা কোনো ধৰণৰ শাস্তিও নিদিওঁ। কাৰণ, এইটো তেওঁৰ দোষ নহয়। অৰ্গেনাইজাৰ মানে হনুমন্ত ৰায় আৰু বৰুৱা দাসৰ মগজুত একো নাই। সিহঁত দুটাই কেৱল ছোৱালীৰ আগত ওস্তাদি মাৰিব জানে। সিহঁতে আগতে তোমালোকৰ লগত সকলো কথা আলোচনা কৰিব লাগিছিল। ছোৱালীৰ পিছে পিছে ঘূৰি সিহঁতে ছোৱালীৰ লগত সমানে বহি অকল আলোচনা কৰিবলৈ নিশিকিলে। চোৱাচোন, তোমালোকতো সকলো: শিক্ষিত ছোৱালী।"

কোনোবা এগৰাকীয়ে ক'লে যে সিহঁত দুটা মহা মূৰ্খ, আন এগৰাকীয়ে ক'লে

যে সিহঁত দুটা মহা কোপজহঁ, আন এলেবাকীয়ে হাঁহি হাঁহি ক'লে যে হনুমন্তই কেৱল তাৰ গাৰ্ল-ফ্ৰেণ্ড বৰ্ণাৰ কেশ ধৰোঁতেই যায় ইত্যাদি ইত্যাদি। হনুমন্ত আৰু ৰবৰ্টৰ প্ৰতি থকা মোৰ ৰোষক সিমানতে শেষ কৰা তাৰ দুদিন আগত মই ছোৱালীহঁতক জনালোঁ যে তাৰ পিছত ৰয়েই গোটেই উৎসৱটোৰ হৰ্তা-কৰ্তা আৰু মই তেওঁলোকৰ লগত সকলো আলোচনা কৰি ঠিক কৰিম। মই তেওঁলোকক পুনৰ সুধিলোঁ, 'প্ৰথমেই তোমালোক সকলোৱেই একমত যে বিকিনি পিন্ধা মানা ?' তেওঁলোক সকলোৱে হয়ভৰ দিয়াত মই নিৰ্দেশ দিলোঁ,

"কোন আগেয়ে ওলাব কোন পিছত ওলাব সেইটো মই তোমালোকৰ শিৰোনামৰ প্ৰথম আখৰটো অনুসৰি বৰ্ণমালাৰ ক্ৰমৰ দ্বাৰা নিৰ্ধাৰণ কৰোঁ আৰু তোমালোক সেইমতে ওলাবা। ওলাই তৈ নিজ ইচ্ছা অনুসৰি যি ক'ব লগা আছে কোৱা, কাৰণ ভাৰতৰ সংবিধানে স্বাধীন দেশৰ নাগৰিক হিচাপে তোমালোকক বাক্-স্বাধীনতা দিছে। তথাপি সেই স্বাধীনতা উপলব্ধি কৰি মুক্তভাৱে সঁচা কথা কোৱা মানুহ সাধাৰণতে বিপদতহে পৰা দেখা যায়, কাৰণ সংবিধানে আমাক বিহকে তিহকে শুনিবলৈ শ্ৰৱণ-স্বাধীনতা দিয়া নাই। অপ্ৰিয় কথা সঁচা হলেও মানুহে শুনিবলৈ বেয়া পায় কাৰণে সঁচা কথা কোৱা মানুহৰ আনে প্ৰায়ে অনিষ্ট সাধন কৰে। সেই কাৰণে তোমালোকে বেছিকৈ একো নকবা। তেনে কৰিলে তোমালোকৰ নম্বৰ কমিবহে পাৰে। আৰু তোমালোকে খুব বেছিকৈ নিতম্বৰ গাড়োৱান-পাক নামাৰিবা কাৰণ সৰু ল'ৰা দুটামানে অলপমান কৰ্ণৰ কিক মাৰিবলৈ ফুটবল বিচাৰি ফুৰিছে।"

সেইদৰে কথাবিলাক খানিকত লগাই মই মাইকত জনালোঁ যে বিকিনি এটা ভুল ধাৰণাৰ কাৰণে প্ৰতিযোগীসকলৰ মাজত ভুল বুজাপৰা হৈছিল কিন্তু সকলো মীমাংসা হ'ল। কোন কোন প্ৰতিযোগী ওলাবলৈ আছিল আৰু কাৰ পিছত কোন কেনেকৈ ওলাব তাকও মই আগতীয়াকৈ ঠিক দিলোঁ আৰু এইটোও জনালোঁ যে কোনে কি পিন্ধি অহা উচিত সেই বিষয়ে হনুমন্ত বাবে বা ৰবৰ্টে আগে একো নজনোৱা কাৰণেই প্ৰতিযোগীসকলৰ মাজত ভুল বুজাপৰা হৈছিল কিন্তু তেওঁলোকে ঠিক কৰিলে যে কোনেও বিকিনি পিন্ধি নোলায়। শেষত মই ক'লোঁ,

"এতিয়া মোৰ আপোনালোকলৈ আৰু বিশেষকৈ বিচাৰকসকললৈ এয়েই অনুৰোধ যে চম্পা চৌধুৰীক বিকিনিত দেখা কথাটো যেন সকলোৱে সম্পূৰ্ণ পাহৰি যায় আৰু তেওঁক বিচাৰ কৰোঁতে তেওঁৰ শাৰী পিন্ধা সৌন্দৰ্যটোহে যেন মনলৈ আনে।"

সেইদৰে কথাবিলাকৰ শৃংখলা লগাই মই সুন্দৰীহঁতক জনাই আহিলোঁ। সুন্দৰীয়ে মোৰ শলাগ ল'লে। দুয়োটাই মই আগতেই কথা দুদিন ক'লে-বহিও মনত কৌতূহল ৰাখিব নোৱাৰি সুধিলোঁ—চম্পাৰ ছবি যেইটোৰ লৈয়া স্বাভাৱিক ৰং আছিল সে তেওঁ নাইলনৰ জাঙিয়া-মোজা পিন্ধিছিল। তেওঁৰ প্ৰায়েই দুদিন মই

ক'বলৈ বাধ্য হৈছিলোঁ যে তেওঁ যদি চম্পাৰ ভাৰি কেইটা মনৰ পৰা বিসৰ্জন দিব পৰা নাই তেনেহ'লে তেওঁ বিচাৰক নোহোৱাই ভাল।

কিছু দেৰিৰ পিছত প্ৰদৰ্শনী আকৌ আৰম্ভ হ'ল। পৰিপাটিকৈ সহজ সাধাৰণ মুগাৰ মেখেলা আৰু বগা চাদৰ এখন পিন্ধি এগৰাকী ওলাই আহিল। তেওঁ বিতচকু পিন্ধি আহিছিল আৰু তেওঁ আমাৰ পিনে চাওঁতে মই সেই বিতচকুৰ তলত দেখিবলৈ পাইছিলোঁ দুকুৰা জুই। তেওঁ কথা ক'বলৈ আৰম্ভ কৰোঁতেহে বুজিলোঁ যে কেৱল তেওঁৰ চকুৰেই নহয় তেওঁ গোটেই মানুহ গৰাকীয়েই এক জ্বলন্ত অগ্নি শিখা। তেওঁ ক'লে,

"উপস্থিত ভ

মই দৰাচলতে সৌন্দৰ্য্যৰ প্ৰতিযোগী নহয়। মই আপোনালোকক আজি ভাৰতত হোৱা নাৰী জাগৰণৰ বিষয়ে সতৰ্ক কৰি দিবলৈহে আহিছোঁ। ভাৰতীয় মতা মানুহে ইমান দিনে মাইকী মানুহক দুৰ্বলী বুলি জ্ঞান কৰি সদায় ঘৃণনীয় ভাৱে ব্যৱহাৰ কৰি আহিছে। প্ৰত্যেক ভাৰতীয় মতা মানুহেই একো একোটা মতা-বৰ-বুলি-ভৰা গাৰ্হিৰ। তেওঁলোকে প্ৰত্যেক নাৰীকে তথাকথিত এক মাতৃ মূৰ্ত্তি বুলি এক স্ত্ৰীৰ দায়িত্ব ল'বলৈ বাধ্য কৰি আহিছে। তেওঁলোকে ভাবে মাইকী মানুহৰ কাম হৈছে ল'ৰা-ছোৱালী জন্ম দিয়া, ল'ৰা ছোৱালীক ডাঙৰ দীঘল কৰা, দাসীৰ দৰে পুৰুষৰ আলপৈছান ধৰা আদি। নাৰীৰ স্থান ঘৰৰ ভিতৰত, পাকঘৰত—নাৰীৰ দায়িত্ব পুৰুষ সেৱা। যুগ যুগ ধৰি আপোনালোকে নাৰী জাতিক হেয় কৰি আহিছে আৰু এনে কাৰ্য্য কৰিবলৈকে বাধ্য কৰি আহিছে। তাতে ক্ষান্ত নহৈ এতিয়া পশ্চিমীয়া সমাজত এক শ্ৰেণীৰ লোকে নাৰীক কেৱল যৌন-সঙ্গমৰ সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰাৰ নিচিনা এটা লাজ লগা আচৰণ ভাৰতীয় নাৰীৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে। আজিৰ এই সৌন্দৰ্য্য প্ৰতিযোগিতা কিহৰ প্ৰদৰ্শনী ?—এইয়া জানো সেই যৌন-সঙ্গমৰ বস্তুবিলাকৰে সস্তীয়া প্ৰদৰ্শনী নহয় ? আপোনালোকে কিয় মতাৰ সৌন্দৰ্য্য প্ৰতিযোগিতা নাপাতে ? আমাৰ সমাজৰ গেৰেলা, পেটেলা বিলাকক ধুতি বা লেংটী পিন্ধাই প্ৰদৰ্শনী নাপাতে কিয় ?

পশ্চিমীয়া সমাজত সত্যবাদিতা, শ্ৰমৰ মৰ্য্যদা, মানৱ-অধিকাৰৰ প্ৰতি শ্ৰদ্ধা, পুৰুষে নাৰীৰ সমান অধিকাৰ আদিৰ নিচিনা বহু ভাল কথা আছে। আপোনালোকে সেইবিলাক আমাৰ সমাজলৈ আনিবলৈ কিয় চেষ্টা নকৰে ?

আপোনালোক সাৱধান হওক পুৰুষৰ এনে অত্যাচাৰ, অনাদৰ আৰু স্বেচ্ছাচাৰী শাসন আমি সমাজত বহুত দিন চলিবলৈ নিদিও"। আজি ভাৰতীয় নাৰীও জাগ্ৰত হৈছে নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে সংগ্ৰাম কৰিবলৈ আৰু সকলো ক্ষেত্ৰতে পুৰুষৰ সৈতে সমান অধিকাৰ লাভ কৰিবলৈ। এতিয়া সমান অধিকাৰৰ বাবে দাবী কৰিবলৈ আমাৰ ধৈৰ্য্য নাই। আমি সংগ্ৰামহে আৰম্ভ কৰিম......"

দময়ন্তীয়ে কথা কৈ থাকোঁতেই পুঁছুৱাই মোক তাই কি বলকিছে বুলি সুধি ক'লে যে তাইক মঞ্চৰ পৰা আঁতৰি যাবলৈ ক'ব লাগে। মই পুছুৱাক ক'লোঁ,

"তেওঁ তোমাৰ নিচিনা মানুহক ফাঁচী দিব লাগে বুলি কৈছে", উকীল পইকীয়াইও মাত দিলে,

"মই টাইম মেগাজিন পঢ়োঁ। তাতো এনেকুৱা কথা কিছুমান লিখিছিল"। মুৰুলীয়ে তাকে শুনি ক'লে,

"মইও টাইম মেগাজিন পঢ়োঁ, আনকি মই ৰিডাৰ্চ ডাইজেষ্টও পঢ়োঁ। সেইটো একো ডাঙৰ কথা নহয়। তাই কি ক'ব খুজিছে অলপ বুজিবলৈ চেষ্টা কৰা ভাল।"

ইতিমধ্যে দৰ্শকসকলেও দময়ন্তীক হাঁহি উপলুঙা কৰিবলৈ ধৰিলে। তেওঁলোকে অতিষ্ঠ হৈ চিঞৰিবলৈ আৰম্ভ কৰিলে ঃ

"থ্ৰ' হাৰ আউট" [মনৰ ভাব ঃ তাইক বাহিৰ কৰা, আমি ইয়াত সঁচা কথা শুনিবলৈ অহা নাই]

"উই ৱাণ্ট টু ছি হাম বিউটিজ" [মনৰ ভাব ঃ আমি ইয়াত মিছাৰ জাওনাহে চাবলৈ আহিছোঁ]

"এইজনী একেবাৰে কালীমাই"

"এই পাংকোচিজনীক খেদ" ইত্যাদি ইত্যাদি।

সময় আৰু সুবিধা ধৰ প্ৰীতিকৰ নহয় বুলি জানি দময়ন্তী মঞ্চৰ পৰা আঁতৰ হ'ল। দময়ন্তীৰ কথাই প্ৰতিযোগীসকলৰ ওপৰত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে। তেওঁৰ কথাত আন প্ৰতিযোগীসকলে অৰ্থহিনহে প্ৰকাশ কৰিলে। তেওঁলোকে এজনী এজনীকৈ কৃত্ৰিম হাঁহি, উজ্জ্বল যৌৱন প্ৰকাশি ওলোৱা তেওঁলোকৰ দৈহিক সৌন্দৰ্য্য যেনে যেনেকৈ পাৰে দৰ্শকসকলৰ আগত প্ৰদৰ্শন কৰিলে।

একো অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ নোহোৱাকৈয়ে সকলো প্ৰতিযোগী ওলাল, কেৱল শেষ প্ৰতিযোগী গৰাকী ওলোৱাৰ অলপ আগেয়ে মোৰ কাৰণে প্ৰীতিকৰ ঘটনা এটা ঘটিল।

ভেঁটি কাণ্ড

হনুমন্ত সেবক এজনে আহি মোক অলপ আঁতৰ কৰি মাতি নি ক'লে "বৰ্ণা চৌধুৰীক আপুনি জিকাই দিব লাগে, এই দুশ টকা লওক আৰু তিনি শ টকা পিছত দিম"।

কথাখিনি কৈ তেওঁ মোৰ হাতত বিজুলী সঞ্চাৰে দুখন এশ টকীয়া নোট গুঁজি দি তৎক্ষণাৎ অন্তৰ্ধান হ'ল। সেই এশ টকীয়া নোট দুখনৰ পৰশত মোৰ দেহ মন জুৰ পৰি গ'ল। মোকও মানুহে ভেঁটি দিয়ে—সেই কথা উপলব্ধি কৰি মোৰ বিশেষ গৌৰৱ কৰিবৰ মন গ'ল। সেইয়া মোৰ প্ৰথম ভেঁটি। মোৰ মহা আনন্দ হ'ল এই ভাবিয়েই যে সমাজৰ চতুৰ আৰু কৃতীলোকসকলৰ সৈতে একে শাৰীত মই উপবিষ্ট হ'লোঁ। মোৰ হাতৰ খজুৱতি শেষ হ'ল আৰু মোৰ মনৰ খজুৱতি আৰম্ভ হ'ল।

সমাজৰ প্ৰায় সকলো কৃতীলোকে খাবলৈ পোৱা আৰু ইমান দিনে সোৱাদ ল'বলৈ কোনো সুবিধা নোপোৱা ভেঁটিৰ জুতি পাই মোৰ জীৱন পোহৰ হ'ল। ভাবিলোঁ মোৰ আৰু মোৰ সতি-সন্ততিৰ কোনো দুৰ্গতি হোৱাৰ ভয় নাই। অন্ততঃ ভেঁটি নোখোৱা কাৰণে মোৰ দেউতাৰ যি-দুৰৱস্থা হৈছিল মই তেনে পৰিস্থিতিৰ সন্মুখীন হ'ব নালাগিব।

ঘটনাটো আছিল এনে ধৰণৰ—১৯৪৮ চনৰ জানুৱাৰী মাহৰ এক তাৰিখে তেখেতক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্টাৰ পাতি বিশ্ববিদ্যালয়খন আৰম্ভ কৰিবলৈ দিয়া হয়। কটন কলেজৰ হোষ্টেলৰ চৌহদত দুখৰ দিনত সজা এটা গুদাম ঘৰতে অফিচ পাতি তেখেতে বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰে। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম চৈধ্য বছৰত বিশ্ববিদ্যালয়ৰ মুখ্য প্ৰশাসক হোৱাৰ উপৰিও জালুকবাৰীৰ নিৰ্মাণ কাৰ্য্যৰ গধুৰ দায়িত্ব বহন কৰিব লগীয়া হয়। জালুকবাৰীত লাখ লাখ টকাৰ নিৰ্মাণ কাৰ্য্য চলাওঁতেও তেওঁ ঠিকাদাৰৰ পৰা ভেঁটি নলৈ ভাল কামহে আদায় কৰিবলৈ সদায় চেষ্টা কৰিছিল। তদুপৰি 'পৰীক্ষাৰ্থীৰ নম্বৰ বঢ়াই দিবৰ কাৰণে সদায় মানুহে তেখেতক ভেঁটি আগবঢ়াইছিল। তেখেতে ভেঁটি নাখাই ন্যায় পথত চলা বাবে বহুতৰে চকু পুৰিবলৈ ধৰিলে। চকুৰ পোৰণিত তেওঁলোকে তেখেতে ভেঁটি নাখায় বুলি বিশ্বাস কৰিবলৈকে টান পালে।

তেখেতে ভেঁটি খাই বা অন্যায় ভাৱে টকা-পইচা কৰি ঘৰ দুৱাৰ নকৰা বাবে সেই সময়ৰ বহু শিক্ষিত মানুহে আৰু সমাজৰ ভদ্ৰ-সভ্য-বৰলোকে তেখেতৰ বদনাম উলিয়ালে যে তেখেতৰ কোনো বিদেশী বেংকত বহু টকা আছে, অসমৰ বাহিৰত তেখেতৰ বহু সম্পত্তি আছে ইত্যাদি, ইত্যাদি। বেংকত আছে অপবাদে তেখেতে

পৰিত্যাগ কৰিলে আৰু সেই অসমীয়া ভদ্ৰ-সভ্য-ধনৱন্ত লোকসকলে তেওঁৰ ঠাইত এজন বিদেশী লোকক নিযুক্ত কৰিলে।

তোমাৰ তেওঁৰ নাই থাকিবৰ ঘৰ, নাই খৰচীয়া টকা, নাই অসমীয়া সমাজৰ সহানুভূতি। আমি তোমাৰ হকে স্কুল কলেজত পঢ়া ল'ৰা-ছোৱালীৰে নিৰ্ভৰ কৰিব লগীয়া হৈছিল ধানৰ চাৰি শ টকীয়া দৰমহা আৰু দুতিন টকাৰ ওপৰতে। বহুত দিন আমি শুদা দাইল-ভাতকে তৃপ্তিৰে খাব লগীয়া হৈছিল। সেইকাৰণে যদি ভোঁট খাই শকত পুঁজি এটা কৰিলেহেঁতেন বা ঘৰ-দুৱাৰ সাজিলে হয় তোমাৰ হ'লে আমাৰ বা তেওঁৰ তেনে অৱস্থা নহ'ল হয় বুলি বহুতেই কয়। তেওঁসকলৰ মতে এনেকুৱা বদনাম হ'লেই—লোকচান একো নাছিল। আজিৰ জগতত ন্যায় পথত চলাটো যে সামাজিক লোকৰ বিপৰীতে যোৱা তাক তেওঁ হয়তো নাজানিছিল।

যাহওক হনুমন্ত দেৱকে বৰ্মা চৌধুৰীৰ জিকাবৰ কাৰণে দিয়া দুশ টকীয়া ভোঁটটোৱে মোৰ মনত নতুন আনন্দৰ সৃষ্টি কৰিলে। বাইজৰ লগতে মইও টিঁলিকি এটা মাৰিবলৈ সমৰ্থ হ'লোঁ। অদৃশ্যৰ কামটো হ'লে আৰু তিনি শ টকা দিম বুলি কৰা প্ৰতিশ্ৰুতিয়ে মোৰ জীৱনলৈ নতুন প্ৰতিশ্ৰুতি আনিলে। ভোঁট খাবলৈ আৰম্ভ কৰা মানে কুবেৰৰ সুদৃষ্টি পোৱা কাৰণ ইয়াৰ পিছত সেইটো ভোঁট আহিয়েই থাকিব। মানুহে মই ভোঁট খাওঁ বুলি জানিলে মোৰ বদনাম নকৰি মোক ভোঁট দি নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈহে চেষ্টা কৰিব। তোমাৰ আৰু তেওঁলোকে মোৰ শত্ৰুতা কৰিবলৈ সময় নাপাব।

এইটোও সচা যে ভোঁট দিয়া মানুহবিলাক বেছ কাৰ্য্যক্ষম, উৎসাহী, সাহসী আৰু চৰিত্ৰহীন কাৰণ ভোঁট দিবলৈ সাহসৰ প্ৰয়োজন আৰু ঠিকমতে ঠিকসময়ত যথোচিত ভাবে ভোঁট দিবৰ কাৰণে যথেষ্ট কাৰ্য্যক্ষম হ'ব লাগে—লগতে নিজৰ কাৰ্য্য সিদ্ধি কৰিবৰ কাৰণে তেনেদৰে ভোঁট যাচিবলৈ বিশেষ উৎসাহৰ প্ৰয়োজন। তেওঁলোক চৰিত্ৰহীন এই কাৰণেই যে নিজৰ লাভালাভ বা স্বাৰ্থসিদ্ধিৰ বাহিৰে জীৱনত আন কিবা আদৰ্শ থাকিব পাৰে বুলি এওঁলোকে কেতিয়াও নাভাবে।

সমাজত সাধাৰণতে কাৰ্যক্ষম, উৎসাহী, সাহসী আৰু চৰিত্ৰহীন লোকবোৰ সাধাৰণতে প্ৰতিপত্তি বেছি হোৱা, কোনোবাই ভোঁট খোৱা লোকৰ অনিষ্ট সাধন কৰিবলৈকো সাহস নকৰে। সমাজত যদি দুই চাৰিজন ন্যায় পৰায়ণ বা সৎলোক আছে তেওঁলোকে ভোঁট খোৱা লোকৰ অন্যায় কৰি নিজৰ চৰিত্ৰ হানি কৰাৰো কোনো ভয় নাই। সেয়েহে মই খামুচি ধৰি থকা অৰ্থশালী টকা দুশৰ দৰে আজিৰ অন্যায় অৰ্থক খামুচি ধৰি থকা নৈতিকতাবিহীন সমাজত ভোঁট খোৱা মানুহ নিৰাপদ।

তথাপি মোৰ অলপ চিন্তা হ'ল—ভোঁট লৈছোঁ বুলি বৰ্মা চৌধুৰী জিকাবৰ কিবা এটা উপায় উলিয়াবই লাগিব। মোৰ এইটোও ভয় হ'ল যে দুবুলী আৰু দুয়োই কথাটো গম পালে হয়তো তেওঁলোকেও মোৰ ভাল বিচাৰিব কাৰণ ভোঁটৰ সমান ভাগ

হয়। এবাৰ কলিকতাত শুল্ক বিভাগৰ পৰা মই মোৰ চুটকেছ এটা খালাচ কৰিবৰ কাৰণে এখন কাগজত বিষয়া কেৰানীসকলৰ ৩২ টা চহী ল'ব লগীয়া হৈছিল আৰু প্ৰত্যেকটো চহীৰ কাৰণে এটকাকৈ ভেঁটি দিব লগীয়া হৈছিল; শেষত এজন কেৰানীৰ পৰা গম পালোঁ যে সেই ৩২ টা টকা আটাইবে মাজত ভাগ হ'ব। আন নালাগে এবাৰ দিল্লীৰ পৰা কলিকতালৈ ৰেলত আহোঁতে শোৱা-ভৰাৰ এটা চীটৰ কাৰণে মই এটকা ভেঁটি দিব লগীয়া হৈছিল। পিছত কণ্ডাক্টৰজনে চাবি অনাৰ চৰৰত এগিলাচ আনি ক'লে যে তেওঁলোক তিনিজনৰ মাজত ভেঁটি ভাগ হয়—মই চাবি অনা বোঁছ.ক দিয়া কাৰণে তাবে মোক চৰৰত কিনি খুৱালে। তেওঁ মোক জনালে যে দৰমহাৰ টকাৰে তেওঁৰ সংসাৰ নচলে। তেওঁলোকে বেছি পইচাও আশা নকৰে। দিনো মিলিটাৰীৰ কাৰণে আহুতীয়াকৈ ৰখা দহটা চীটকে ভেঁটি লৈ তেওঁলোকে আনক দিয়ে আৰু গাই পতি আঢ়ৈ টকাকৈ মাহে প্ৰায় ৭৫ টকামান হয়। তাতেই তেওঁ সন্তুষ্ট। মই তেওঁৰ মহানুভৱতাৰ শলাগ লৈ ক'লোঁ যে তেওঁ ইমান ন্যায় ভাৱে ভেঁটি খোৱা কাৰণে চৰকাৰে তেওঁক পদ্মশ্ৰী দিয়া উচিত।

ভেঁটিৰ ভাগ মুৰুলী আৰু গুপ্তাক দিব লগীয়া হ'ব বুলি মোৰ খুব চিন্তা হ'ল। দুশ টকাক তিনি ভাগ কৰাৰ নিচিনাই পৰিস্থিতিটো একপ্ৰকাৰ কেলেঙ্কাৰীসূচক হ'ল। ভাবি ভাবি মই একো উমঘাম নোপোৱা হ'লোঁ। কিন্তু মই মিছাতেই চিন্তা কৰা হ'ল কিয়নো দুনীতিৰ বাবেৰ নাড়ীৰ দৰে সকলোকে ভালদৰেই জানি ধৰিছিল।

মুৰুলীৰ ঘৈণীয়েকে ফোনত কথা পাতিব খুজিছে বুলি খবৰ দিয়াত মুৰুলীয়ে আমাক এৰি ফোন কৰিবলৈ গ'ল। সেই সুযোগতে মই গুপ্তাৰ মনটো চোৱাৰ মানসেৰে সুধিলোঁ।

"কি ভাই গুপ্তাজী, আপুনি কাক আটাইতকৈ ধুনীয়া দেখিলে।" গুপ্তাই নিসঙ্কোচভাৱে ঘপৰাই উত্তৰ দিলে,

"কিয়, বৰ্ণা চৌধুৰী—তোক জানো ইহঁতে বৰ্ণাৰ কাৰণে ভেঁটি দিয়া নাই? বৰ্ণাৰ কাৰণে ভেঁটি লৈছো বেতিয়া মই তাইকেই জিকাবলৈ চেষ্টা কৰিম।"

মোৰ দুশ টকা ভাগ কৰিব নালাগে বুলি জানি অলপ সকাহ পালোঁ যদিও মই মনৰ খুদুৱনি মাৰিবলৈ গুপ্তাক সুধিলোঁ,

"আপোনাক ইহঁতে কিমান টকা দিলে! মুৰুলীক ভেঁটি দিছে নে নাই? তাক বা কিমান দিছে?"

গুপ্তাই মোৰ কাণত ফুচফুচাই (হিস্পীক) ক'লে,

"কলাচহঁতে মোক মাত্ৰ পাঁচশ দিছে। ইহঁতে বৰ কৃপণালি কৰিছে। কি কৰিম, উপায় নাই। জপ কৰি থ'বলৈকো ফাইল এটা নাই। ফাইল নথকা কামত ভেঁটি অলপ কম হয়। মুৰুলীক ইহঁতে নিশ্চয় বেছি দিব, সি জেলচটী-কাম্চলাৰ বেতিয়া।"

মোৰ পেটে পেটে খং উঠিল যে সিহঁতে গুপ্তা স্মাদ মুৰুলীক বেছি টকা দিলে।

ভাবিলোঁ মোৰ দাম নো গুপ্তাৰ নিচিনা মাস্তানী-বিহীন লোকতকৈও কম হ'ব লাগে নে ? লগতে মোৰ কৌতূহলও হ'ল যে মোৰ দাম কম বুলি সিহঁতে কেনেকৈ জানিলে। মোৰ মনৰ কথা গুপ্তাক কোৱাত গুপ্তাই মোক বুজালে,

"তই এনেয়ে চিন্তা কৰিছ। এইয়া তোৰ প্ৰথম ভোঁট নহয় ? ভোঁটৰ ক্ষেত্ৰত সকলোৰে ক্ষমতা আৰু ব্যক্তিত্ব অনুসৰি দাম আছে। তই এতিয়া নতুন দোকানী, বজাৰত নতুনকৈ সোমাইছ, সিহঁতে কেনেকৈ তোৰ দাম জানে ? তাতে এইয়াটো গণিত নহয়, এইয়া অৰ্থনীতি—বস্তুৰ দাম হয় প্ৰয়োজন অনুসৰি, গুণ অনুসৰি নহয়। তাতে বিক্ৰীৰ-প্ৰচেষ্টাও (marketing) লাগে। তই যদি ভাল মেনেজাৰ আদি ৰাখিব পাৰ বা ভালদৰে নিজকে বজাব পাৰ (advertise) তেনেহ'লে তোৰ দামও বাঢ়িব।"

গুপ্তাৰ কথাৰ মৰ্ম মই বুজিলোঁ। যৌতুক লোৱা, ভোঁট খোৱা আদি মানে নিশ্চয় নিজকে বিক্ৰী কৰা—তেতিয়া বজাৰৰ গেলা মালৰ দৰে দাম দৰ হোৱাটো স্বাভাৱিক। মই শিক্ষক মানুহ—পাৰ্মিট আদি দিয়া, কয়দী মুক্ত কৰা, পুলিচৰ হতুৱাই জুলুম কৰা আদিৰ ক্ষমতা মোৰ নাই যেতিয়া মোৰ দাম কম হোৱাটো স্বাভাৱিক। তাতে মোৰ টকা-পইচাৰ প্ৰয়োজনও কম, গুপ্তাই কোৱাৰ নিচিনা—

"চা, তই সাধাৰণ মানুহ, তোৰ বেছি লাস-বিলাস নাই। তেক্ষে বেছি টকা-পইচাৰ দৰকাৰ নাই। মোৰ দুৰবস্থা চাচোন, মানুহক দেখুৱাই ভাল চওক থাকিব লাগে আৰু মই যে যৌতুকত তেৰ লাখ টকা লৈছিলোঁ সি মোৰ জিন্দগী একেবাৰে বৰবাদ কৰি দিছে। সেই কাৰণে মই ভাবিছোঁ যে তেৰ লাখ টকা গোটাই সিহঁতক ওভোতাই দিম, লগতে ঘোৱালীকো ওভোতাই দিম। তাৰ পিছত মই সাধুৰে নিচিনাকৈ শান্তিত থাকিব পাৰিম।"

ভোঁটৰ মূল্য বা মানুহৰ দাম মগজুৰ ওপৰত নহয়, জ্ঞান-গৰিমা-সৃষ্টিৰ মাজেদিও নহয়। মানুহৰ দামও বজাৰৰ আন দ্ৰব্যৰ দৰে ফটকা-বজাৰ (Speculation) বা প্ৰয়োজন ও চালানৰ ওপৰতে নিৰ্ভৰ কৰে। গুপ্তাজীৰ পৰা এনেকুৱা কথা শিকিব পাৰি মই তেওঁক অশেষ ধন্যবাদ দিলোঁ।

কোৱা বাহুল্য যে ইতিমধ্যে অৰ্থাৎ মই ভোঁট লোৱাৰ পিছত একে মঞ্চৰ শিয়াল বুলি গুপ্তা আৰু মোৰ যথেষ্ট আন্তৰিক সম্বন্ধ স্থাপিত হ'ল। গুপ্তাই মোক আশ্বাস দিলে যে বৰ্ণাক জিকাৰৰ কাৰণে মোৰ্চা যাতে তেওঁৰ সমান ভোঁট দিয়ে তাৰ কাৰণে তেওঁ চেষ্টা কৰিব আৰু তাকে কৰিব নোৱাৰিলে তেওঁক দিয়া টকা মোৰ সৈতে সমানে ভাগ কৰি ল'ব। গুপ্তাৰ সজ্জনতাত মুগ্ধ হ'লোঁ। আমাৰ দুটাৰ কথাও হিন্দীতে তই-তই মই-মই ভাবে চলিলে। বিদেশী ভাষা এৰি দেশী ভাষাত কথা-বতৰা পতা কাৰণে আমাৰ সম্বন্ধও বেছি ঘনিষ্ঠ হ'ল। এনেদৰে ভোঁট খোৱা কাৰণেই যে আমাৰ মাজত এনে আন্তৰিক, সজ্জন আৰু ঘনিষ্ঠ সম্বন্ধ

আৰম্ভ হ'ল তাত সন্দেহ নাই। সেইকাৰণে সেই পথত প্ৰথম খোজটো দি মই নিজকে ধন্য মানিলোঁ।

জীৱনত মই বহুত ভাল কাম কৰিছোঁ, কিন্তু সেইবিলাক সদায় অকলশৰে কৰিব লগীয়া হৈছিল, কোনেও কেতিয়াও সহৃদয়তাৰে আহি সেইবিলাকৰ সমভাগী হোৱা নাছিল। এতিয়া ভেঁটিৰ জগতত প্ৰৱেশ কৰাৰ লগে লগে গুপ্তাজীৰ লগত মোৰ বন্ধুত্ব স্থাপন হ'ল। অকল সেয়ে নহয়, গ্ৰহ-উপগ্ৰহৰ গতি পথ আৰু কক্ষ নিৰীক্ষণ কৰি থকা সকলে গুপ্তা আৰু মই অতি ঘনিষ্ঠ ভাৱে হাঁহি মাতি কথা পাতি থকা দেখি গুণো-গাঁথা কৰিলে যে মোৰও মূল্য গুপ্তাৰ সৈতে সমান হোৱা উচিত। এজনে মোক আকৌ একাষৰীয়াকৈ মাতি নি আৰু তিনি শ টকা দি ক'লে,

"গুপ্তা চাহাব আৰু আপোনাক সমানে দিছোঁ। কেৱল ডি-চি চাহাবক অলপ বেছি দিব লাগিব (তেওঁৰ ৰাইফ বৰ সাম্বাতিক)"

মুৰুলীয়ে ধৈণীয়েকৰ লগত ফোনত কথা পাতি আহি আমাৰ দুজনক ক'লে,

"মই কাক আটাইতকৈ ধুনীয়া বুলি বিবেচনা কৰিম তাক মোৰ স্ত্ৰীয়ে কৈছে, মই তেওঁক অমান্য কৰিব নোৱাৰোঁ। তোমালোকেও মোৰ লগত সন্মত হ'লে ভাল হয়।"

মুৰুলীক অলপ জুলুম দিবৰ মানসেৰে গুপ্তাই ক'লে যে তেওঁ সেই বিকিনি পিন্ধা ছোৱালীজনীকহে আটাইতকৈ ভাল দেখিলে আৰু মই ক'লোঁ যে মোৰ সুজাতাকহে ভাল লাগিল। মুৰুলীয়ে অলপ খঙেৰে মোক সুজাতাৰ বিষয়ে ওলোৱা কথাটো সোঁৱৰাই দিলে। কিন্তু মই ক'লোঁ,

"সেইটো উৰা বাতৰিহে, তাৰ যেখোন সত্যা সত্যতা প্ৰমাণ হোৱা নাই।"

মুৰুলীয়ে অলপ কুথ হৈ শইকীয়াক বিচাৰিলে।

শইকীয়াই চচ্মা হেৰুৱাই ইতিমধ্যে ক'ৰবাৰ পৰা এটা পুৰণা দুৰবীণ, এখন মেগনিফাইং গ্লাচ, এটা কেমেৰা, এডাল ফিটা আদি নানা ধৰণৰ যন্ত্ৰ-পাতি লৈ ছোৱালীবিলাকৰ মাজত থকা বুলি মই মুৰুলীক জনোৱাত মুৰুলীয়ে অলপ দেৰি অপেক্ষা কৰাই ভাল বুলি ক'লে। সোনকালে অনুষ্ঠানটোৰ সামৰণি মৰাতকৈ অলপ সাংস্কৃতিক প্ৰদৰ্শনীকে পতা ভাল হ'ব বুলি মই সেই গীটাৰ বজাব লগীয়া ল'ৰাজনকে মাতি গীটাৰ বজাই গান এটা গাবলৈ ক'লোঁ আৰু প্ৰতিযোগী-সকলক হুকুৱাই সৰু সুৰা নাচ গানৰ ব্যৱস্থাকে কৰো বুলি এখিলা বগা কাগজ আৰু এডাল পেন্সিল লৈ মঞ্চলৈ গ'লোঁ, মুৰুলীও মোৰ লগতে গ'ল।

আমি দৈ ছোৱালীহঁতক ক'লোঁ যে বিচাৰক সকলে আলোচনা কৰে মানে তেওঁলোকে দৰ্শকক আমোদ দিব পৰা সাংস্কৃতিক অনুষ্ঠানৰ ব্যৱস্থা কৰা যাওক। তেওঁলোক কোনোবাই যদি গান গাব, নাচিব, আবৃত্তি বা মুখখনৰ বাহিৰে যেনেতেন কিবা বজাব জানে মোক নাম দিবলৈ ক'লোঁ। মই ভাবিছিলোঁ ইমান সোণা

ছোৱালীৰ মাজৰ পৰা কেৱল সাংস্কৃতিক কাৰ্য্য ওলাব। কিন্তু কি আচৰিত নিজকে সৌন্দৰ্য্য-ৰাণী বুলি প্ৰদৰ্শিত কৰিবলৈ অহা সেই যুৱতীহঁতৰ মাজত এজনী ছোৱালী নোলাল যি নেকি গান গাব পাৰে বা নাচিব জানে বা কিবা বাদ্য যন্ত্ৰ বজাব জানে বা আন কিবা পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে। কিন্তু মই আচৰিত হ'লোঁ—
তেওঁলোক আটায়েই কলা-কৃষ্টি-বিহীন—সিং জোকৰা নেজ জোকৰা পশু ম'হৰ দৰেই। তেতিয়াহে মই উপলব্ধি কৰিলোঁ কিয় আমেৰিকাতও সৌন্দৰ্য্য প্ৰতিযোগিতাবিলাকক মানুহে সদায় 'Cattle-show' অৰ্থাৎ 'গো-প্ৰদৰ্শনী' বুলি কৈছে।
[এইখিনিতে উল্লেখযোগ্য যে আমেৰিকা আৰু কানাডাত নানা ধৰণৰ গো-প্ৰদৰ্শনী অৰ্থাৎ বলদ, গাই, দমৰা, ছেঁউৰী আদিৰ প্ৰদৰ্শনী হয়। এই প্ৰদৰ্শনীবিলাকত প্ৰতিযোগীসকলৰ ওজন, ক'কাল, পিঠি- ভৰি আদি জোখা হয়—ঠিক সৌন্দৰ্য্য প্ৰতিযোগী ছোৱালীহঁতৰ বুকু, ক'কাল, নিতম্ব আদিৰ মাপ লোৱাৰ দৰেই। তদুপৰি কাৰ খুৰা কেনেকুৱা, কাৰ ওহাৰ ডাঙৰ, কাৰ ছাল মিহি আদি বিচাৰ কৰি 'শ্ৰেষ্ঠ-গাই', 'শ্ৰেষ্ঠ-ছেঁউৰী' আদি পুৰস্কাৰ দিয়া হয়। আমেৰিকাত কুকুৰ-প্ৰদৰ্শনীও হয়, কিন্তু তাৰ নিয়ম-কানুন বহুত বেলেগ, সৌন্দৰ্য্য প্ৰতিযোগিতাৰ লগত নিমিলে]।

সৌন্দৰ্য্য-ৰাণী হ'বলৈ প্ৰয়াসী কলা-কৃষ্টি-বিহীন সেই ছোৱালীহঁতৰ দ্বাৰা একো সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিব নোৱাৰি মুৰুলী আৰু মই উভতি আহিলোঁ—মোৰ বগা কাগজ খিলা বগা হৈয়ে থাকিল। উপায়ান্তৰ হৈ মই মুৰুলীক ক'লোঁ যে এনেয়ে বহি থাকিবলৈ মানুহে খুব আমনি পাব; সেইকাৰণে গোটেইবিলাক ছোৱালীক মঞ্চত বাইজে দেখাকৈ থিয় হৈ থাকিবলৈ দিয়াই ভাল হ'ব; সাংস্কৃতিক প্ৰদৰ্শনী নহয় যেতিয়া গো-প্ৰদৰ্শনীকে হওক আৰু আমি বৰ-মেলাকে কোন 'মিছ-গোৱাহাটী' হ'ব বিচাৰ কৰি লেঠাটো মৰা উচিত।

ছোৱালীহঁতক মঞ্চত উলিওৱাৰ পিছত মুৰুলীয়ে মোক একাষৰীয়া কৰি ক'লে যে বিশেষ দেৰি কৰি লাভ নাই, ৰমা চৌধুৰীক বিজয়ী বুলি ঘোষণা কৰি সোনকালে সকলো শেষ কৰা উচিত, তেওঁৰ দেউতাকেও ৰমাই জিকিব লাগে বুলি ক'লে। মই আচৰিত হৈ সুধিলোঁ,

"ক'ত তেওঁৰ দেউতাকক দেখোন ইয়াত নাই। তেওঁ কোনো প্ৰতিযোগীকে নেদেখাকৈ কেনেকৈ ৰমাই আটাইতকৈ ধুনীয়া বুলি ক'ব পাৰে?"

মোৰ কথা শুনি মুৰুলীয়ে খোলাখুলিকৈ স্পষ্টভাৱে ক'লে,

"আৰে দিলীপ, তই দেখোন আমেৰিকাত থাকি ভূমকলৰ একেবাৰে পাহৰি গৈছ। এইয়া ভাৰতবৰ্ষ—দিব্যজ্যোতি থকা দেশ। সঞ্জয়ে দিব্য জ্যোতিৰে কুৰুক্ষেত্ৰৰ যুদ্ধ যেনেকৈ ধৃতৰাষ্ট্ৰক বৰ্ণাই পাৰিছিল ঠিক তেনেকৈ মোৰ সখীয়ে

সকলো দেখিছে। তইতো মোৰ শৰীৰ জানই, পৃথিৱীৰ সকলো কথা তেওঁ জানে, অন্ততঃ তেওঁ সকলো জানো বুলি ভাবে।" তেওঁ বৰ্ণা চৌধুৰী হিচাপে লাগে বুলি কৈছে যেতিয়া মই সেই মতামতৰ বিৰুদ্ধে যাব নোৱাৰো। মই কামৰূপৰহে জিলাধিপতি, কিন্তু মোৰ অধিপতি হৈছে মোৰ পত্নী। মানে তেওঁ য'তেই চকু দিয়ে তাতেই তেওঁ অপ্ৰতিদ্বন্দ্বী মহাৰাজাধিৰাজ বুলি মই তেওঁক মানি লও। তেওঁ মোৰ সহধৰ্মিণী নহয়, তেওঁ মোৰ সৰ্ব বিষয়ৰ অধিকাৰিণী।"

বিতী-মেসোৱা মধুবালাৰ পাৰিবাৰিক জীৱনৰ কথা মই আগেয়ে অলপ জানিব পাৰিছিলোঁ। সেয়েহে একপ্ৰকাৰ সমবেদনাৰ সুৰত মই সুধিলোঁ,

"মই সেইবিলাক সকলো বুজি পাওঁ—তোৰ পাকঘৰত তেওঁ ছেংগিজ খাঁ, তোৰ শোৱা কোঠাত তেওঁ আলেকজেণ্ডাৰ, তোৰ চ'ৰাঘৰত তেওঁ জোৱান-অব-আৰ্ক, তোৰ পিঠিত তেওঁৰ হাত ধি-কৰা-জগন্নাথ, তোৰ মনৰ তেওঁৱেই হৰ্তা-কৰ্তা-বিধাতা। মুঠৰ ওপৰত, তোৰ ঘৰত তই এক পৰাজিত, কাৰাৰুদ্ধ, নিঃসহায় বন্দী। কিন্তু তেওঁ বৰ্ণাক কিয় পছন্দ কৰিলে? কোনোবাই তেওঁক ভোঁট দিলে নেকি?"

মোৰ প্ৰশ্নৰ সমিধান মধুবালাই এই বুলি দিলে,

"এই বিলাক ভাৰতীয় সমাজ-নীতি আৰু অৰ্থনীতি তই কি বুজিবি? আই-এ-এচ অফিচাৰ কাৰণে ম'নহে মই বজাৰ দৰে থকাটো বিচাৰে। কিন্তু, মোৰ দৰমহাৰ টকাৰে চলিব লাগিলে মই থাকিব লাগিব ভিকহুৰ দৰে। এই ভিকহু আৰু ৰজাৰ মাজত সেতু গঢ়াৰ একমাত্ৰ উপায় হৈছে ভোঁট। অৱশ্যে, মই ভোঁট নাখাওঁ। তেনে অসৎ কাম মই কেতিয়াও নকৰো। ভোঁট লয় মোৰ পত্নীয়ে। আজি কালিৰ মোৰ নিচিনা বহুত উচ্চ বিষয়াৰ পত্নী অৰ্ধাঙ্গিনী নবুলি অৰ্ধভোঁটিণী বুলিব পাৰি কিয়নো তেওঁৰ গাৰ প্ৰসাধন সামগ্ৰী, অলঙ্কাৰ-পাতি, কাপোৰ-কানি আৰু আন নালাগে তেওঁৰ মণ্ডহৰ টোপোলাৰ বাবে প্ৰয়োজন মাখন ঘিঁউ আদিৰ আধা-আধি ভোঁটৰ পইচাৰেই আহে। ভাৰতীয় অৰ্থনীতি আৰু ভাৰতীয়—সকলৰ সুস্বাস্থ্যৰ কাৰণে ভোঁটৰ কি প্ৰয়োজন তই ইয়াৰপৰাই ভালদৰে বুজা উচিত।"

তাৰ পিছত নিজৰ ব্যক্তিগত কথা বাদ দি মধুবালাই আমাৰ দুয়োকো ক'লে যে বাজে কথা বাদ দি আমি গণতান্ত্ৰিক ভাবে কোন জিকা উচিত ভোট দি সকলো নিষ্পত্তি কৰা ভাল হ'ব। তেওঁ আমাৰ দুজনক এখিলা এখিলা সৰু কাগজ দিলে আৰু নিজেও এখিলা কাগজ লৈ ক'লে যে আমি প্ৰত্যেকেই কোন 'মিছ গৌহাটী' হোৱা উচিত তাকে লিখোঁ। যদি আমি একমত হওঁ তেনেহ'লেতো ভালেই, আমি দুজনেও যদি একেজনীৰ নাম লিখো তেওঁয়েই জিকিব আৰু যদি আমি তিনিওজনেই বেলেগ বেলেগ নাম লিখো তেনেহ'লে সেই তিনিজনীক ভালদৰে আলোচনা কৰি আকৌ ভোঁট লোৱা হ'ব।

তেওঁলোক দুয়োজনে মিলযোগে খপ্‌খপ্ কৰে একোটা নাম লিখিলে। মই হাতত পেন্সিলডাল লৈ কাৰ নাম লিখিম ভাবিবলৈ লওঁতেই মোৰ মনলৈ আহিল সেই বিহা মেখেলা পিন্ধা ছোৱালীজনী। মোৰ অনুশোচনা হ'ল তেওঁক এৰি মই সেই অসত্য বা অৰ্ধসত্য মানুহবিলাকৰ মাজত কি কৰিছোঁ। মদুলীয়ে নিজৰ পতিক সম্বন্ধে কথা আৰু নিজৰ প্ৰয়োজনৰ বাহিৰে আন একো চিন্তা নকৰে, গুণৰ একমাত্ৰ ধাৰণা তেওঁ যৌতুকত লোৱা টকা মানুহেকক ওভোতাই দি নিজকে মুক্ত কৰা। তেওঁলোক দুয়োৰ হিতাহিত বিচাৰ কৰিবলৈ আন কোনো মাপকাঠি নাই। তেওঁলোক দুনীতি পৰায়ণ নহয় কিন্তু দুনীতিৰ ক্ষমতা স্বীকাৰ কৰাটো তেওঁলোকৰ নীতি।

মইতো তেনেদৰে নিজকে বিক্ৰী কৰিবৰ কোনো প্ৰয়োজন নাই। মোৰ পত্নী নাই, মই কেতিয়া যৌতুকও লোৱা নাই বা কেতিয়াও তেওঁ'ত ধাৰ লগীয়া হোৱা নাই। মই শিক্ষক, শিক্ষকতাই মোৰ আনন্দ। মই ভাল পাওঁ কলা-কৃষ্টি, নিজৰ ভাষা-সাহিত্য আৰু সৃষ্টিধৰ্মী কাৰ্য। মোৰ জীৱন কৰম সেউজী গভীৰতাৰও উৰ্ধৰ মোৰ সেই কল্পনাৰে হৰিণী নয়না। মোৰ বিবেক আছে—মোৰ প্ৰাণৰ উৎপ্ৰেৰণা আছে বিশেষ এক সুন্দৰৰ মহীয়সী পৰা। ঐহিক জীৱনৰ অলপ সুখ-সম্ভোগ বা কিছু অভাৱৰ কাৰণে মই মোৰ জীৱনৰ মধুৰ আত্মাক বলিদান কৰিবৰ কোনো কাৰণ নাই। মই মদুলীক ক'লোঁ,

"মদুলী, মোৰ ভৰিলৰ শেষ হ'ল। মই এতিয়া আচল কথাটো আহোঁ। তোমালোক দুজনে যেনেকৈ তেওঁ লৈ নিজৰ বিচাৰ-বুদ্ধিৰ বিক্ৰী কৰিছা তেনেকৈ মই নিজকে সমৰ্থ কৰিব নোৱাৰোঁ। মোক দিয়া টকাখিনি কাৰ পৰা আহিছে মই জানো। মই তেওঁক টকাখিনি ওভোতাই দিম।

আজি ওকোৱা গোটেই বেইজনী ছোৱালীক মই সমানে ধুনীয়া দেখিছোঁ, তেওঁলোকৰ যৌৱনৰ সৌন্দৰ্যত। তেওঁলোকৰ দেহৰ সৌন্দৰ্য বা ব্যক্তিৰ সৌন্দৰ্য নিৰূপণ কৰিবলৈ মই তেওঁলোকক ভালদৰে দেখাও নাপালোঁ বা জানিবলৈ সুবিধাও নাপালোঁ। সেইবাৰ ভিতৰত যি পৰাকৈ মই ধুনীয়া দেখিছিলোঁ, যাৰ সুন্দৰতাই মোৰ অন্তৰত কোমলতা আৰু মোৰ আৱেগ প্ৰেম ভাব জগাই তুলিছিল তেওঁ মেখেলা সৌন্দৰ্যৰ এই মহুৱালি দেখি কেতিয়াবাই আঁতৰি গ'ল। মই সেই কাৰণে কাৰও নাম লিখিবোঁ। তোমালোক দুয়োজনেই ঠিক কৰা। তোমালোকৰ বুদ্ধি মতে ভবিষ্যৎ হয় তেনেহ'লে মই বিয়া এটা কৰিম।"

তেওঁলোক দুজনৰ মতে ভবিষ্যৎ হ'ল। তেওঁ সোনাম বাবিৰ তেওঁলোকে দুয়ো—বিংকাৰৰ কাৰণে তেওঁ লেহে সেই কথাটো সমাধা কৰিবলৈ তেওঁলোকৰ দুৰ কৰাৰ হ'বলৈ আৰু তেওঁলোকক পিছলৈ তেনেও তেওঁ লিখিব। তেওঁলোক দুয়ো কাৰ জোখ্দীৰে নাম লিখিছিল।

মই হেনেকুৱা বাতি তেওঁৰ হাতত টকা গোটা দি ক'লোঁ, "এইখিনি তোমাৰ

টকা। ইয়াৰে মই মোৰ ব্যক্তিগত কল্যাণত নকৰোঁ। অৱশ্যে মোক এইখিনি নিদিয়া হ'লেও তোমাৰ কাৰ্য্য সিদ্ধি হ'লহেঁতেন। তুমি ইয়াৰ সদ্ব্যৱহাৰ কৰিবা। মই মোৰ দায়িত্ব কৰিলোঁ। এতিয়া মঞ্চ তোমাৰ কাৰণে। তুমি অনুষ্ঠান আৰম্ভ কৰিছিলা এতিয়া তুমিয়েই তাৰ সামৰণি মাৰা।"

মুৰুলীয়ে হনুমন্তক ক'লে,

"আমি বৰ্ণা চৌধুৰীকে 'মিছ গোৱাহাটী' বুলি বিচাৰ কৰিছোঁ। তুমি এতিয়া পুৰস্কাৰৰ ব্যৱস্থা কৰা।"

হনুমন্তই আনন্দত অধীৰ হৈ জঁপিয়াবলৈ ধৰিলে লঙ্কা যেন জয় কৰি ৰামচন্দ্ৰহে আহিল। তেওঁ অলপ সংযত হৈ পুৰস্কাৰৰ কথা ভাবোঁতেহে তেওঁলোকৰ ধ্যান হ'ল যে পুৰস্কাৰৰ টকা আৰু বিজয়িনী-চুমা দিবলৈ দৰ্গভ কাকতী তেতিয়াও আহি পোৱা নাছিল। তেওঁ নহা কথাটো ভেকাহঁতে গমেই পোৱা নাছিল কিন্তু যেতিয়া পুৰস্কাৰৰ টকাৰ কথা আহিল তেতিয়া আকৌ হৈ চৈ লাগিল। সেই হুলস্থূলত মোৰ সোমাবৰ কোনো ইচ্ছা নাছিল দেখি মই গুপ্তা আৰু মুৰুলীৰ পৰা বিদায় লৈ ওলাই আহিলোঁ।

ইতিমধ্যে হনুমন্তই বৰ্ণা চৌধুৰীয়েই 'মিছ গোৱাহাটী' হোৱা বুলি ঘোষণা কৰিলে আৰু প্ৰথম পুৰস্কাৰ হিচাপে তেওঁক যে আমেৰিকা ভ্ৰমণৰ খৰচ দিয়া হ'ব জনালে আৰু তেওঁক যে দৰ্গভ কাকতীয়ে আহি পুৰস্কাৰৰ টকা দি 'মিছ-গোৱাহাটী'ৰ মুকুট পিন্ধাব তাকও ঘোষণা কৰি তেওঁ বুৰুক দাসক হুকুম দিলে দৰ্গভ কাকতীক বিচাৰি আনিবলৈ। অব পিছত ভাওনা শেষ হ'ল আৰু ভেকো-ভাওনা আৰম্ভ হ'ল।

বৰ্ণা চৌধুৰীয়ে আনন্দত অধীৰ হৈ কান্দিলে আৰু বাকী বিলাক প্ৰতিযোগীয়ে দুখতে একোটা হৃদয়-বিদাৰক ক্ৰন্দনেৰে জিলা পুথি ভঁড়াল ক'পাই তুলিলে। তেওঁলোকে যেয়ে যিহকে পাই তিহকে ক'লে—কোনোৱে ক'লে, 'এইবিলাক সকলো হনুমন্তৰ চক্ৰান্ত', 'সি বৰ্ণাক জিকাবৰ কাৰণে আগৰে পৰাই সকলোকে হাত কৰি থৈছে', 'বিচাৰক কেইজন কণা', 'আমি এনেয়ে ইমান কষ্ট কৰিলোঁ', 'মোৰ সকলো পইচা শেষ হ'ল', 'মতা মানুহবিলাক চব মতলবী' ইত্যাদি ইত্যাদি।

দৰ্শকসকলৰ বহুতো থিয় হৈ এনেয়ে হুৰাহুৰি কৰি হাত তালি পোনাই ছোৱালীহঁতৰ দেহৰূপ চাবলৈ ধৰিলে। মুৰুলী আৰু গুপ্তাইও বেছ আনন্দ মনেৰে ইটো সিটো কথা কৈ ৰাইজৰ লগত আমোদ প্ৰমোদত যোগ দিলে। কেৱল বুৰুক দাসেহে ইপিনে সিপিনে ঘূৰি কাকতীক বিচাৰিবলৈ ধৰিলে।

কিনো কপাল (?)—কাণ্ড

মই বাহিৰলৈ ওলাই আহি কেই খোজমান যোৱাৰ পিছতে কাকতীৰ ড্ৰাইভাৰজনে দৌৰি আহি মোক ক'লে যে কাকতীৰ ভীষণ দুৰৱস্থা। তেওঁ গা-ধোৱা ঘৰত পৰি হেনো বেয়াকৈ জখম হ'ল, ওঁঠ, কপাল, থুতৰি, আঁঠু কেবা ঠাইতো চিলাই কৰিব লগীয়া হ'ল; কেইমিনিটমান আগতেহে হেনো তেওঁক ড্ৰাইভাৰে হস্পিটালৰ পৰা নি ঘৰত থৈ আহিছে। তেওঁ ড্ৰাইভাৰৰ হাতত চিঠি এখনও দি পঠাইছিল যে তেওঁ আহিব নোৱাৰে, সেইকাৰণে সেই সৌন্দৰ্য্য প্ৰতিযোগিতা স্থগিত ৰাখিব লাগে। চিঠিখন মুৰুব্বৰ হাতত দিবলৈ কৈ মই ড্ৰাইভাৰক জনালোঁ যে মইও তেওঁৰ গাড়ীতে কাকতীক চাবলৈ যাম। চিঠি দি ড্ৰাইভাৰ লৰালৰিকৈ আহিল।

ড্ৰাইভাৰৰ মুখে কাকতীৰ জখমৰ কথা শুনি মই ভাবিছিলোঁ যে কাকতীয়ে নিশ্চয় গা-ধোৱা ঘৰত আপোনঘাতী হ'বলৈ চেষ্টা কৰিছিল কিন্তু ব্লেডেৰে ডিঙিত বেপ নিদি তেওঁ ভুলতে ওঁঠ, কপাল, থুতৰি, আঁঠু আদিতহে কাটিলে। মোৰ ধাৰণা ভুল হ'ল—কাকতীয়ে আত্মহত্যা কৰিবলৈ চেষ্টা কৰা নাছিল। তেওঁ 'মছ-গৌহাটী' প্ৰতিযোগিতালৈ অহাৰ আগতে এবাৰ শেষবাৰৰ কাৰণে চুমা খাবলৈ অভ্যাস কৰিবলৈ চেষ্টা কৰোঁতেহে তেনেকৈ জখম হ'ল। আন কাকো বা একো নাপাই তেওঁ কোট, হেট থোৱা খিল-আলনা এডালকে গা-ধোৱা ঘৰত নি এজনী ছোৱালীৰ নিচিনাকৈ সজালে। দুৰ্ভাগ্যবশতঃ কিছুদিন আগৰ পৰা তেওঁৰ জামাধোৱনী গৰাকীয়ে গা-ধোৱা ঘৰ পৰিস্কাৰ কৰিবলৈ বন্ধ কৰা কাৰণে গা-ধোৱা ঘৰৰ মজিয়াখন পানী, শেলুৱৈ আদিৰে অতি পিছল হৈ আছিল; আৰু কাকতীয়ে আলনাডালক সাৱটি চুমা খাবলৈ ওলাওঁতেই পিছল খাই আলনা সহ বেয়াকৈ পৰিলে আৰু আলনাত থকা হাঁকোটা, গজাল কিলাকে তেওঁৰ শৰীৰত যেয়ে যেনি পাৰে সোমালে।

মই তেওঁৰ ওচৰ পোৱাৰ লগে লগে কাকতীয়ে দুখ দুখ প্ৰকাশ কৰিলে, তেওঁৰ কাৰণেই গোটেই অনুষ্ঠানটো তেনেই পণ্ড হোৱা কাৰণে। তেওঁৰ কাৰণে সকলো যে আহে লোক তেওঁ যোগ্যতাকও দুষিলে। মই অৱশ্যে তেওঁক জনালোঁ যে তেওঁ দুখ কৰিবৰ কোনো কাৰণ নাই, কিয়নো সকলো কাম ভালকৈয়েই হৈ গ'ল, তেওঁৰ কাৰণে কোনো বে-বকা নাছিল, কেৱল পুৰস্কাৰৰ সমান অংশতহে সকলোৱে তেনেকৈ গ্ৰহণ কৰিলে। মোৰ কথা শুনি কাকতীয়ে মৰ্মান্তিক বেজাৰ পালে, কাৰণ তেওঁ ভবাই নাছিল যে তেওঁৰ অবিহনে সেই সৌন্দৰ্য্য প্ৰতিযোগিতা সংগঠিত হ'ব পাৰে বুলি। তেওঁ খঙে বেজাৰে ক'লে,

"শুনিছা মই এক গইচাওঁলিখিত। ইমান খাই পাচ কথা। 'কেৱল নিজৰ স্বাৰ্থ।' নিজে পুৰস্কাৰ দিব, ডিস্ট্ৰী-বিউ দিব সেই ৰামচন্দ্ৰৰ গোঁসাইটোক

কাংচেন আৰম্ভ কৰি একেবাৰে শেষ কৰি দিলে। সিহঁতে প্ৰোজি পাইছে। মোৰ কাম নহ'ল বোলিয়া মই টকাও নিদিওঁ।"

মই কাকতীক ক'লোঁ,

"আপুনি তেনেদৰে ভবা অনুচিত। আপুনিতো নিজৰ স্বাৰ্থৰ কাৰণে টকা দিবলৈ ওলোৱা নাছিলে। আপুনিতো নিশ্চয় 'মিছ-গোহাটী'ৰ প্ৰতিযোগিতা সুকলমে হৈ যোৱাটোকে কামনা কৰে। এতিয়া সেই কাৰণে আপুনি ভাল পোৱা উচিত যে সকলো ভালদৰে হৈ গ'ল। কেৱল আপুনি পুৰস্কাৰৰ টকাখিনি দিলেই হ'ল।"

তেনেকুৱাতে বুৰুক দাসে ফোঁপাই জোপাই তালৈ আহি কাকতীক ক'লে,

"কাকতী দাদা, পুৰস্কাৰৰ টকাৰ চেক সোনকালে দিয়ক, সকলো বৈ আছে।" কাকতীয়ে কিন্তু লৈনিয়া লৈনিয়াই ক'লে, "মই মানুহেই আধা মৰা হৈ আছোঁ এতিয়া সেইবিলাক ভাবিবলৈ মোৰ শান্তি নাই।" মই তেওঁলোকৰ মাজত সুমোৱা ভাল নহ'ব বুলি ভাবি তাৰ পৰা আঁতৰ হ'লোঁ।

'মিছ গোহাটী' আৰু বানাৰ্জ আগ গৰাকীক বটা দিওঁতে সেইদিনাখন যথেষ্ট হুলস্থূল হ'ল। উপাৰন্তু বিতী যেসোৱা মুদুলীয়ে বৰ্ণা চৌধুৰীক 'মিছ গোহাটী'ক আৰু সুজাতা কৌৰক বানাৰ্জ আপ বুলি দুটা মুকুট পিন্ধালে। যদিও ব'টা হিচাপে টকাৰ চেক দিব পৰা নগ'ল। তেওঁলোক দুয়োকে ব'টাৰ চিন স্বৰূপে একোটা থালী থামকে দিয়া হ'ল। অৱশ্যে এইটো কোৱা হ'ল যে বৰ্ণাক আমেৰিকালৈ যাবলৈ এটা টিকট ও পাঁচ হেজাৰ টকা আৰু বানাৰ্জ আপ গৰাকীক ভাৰত ভ্ৰমণ কৰিবলৈ আকাশী জাহাজৰ টিকট ও দুহেজাৰ টকা পুৰস্কাৰ দিয়া হ'ব। অৱশ্যে, দৰ্শক কাকতীৰ অৱিহনে কোনেও বিজয়িনীৰ-দুয়া দিবলৈ আগ বাঢ়ি নাছিলে—মুদুলীয়ে ভয় কৰিলে যেণীয়েকৰ কাৰণে, হনুমন্তই ভয় কৰিলে কাকতীৰ পৰা টকা নোপোৱাৰ কাৰণে, বুৰুক দাস আৰু আন ডেকাসকলে ভয় কৰিলে হনুমন্তক। অনুষ্ঠানটো সামৰণি পৰাৰ পিছত হনুমন্ত কাকতীৰ ওচৰলৈ যৌবিলে, তেওঁ প্ৰতিশ্ৰুতি দিয়া টকাখিনি দিচাদি—কাকতীৰ কিন্তু এটাই কথা তেওঁ বিজয়িনীক দুয়া দিবলৈ নাপালে আৰু বাইজৰ আগত নিজকে জনাপ প্ৰকাশ কৰিবলৈকো সুবিধা নাপালে বোলিয়া তেওঁ টকা দিব নোৱাৰে। হনুমন্তই তাৰ পিছতও কেবাবাৰো দৰ্শক কাকতীৰ ওচৰলৈ গ'ল আৰু আন দুই চাৰিজনৰ হতুৱাইও তেওঁক কোৱালে। কিন্তু কাকতী অনৰ অচৰ, তেওঁ যি কাৰণে টকা দিবলৈ বাধ্য হৈছিল সেই চৰ্তবিলাক ডেকাহঁতে সম্পূৰ্ণ অৱজ্ঞা কৰিলে বোলিয়া তেওঁ টকা নিদিলে।

আন মাজাতে হনুমন্তহঁতে অনুষ্ঠানৰ কৰ্মকৰ্তাসকলে যা অনুষ্ঠানটো চাঁদ ধাৰেকৈতে কাকতীৰ কোনো খবৰ নোপোৱা কাৰণে আৰু তেওঁৰ নামটো ভুলতো এবাৰও উল্লেখ নকৰা বুলি জানিব পাৰি কাকতীয়ে মনত কি দুখ পালে তাৰ বাবে তেওঁ ডেকাহঁতৰ জোৰবোৰ কৰিবলৈ ধৰিলে। প্ৰতিজ্ঞাৰ মোৰেই কাকতীক সমৰ্থন

কৰিলে। সমাজৰ জ্ঞানী অজ্ঞানী সকলোৱেই ক'লে বিজন মানুহৰ টকাৰে গোটেই অনুষ্ঠানটো সংঘটিত হৈছিল তেওঁক তেনেকৈ অনাদৰ কৰাটো উচিত হোৱা নাছিল। অৱশ্যে এই দুই চাৰিজনক ক'লো যে বিজন মানুহৰ দিহা-পৰামৰ্শ মতে অনুষ্ঠানটোৰ সকলো কাৰ্য্য পৰিকল্পিত আৰু সমাপ্ত হৈছিল তেওঁকও তেওঁলোকে অনাদৰ আৰু অপমান কৰিবলৈ চেষ্টা কৰিলে। মোৰ কথা আনে নুবুজিলে যদিও বন্ধুলোকে বুজি পালে। সেয়েহে হৃদয়েশ আৰু বুবুকে তেওঁৰ ওচৰলৈ গৈ কৰ্ত্ত কাকতীৰ ওপৰত অলপ প্ৰভাৱ পেলোৱাৰ কাৰণে তেওঁক অনুৰোধ কৰাত তেওঁ সিহঁতক স্পষ্টভাৱে কৈ দিলে তেওঁ একো কৰিব নোৱাৰে বুলি। মনুলোকেও হৃদয়েশ ও বুবুকক তেওঁলোকৰ অকৃতজ্ঞতাৰ কাৰণে আৰু কাকতীক একেৰে খীয়াবলৈ চেষ্টা কৰা বুলি ধমকিছে দিলে।

হৃদয়েশ আৰু বুবুৱে মোৰ ওচৰলৈ পৰামৰ্শ বিচাৰি আহোঁতেও মই তেওঁলোকক ক'লো যে তেওঁলোকে কাকতীক অপ্ৰস্তুত কৰা উচিত নহয়, কাৰণ তেওঁৰ মনটো এনেয়ে ভাৰাক্ৰান্ত। তেওঁ যে আগেয়ে দুয়োৰ আপোনদাতা হ'বলৈ চেষ্টা কৰা লোক তাকে সোঁৱৰাই মই তেওঁহ'তক সতৰ্ক কৰি দিলো যাতে তেওঁলোকে কাকতীৰ মানসিক হেঁচা বৃদ্ধি নকৰে, কিয়নো ইতিমধ্যে তেওঁলোকৰ দ্বাৰা অপমানিত হৈ তেওঁ মনত বিশেষ কষ্ট পাইছিল। মই আৰু ক'লো—

> "তোমালোক দুজনে সেইদিনাখনৰ অনুষ্ঠানটো আৰম্ভ হোৱাৰ লগে লগে সাজি কাচি অহা ছোৱালী কেই গৰাকীক দেখি নিজৰ কাৰ্যসিদ্ধি হ'ল বুলি ভাবি বৰ অসভ্যালি কৰিলা। অলপ ক্ষমতা বা অলপ সুযোগ পালেই তোমালোকে এনেদৰে নিজৰ বন্ধু-বান্ধৱ আৰু আন লোকক তেনেদৰে অৱজ্ঞা কৰিব নালাগিছিল। তোমালোকে মানুহক মানুহ বুলি জ্ঞান কৰিব নাজানা কাৰণেই এতিয়া বিপাঙত পৰিলা। যাহওক, তোমালোকৰ কাৰণে বিহ-পঁচিহ হেজাৰ টকা একো নহয়। কিবা উপায়েৰে গোটাব পাৰিবা। হয়তো তোমালোকৰ বন্ধু-বান্ধৱ সকলোৱেই গোটাই দিব।"

তাৰ পিছত তেওঁলোকে এদিন সকলো বন্ধু-বান্ধৱক মাতি একেলগ মেল পাতিলে। "মিছ-গোৱাহাটী" প্ৰতিযোগিতাৰ অৰ্চান কৰোঁতে যিসকল আছিল তেওঁলোক আটাইকে মাতিলে—কেৱল মই আৰু কাকতীহে বাদ পৰিলো। এইবাৰ কাকতীয়ে নহ'ল নহ'লেই তেওঁৰ ঘৰতে গোট খাবৰ সুবিধাও নিদিলে। মই অৱশ্যে তেতিয়া গুৱাহাটীত নাছিলো। তেওঁলোকে সেইকাৰণে কটন কলেজৰ কোনোবা এটা শূন্য কোঠাতে গোট খালে। আলোচনাৰ মাজৰ পৰা গম পোৱা মতে সেইদিনাখন বিশেষ পইচাকৰি পোৱাৰ আশা নাছিল কাৰণে আটায়ে নাছিলে আৰু যি কেইজন আহিছিল তেওঁলোকৰো বেছি আগ্ৰহ দেখা নাথাকিলে। তেওঁলোকে হেনো প্ৰথমেই কৰ্ত্ত কাকতীৰ দুৰ্নাম গালে আৰু তেওঁক ইংৰাজী ভাষাৰে বহুত গালি দিলে। তাৰ পিছত হৃদয়েশই বৈঠক আৰম্ভ কৰালে আৰু সকলোকে জনালে যে কাকতীৰ পৰা

টকা গোৱাটো অসম্ভৱ বেতিয়া তেওঁলোকে যেনে তেনে কিছু হেজাৰমান টকা গোটাব লাগিব তেতিয়া আটায়ে হনুমন্তক নানা ধৰণেৰে সমালোচনা কৰি গালি পাৰিবলৈ ধৰিলে। মন্দিৰাই ক'লে,

"সেইদিনাখনৰ অনুষ্ঠানত তুমি এনেকুৱা ব্যৱহাৰ কৰিছিলা যেন তোমাক আন কাৰোৱেই সহায় নালাগে। তুমি এতিয়া কিয় আমাৰ সহায় বিচাৰি আহিছা? তুমি তোমাৰ গাৰ্ল-ফ্ৰেণ্ডক আমেৰিকালৈ পঠিওৱাৰ মতলবেৰে আমাক সকলোকে ঠগালেঁা। কাকতীয়ে টকা নিদিয়া কাৰণে মই ভালেই পাইছো। তুমি আমাক সবলোকে মূৰ্খ পাইছা নেকি? মই আনৰ কথা নাজানো, মোৰ এতিয়া সেই বিলাক কথা আলোচনা কৰি নষ্ট কৰিবলৈ অকণো সময় নাই।"

মন্দিৰাই তেনেকৈ কৈ গুচি যোৱাৰ পিছত মনোৰঞ্জন হাজৰিকাই ক'লে,

"মন্দিৰাই ঠিক কথাতে ধৰিছে যদিও আমি বন্ধু হিচাপে হনুমন্তক অলপ সহায় কৰিব পাৰিলে ভাল। মোৰ হাতত টকা থকা হ'লে মই হনুমন্তক দিলোহেঁতেন, কিন্তু মই আজি বহুত দিনৰ পৰা কষ্ট কৰি আঠ শ টকা গোটাইছো কেছেট ৰেকৰ্ডাৰ এটা কিনিবলৈ, সেইকাৰণে মই এক টকাও দিব নোৱাৰো। কিন্তু টকা দিয়াৰ বাহিৰে যদি মই আন কিবা উপায়ে সহায় কৰিব পাৰো জনাবি। তোমালোকে যি ঠিক কৰা তাতে মই মান্তি হ'ম। কিন্তু মই এতিয়া যাব লাগে— মই বিদেশী ৰেকৰ্ডাৰ এটা কিনিবলৈ পোৱাৰ সুবিধা এটা পাইছো। এতিয়া তাকে চাবলৈ যাওঁ।"

সেইবুলি কৈ মনোৰঞ্জন হাজৰিকাও লৰা-ধাৰিকৈ কেছেট ৰেকৰ্ডাৰ চাবলৈ দৌৰিলে। তাৰ পিছত ৰুমাই মাত লগালে,

"মই ভাবিছিলেঁা যে আমি অসমীয়া সমাজত পশ্চিমীয়া সজ-ধজৰোৰ প্ৰবৰ্তন কৰিবৰ কাৰণেহে মিছ গোঁহাটী পাতিছিলো। কিন্তু হনুমন্তই আমাক সঁচাকৈয়ে ঠগালে। তেওঁৰ মাত্ৰ এটাই ধান্দা আছিল—কেনেকৈ বৰ্ণাৰ লগত অলপ ফুৰ্তি কৰে আৰু কেনেকৈ তাইক আমেৰিকালৈ পঠিয়াব। দময়ন্তী খৰাই ঠিক কৈছিল। এয়া সঁচাকৈয়ে নাৰীক যৌন সামগ্ৰী হিচাপে বেচা-কিনা কৰাৰ ভাল উদাহৰণ। মই আধুনিকা নাৰী হিচাপে এনেকুৱা মতা-বৰ-বুলি-ভৰা-গাহৰিৰ কাৰ্য্যক উৎসাহিত নকৰো। এনেবোৰ হনুমন্ত বায়ৰ লগত কথা পতাটোৱেই মোৰ কাৰণে লাজৰ কথা। সেইকাৰণে মই যাওঁ।"

সেইবুলি ৰুমাইও সেই যেন এৰি গম্ভীৰভাৱে কোঠাটোৰ পৰা ওলাই গ'ল। তাৰ পিছত ৰুমাইও যেনে দুজনমান যে আছো উভতি আহি কোঠাটোৰ দুৱাৰমুখৰ পৰাই কৈ গ'ল,

"তোমালোকক মই এটা কথা জনোৱা উচিত যে মই শেৱালীকাৰ পিছত আমেৰিকালৈ যাম। যদিহে যদি তোমালোকে পঠিয়াব পাৰা, তেনেহ'লে তেওঁক মই তাতে লগ পাম।"

মুখ্য মন্ত্ৰীৰ প্ৰাইভেট চেক্ৰেটাৰীৰ পুত্ৰেক বিপুল দাসেও মত দিলে যে তেওঁৰ দেউতাকে হেনো তেওঁলোকে দৰ্শত কাকতীক তেনেকৈৰে খীৰাবলৈ ওলোৱা দেখি খুব বেয়া পাইছিল। সেইদৰে গৱৰ্ণৰৰ প্ৰাইভেট চেক্ৰেটাৰীৰ পুত্ৰেক প্ৰসন্ন শইকীয়াইও জনালে যে এদিন হেনো তেওঁৰ দেউতাক আৰু গৱৰ্ণৰে কথাই কথাই 'মিছ গৌহাটী' প্ৰতিযোগিতাৰ কথা পাতিছিল আৰু তেওঁলোক দুয়ো হেনো 'ল'ৰাবিলাক পাগল হৈছে নেকি?' বুলি কথাটো হাঁহি উৰুৱাই দিছিল। প্ৰসন্ন শইকীয়াই গৱৰ্ণৰৰ মুখপত্ৰ যেন দায়িত্ব লৈ দৃঢ়ভাবে ঘোষণা কৰিলে,

"গৱৰ্ণৰে কথাটো সঁচাকৈয়ে আমাৰ পাগলামি বুলি ভাবিছে। তেওঁ কয় যে আমাৰ ফুৰ্তি কৰিবৰ মন আছিল ভাল কথা। কিন্তু আমি এনেদৰে বিছ-পঁচিছ হেজাৰ টকাৰ পুৰস্কাৰ দিয়া কথা ভাবিব নালাগিছিল। মইও কওঁ যে এইটো সঁচাকৈয়ে বেয়া কথা। হনুমন্তই এনেদৰে আমাক এনে অসম্ভৱ কাম এটাত সাঙুৰিব নালাগিছিল। হোৱাই নোহোৱাই এনেকুৱা সাধাৰণ কাম এটাৰ কাৰণে আমি কাকতীয়ে টকা দিলেও গ্ৰহণ কৰা উচিত নহয়। সেইকাৰণে মই এটা পৰামৰ্শ দিওঁ যে আমি পুৰস্কাৰৰ কথা সম্পূৰ্ণ পাহৰি মনে মনে থকা উচিত। আমাৰও একো হানি নহয়।"

কিন্তু হনুমন্তই ক'লে যে তেওঁ সকলোৰে আগতে কি পুৰস্কাৰ দিয়া হ'ব তাক ঘোষণা কৰিছে, তেনেস্থলত তেওঁ কথা ৰাখিব নোৱাৰিলে তেওঁৰ মান নাথাকিব। হনুমন্তৰ কথা শুনি বিপুল দাসে খঙেৰে ক'লে,

"তোৰ মানৰ কাৰণে কেলেই আমাক দিগদাৰ কৰিছ। তোৰ যদি নিজৰ মান ৰক্ষা কৰিবলৈ ইমানেই ইচ্ছা তেনেহ'লে তই তাকে কৰ। আমি তাত বাধা নিদিওঁ।"

সেইবুলি বিপুল আৰু প্ৰসন্নইও তাৰ পৰা ওলাই গ'ল। সেইদৰে হেনো ইটো সিটো অজুহাত দেখুৱাই এজন এজনকৈ আটায়ে হনুমন্ত আৰু বুবুকৰ সঙ্গ এৰিলে। শেষত কেৱল আনোৱাৰহে তেওঁলোক দুজনৰ লগত থাকিল। আনোৱাৰৰ হেনো হনুমন্তৰ দুৰৱস্থা দেখি বেয়াই লাগিল। আনোৱাৰে তেওঁলোক দুজনক চাহ খাবলৈ মাতি লৈ গ'ল। চাহৰ দোকানত হনুমন্তই একপ্ৰকাৰ কান্দি পেলোৱাত আনোৱাৰে তেওঁক সান্ত্বনা দিলে,

"বুজিছা, মোৰ দেউতাই কিবা সমস্যা হয় এই সময়ত মোৰ মা দেউতাক কওঁগৈ আৰু তেওঁলোকে মোক সদায়ে উদ্ধাৰ কৰে। তুমিও গৈ তোমাৰ মা দেউতাক সকলো কিয় নো কোৱাগৈ। তেওঁলোকে নিশ্চয় তোমাক কিবা এটা উপায় দিব।"

বন্ধুকেইজনৰ পৰা একো সহায় নাপাওঁ বুলি জানিব পাৰি হনুমন্ত অতিশয় নিৰাশ হ'ল আৰু আনোৱাৰে কোৱামতে তেওঁ এবাৰ মাক দেউতাকক [illegible] কৰিবলৈ মনে মনে ঠিক কৰিলে। কিন্তু সেইটো হ'ল তেওঁ দেউতাকও [illegible] দেউতাকৰ লগত

ডাঙৰকে বহি ধীৰ স্থিৰভাৱে কথা পাতি পোৱা নাই। আনোৱাৰৰ কিন্তু মাক দেউতাকৰ লগত অতি ওচৰ সম্বন্ধ। তেওঁলোকে সদায় একেলগে বহি খোৱা-বোৱা কৰে, কথা পাতে আৰু মিলি-জুলি পৰিয়ালৰ বন্ধু-বান্ধৱ বা আত্মীয় স্বজনসকলৰ ঘৰলৈ ফুৰিবলৈ যায়। তেওঁলোকৰ পৰিয়ালটোৱে সকলো সময়তে একেলগে থাকিবলৈকে বিচাৰে—তেওঁলোক ইজনৰ পৰা সিজন আঁতৰি থাকিব লগীয়া হোৱা সময়কণ বাধ্যত পৰি হে কৰিব লগীয়া হয়।

হনুমন্তৰ ক্ষেত্ৰত সম্পূৰ্ণ বিপৰীত। তেওঁলোকৰ পৰিয়ালটোৰ কাৰণে সকলো একলগ হোৱা সময়কণহে বাধ্যত পৰি কৰিব লগীয়া হয়। হনুমন্তৰ দেউতাকৰ খোৱা-বোৱাৰ সময়ৰ কোনো ঠিক নাই—তেওঁ সাধাৰণতে অকলে অকলে কোনো হাই-উৰুমি নোহোৱাকৈ খাবলৈ ভাল পায়। হনুমন্তৰ মাকে মাজমাজত বহি খাবলৈ ভাল পায় আৰু হনুমন্তই ও তেওঁৰ ভাই-ভনী কেইজনে নিজ সুচীমতে যেতিয়াই তেতিয়াই টেবুলত বহি কাটা চামুচেৰে খায়। সেইদৰে তেওঁলোকে একেলগে কৰা কামও খুব কম। গতিকে হনুমন্তই নিজৰ মাক দেউতাকৰ লগত সহজ সৰলভাৱে কথা-বতৰা পতা অভ্যাস নাই। সেয়েহে তেওঁ মাক দেউতাকক 'মিছ গোহাটী'ৰ পুৰস্কাৰৰ টকাখিনি গোটাব নোৱাৰাৰ কথাটো উলিয়াবলৈ টান পালে। শেষত আন একো উপায় নেদেখি তেওঁ মাকক কথাটো কৈ কেইহাজাৰমান টকা বিচাৰিলে। মাকে কথাটো শুনি পোনেই উত্তৰ দিলে,

"সেই ছোৱালীজনীৰ পিছত লাগি তই সঁচাকৈয়ে বৰ বিপদত পৰিবি। তই সেইবিলাক বাদ দি পঢ়াশুনাত লাগ।"

তাৰ পিছত মাকে গৈ হনুমন্তই টকা বিচৰা কথাটো দেউতাকক ক'লে আৰু কি কাৰণে টকা লাগে তাকও জনালে। দেউতাকে হনুমন্তক ওচৰলৈ মাতি নি ধমকি দিলে,

"মিণ্টাৰ কাকতীয়ে পুৰস্কাৰৰ টকা দিম বুলি নিদিলে। তই এতিয়া টকাখিনি দিয়াৰ দায়িত্ব কিয় নিজে গা পাতি ল'ব লাগে? পুৰস্কাৰৰ টকা নিদিলে যেতিয়া পুৰস্কাৰও নাই বুলি কি দিলেই তোৰ হাত চাফা। বা, 'মিছ গোহাটী' হোৱা জনীক এযোৰ চিন্তৰ মেখেলা-চাদৰ আৰু 'বানাৰ্ছ আণ' হোৱা গৰাকীক এখন মণিপুৰী চ'ল কিনি দিলেই হ'ব।"

দেউতাকৰ ভেনেকুৱা ধৰণৰ কথা আৰু ভুকুতে কলটো পকাৰৰ প্ৰচেষ্টা হনুমন্তৰ খুব বেয়া লাগে। সেইকাৰণে দেউতাকৰ খং তুলিবৰ মানসেৰে হনুমন্তই ক'লে,

"তুমি অসমত ইমান দিন থাকি তোমাৰ এইখিনিয়েই জ্ঞান যে অসমত চিন্তৰ মেখেলা-চাদৰ আৰু মণিপুৰী চ'ল খুব চলে, তোমাক মই বুজেৰে জনাবলৈ বাধ্য যে 'মিছ গোহাটী'য়ে মেখেলা-চাদৰ নিপিন্ধে আৰু বানাৰ্ছ আপ গৰাকীয়েও মণিপুৰী চ'ল নলয়। গোটেই 'মিছ গোহাটী' প্ৰতিযোগিতাটো মইয়েই পাতিছোঁ আৰু [illegible]টো এটা সাংবাদিক অনুষ্ঠান হ'ল বুলি সকলোৱে লোক

প্ৰশংসা কৰিছে। এতিয়া তুমি মোৰ গুণৰ শলাগ নলৈ মোক গালিহে পাৰিছা। যি নহওক, মই কথা দিছোঁ যেতিয়া মই কথা ৰাখিমেই—মইতো তোমাৰ নিচিনা নহয়। তাতে 'মিছ গোহাটী' বৰ্ণা চৌধুৰী মোৰ 'গাৰ্ল' ফ্ৰেণ্ড'—তেওঁৰ মনত মই দুখ দিব নোৱাৰো।"

"গাৰ্ল ফ্ৰেণ্ড? সেইজনী আকৌ কি বস্তু? হেৰা, তুমি ইয়াক বুজোৱাচোন যে তাই অসমীয়া ছোৱালী আৰু আমি বঙালী মানুহ। আমাৰ লগত সিহঁত কেতিয়াও মিলিব নোৱাৰে।" হনুমন্তৰ কথাত অলপ অতিষ্ঠ হৈ ঠাট্টাৰ সুৰেৰে সেউতাকে তেনেকৈ কোৱাত হনুমন্তইও উত্তৰ দিলে,

"দাদি, অসমীয়া বঙালীৰ বিচাৰ তোমালোকৰ নিচিনা মানুহ কাৰণেহে। আমি উঠি অহা সময় কাৰণে এইবিলাক অৰ্থহীন—বৰ্ণা অসমীয়া নহয় আৰু মইও বঙালী নহয়, আমি আধুনিক। বৰ্ণাই অসমীয়া ভালকৈ পঢ়িব বা লিখিব নাজানে আৰু মইও বঙালী পঢ়িব বা লিখিব নাজানো। আমাৰ কাৰণে অসমীয়া বঙালী একো নাই। আমি ইংৰাজীৰে সকলোকে একে কৰিম। তুমি টকা নিদিয়া নালাগে মই কিবা ব্যৱস্থা কৰিম।"

সেউতাকৰ আগত তেনেকৈ বাহাদুৰি কৰিলে যদিও হনুমন্তই কৰিব পৰা একো নাছিল। সকলোৰে পৰামৰ্শ মিলাৰ দৰে তেওঁ হয়তো পুৰন্দৰৰ কথা পাহৰি যোৱা হ'লেই সকলো কথাৰ অন্ত পৰিলহেঁতেন, কিন্তু হনুমন্তই তেনে কৰিবলৈ অপাৰগ। তেওঁৰ বৰ ইচ্ছা আছিল যে বৰ্ণাৰ লগত তেওঁও আমেৰিকালৈ যাব আৰু দুয়ো একেলগে খুব ফূৰ্তি কৰিব। সেই উদ্দেশ্যে তেওঁ নিজৰ টিকটৰ কাৰণে বহু বুদ্ধি কৰি কেইহাজাৰমান টকা গোটাই থৈছিল। বাকী থকা বৰ্ণাৰ টিকটৰ কাৰণে প্ৰয়োজনীয় টকাখিনি গোটাব পাৰিলেই তেওঁৰ উদ্দেশ্য সিদ্ধ হ'ব। টকাখিনি গোটোৱাত দেওঁ কিমানেই বিমুখ হ'ল, বৰ্ণাৰ লগত একেলগে আমেৰিকাত ফুৰিবলৈ গৈ কি কি কৰিব তেওঁৰ সেইবিলাকৰ কল্পনা জল্পনা বাঢ়িবলৈ ধৰিলে। সেই কল্পনা জল্পনা বাঢ়িল যদিও তেওঁ বৰ্ণাৰ লগত তেনেকৈ ফূৰ্তি কৰিবলৈ পোৱাৰ সম্ভাৱনা দিনক দিনে কমিবলৈ ধৰিলে।

উদ্যোগ কাণ্ড

এটা খালী লেফাফাৰে পুৰস্কৃত হ'ল যদিও গুৱাহাটী মহানগৰীৰ 'সৌন্দৰ্য-ৰাণী' বুলি অভিহিত হৈ বৰ্ণাৰ গা প্ৰথমে সাতখন আঠখন লাগিছিল আৰু তেওঁৰ নবোদীপ্ত সৌন্দৰ্য্য দেখি গুৱাহাটীৰ বহু ডেকাৰ (কেইজনমান বুঢ়াৰও) হিয়া ভাঙি টুকুৰা-টুকুৰ হৈছিল। তেওঁ নতুন আনন্দ আৰু নতুন উদ্যমেৰে আমেৰিকালৈ যোৱাৰ প্ৰস্তুতি কৰিলে—প্ৰথমে খৰ খেদাকৈ, তাৰ পিছত লাহে ধীৰে আৰু সদৌ শেষত একেবাৰে লাহে লাহে।

এদিন দুদিনকৈ যেতিয়া কেবামাহও পাৰ হৈ গ'ল, কিন্তু হনুমন্তই 'মিছ গৌহাটী'ৰ পুৰস্কাৰৰ টকা সংগ্ৰহ কৰিব নোৱাৰিলে, বৰ্ণাই লাহে লাহে প্ৰমাদ গণিবলৈ আৰম্ভ কৰিলে। তেওঁৰ নিজৰও লাহে লাহে আমনি লাগিবলৈ ধৰিলে। সকলোৰে মাত্ৰ এটাই প্ৰশ্ন তুমি আমেৰিকালৈ যোৱাৰ দিন ঠিক হ'ল নে নাই ?" তেওঁ প্ৰথমে 'পাছপ'ট' পালেই', তাৰ পিছত 'ভিছা পালেই', তাৰ পিছত 'এয়াৰ ইণ্ডিয়াত চীট পালেই আদি নানা ধৰণেৰে মানুহক সেই প্ৰশ্নৰ উত্তৰ দি হাত সাৰে কিন্তু কেতিয়াও সঁচা কথা "পুৰস্কাৰৰ টকা পালেই যাব পাৰিম" ক'বলৈ দ্বিধা বোধ কৰে। সেই সঁচা কথাটো তেওঁ হনুমন্তৰ আগতহে খঙেৰে প্ৰকাশ কৰে।

হনুমন্তক লগ পালেই বৰ্ণাই জেবা কৰে আৰু সদায় বিষেষৰে কয় যে মোক লাজ দিবলৈকে তই এইবিলাক কৰিলি। এতিয়া মই মানুহক কি ক'ম ? আমেৰিকালৈ যাবলৈ নাপালে যে মোৰ নাক-কাণ সকলো কটা যাব।' দিন যোৱাৰ লগে লগে বৰ্ণাৰ হনুমন্তৰ প্ৰতিও বিষেষ বাঢ়িবলৈ ধৰিলে আৰু শেষত হনুমন্তক দেখিলেই হেনো বৰ্ণাৰ খং উঠা হ'ল আৰু তেওঁ যিমান পাৰে হনুমন্তৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰা হ'ল।

হনুমন্তই ভাবিলে যে তেওঁ বৰ্ণাক 'মিছ গৌহাটী'ৰ পুৰস্কাৰটো গোটাই দিব নোৱৰা কাৰণেই বৰ্ণা তেওঁৰ প্ৰতি বিমুখ হৈছে। তেওঁ এইটোও ভাবিলে যে তেওঁ নিজেও যদি মাক দেউতাক, অলাগতিয়াল সঙ্গীবৃন্দৰ পৰা কিছু দিন আঁতৰি থাকি সাংঘাতিক কিবা এটা কৰি দেখুৱাব পাৰে তেনেহ'লে সকলো স্তম্ভিত হৈ যাব। তেওঁৰ কাৰণে সাংঘাতিক ভাল কাম হ'ব বৰ্ণাৰ লগত একেখন আকাশী জাহাজত আমেৰিকালৈ কিছু দিনৰ কাৰণে যোৱাটো। বৰ্ণাই যিমানে তেওঁৰ পৰা আঁতৰিবলৈ চেষ্টা কৰিলে হনুমন্তৰও বৰ্ণাৰ লগত কেনিবা গুচি গৈ ফূৰ্ত্তি কৰাৰ ইচ্ছা প্ৰবল হ'ল।

বুঢ়ুকেও হনুমন্তক ক'লে, সকলোতো ঠিক হৈয়েই আছে, কেৱল টিকটৰ টকাখিনি গোটাব পাৰিলেই হয়। বাপাই আপ সুজাতীৰ লগত বুঢ়ুকৰ কোনো বন্ধুত্ব নাই যদিও তেওঁক ভাবতৰ অ'ত ত'ত ফুৰাবলৈ নিয়াৰ সুযোগ এটা ল'বলৈ বুঢ়ুকে সদায় আশা পালি আছিল। তাৰ ধাৰণা, সুজাতাৰ লগত অলপ ওচৰাওচৰি

হৈ কিবা এটা ওচৰ সম্পৰ্কত আহিবলৈ পালে তাৰ যৌৱন কৃতকাৰ্য্য হ'ব। সেয়েহে বুবুকেও হনুমন্তক মাজে মাজে দুই একোটা পৰামৰ্শ দি থাকে। আন একো উপায় নেদেখি বুবুকে এদিন হনুমন্তক ক'লে,

"বুজিছা কিয়েট গাড়ীৰ দাম এতিয়া বাঢ়ি গৈ ছয় পঞ্চাছ হেজাৰ হ'ল। তোমাক তোমাৰ দেউতাই ইমান বেয়া ব্যৱহাৰ কৰিছে যেতিয়া আমি এই গাড়ীখন বিক্ৰী কৰিলেই পঁচিছ-ত্ৰিছ হেজাৰ টকা উলিয়াব পাৰিম। আমাৰতো একো লোকচান নাই। তোমাৰ দেউতাই তোমাক বেয়া ব্যৱহাৰ কৰাৰ এটা ভাল শিক্ষা পাব।"

বুবুকৰ পৰামৰ্শটো হনুমন্তই প্ৰথমে হাঁহি উৰুৱাই দিছিল যদিও এদিন আঠগাঁৱৰ কাৰখানা এটাত গাড়ীখন কিবা এটা মেৰামতি কৰাবলৈ বুলি ৰৈ থাকোঁতে হনুমন্তই দুজন অসমৰ বাহিৰৰ পৰা অহা লোকে সেই গাড়ী মেৰামতি কৰা কাৰখানাৰ মিস্ত্ৰিক কোৱা শুনিলে যে তেওঁলোকক ছেকেণ্ড-হেণ্ড গাড়ী এখনৰ খুব প্ৰয়োজন হৈছে আৰু ভাল গাড়ী এখন পালে তেওঁলোকে নগদ টকা দি কিনি ল'ব। তেওঁলোকৰ কথা শুনি হনুমন্তৰ হেঁচা খাই থকা মনটো হঠাৎ কিবা কাৰণে অলপ মুকলি হ'ল আৰু তেওঁ আধা গহীন কিন্তু অলপ পাতলভাৱে নিজৰ গাড়ীখনলৈ দেখুৱাই সুধিলে,

"এইখন গাড়ীৰ কাৰণে বাৰু তোমালোকে কিমান পইচা দিবা?"

হনুমন্তৰ কথা শুনি মানুহ দুজনৰ একজনে গাড়ীখন ওপৰে ওপৰে অলপ পৰীক্ষা কৰি জনালে যে গাড়ীখনৰ ইঞ্জিনত যদি একো গণ্ডগোল নাই তেনেহ'লে সেইখনৰ কাৰণে ত্ৰিছ হেজাৰমান টকা দিব পাৰিব। মানুহ দুজনে গাড়ীখন তেওঁলোকক বিক্ৰী কৰিবৰ কাৰণে বেছ জোৰ কৰিলে। হনুমন্তই এনেয়েহে কৈছিলে বুলি গা এৰা দি গুচি আহিলে যদিও গাড়ীখন বিক্ৰী কৰি ত্ৰিছ হেজাৰ টকা পোৱাৰ সম্ভাৱনাটো দেখি তেওঁ ভিতৰি ভিতৰি খুব উত্তেজিত হ'ল আৰু পোনেই গৈ বন্ধু বুবুকক সকলো জনালে। বুবুকে কথাটো শুনি বিশেষ উত্তেজিত হৈ ক'লে,

"বাঃ বন্ধু, আমি এনেকুৱা এটা সোণালী সুযোগ এনেয়ে যাবলৈ দিয়া উচিত নহয়। সেইখিনি টকাৰে সকলো হৈ যাব। মই সকলো বন্দোবস্ত কৰিব পাৰিম। নগদ টকা দিব যেতিয়া চিন্তাই নাই। তুমি গাড়ীখন বিক্ৰী কৰা বুলি আনে জানিবলৈ পোৱাৰ আগতেই তুমি আৰু মৰ্ণা গৈ আমেৰিকা পাবা। এইটো এটা সাংঘাতিক কথা হ'ব—গোটেই অসম তোলপাৰ লাগি যাব।"

তাৰ পিছত সকলো দ্ৰুত গতিত চলিল। হনুমন্ত আৰু বুবুকে দুই এদিন নানা আলোচনা কৰি এদিন সেই মানুহ দুজনক বিচাৰি উলিয়ালেগৈ আৰু গাড়ীখন যে আচলতে হনুমন্তৰ দেউতাৰহে, কিন্তু তেওঁলোকে সেইখন বিক্ৰী কৰা যে নিতান্ত প্ৰয়োজন তাক ক'লে। তথাপি মানুহ দুজন সন্মত হ'ল আৰু তিনি হেজাৰ টকা —আগধন দিবলৈ গাত ল'লে।

হনুমন্ত আৰু বুবুকে আনন্দত আত্মহাৰা হৈ মৰ্ণা আৰু সুজাতাক ক'লেগৈ

যে দুসেওতাহঁৰ ভিতৰতে তেওঁলোকে পুৰস্কাৰৰ যাবৰ টিকট পাব—বৰ্ণাই আমেৰিকাত ফুৰিবলৈ আৰু সুজাতাই ভাৰতত ফুৰিবলৈ। এইটোও ঠিক হ'ল যে সুজাতাৰ লগত বুবুক যাব আৰু বৰ্ণাৰ লগত হনুমন্ত যাব। কিন্তু হনুমন্তৰ ইচ্ছা অনুসৰি এই বিলাক কথা গুপুতে ৰখা হ'ল, কিয়নো তেওঁ গোটেই কাৰ্যখিনি নাটকীয় ভাবে কৰিবলৈ বিচাৰিছিল, যাতে কলিকতাত এয়াৰ ইণ্ডিয়াৰ আকাশী জাহাজত তেওঁ বৰ্ণাক আচৰিত কৰিব পাৰে।

আচৰিত কিন্তু হ'ব লগীয়া হ'ল বুবুক আৰু মইহে, টিকট আদি সকলো ঠিক ঠাক কৰাৰ পিছত কলিকতালৈ যাব লগীয়া নিৰ্ধাৰিত দিনত গুৱাহাটীৰ বিমান কোঠলৈ আহি বুবুকে সুজাতা, বৰ্ণা আৰু হনুমন্তৰ কাৰণে খাপ ল'লে। বৰ্ণাক কলিকতাত আগ বঢ়াই থ'বলৈ বুলি তেওঁৰ দেউতাক ৰূপৰাম চৌধুৰী সময়মতে আহি বিমানত তুলি দিলে, কিন্তু সুজাতা আৰু হনুমন্তৰ কোনো দেখাদেখি নাইকিয়া হ'ল। বুবুকে খবৰ কৰি জানিব পাৰিলে যে সুজাতাই হেনো টিকট ওভোতাই দি টকাখিনিকে ল'লে। হনুমন্তই টিকট ওভোতাই দিয়া নাছিল যদিও তেওঁৰ কোনো শুং সূত্ৰই নাছিল। তাতে বুবুকৰ টিকটটোও হনুমন্তৰ হাতত আছিল। বুবুকে বিমান কোঠৰ বাহিৰৰ চিৰিকত থিয় হৈ বিমান কোঠলৈ অহা সকলো গাড়ী, টেক্সী আদি অনেকে চালে কিন্তু হনুমন্তৰ নেজৰ ছাটোও দেখিবলৈ নাই। তেওঁ চিনাকি অচিনাকি সকলোৰে পৰা হনুমন্তৰ খবৰ ল'লে কিন্তু একো উৱাদিহ নাপালে। বিমান এৰিবৰ সময় কাষ চাপি অহাৰ লগে লগে তেওঁ বেছিকৈ উত্ৰাৱল হ'ব ধৰিলে আৰু এবাৰ ভিতৰলৈ এবাৰ বাহিৰলৈ অনাই বনাই অহা-যোৱা কৰিবলৈ ধৰিলে। শেষত তেওঁ ইণ্ডিয়ান এয়াৰলাইন-ৰ বিষয়ববীয়া, লগুৱা-লিকচৌ সকলোকে খাটিলে যাতে বিমানখন আৰু কিছু দেৰি অপেক্ষা কৰে যাতে হনুমন্ত আহি পায়। কলিকতালৈ যাব লগীয়া বিমানখন অলপ নহয় বহুত দেৰিকৈ পলম কৰিলে, বুবুকৰ অনুৰোধত নহয় গতানুগতিকভাৱে সদায় হোৱাৰ দৰেই সাধাৰণ কাৰণতে। ইমান পলম হোৱাৰ পিছতো হনুমন্ত নাহিল আৰু বিমানখনে হনুমন্ত আৰু বুবুক অবিহনেই কলিকতালৈ উৰা মাৰিলে। বুবুক ঘামি-জামি জুৰুলা-জুপুৰা হ'ল আৰু উৰি যোৱা বিমানখনৰ পিনে বাৰে বাৰে নিৰাশাৰে চাই চাই তেওঁ হনুমন্তৰ অপেক্ষাত বিমান কোঠতে হাঁহুমুনিয়াহ কাঢ়ি থাকিল।

গৰমৰ বন্ধত অসমলৈ আহি কিছুদিন থকাৰ পিছত আমেৰিকালৈ উভতিবৰ কাৰণে কলিকতাৰ বিমান কোঠত এয়াৰ ইণ্ডিয়াৰ আকাশী জাহাজ ধৰিবলৈ আহি মই বিমানকোঠত বৰ্ণা আৰু ৰূপৰাম চৌধুৰীক দেখি আচৰিত হ'লো। বৰ্ণা আমেৰিকালৈ যোৱাৰ কথা গুৱাহাটীত আগতে শুনাইছিল যদিও তাৰ নিশ্চিত আয়োজন হ'বৰ সময়ত মই কলিকতাতহে মোৰ কিতাপ এখন ছপা কৰা কামত ব্যস্ত আছিলো। সেয়েহে মই বৰ্ণাক মোৰ লগত একেখন বিমানতে আমেৰিকালৈ যাবলৈ লগ পাই আচৰিত হ'লো। ♦

দ্বিতীয় ভাগ

বিদেশত মিছ গৌহাটী

লণ্ডন কাণ্ড

ৰূপৰাম চৌধুৰীয়ে মইও বৰ্ণাৰ সৈতে একেখন আকাশী জাহাজতে যাম বুলি জানি অলপ সকাহ পালে আৰু জীয়েক যাতে বিপদত নপৰে তাৰ প্ৰতি চকু ৰাখিবলৈ ক'লে। তদুপৰি তেওঁ মোক খাটিলে মই যেন বৰ্ণাক আমেৰিকাত কিবা এটা শিকি আহিবলৈ সহায় কৰি দিওঁ। বিমানত কোন কি নম্বৰ আসনত বহিব সেইটো ঠিক কৰিবলৈ লণ্ডনত বৰ্ণাই কিন্তু মোক দৃঢ় ভাবে ক'লে,

"মই কিন্তু আপোনাৰ 'ওচৰত' নবহোঁ, কাৰণ মই মুকলিমূৰীয়াভাৱে মানুহৰ লগত মিলামিছা কৰিবলৈ আৰু নতুন বন্ধু-বান্ধৱ গোটাবলৈ ভাল পাওঁ।"

মই বৰ্ণাক আশ্বাস দি ক'লোঁ,

"খুব ভাল কথা। তুমি হয়তো কোনোবা ধুনীয়া ৰাজকুমাৰ বা ডেকা চিত্ৰতাৰকা আদি লগ পাব পাৰা। সেইকাৰণে মই তাত বাঁধ পথালি নিদিওঁ। তোমাৰ প্ৰেম পথাৰ চহোৱাৰ এইটো ভাল সুযোগ—মই তাক নষ্ট নকৰোঁ। তাতে মই নিৰলে বহি কাৰো লগত কথা-বতৰা নপতাকৈয়ে থাকিবলৈ ভাল পাওঁ।"

তেওঁ মোৰ কথা বিশ্বাস কৰিলে নে নাই ক'ব নোৱাৰোঁ কিন্তু উৰা জাহাজত উঠিয়েই তেওঁ মোক সতৰ্ক কৰি দিলে,

"দেউতাই আপোনাক মোৰ ওপৰত চকু ৰাখিবলৈ কৈছে কাৰণেই আপুনি বাৰে বাৰে মোৰ ওচৰলৈ আহি মোক বিব্ৰত কৰি নাথাকিব। মই সকলো জানো। মই নিজে মোৰ দায়িত্ব ল'ব পাৰিম। আপুনি মোৰ কাৰণে একো কৰিবও নালাগে বা একো ভাবিব নালাগে।"

তেওঁৰ কথাত অলপ ক্ষুণ্ণ হৈ মই তেওঁক স্পষ্ট ভাবে ক'লোঁ,

"তুমি সম্পূৰ্ণ নিশ্চিত থাকিব পাৰা যে তোমাক মই বিৰক্ত নকৰোঁ আৰু তোমাৰ কথা মই নাভাবোঁ। এই বিমানত কিন্তু মই তোমাৰ কথা ভাবিবলৈ যে কেতিয়াবা কিবা অৱসৰ পাম সন্দেহ। মোৰ ল'ৰা-ছোৱালী আছে আৰু মোক ভাল পোৱা বন্ধু-বান্ধৱী ও আত্মীয় স্বজন ইমান আছে যে মই তেওঁলোক সকলোৰে কথা ভাবিবলৈকে যথেষ্ট সময় নাপাওঁ। সেইকাৰণে মোক ভাল নোপোৱা মানুহৰ কথা ভাবিবলৈ মোৰ অকণো আহৰি নাই।"

বিমানৰ ভিতৰত মই বৰ্ণাৰ ওচৰলৈ যাবৰ কোনো প্ৰয়োজন বোধ নকৰিলোঁ। তেওঁ মোৰ সোঁহাতে দুটামান শাৰীৰ আগতে বহিছিল। তেওঁৰে দুবেলামান মোক আহি ইটো সিটো সুধিছিল, কিয়নো তেওঁৰ ওচৰত পঁচিশকৈ এজন ৰাজকুমাৰ আহি বহিছিল ৰহিত তাৰ মাজতে ৰাজকুমাৰ আছিল—সি মাজৰ কোনোবা ঠাইৰ আৰু এটা ধুনীয়া ক'ৰবাৰে আছিল। তদুপৰি তাৰ মাজতে দুই একাৰ তাক মাতি কোনোবা

তেজাই দি ইফালে সিফালে গৈছিল। মুঠৰ ওপৰত বৰ্ণাই ৰাজকুমাৰক একেবাৰে নিজৰ বন্ধুত সাৱটি ধৰিব কৰিবলৈ সুবিধা পাইছিল। সেই আৱেগত অভিভূত হৈ ৰাজকুমাৰে এবাৰ নিজৰ আনন্দ জনেৰে বৰ্ণাৰ কাপোৰ-কানি ওপচাইও পেলাইছিল। তাকে দেখি বৰ্ণাৰ সিকাষে বহা বৃদ্ধ ভদ্ৰলোকজনে কিছু সময় কাহিবলৈ এৰি প্ৰাণ খুলি হাঁহিছিল। বৰ্ণাই কোনোমতে সেইকণ সময়চে বৃদ্ধ লোকজনে কাহি থকা মাহিল।

কলিকতাৰ পৰা লণ্ডনলৈকে উৰা জাহাজৰ যাত্ৰাখিনি বৰ্ণাৰ কাৰণে জেনে সুখৰ নহ'ল যদিও লণ্ডনৰ এৰ'ড্ৰ'মত পোৱাৰ লগে লগেই বৰ্ণা বিশেষ ভাৱে উৎফুল্লিত হ'ল। আকাশী জাহাজৰ পৰা ইংলণ্ডৰ মাটি বিলি বিলি দেখা পোৱা হোৱা মুহূৰ্তৰ পৰাই বৰ্ণাৰ মন প্ৰাণ নাচি উঠিল। তেওঁৰ মুখৰ প্ৰতিভাৰে লেখা আৰু প্ৰতিটো মণ্ডলতে ফুটি উঠিল এক নতুন আভা। তেওঁৰ প্ৰতিভাৰ চুলিও উৰাউল হৈ পৰিল নতুন এক উত্তেজনাৰে। লণ্ডনৰ হেইৰো বিমান কোঠত আকাশী জাহাজখন ভূমিষ্ঠ হোৱাত বৰ্ণা বিমানৰ পৰা ওলাবলৈ অধৈৰ্য্য হ'ল। তেওঁ নিজৰ বন্ধু কেইটা সামৰি মোকলেখেৰা ভাও ধুৰি সম্মুখৰ খোলা দুৱাৰৰ পিনে দৌৰ মাৰিলে আটাইতকৈ আগেয়ে ইংলণ্ডৰ মাটিত ভৰি দিবৰ কাৰণে। অনাহকত হেঁচা ঠেলা নকৰি লাহে লাহে নামিম বুলি এই নিজৰ আসনতে বহি আছিলো। খিড়িকীৰে ৰাহিৰলৈ চাই দেখিলো যে ইংলণ্ডৰ মাটিত ভৰি দিয়াৰ লগে লগে তেওঁৰ শৰীৰৰ প্ৰতিটো বিন্দুৰ পৰাই বিকশিত হ'ল এক নতুন উদ্দীপনাৰ জ্যোতি—সেই জ্যোতিৰ লগতে তেওঁও বিলীন হ'ল তেওঁৰ সপোনৰ, তেওঁৰ কল্পনাৰ আৰু তেওঁৰ অতি আপোন ইংলণ্ডৰ লগত। পৰ্দুলিৰ চকীটো আহি নিজৰ বাহত সোমোৱাৰ দৰে বৰ্ণাও যেন নিজৰ আত্মীয়জনী ইংলণ্ডত সোমালহি।

কিন্তু বৰ্ণাৰ জেনেহৰ লণ্ডনৰ বিমান কোঠতে তেওঁৰ বিপৰ্যায় আৰম্ভ হ'ল। তাত থকা পমুৱা বিভাগৰ বিষয়াই বৰ্ণাক জেৰা কৰিলে। তেওঁ বৰ্ণাক নানা তৰহৰ প্ৰশ্ন কৰিলে আৰু বৰ্ণাই ইংৰাজীতে নানা তৰহৰ উত্তৰ দিলে। কিন্তু দুৰ্ভাগ্যবশতঃ সেই বিষয়াজনে বৰ্ণাই কোৱা কথাবোৰ বুজি নাপালে আৰু বৰ্ণাইও বিষয়াজনৰ কথাবিলাকৰ আধা আধি বুজি নাপালে। বৰ্ণা আচৰিত হ'ল। তেওঁক ইংৰাজসকলে যেনেকৈ আলফিয়াৰ ল'ব বুলি তেওঁ ভাবিছিল তাৰ যেখোন তেওঁ কোনো লক্ষণ দেখিলে। সেই বিষয়াজনৰ কঠোৰ উদ্ধত বিদ্যুৎ বুলি উপায়হীন হৈ তেওঁ মোক বিচাৰি আহিল। মই ... ... মাহিল। সেই কাৰণে মই [illegible]
[illegible]

বিবৰা ঃ মই তেওঁৰ পৰা জানিবলৈ বিচাৰিছো তেওঁ কি কাৰণে ইংলণ্ডলৈ আহিছে ?

বৰ্ণা ঃ বুজিছে, মোৰ নাম মিছ বৰ্ণা জোৰুৱা। মই গুৱাহাটীৰ সৌন্দৰ্য্য ৰাণী। মই 'মিছ গুৱাহাটী' হোৱা কাৰণে লোকেই পৃথিৱী ভ্ৰমণৰ টিকট দিছে। মই আমেৰিকালৈ যাওঁতে বাটতে ইংলণ্ডত নামাই যাম, কাৰণ মই ইংলণ্ড আৰু ইংৰাজী কথা-বতৰা বৰ ভাল পাওঁ। মই ইংৰাজীক অলপ ভাল পাওঁ।

বিবৰা ঃ (মোৰ পিনে চাই) এওঁ এই বিলাক কি কৈছে ? আপুনি মোক ক'ব পাৰে নে ?

মই ঃ তেওঁ কৈছে যে তেওঁ ইংলণ্ডত দুদিনমান ফুৰি চাকি যাবলৈ বিচাৰিছে।

বিবৰা ঃ তোমাৰ কোনোবা আত্মীয় স্বজন বা বন্ধু-বান্ধৱ ইংলণ্ডত আছে নে ?

বৰ্ণা ঃ নাই, মানে আছিলতে আছে। বাৰ্মিংহামত মোৰ এজনী বান্ধৱী আছে কিন্তু তেওঁৰ ঠিকনা মই নাজানো, মানে তেওঁৰ আগতে বিয়া হ'ল কিন্তু তেওঁ এতিয়া-লৈকে মোলৈ একো চিঠি দিয়া নাই। তেওঁৰ গিৰিয়েকৰ নামটো কি কৈছিলে এ পাহৰিলোঁ নহয়। কিন্তু তেওঁ এজন ডাক্তৰ, মানে ভাল ডাক্তৰ। আপুনি বাৰু তেওঁক চিনি পায় নে ?

বিবৰা ঃ হ'ব হ'ব, তুমি আৰু একো ক'ব নালাগে। ইংলণ্ডত এ তোমাক ৰাখিব পৰা কোনো আত্মীয় স্বজন বা বন্ধু-বান্ধৱী নাই মই বুজিলোঁ। তোমাৰ লগিন আছে নে ?

বৰ্ণা ঃ হয়, হয় ? আপুনি কি কৈছে মই বুজি পোৱা নাই।

মই ঃ সি তোমাৰ কিমান টকা আছে সুধিছে। টকাক লগিন বোলাটো এটা কথিত শব্দ।

বৰ্ণা ঃ (মোৰ পিনে চাই) আপুনি কৈ দিয়কচোন যে মোৰ দেউতাৰ বেংকত টকা আছে।

বিবৰা ঃ তোমাৰ দেউতাৰ বেংকত টকা আছে মই বিশ্বাস কৰিলোঁ। কিন্তু তোমাৰ লগত কিমান টকা আছে তাকহে মই জানিব বিচাৰিছো।

বৰ্ণা ঃ এই দুৰ্ণ ভাৰত চৰকাৰে মোক বেছি পইচা আনিব নিদিলে, তথাপি মোৰ লগত পাঁচ শ ডলাৰ আছে।

বিবৰা ঃ কিন্তু পাঁচ শ ডলাৰেৰে তুমিতো একো কৰিব নোৱাৰা। ইংলণ্ডত চলিবৰ কাৰণে তোমাৰ যথেষ্ট সামৰ্থ্য আছে বুলি ভাবিলেহে মই তোমাক ইংলণ্ডত সোমাবলৈ দিব পাৰিম।

বৰ্ণা ঃ (মোক দেখুৱাই) কিন্তু এওঁৰ লগত যথেষ্ট-ধন আছে আৰু এওঁ আমে-ৰিকাত থাকে।

বিবৰা ঃ কিন্তু সেইটো বেলেগকথা হ'ল। তেওঁ তোমাক সেই টকা কিয় দিব ? নে তেওঁ তোমাক বিয়া কৰিবলৈ আনিছে নেকি ?

মই ঃ নাই, নাই, তুমি নিশ্চিত হ'ব পাৰা যে মই তেওঁক বিয়া কৰিবলৈ অনা নাই।

মই ইংলণ্ডত কবিবলৈকো বাবলৈ বিচৰা নাই। মই জলপ পিছতেই আমেৰিকালৈ উভতি যাম।

বিবয়া ঃ মোক ক্ষমা কৰিব। মই আকৌ আপুনিও এওঁৰ দলতহে আছিছে বুলি ভাবিছিলোঁ। (বৰ্ণাৰ পিনে চাই) বুজিছা শ্ৰীমতী, তোমাক ইংলণ্ডত সোমাবলৈ দিয়া হ'ব নে নহয় তাক ঠিক কৰাৰ আগতে তুমি 'কুমাৰী পৰীক্ষা' ল'ব লাগিব। 'কুমাৰী পৰীক্ষা'ৰ কথা শুনি বৰ্ণাই 'হা! হা!'। কৰাত মই বৰ্ণাক লাহে লাহে ইংৰাজীতে বুজাই দিলোঁ যে আজিকালি ইংৰাজসকলে কিছুমান অতি অসভ্য কাম কৰে আৰু তাৰে এটা হৈছে ভাৰতৰ পৰা অহা অবিবাহিতা নাৰী কুমাৰী হয় নে নহয় তাৰ পৰীক্ষা কৰে। অৱশ্যে এওঁলোকে ৰাজকুমাৰ চাৰ্লছে বিয়া কৰিবলৈ বিচৰা ছোৱালীজনীৰও কুমাৰী পৰীক্ষা কৰিব। মই বৰ্ণাক বুজালোঁ যে হনুমন্তই যদি তেওঁৰ জীৱনত নেজৰ বাহিৰে আন একো জোকৰা নাই তেনেহ'লে তেওঁ কুমাৰী পৰীক্ষা ল'বলৈ ভয় কৰিব নালাগে। অন্তত সেই পৰীক্ষাত উত্তীৰ্ণ হ'লে তেওঁ ৰাজকুমাৰ চাৰ্লছৰ কাৰণে গ্ৰহণীয় হ'ব। মই বৰ্ণাক ইয়াকও বুজালোঁ যে তেওঁ কুমাৰী বুলি প্ৰমাণিত হ'লেও যে তেওঁক ইংলণ্ডত সোমাবলৈ দিব তাৰ কোনো মানে নাই, কাৰণ কুমাৰী হ'লে তেওঁলোকে ক'ব যে তুমি ইয়াত কোনোবাক বিয়া কৰিবলৈ আহিছা আৰু কুমাৰী নহ'লে ক'ব যে তুমি অবিবাহিতা ছোৱালী কুমাৰী নহয় যেতিয়া নিশ্চয় বেশ্যাবৃত্তি কৰিবলৈ আহিছা।

মই বৰ্ণাক তেনেদৰে বুজাই থাকোঁতেই সেই ইংৰাজ বিষয়াজনে মোক বাধা দি ক'লে,

"ডাঙৰীয়া, বন্ধ, কৰক। সেয়ে যথেষ্ট হ'ব। আপুনি আকৌ এওঁক ইংৰাজীতে বুজাইছে কিয়? তুমি তেওঁক হিন্দুস্থানী বা তেনেকুৱা কিবা এটা ভাষাত কিয় বুজাই নিদিয়া?

মই ঃ নাই তেওঁ হিন্দুস্থানী বা তেনে কোনো ভাৰতীয় ভাষা বুজি নাপায়।

বিষয়া ঃ কিয়? শ্ৰীমতী, তোমাৰ মাতৃভাষা কি?

বৰ্ণা ঃ অসমীয়া, কিন্তু মই সদায় ইংৰাজী ভাষাতেই শিক্ষা লাভ কৰি আহিছোঁ, সেই কাৰণে অসমীয়া ক'ব নোৱাৰোঁ।

বিষয়া ঃ কিয়?

মই ঃ তুমিতো জানাই যে বৃটিছে বহুত দিন ভাৰতত ৰাজত্ব কৰিছিল। তেওঁলোকৰ ৰাজত্বকালত বৃটিছসকলে ভাৰতীয় সকলক বহুতো গোলামিৰ জ্ঞান দি থৈ গ'ল। এতিয়াও বহু প্ৰভুভক্ত ভাৰতীয়ই তেওঁলোকৰ পূৰ্বৰ গিৰিহঁতৰ চৰিত্ৰক অনুকৰণ কৰি নিজকে সভ্য কৰিবলৈ চেষ্টা কৰে।

বিষয়া ঃ বৰ আচৰিত কথা নহয় জানো?

মই ঃ অঁ তোমাৰ বা মোৰ কাৰণে আচৰিত কথা, কিন্তু তেওঁলোকৰ কাৰণে সেইটো বৰ গৌৰৱৰ কথা।

কিৰা ঃ সেইগাল গঁচাবৰে এটা পঁচা লোক নহয় নে ?
(A rotten lot, Aren't they ?

মই ঃ তুমি হয়তো তেনেকৈ ক'ব পাৰা। কিন্তু, মই এনেকুৱা কিবা মন্তব্য কৰিলে মোক তেওঁলোকে জীয়াই জীয়াই পুতিব।

কিৰা ঃ বুজিছে মই এওঁক ইংলেণ্ডত সোমাবলৈ দিব নোৱাৰো। আপুনি যা আন কোনো দায়িত্বপূৰ্ণ ব্যক্তিয়ে যদি দায়িত্ব লয় তেনেহ'লে মই হয়তো তেওঁক দুই এদিনৰ কাৰণে থাকিবলৈ অনুমতি দিব পাৰো। কিন্তু তেওঁ ইংলেণ্ডলৈ অহাৰ মতলব মই একো ধৰিব পৰা নাই। কোনেও যদি তেওঁৰ দায়িত্ব ল'বলৈ আগ বাঢ়ি নাহে তেনেহ'লে মই তেওঁক ইয়াৰ পিছৰ গন্তব্য স্থানলৈ যোৱা। প্ৰথম বিমানখনতে তুলি দিবলৈ বাধ্য।

কিৰাজনৰ কথা শুনি বৰ্ণাই দুক দুকৈ কান্দিবলৈ ধৰিলে। তেওঁ মোক ধাতিলে মই যেন তেওঁৰ লগতে নামি দুদিনমান তেওঁক ইংলেণ্ডত কটাই দিওঁ। মই তেওঁক জনালোঁ যে লণ্ডনত মোৰ কোনো কাম নাছিল। তাতে ইংৰাজসকলে ভাৰতীয় লোকক খুব ভাল ব্যৱহাৰ নকৰে। সেই কাৰণে তেওঁ ইংলেণ্ডলৈ যাবলৈ নোপোৱাটো একো বেয়া কথা হোৱা নাই। মই বৰ্ণাক এইটোও বুজাই দিলোঁ যে তেওঁৰ আমেৰিকালৈ যোৱাটোহে প্ৰধান উদ্দেশ্য যেতিয়া তেওঁ মাল-বস্তু গোটাই আমেৰিকালৈকে যোৱা ভাল। ইতিমধ্যে, ইংৰাজ কিৰা জনে কোন কাম বন্দোবস্ত কৰি ক'লে যে বৰ্ণাই কলিকতাৰ পৰা অহা এয়াৰ ইণ্ডিয়াৰ বিমান খনতে নিউ ইয়ৰ্কলৈ যাব পাৰিব। যেনে কথা তেনে কাম। তেওঁলোকে লগালগিকৈ বৰ্ণাৰ চুটকেছ আদি আনি তেওঁক বিনা সম্মানে আকৌ আমাৰ বিমানত তুলি দিলে।

নিউ-ইয়ৰ্ক কাণ্ড

তেওঁৰ মনমৰ বিলাতত, তেওঁৰ আপোন ইংৰাজী দেশত সোমাবলৈ নাপাই আৰু ইংৰাজলোকৰ দ্বাৰা তেনেদৰে লাঞ্ছিত হৈ বৰ্মা মৰ্মাহত হ'ল। ইংৰাজসকলে যে তেওঁৰ নিচিনা ইংৰাজী-প্ৰিয় লোকক কেৰেপেই নকৰে তাক উপলব্ধি কৰি তেওঁ আতঙ্কিত হ'ল।

নিউ ইয়ৰ্ক অভিমুখী আকাশী জাহাজেৰে শূন্যত উঠি বৰ্মাৰ জীৱন শূন্য হ'ল। তেওঁ ভাৰতীয় সমাজক হেয় কৰি এৰি আহিছে, বিলাতী সমাজে তেওঁক দূৰৈতে থিয় কৰিলে—তেনেহ'লে তেওঁ কোন সমাজৰ ব্যক্তি আৰু তেওঁৰ স্থান ক'ত? সেইবিলাক প্ৰশ্নৰ উত্তৰ বিচাৰি বৰ্মাই ছটফটাবলৈ ধৰিলে। সেই কাৰণে তেওঁ মোৰ ওচৰতে বহিব খুজিলে। মই কিন্তু তেওঁক ক'লো যে তেওঁ মোৰ ওচৰত নবহাই ভাল, কাৰণ তেওঁ অকলে বহিলে হয়তো কোনোবা ধুনীয়া ডেকা নাইবা আমেৰিকাৰ কোনোবা কোটিপতি আহি তেওঁৰ ওচৰত বহাৰ সম্ভাৱনা আছে। এইবাৰ কিন্তু বৰ্মাই মনটো বেয়া লাগি আছে বুলি পুৰণা চিনাকি মোৰ কাষতে বহি ছটফটাবলৈ ধৰিলে আৰু খুব কান্দিলে।

বৰ্মাই মোক ক'লে যে কিবা কাৰণে তেওঁৰ খুব ভয় লাগিছে। আকাশী জাহাজখন জ্বলি যাব বা নচলা হৈ পৰিব বুলি হেনো তেওঁৰ সাংঘাতিক ভয় হ'ল। মই অৱশ্যে তেওঁক আশ্বাস দিলো যে জাম্বু জেটবিলাক অতি নিৰ্ভৰ, গতিকে তেওঁ তেনেকুৱা দুশ্চিন্তা মনলৈ আহিবলৈ দিয়া উচিত নহয়। মোৰ বুজনিয়ে তেওঁৰ ভয় আঁতৰাব নোৱাৰিলে, কাৰণ মই কিবা ভয় এটা অনৰ্থক বুলি প্ৰমাণ কৰিলে তেওঁ আন কিবা এক দুশ্চিন্তা মনলৈ আনে—বিমান চালকৰ হৃদ যন্ত্ৰ হঠাৎ বন্ধ হোৱাৰ পৰা আৰম্ভ কৰি আচনাকি কোনোবা ফ্লাইং চচাৰে খুন্দা মৰালৈকে মই নানা ধৰণৰ পৰিস্থিতিৰ সম্ভাৱনা আঁতৰ কৰিব লগা হ'ল। উপায়হীন হৈ মই কিছু সময় একো নকৈ মনে মনে থাকিলো। কিন্তু অলপ পিছতেই তেওঁ মোক কিবাকিবি কথা পাতি থাকিবলৈ খুব খাটিলে। গোটেই পথটো তেওঁক তোষামোদ কৰি থাকিবলৈ মোৰ অকণো স্পৃহা নাছিল। তথাপি তেওঁৰ দুৰৱস্থাটো দেখি মোৰ অলপ দুখও লাগিছিল। তেওঁক অলপ শুবলৈ চেষ্টা কৰিবলৈ কৈ মই ক'লো,

"চোৱা, আকাশী জাহাজত মানুহৰ লগত বেছিকৈ কথা পাতিলে বা বেছিকৈ কিতাপ পঢ়িলে বা বিমানত দেখুওৱা কথাছবি আদি চালে নিজকে বেছিকৈ ক্লান্ত কৰাহে হয়। তুমি যদি চকু মুদি বিশ্ৰাম লৈ থাকা তেনেহ'লে বেছি ভাগৰ নালাগে আৰু ভয়ো নালাগে। মইতো আকাশী জাহাজেৰে দীঘলীয়া যাত্ৰা আৰম্ভ কৰাৰ আগতে সদায় দৌৰি বা খেলি ভালদৰে পৰিশ্ৰম কৰি লওঁ যাতে আকাশী জাহাজত ভালদৰে টোপনি আহে। টোপনি নাহিলেও তুমি চকু মুদি মনে মনে থাকাচোন, ভাল লাগিব।"

মোৰ কথাত বৰ্ণাই পতিয়ন নগ'ল কাৰণে তেওঁ ক'লে,

"যেনেকৈ চকু মুদি থাকিলে যদি আকৌ চকু মেলিব নোৱাৰা হওঁ তেনেহ'লে কি হ'ব? চকু মুদিলেই মোৰ টোপনি নাহে কিন্তু মন মেলোৱাতকৈহে যদি মাথোন মুদি ভয় হে লাগে।"

আন একো উপায় নেদেখি 'তুমি এনেকৈ চকু মুদি থাকোঁতেই টোপনি আহিব' বুলি মই চকু মুদি আন দিশে মুখ ঘূৰাই থাকিলোঁ। তাৰ পিছত মই বহু সময় সেই দীঘলীয়া বাটত এবাৰো চকু মেলিলোঁ। বৰ্ণাই মাজে মাজে উঠি-পৰাই মোক নানা ভাৱে হিচাব কৰিছিল। মই মূৰ এবাৰো ঘূৰাই বৰ্ণাৰ ফালে আন একো কোৱা নাছিলোঁ। অলপ পিছতেই মোৰ ভাল টোপনি আহিল আৰু মই একেবাৰে শুইয়েই থাকিলোঁ। তাৰ পিছত বৰ্ণাৰ কি হ'ল বা তেওঁ কি কৰিলে নাজানিলোঁ।
নিউ ইয়ৰ্কৰ কেনেডী বিমান কেন্দ্ৰত আকাশী জাহাজখন মাটিত নমাৰ পিছত বৰ্ণাই মোক জোকাৰি জোকাৰি জগাই ক'লে,

'উঠ'ক আমি নিউ ইয়ৰ্ক পালোঁহি।'

চকু মেলি মই বাহিৰলৈ চাই, 'ক'তা আমি যেখোন এতিয়াও টাৰ্মিনেল বিল্ডিং পোৱা নাই' বুলি চকু মুদি আকৌ টোপনিয়ালোঁ, কাৰণ কেনেডী বিমান কেন্দ্ৰটো ইমান ডাঙৰ আৰু তাতে প্ৰত্যেক মিনিটতে ইমানবিলাক আকাশী জাহাজ অহা-যোৱা কৰে যে উক্ত জাহাজ এখন মাটিত নমাৰ পিছত টাৰ্মিনেল বিল্ডিংলৈ আহি পোৱালৈকে আধা ঘণ্টাতকৈও বেছি সময় লগাটো একো অস্বাভাৱিক নহয়। সেইকাৰণে সেই সময়খিনিৰ টোপনিখিনি নষ্ট কৰাৰ মই কোনো কাৰণ দেখা নাপালোঁ।
বৰ্ণাৰ মোৰ ওপৰত খং উঠিল। মইনো আৰু কি কৰোঁ, তেওঁৱেই মোক সাৱধান কৰি দিছিল মই যাতে তেওঁক বিমানৰ নকলো বা তেওঁৰ প্ৰেম পত্ৰবিলাক উভালি নেপেলাওঁ। যেনেকৈ মই তেওঁৰ প্ৰতি সহযাত্ৰীৰ সাধাৰণ সহানুভূতিখিনি প্ৰদৰ্শন কৰিবলৈকো টান পাইছিলোঁ। উক্ত জাহাজৰ পৰা নামি তেওঁ নিজৰ চিনাকি আমেৰিকাত ভৰি দি নিশ্চয় ভাবিলে যে তেওঁ পাৰ পালে। তেওঁৰ সকলো ভয় দুশ্চিন্তা অকস্মাৎ অন্তৰ্ধান হ'ল। তেওঁ মোক একো নোকোৱাকৈ তৌ-তৌৱাই আগ বাঢ়ি গুচি গ'ল। মই লাহে ধীৰেই নামিলোঁ।
মূৰৰ আৰু পাছপোৰ্টবিলাকৰ নিচিনা সকলোৰ বাবত দেখাটোও দীঘল দীঘল শাৰী হৈছিল। মই যিটো শাৰীত থিয় হৈছিলোঁ তাৰ কাষৰ শাৰীটোত মোতকৈ কিছু আগত বৰ্ণা থিয় হৈ আছিল। তেওঁ মোক নেদেখা ভাও ধৰিলে—কিবা কাৰণে তেওঁৰ মোৰ প্ৰতি খুব বিতৃষ্ণা হৈছিল নেকি?
বৰ্ণাই বিমানখনৰ কাৰণে যে থিয় হৈ আছিল সেয়া মাথোন ভাও মাত্ৰ আছিল। সেইটো বৰ দুখৰ কথা নহয়, কিয়নো সকলো মানুহ আৰু পাছপোৰ্টবিলাকৰ নিচিনা সকলো খুব একে কথা। তেওঁলোকে বাহিৰত থকা ওপৰত কিছু সময় আগতে আহিলেও বেছি সময় লাগে আৰু তেওঁলোকক চাইহে আগবাঢ়

সম্পূর্ণৰূপে প্ৰয়োগ কৰি শুদ্ধ ফল পায়। বৰ্ণাই তেওঁৰ শাৰীৰ বিক্ৰাজনক ভালৰি লগাবলৈ যদি এখোজ আগবাঢ়ি কিবা এটা ক'বলৈ চেষ্টা কৰোঁতেই বিক্ৰাজনে বৰ্ণাক কি ক'লে,

"এতিয়াই সেই বগা বেথাভালৰ পিছত যা। মই নমতাকৈ সেই বেথাভাল পাব হৈ আহিবলৈ মানা কৰিছিলো নহয়, কিয় আহিছ ?"

বৰ্ণাই খতমত খাই পিছ হুঁহকিলে। লণ্ডনত হোৱা দুৰ্ব্যৱহাৰ পুনৰাভিনয় হয় যদি ভয় কৰি তেওঁ কম্পমানমুখা হ'ল। অৱশেষত, অলপ পিছতে বিক্ৰাজনে বৰ্ণাক মাতি বৈছ ভালনেই ভদ্ৰভাৱে কথা পাতিলে—

বিক্ৰা : তুমিনো কি সম্ভ্ৰান্ত আমেৰিকালৈ আহিছা ?

বৰ্ণা : যদীজহে, মই 'মিছ গোহাটী'। সৌন্দৰ্য প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ হিচাপে মোক আমেৰিকা ভ্ৰমণ কৰিবলৈ এটা টিকট কিনি দিলে। অৱশ্যে টকাখিনি দিটো ল'বাই দিলে তাক মই সম্পূৰ্ণ সোধৰ নোৱাৰো। কিন্তু, মই……

বিক্ৰা : শ্ৰীমতী, মই মাত্ৰ জানিব বিচাৰিছো তোমাৰ আমেৰিকালৈ অহাৰ উদ্দেশ্য কি ?

বৰ্ণা : মই আমেৰিকাত ভালদৰে ফুৰিবলৈ আহিছো,

বিক্ৰা : আমেৰিকাত তোমাৰ কোনোবা বন্ধু-বান্ধৱ বা আত্মীয়-স্বজন আছে নেকি ?

বৰ্ণা : যদীজহে, মোৰ এজন সম্বন্ধীয়া ভাই নিউ ইয়ৰ্কত আছে। মোৰ হাতত তেওঁৰ ঠিকনা আছে। তেওঁ তাতে ডাঙৰ চাকৰি কৰে। মই কিন্তু তেওঁলৈ মই আহিম যদি লিখা নাই, কিন্তু মই এইটো-ভালদৰে জানো যে মোক লগ পালে তেওঁ আনন্দত অধীৰ হ'ব।

বিক্ৰা : তুমি জানেনে'নে নিউ ইয়ৰ্কত তেওঁৰ লগতে থাকিবা। তুমি আন কোনোবা ঠাইলৈকো যাবা নেকি ?

বৰ্ণা : মই ৱাশ্বিংটন, চিকাগো আৰু হলিউডলৈকো যাম যদি ভাবিছো। হলিউডলৈ অৱশ্যে মই যাবই লাগিব, কাৰণ মোৰ চিত্ৰ-তাৰকা হোৱাৰ ইচ্ছা আছে।

বিক্ৰা : মোক তোমাৰ টিকটখন দেখুওৱাচোন।—

(টিকটখন চাই) এই টিকটখন দেখোন কেৱল কলিকতাৰ পৰা নিউ ইয়ৰ্ক আৰু নিউ ইয়ৰ্কৰ পৰা কলিকতালৈহে। তুমি বাকীবিলাক ঠাইলৈ কেনেকৈ যাবা আৰু সেই বিলাক ঠাইত ক'ত থাকিবা ?

বৰ্ণা : মই সেইবিলাক এতিয়াই নাভাবো।

বিক্ৰা : তোমাৰ লগত কিমান ধন আছে ?

বৰ্ণা : মাত্ৰকৈ।

বিক্ৰা : তেন্তে সেই হলিউড বা আনটো তুমি আৰু এটা আদালত কিয় পাবিলা নে ?

বৰ্ণা ঃ মোৰ লগত চাবি খন উপৰত আছে।

বিষয়া ঃ কিন্তু চাবি খন ভগাৱেৰে যেতিয়া তোমাৰ একোৱেই নহ'ব। তোমাৰ দায়িত্ব ল'ম বুলি কোনোবাই এফিডেভিট চহী কৰিছে নে?

বৰ্ণা ঃ তেনে এফিডেভিটৰ কোনো প্ৰয়োজন নাই, কিয়নো মই মোৰ দায়িত্ব ল'ব জানো, মোক কাৰও সহায় নালাগে।

বিষয়া ঃ সেইটো মই ভালদৰে জানো, কিন্তু প্ৰশ্ন হৈছে তোমাৰ খৰচৰ দায়িত্ব বা তোমাৰ কিবা এটা হ'লে তাৰ দায়িত্ব লম বুলি কোনোবাই তোমাক পৃষ্ঠপোষকতা কৰি কাগজ-চহী কৰিছে নে?

বৰ্ণা ঃ নাই কৰা। কিন্তু, মইতো একেবাৰে আমেৰিকান কনচুলেটৰ পৰা ভিছা লৈ আহিছোঁ।

বিষয়া ঃ ভিছাখন থকা কাৰণেই যে তোমাক আমেৰিকাত সোমাবলৈ দিয়া হ'ব তাৰ কোনো মানে নাই। তুমি যে আমাৰ চৰকাৰ বা আমাৰ দেশৰ কোনো বোজা নোহোৱা আমি সেইটোও বিচাৰ কৰিব লাগিব। সঁচা কথা ক'বলৈ গ'লে তোমাৰ কথাৰ পৰা বিটো গম পাইছোঁ মই তোমাক যে ইয়াত সোমাবলৈ দিব পাৰিম সেইটো সন্দেহৰ কথা। তুমি ইয়াত অলপ ৰৈ থকা, মই মোৰ ঊৰ্দ্ধতনজনৰ লগত অলপ আলোচনা কৰিব লাগিব।

লণ্ডনত হোৱা নতুনৰ পৰিবাৰিকৰ হয় বুলি বৰ্ণা মোৰ ওচৰলৈ দৌৰি আহি ক'লে,

"মোক আকৌ ইহঁতেও হিচাপ কৰিছে আপুনি আহি মোক কিবা এটা সহায় কৰক।"

মই ইচ্ছা কৰিয়েই বৰ্ণাক নিৰুৎসাহ কৰিবৰ কাৰণে উত্তৰ দিলোঁ,

"তোমাকনো মই কেনেকৈ সহায় কৰোঁ। তুমি যেতিয়া মোক মানুহে যেনেই জ্ঞান নকৰা। তুমি নিজৰ প্ৰয়োজনৰ সময়তহে মোৰ ওচৰলৈ আহা—আন সময়ত তুমি মোক দেখিলে কিবা এক আকৰ্ষণা বুলি ভাই ভাই কৰিবলৈহে থাকা।"

"নিশ্চয়। মোৰ দেউতাইও যেতিয়া মোক সহায় কৰিবলৈ আপোনাক অনুৰোধ কৰিছিল।"

"কিন্তু, তোমাৰ কাৰণে যেতিয়া মই কৰিব পৰা একো নাই।"

তেতিয়াহে বিষয়াজন উভতি আহি বৰ্ণাক মোৰ সকলো কথা গম পোৱা বৰ্ণাক সুধিলে,

"তোমাৰ লগত আৰু আন কোনোবা আহিছে নেকি?"

"হয়, মোৰ দেশৰ বন্ধু প্ৰফেচাৰ দত্ত। তেওঁ ইয়াতে বিশ্ববিদ্যালয়ৰ এজন প্ৰফেচাৰ—তেওঁ মোৰ বাবে জামিন দিব।" বৰ্ণাই ক'লে।

তাকে শুনি বিষয়াজনে মোক আগ বাঢ়ি আহিবলৈ মাতিলে আৰু মোৰ কাগজ-পত্ৰবিলাক চাই সুধিলে,

"তুমি এই ছোৱালীজনীক চিনি পোৱা নে ?"

"অ' মই তেওঁক এক প্ৰকাৰ জানো।"

"তুমি বিবাহিতা হয় নে নহয় ?"

"নাই, নহয়।"

"তুমি আকৌ এই ছোৱালীজনীক বিয়া কৰাবৰ মানসেৰে আমেৰিকালৈ আনিছা নেকি ?"

"জীয়াই থাকোঁতে মই তেনে এটা কাম কৰিবলৈ সাহস কৰিব নোৱাৰো।"

"তেওঁ ইয়াত আন কোনোবা এজনক বিয়া কৰিবলৈ আহিছে বুলি তুমি জানা নেকি ?"

"তেওঁ বিয়া কৰিবলৈ বিচৰা ল'ৰাজনক ভগৱানে সহায় কৰক বুলি মই কামনা কৰো। নাই, তেওঁৰ তেনে অভিপ্ৰায় আছে বুলি মই নাভাবো।"

"বুজিছা এওঁৰ আমেৰিকাত ভ্ৰমণ কৰিবৰ কাৰণে বা ইয়াত দুদিনমান থাকিবৰ কাৰণে যথেষ্ট ধন আছে বুলি আমি নাভাবো। তেওঁ অবিবাহিতা, তেওঁৰ কোনো ডিগ্ৰী নাই বা আন কোনো কাৰিকৰী শিক্ষা নাই, গতিকে তেওঁ ইয়াত কোনোবা এজনক বিয়া কৰাই থাকিবলৈ আহিছে বুলি আমি সন্দেহ কৰিবলৈ বাধ্য। আমি এতিয়া কি কৰো ? তেওঁৰ ভৰণ-পোষণৰ দায়িত্ব লোৱা কোনোবা এজন আগ বাঢ়ি আহি তেওঁ কাকো বিয়া নকৰাই বুলি চুক্তিবদ্ধ হ'লে আমি হয়তো তেওঁক দুই এদিন ইয়াত থাকিবৰ অনুমতি দিব পাৰো নহ'লে নোৱাৰো। তুমি এওঁক পৃষ্ঠপোষকতা কৰা কাগজ এখন চহী কৰিবলৈ বাৰু সন্মত হ'বা নে ?"

"নাই, মই এওঁৰ দায়িত্ব ল'ব নোৱাৰো, কাৰণ এওঁ মোক দেখিব নোৱাৰে আৰু মই তেওঁক অকণো বিশ্বাস নকৰো, এওঁ মোক ভাৰতীয় বুলি ঘিণ কৰে যেতিয়া মইনো কেনেকৈ এওঁৰ দায়িত্ব লওঁ ?"

"কিয় তেওঁ জানো ভাৰতীয় নহয় ?"

"হয়, কিন্তু এওঁ মনে প্ৰাণে সম্পূৰ্ণ আমেৰিকান।"

"বুজিছে, মই সৰুৰে পৰা ইংৰাজী স্কুলত পঢ়িছো আৰু মই আমেৰিকাৰ সকলো কথাই ভাল পাওঁ। মই যে আমেৰিকালৈ আহিবলৈ আজি কিমান দিনৰ পৰা সপোন দেখি আছিলো আপোনাক কি ক'ম ?"

"কিন্তু, শ্ৰীমতী, আমি অতি দুঃখিত যে তোমাৰ দৰে আমেৰিকা-প্ৰিয় ছোৱালীক আমি পৃষ্ঠপোষক নোহোৱাকৈ আমেৰিকাত সোমাবলৈ দিব নোৱাৰো। গতিকে আমি তোমাক ২৪ ঘণ্টা সময় দিছো। তুমি সৌ তাত থকা টেলিফোনটো ব্যৱহাৰ কৰিব পাৰা। তুমি যদি এইখিনি সময়ত কোনোবা এজন পৃষ্ঠপোষক যোটাব পাৰা ভাল কথা, নহ'লে তুমি ইয়াৰ পৰা কাইলৈ কলিকতালৈ উভতি যাব লাগিব।"

ৰিংৰাজনৰ বাৰ শুনি বৰ্ণাই একাৰৰ হৈ মোৰ পিনে চাই অৱজ্ঞাৰে মন্তব্য ক'লে,

"আপুনি বাৰু মোৰ কাৰণে এই মূৰ্খ কাগজখনত চহী কৰিব নোৱাৰে নে ?"

মই বৰ্ণাক সহজ সৰল কিন্তু স্পষ্টভাৱে বুজাই দিলো,

"সেই কাগজখনত চহী কৰা মানে তোমাৰ বেমাৰ আজাৰ হ'লে বা তোমাৰ কাৰণে দুৰ্ভাগ্যজনকভাৱে কিবা খৰচ কৰিব লগীয়া হ'লে মই সেই খৰচৰ দায়িত্ব লোৱা। অৱশ্যে সেয়ে সহজ, তুমি ইয়াত কাকো কিবা নকৰোৱা যদিও মই দায়িত্ব ল'ব লাগিব। এইবিলাক দায়িত্ব ল'বলৈ মই অপাৰগ। এনেয়ে ইয়াত মোৰ বহুত দায়িত্ব আছে। তদুপৰি মোক ভাল পোৱা আত্মীয় স্বজন বহুতৰে দায়িত্ব মোৰ হাতত। তেনেস্থলত মোক মানুহ যেনেই জ্ঞান কৰিব নজনা এগৰাকীৰ দায়িত্ব মই কেনেকৈ লওঁ ? তুমিতো মোৰ সহযাত্ৰী নহয়, নাইবা মই জীৱনৰ বাটত লগ পোৱা তুমি এজন কষ্টেকীয়া কিন্তু সজনা বান্ধৱীও নহয়। ভৱিষ্যতে তুমি মানুহক মানুহ বুলি জ্ঞান কৰিবলৈ শিকিলে মই হয়তো কেতিয়াবা প্ৰয়োজন হ'লে তোমাক কিবা প্ৰকাৰে স্বইচ্ছাই সহায় কৰিম। কিন্তু এতিয়া মই তোমাক মোৰ সুবিধা ল'বলৈ দিব নোৱাৰো। সেইকাৰণে মই যাওঁ।"

মই তেওঁৰ কাষৰ পৰা আঁতৰি আহিবলৈ ওলোৱাত বৰ্ণা কম্পমান হ'ল। তেওঁ চাৰিওপিনে ঘূৰি চালে। প্ৰত্যেকেই নিজকে লৈ ব্যস্ত। আন একো উপায় নেদেখি তেওঁ মোকেই আকৌ ক'লে,

"তাৰ মানে, মোক এতিয়া আপুনি এনেকৈয়ে এৰি যাব।"

"হয়—তুমি নিশ্চয় তোমাৰ ভাৰ ল'ব পাৰিবা। যাহওক, মই তোমাৰ কাৰণে যথেষ্ট দুখও পাইছো। সেই কাৰণে মই গৈ এতিয়া তোমাৰ দাদা ৰমেশক ফোন কৰি কথাটো জনাম। তেওঁ যদি আহি তোমাক লৈ যায় তেনেহ'লে ভাল কথা।"

সেইবুলি কৈ মই বৰ্ণাৰ ওচৰ পৰা আঁতৰি আহিলো যদিও মোৰ মনটো বেয়া লাগিল। ছোৱালীজনীৰ উশৃংখল স্বভাৱৰ কাৰণেই হয়তো মই তেনে কঠোৰ হ'ব নালাগিছিল—নিজকে যেন আৰু পশ্চিমীয়া বুলি ভাবিলেও তেওঁ এজনী অসমীয়া ছোৱালী। ৰমেশে তেওঁৰ দায়িত্ব নল'লে মইয়েই তেওঁৰ দায়িত্ব ল'ম বুলি ঠিক কৰি মই ৰমেশলৈ ফোন কৰিলো।

ৰমেশেই আহি বৰ্ণাক পৃষ্ঠপোষকতা কৰাৰ কাগজ পত্ৰ চহী কৰি বৰ্ণাক লৈ গ'ল আৰু মই কিংষ্টনলৈ যাত্ৰা কৰিলো। পিছত ৰমেশৰ পৰা আৰু মিচ্ ইয়েৰ্ণৰ অসমীয়া বাইৰৰ মাজত প্ৰচলিত বৰ্ণাৰ কাহিনী বিষয়ক পৰা কথাই মিচ্ ইয়েৰ্ণৰ কথা কাণ্ডবিলাকৰ এটা আভাস পালো।

বৰ্ণা অহা কাৰণে ৰমেশ আৰু ৰমেশৰ পত্নীয়েক চিন্তাই প্ৰথমে ভাবেই পালে। কাৰণ ৰমেশ আৰু চিন্তা দুয়ো চাকৰি কৰে আৰু তেওঁলোকে সদায় তেওঁলোকৰ ঘৰৰ কৰ্মীয়া কে'ইজনমান ফোলেঁৰা শিশু-কৰ্মীৰ (baby-sitters) দ্বাৰা [illegible] লাগে। [illegible]

লগতে ঘৰতে নিজৰ পুতলাবিলাকৰ লগত খেলি থাকিব পাৰিব। বগাই কেৱল দুই এবাৰ তাৰ কাগজৰ-কেঁঠা (dipes) সলাই দিলেই হ'ল আৰু মাজে মাজে গাখীৰ আদি খাবলৈ দিলেই হ'ল।

প্ৰথম দিনাখন বৰ্ণাক সকলো চমজাই দি ঘৰৰ পৰা ওলায়েই চিত্ৰাৰ মনটো ভাল লাগি গ'ল। বাতিপুৱাই কেঁচুৱাটোৰ আলৈ আথানি নৰ্কাৰ নিজৰ ঘৰতে থৈ যাবলৈ পাই তেওঁ বমেশক থাটিলে,

"বকা দিয়ক, সি এতিয়া ঘৰতে কিছু দেৰি আৰামেৰে শুই থাকিব পাৰিব আৰু পিছত নিজৰে খেলনা বিলাকৰ লগত খেলি থাকিব পাৰিব। বুজিছে, বৰ্ণাক ইয়াতে দুদিনমান বেছিকৈ থাকিবলৈ কওক। তেওঁক খুৱাওঁতেতো বেছি খৰচ নহয়। আচলতে শিশু-ৰখীয়াক দিয়া পইচা সোপা বাচিবহে।"

চিত্ৰাৰ সেই আনন্দ আৰু আশা প্ৰথম দিনাখনৰ বেলি ডুব যোৱাৰ আগেয়েই অন্তৰ্ধান হ'ল—আবেলি তেওঁ কেঁচুৱাটি কেনে আছে খবৰ কৰিবলৈ তেওঁ বৰ্ণাৰ লগত ফোনেৰে কথা পাতিলে,

"কি বৰ্ণা, কেনে আছা ? সকলো ঠিক আছে নে ?"

"অ' ভালেই। মোৰ খুব ভোক লাগিছে। মোক কোনেও দেখোন ব্ৰেকফাষ্ট নিদিলে। এতিয়া দেখোন মোৰ কাৰণে লাঞ্চও নাই।"

"কেলেই সেইবিলাক সকলো পাকঘৰতে আছে, তুমি নিজেই বি ইচ্ছা বনাই খোৱা।"

"মই কেনেকৈ খাম ? মই চাহ জহ বনাব নাজানো নহয়। আপোনালোকৰ কোনো মানুহ বা কাম কৰা ল'ৰা নাই নেকি ?"

"তুমিও ভাল দিয়া। ইয়াত সকলো নিজেই কৰিব লাগে। তুমি কিবা এটা লৈ খোৱা। বিস্কিটকেটলতে সকলো আছে। আচ্ছা, কেঁচুৱাটো কেনে আছে ? তুমি তাৰ ডাইপাৰ সলালা নে ?"

"অ' তাৰ ভাল। সি ৰাতিতে খুব কান্দিছিল কাৰণে মই তাক সিটো কোঠাত বন্ধ কৰি থৈছো। এই সি দেখোন ডাইপাৰত হাগি থৈছে, মই সেইবিলাক ছুব নোৱাৰো কিন্তু। ইমান দুৰ্গন্ধ যে মই তাৰ ওচৰলৈকে যাব নোৱাৰো।"

"বৰ্ণা, ভাই প্লিজ প্লিজ তাৰ ডাইপাৰখন সলাই দিয়া আৰু তাক গাখীৰ অলপ খুৱাই দিয়া।"

"বো মোক লেইটো নক'ব ভাই। মোৰ কথাটো ভাবিলেই গা যেন কেনাই যায়। সি যে ডাইপাৰত কি কৰি থৈছে তুমি কল্পনাই কৰিব নোৱাৰা। তাৰ ওচৰলৈ গলেই মই উশাহ নিবাই বন্ধ হৈ মৰি যাব যেন লাগে।"

চিত্ৰাই ফোনটো থেকেচ মাৰি থৈ [illegible] হিচি হিচি কান্দিবলৈ ধৰিলে। কেঁচুৱাৰ কান্দোন তেওঁ দূৰৈৰ পৰা শুনিছে। [illegible] তেওঁ [illegible] কান্দি কান্দি [illegible] নাই। বাতিপুৱাৰে পৰা [illegible] [illegible] হাঁহিমুখীয়া [illegible]

লাগি থকা তাৰ কেঠাৰ অসহ্য প্ৰভাৱত তাৰ গোটেই নিতম্ব আৰু তল পেটত ডেপাৰ-ৰছ (diper rash) ভয়ঙ্কৰ ভাৱে উঠিলে। দিনটো একো খাবলৈ নাপাই তাৰ পেট ভোকেই শুকুৱালে। মাকক পাই তাৰ প্ৰাণ পোৱা যেন লাগিল; চিয়াই লৰালৰিকৈ তাক ধুৱাই পখলাই কিবা খাবলৈ দিলে; চিয়াৰ মনৰ ভিতৰত ভীষণ খং উঠিল আৰু খঙতে বৰ্ণাক একো ক'বও নোৱাৰিলে। বৰ্ণাই পাটো বেয়া লাগিছে বুলি কৈ আছিল যদিও তেওঁক কিবা এটা খাবলৈ দিয়াৰ কাৰণে চিয়াক খাটিলে; চিয়াই মাথোঁ "মোৰ এতিয়া তোমাৰ আল পৈচান ধৰিবলৈ সময় নাই. তুমি যি পোৱা নিজেই লৈ খোৱা" বুলি অন্যমনস্ক হৈ থাকিল।

সেই দিনাখনৰ পৰা পৰাই বৰ্ণাক দেখিলেই বা বৰ্ণাৰ মাত শুনিলেই চিয়াৰ খং উঠা হ'ল। বৰ্ণাই কিন্তু আশা কৰিছিল যে তেওঁৰ বোৱাৰীক চিয়াই তেওঁৰ আল পৈচান ধৰিব আৰু সময় বান্ধি-বাৰ্ঢ়ি খুৱাব। বৰ্ণাই এইটোও আশা কৰিছিল যে ৰমেশে তেওঁক নিতৌ ফুৰাব বা নিউ ইয়ৰ্কৰ জাকজমকীয়া জীৱনৰ সোৱাদ-লোৱাত সহায় কৰিব।

দুৰ্ভাগ্যবশতঃ ৰমেশ ৰাতিপুৱা চাৰে পাঁচটা বজাতে উঠি গৰম চাহ একাপ নিজে কৰি খায় আৰু তাৰ পিছত লৰালৰিকৈ গা-পা ধুই ওলায়। গা-ধোৱা ঘৰত ৰমেশে সকলো কাম নিজ ইচ্ছামতে কৰিবলৈ নাপায়, কিয়নো তেওঁ ঠিক ছটা বাজি পোন্ধৰ মিনিট যাওঁতেই গা-ধোৱা ঘৰটো খালী কৰি দিব লাগে যাতে চিয়াইও গা-পা ধুই ওলাব পাৰে। তাৰ পিছত তেওঁলোক দুয়ো ঠিক সাতটা বাজিবলৈ দহ মিনিট থাকোঁতে ঘৰৰ পৰা ওলায়। তেওঁ ঠিক সেইখিনি সময়ৰ আগতেই কেঁচুৱাটিক সজাই পৰাই উলিয়াব লাগে আৰু কিবাকিবি এটা মুখত ভৰাব লাগে। তেওঁলোকে প্ৰথমে কেঁচুৱাটিক তাৰ শিশু-ৰখীয়াৰ ঘৰত থয় আৰু গাড়ীৰেই ৰেল ষ্টেচনলৈ যায়। ৰেল ষ্টেচনৰ ওচৰতে গাড়ীখন থৈ তেওঁলোক দুয়ো ৰেলেৰে মানহাটানত কামলৈ যায়।

সন্ধিয়া ছটামান বজাত তেওঁলোক আকৌ সেই ৰেল ষ্টেচনটোকে উভতি আহে আৰু গাড়ীখন লৈ কেঁচুৱাটোক তুলি ঘৰ সোমায়। সেই গোটেই দিনটোৰ পিছত ৰমেশৰ আৰু কুৰাচকা কৰিবলৈ শক্তি নাথাকে বা ঘৈণীয়েকৰও কথা-বতৰা কৰিবলৈ কোনো স্পৃহা নাথাকে। সেইকাৰণে চিয়াই সাধাৰণতে দেওবাৰেই সপ্তাহৰ বাবে শাক তৰকাৰী, মাংসৰ তৰকাৰী আদি বান্ধি ৰিফ্ৰিজাৰেটৰত ভৰাই থয় আৰু তাকেই গৰম কৰি কৰি খায়। অৱশ্যে, শনিবাৰ বা দেওবাৰে তেওঁলোক কামলৈ যাব নালাগে। শনিবাৰেই তেওঁলোক বজাৰ আদি কৰে আৰু সাধাৰণতে দেওবাৰে আন কেইজনমান অসমীয়া মানুহৰ ঘৰত বা আন কোনো ফুৰিবলৈ যায়। তেওঁলোকৰ সেই যান্ত্ৰিক জীৱনত আন একোৰে কাৰণে কোনো অৱসৰ নাই।

ৰমেশৰ বাবা কাম নহ'ব বুলি জানি বৰ্ণাই নিজেই অকলে [illegible] ফুৰিবলৈ আৰম্ভ কৰিলে। ৰমেশে অৱশ্যে বৰ্ণাক [illegible] কৰি দিলে [illegible]

থকা ঠাই ভোৰৰত অৰ্থাৎ ব্ৰাজিল অঞ্চলত ভাৰতীয় লোকৰ ওপৰত ভেজেলীয়া লঘা কিছুমানে মাজে মাজে দেহ অত্যাচাৰ কৰা হৈছে, সেইকাৰণে বৰ্ণা ৰমেশে অলপ সাৱধানে ফুৰে। কিন্তু বৰ্ণাই ৰমেশৰ কথাত হস্তক্ষেপ নকৰিলে কাৰণ তেওঁ নিজকে ভাৰতীয় নহয় বুলিহে ভাবে, তেওঁ নিজকে ভাৰতীয় নহয় বুলি বিশ্বাস কৰিলেও বৰ্ণাই আন লোকৰ চকুত ধূলি মাৰিবলৈ অসমৰ্থ কিয়নো তেওঁৰ গাৰ বং, ইংৰাজী কোৱাৰ ধৰণ, চকুৰ চাৱনি আৰু আন সকলো প্ৰকাৰে তেওঁ যে ভাৰতীয় সেইটো স্পষ্ট হৈ ফুটি ওলায়। গতিকে ব্ৰাজিলৰ উন্মত্ত ডেকাৰ চকুত তেওঁ সহজেই ধৰা পৰিলে।

এদিন ৰমেশহঁতৰ ওখ অট্টালিকাটোৰ তলৰ পৰা ওপৰলৈ লিফ্টত আহোঁতে তেওঁক এজন শ্বেতাঙ্গ যুৱকে ভিতৰত ছুৰী দেখুৱাই হেঁচা মাৰি ধৰি তেওঁৰ বেগটোত থকা সকলো বস্তু খালী কৰি কাঢ়ি নিলে। বৰ্ণাই খুব ভয় খোৱাৰ উপৰিও নিজৰ সকলো ধন হেৰুৱালে।

তাৰ পিছত এদিন ব্ৰাজিলৰ উদ্যানৰ ওচৰত কোনোবা চহকী ৰাজকুমাৰ আহি লগ পোৱাৰ আশাত তেওঁ অলাই বলাই ঘূৰি ফুৰোঁতে আন এজন শ্বেতাঙ্গ যুৱকে তেওঁৰ হাতৰ পৰা তেওঁৰ খালী বেগটোও খাপ মাৰি লৈ গ'ল। সেইবাৰ তেওঁ বেছি ভয় নাপালে যদিও তেওঁ তেনেদৰে বাটে পথে ৰাজকুমাৰ বা কোটিপতি যুৱকক লগ পোৱাৰ আশা সম্পূৰ্ণৰূপে বিসৰ্জন দিলে।

সেইদিনাখনৰ পৰা বৰ্ণাই ঘৰৰ ভিতৰতে বেছি ভাগ সময় কটোৱা হ'ল। কিন্তু ঘৰৰ ভিতৰতো তেওঁৰ শান্তি নাই। ঘৰৰ গিৰিহঁতনী চিয়াই তেওঁক চকুৰ কুটা যেন জ্ঞান কৰাৰ উপৰিও তেওঁ আন কিছুমান বিপৰ্যয়ৰ সন্মুখীন হ'ব লগীয়াত পৰিলে। এদিন বৰ্ণাই বিছনাৰ তলৰ পৰা কিবা এটা উলিয়াবলৈ যাওঁতে এটা প্ৰকাণ্ড জল-শালিয়া নিগনিয়ে তেওঁৰ চকুৰ পিনে চোঁচা লোৱাত তেওঁ ভয় খাই জাঁপমাৰি ইমান জোৰে চিঞৰ মাৰিলে যে ওচৰৰ আংশিক ঘৰটোত থকা মানুহে ৰমেশৰ ঘৰত কিবা দুৰ্ঘটনা হোৱা বুলি পুলিচলৈ ফোন কৰিলে। পুলিচ আহি ৰমেশেই বৰ্ণালিক তেনেবাকৈ মাৰধৰ কৰা বুলি সন্দেহ কৰিলে। ৰমেশহঁতক তেনেকুৱা গণ্ডগোল নকৰিবলৈ সাৱধান কৰি দি সেইবাৰ পুলিচ বিষয়াজন ঘূৰি গ'ল। কিন্তু তাৰ দুদিন পাছতে আলমাৰীৰ পৰা উলিয়াই পিন্ধা ব্লাউজ এটাত লাগি থকা পইতাচেলা এটাই বৰ্ণাৰ পিঠিত কামুৰি দিয়াত বৰ্ণাই একেবাৰে চিঞৰি চিঞৰি ঘৰটোৰ বাহিৰ হৈ অট্টালিকাটোৰ ভিতৰুৱা পথত জেতাউৰি পাৰিবলৈ ধৰিলে। বৰ্ণাই তেনেকৈ পিঠি মোহাৰি মোহাৰি জেতাউৰি পৰা দেখি ওচৰৰ ঘৰটোৰ মানুহে এইবেলি তাৰ কাৰণ লোকেই বুলি ধাৰণা কৰি পুলিচলৈ আকৌ ফোন কৰি দিলে।

সেইবাৰ পুলিচ বিষয়াজন আহি ৰমেশক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ গ'ল, কাৰণ ৰমেশে বৰ্ণালিৰ ওপৰত অত্যাচাৰ কৰা বুলি বিষয়াজনে সন্দেহ কৰিলে। আমেৰিকাত নিজৰ পত্নী বা লঘা-ছোৱালীক মাৰ-ধৰ কৰাটো নিষেধ। ইয়াত

বহুতো নিৰীহ ছাত্ৰ আছে শিশুকক নিৰ্বিৰোধকৈ নানা ধৰণেৰে উৎপাত কৰে। সেই নিৰীহ শিশুসকলক ৰক্ষা কৰিবলৈ সমাজ আৰু চৰকাৰ বিশেষ সচেতন। গাঁৱতে অত্যাচাৰী শিক্ষক ধৰি শাস্তি দিবলৈ ইয়াৰ পদ্ধতি বিদ্যালয়সকল সদায় যত্নপৰ। আহওক বৰ্ণা আৰু চিত্ৰা দুয়ো সে সকলো কথা বিচাৰি ঠিক কৰিলেক পদ্ধতি থানাৰ পৰা উদ্ধাৰ কৰি আনিলে যদিও সেইদিনাখনৰ পৰা মহেশেও বৰ্ণাক সহ্য কৰিব নোৱৰা হ'ল। মহেশ আৰু চিত্ৰাই বৰ্ণা 'কৌতা বাৰ' 'কৌতা বাৰ' দেখা হ'ল। মহেশ আৰু চিত্ৰাই বৰ্ণাক প্ৰথমে আভাসে ইংগিত দিলে যে কেউ সোনকালে তাৰ পৰা আঁতৰ হোৱা ভাল। বৰ্ণাই সেই ইংগিত বুজি নোপোৱা দেখি চিত্ৰাই, কিন্তু মান গোনপটীয়া ব্যৱস্থা ল'বলৈ ঠিক কৰিলে, কিন্তু মহেশে বাধা দিলাত সেইবিলাক কাৰ্য্যকৰী কৰিবলৈ টান পালে যদিও বৰ্ণাই দুই এদিন আধা দিনটো আধা-পেটী হৈ থাকিব লগা হ'ল আৰু তেওঁৰ কোঠাত নিৰ্মল পৰিষ্কাৰতাৰ উপদ্ৰৱ বাঢ়িবলৈ ধৰিলে। কিন্তু বৰ্ণা যাব ক'লৈ ?

ৱাশ্বিংটন কাণ্ড

তেনেকুৱাতে এটা ভাল সুযোগ আহিল। ৱাশ্বিংটনত থকা অসমীয়া ডাক্তৰ ধীৰেন গোহাঁই আৰু তেওঁৰ ঘৈণীয়েক জোনালীয়ে বৰ্ণা নিউ ইয়ৰ্কত থকা বুলি জানিব পাৰি নিতৌ বৰ্ণাক ফোন কৰিবলৈ ধৰিলে আৰু ৱাশ্বিংটনত তেওঁলোকৰ লগত কেইদিনমান থকাকৈ যাবলৈ সদায় জোৰ কৰিবলৈ ধৰিলে।
ধীৰেনে বৰ্ণাক সৰুৰে পৰাই দেখিছে, কিয়নো তেওঁ ৰূপৰামক চিকিৎসা কৰিছিল। অসমত থাকোঁতে তেওঁ বৰ্ণাহঁতৰ ঘৰলৈ বহুবাৰ গৈছে। এই গোহাঁইৰ লগতেই এবাৰ বৰ্ণাৰ ককায়েকে দেউতাকক চাবলৈ যোৱাৰ কাৰণে ফিজ বিচাৰি কাজিয়া কৰিছিল। পিছত ডাক্তৰ গোহাঁয়ে এনেদৰে ডাক্তৰৰ পৰাও ফিজ ল'বলৈ বিচৰা মন্ত্ৰী, উচ্চ বিষয়া, উকীল আদিৰ উৎপাতত থাকিব নোৱাৰি অসম এৰি আমেৰিকাত চিকিৎসক হ'লহি। তেওঁৰ অৱশ্যে দুখীয়া অসমীয়া ৰাইজলৈ বেয়া লাগে কাৰণ তেওঁলোকে ডাক্তৰক ফিজটো ঠিকমতে দিব নোৱাৰিলেও সকলো প্ৰকাৰে কৃতজ্ঞতা প্ৰকাশ কৰিছিল আৰু নিজৰ যি আছে তাকেই যাচিছিল। আচলতে ডাক্তৰ গোহাঁয়ে ঘৈণীয়েক জোনালীকও এজন দুখীয়া ৰোগীৰ পৰা ফিজ হিচাপেহে পোৱাৰ নিচিনা। শিৱসাগৰৰ ওচৰৰ আথৈ কুটীয়া গাঁৱৰ ৰোগীজনক চাবলৈ যাওঁতে তেওঁ জোনালীক সদায় দেখিছিল— কেতিয়াবা দিখৌত গা ধুই অহা, কেতিয়াবা কচু পাতত শেৱালি বোটলা, কেতিয়াবা মুখত হাঁহি এমুকুৰা লৈ তেওঁক চাহ জলপান দিয়া বা লগৰ লগৰীয়া ছোৱালীৰ লগত আলিবাটত জুম বান্ধি-বু-বা-কৰি থকা। এদিন বেমাৰী চাই ওলাই আহোঁতে চাৰিজনীমান ছোৱালীৰ মাজৰ পৰা এজনীয়ে কোৱা তেওঁ স্পষ্ট শুনিলে,

"ককাইদেউৰ দেখোন বেমাৰী চাই চাই আমাক চাবলৈ সময়ে নাই। আমাকও যদি অলপ মটৰ চাইকেলত ফুৰালেহেঁতেন।"

ডাক্তৰ গোহাঁইও এলাপেচা ধৰণৰ মানুহ নহয় আৰু তেওঁৰ সময়ও যথেষ্ট আছিল। মটৰ চাইকেলখন আধা ওভোতাই ঘূৰাই তেওঁ

"কোনজনীৰ মটৰ চাইকেলত উঠিবৰ মন আছে?"

বুলি তেওঁ ছোৱালীহঁতৰ পিনে চাই পোনেই জোনালীকেই সুধিলে। হঠাৎ কামদেৱে গোহাঁইক শৰবিদ্ধ কৰিলে। শিৱসাগৰৰ বহুত ছোৱালীয়েই আৰু কিছুমান বোৱাৰীয়েও তেওঁৰ মটৰ চাইকেলত উঠিছিল বা উঠিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। আধুনিক জীয়ৰী-বোৱাৰীয়ে মটৰ চাইকেলত উঠিবলৈ বিচৰাটো প্ৰকৃতি বুলিয়েই তেওঁ জানিছিল। কিন্তু জোনালীয়ে চুপতি মাৰি তেওঁক মটৰ চাইকেলত উঠিবলৈ কৰা আহ্বানে তেওঁৰ কিবা এক আদিম আনটি জগাই তুলিলে যাৰ কাৰণে তেওঁৰ জোনালীক আপোন কৰি ল'বলৈ প্ৰবল ইচ্ছা হ'ল। সেয়েহে কিমান নকৰি কোনো তৃতীয় পক্ষৰ সহায় নলৈ তেওঁ এদিন জোনালীৰ দেউতাকক ক'লে,

"মোক আৰু আপুনি নিজ নিজ বিয়াৰ কথা ভাবিব নালাগে। ছোৱালীকেই দিয়ক।"

জোনালীৰ দেউতাকে কথাটো শুনি ইমানেই আনন্দিত হ'ল যে ছোৱালী বিয়াত সন্মত হোৱাৰ উপৰিও তেওঁৰ নবিয়াও লাহে লাহে আঁতৰ হ'ল। তাৰ পিছত জোনালীৰ দেউতাকে ডাক্তৰ গোঁহাইৰ দৰৱ নোখোৱাকৈয়ে সম্পূৰ্ণৰূপে আৰোগ্য হ'ল।

ডাক্তৰ গোহাঁইৰ জোনালীৰ প্ৰতি বিশেষ মৰম, কিয়নো জোনালীক বিয়া কৰাম বুলি ভবা দিনৰে পৰা তেওঁৰ দিন ভালকৈ আহিবলৈ ধৰিলে আৰু জোনালীক বিয়া কৰোৱাৰ পিছদিনাখনেই তেওঁ আমেৰিকাত চাকৰি পোৱাৰ খবৰ পালে।

কেতিয়াও ভোগালী নলগা সিপাৰ নোহোৱা জোনালী একে কোবেই সাত সাগৰ তেৰ নদী পাৰ হৈ ৱাশ্বিংটন চহৰ পালে। সিখোৰ পাৰত ডাঙৰ হোৱা জোনালীয়ে সংসাৰ পাতিলেহি পটোমাক নদীৰ পাৰত। ধীৰেনক অতিশয় ভাল পোৱা কাৰণে জোনালীয়ে সদায় হাঁহি মাতি থাকিলেও ভিতৰি ভিতৰি জোনালীৰ মনত বৰ দুখ। নিজৰ সৰু কালৰ আৰু লগৰীয়া ছোৱালীহঁতৰ কথা মনত পেলাই জোনালীয়ে সদায় হা-হুমুনিয়াহ কাঢ়ে। জোনালী প্ৰায় সকলো দিশৰ পৰা নিউ ইয়ৰ্কৰ চিত্ৰাৰ সম্পূৰ্ণ বিপৰীত। চিত্ৰাই অসমৰ কথা সকলো পাহৰিবলৈ বিচাৰে, কিন্তু জোনালীয়ে অসমৰ কথা একেবাৰেই পাহৰিব নোৱাৰে। চিত্ৰাই আমেৰিকাত সকলো বস্তু পাই বুলি ভাল পায় কিন্তু জোনালীয়ে ঢেকীয়া শাক, পাত মাছ, বেত গাজ, বাঁহ গাজ আদি আমেৰিকাত নোপোৱা বস্তুবোৰ বিচাৰি হাবাথুৰি খায়। চিত্ৰাই নিজে গাড়ী চলাই চাকৰি কৰি গিৰিয়েকৰ ওপৰত নিৰ্ভৰ নকৰাকৈ থাকিবলৈ সুবিধা পোৱা কাৰণে গৰ্ব্বী, কিন্তু জোনালীয়ে ব্যস্ত গিৰিয়েকক গোটেই দিনটো নেদেখি অকলে থাকিব লাগে দেখি দুখিত। চিত্ৰা আমেৰিকাৰ নাৰীৰ দৰে ব্যস্ত আৰু স্বাধীনচিন্তীয়া কিন্তু বহুতো বান্ধোন আৰু বহুতো কামৰ দায়িত্ব নিজাকৰ বান্ধোন ঢিলিয়াই পেলাবলৈ অসমৰ্থ—তেওঁ চহকী মানুহৰ ঘৰত ডাঙৰ হোৱা ছোৱালী; সেইকাৰণে ঘৰৰ লেতেৰা কাম কৰিব লগীয়া হোৱাই তেওঁৰ আক্ষেপ। জোনালীয়ে আমেৰিকাৰ ঘৰুৱা জীৱন ভাল নাপায়, তেওঁ অকণো স্বাধীনচিন্তীয়া নহয়—গিৰিয়েক গোঁহাইৰ ওপৰতে নিৰ্ভৰশীল হৈ তেওঁ ভাল পায়। তেওঁ গাড়ী চলাবলৈকো শিকা নাই বা ভালকৈ টকা খৰচিবলৈ এৰা নাই। চিত্ৰা আৰু জোনালী দুয়ো এটা কথাতে একমত যে আমেৰিকাত আহি অসমীয়া ছোৱালী এজনীয়ে সংসাৰ পাতিব লগীয়া হোৱাটো একপ্ৰকাৰ অভিশাপৰ নিচিনা।

আৰুবো ছোৱালীৰ লগত সদায় ধেমালি কৰি বা চুপতি মাৰি ডাঙৰ হোৱা জোনালীয়ে সদায় অকলশৰীয়া অনুভৱ কৰে। বিশেষকৈ তেওঁ সন্তানসম্ভৱা হোৱাৰ পিছত তেওঁ বেছি নিসংগ আৰু অকলশৰীয়া হ'বলৈ ধৰিলে। নিতৌ তেওঁ মাকহঁতলৈ আৰু লগৰীয়া বান্ধৱীলৈ চিঠি লিখিবলৈ ধৰিলে আৰু নিতৌ তেওঁ

অসমৰ পৰা অহা চিঠিলৈ অপেক্ষা কৰে। তেওঁ বাৰে বাৰে পঢ়ে পুৰণা বান্ধৱীহঁতে তেওঁলৈ লিখা চিঠিবোৰ ঃ

মাধৱীয়ে লিখে, "মোৰ অন্তৰৰ কোণৰ পৰা নিজৰ ওলোৱা মৰমবোৰ ল'বা।"

অনিতাই লিখিছিল, "একেবাৰেই পাহৰি গ'লা। পাহৰাটো স্বাভাৱিক। আগতে আছিলো ওচৰ চুবুৰীয়া, সদায় দেখা শুনা হৈ আছিলো। চকুৰ আঁতৰ হলে মনৰো আঁতৰ হয়, নহয় জানো ?"

আৰতিয়ে লিখে, "মনত পৰে জোনালী, সকলো স্মৃতিয়েই সজীৱ হৈ আছে মনৰ মাজত।"

বন্দনাই একেবাৰে সৰু ছোৱালীৰ দৰে কাকুতি কৰে, "তোমাৰ লগত বহুত খেমালি কৰিছিলো নহয়। এই খেমালিবোৰ জানো কোনোবাবা মনত পেলাবা ??? মনত পেলাবা বুলিয়েই এই কথ কাগজত নীলা নীলা ৰেখাৰ ভিতৰত কেইটামান সোণৱণী আগ বঢ়ালো।"

আন নালাগে দুষ্ট কৰবীজনীয়ে, "তোমাৰ লগত সোণ, মাইনা কৰি ওঁঠে ওঁঠে চুমা খাই বিমানখনি উৎপাত মৰমতে কৰিছিলে'।…" আদি লিখা চিঠিখন তেওঁ গিৰিয়েক গোঁহায়ে নেদেখাকৈ লুকুৱাই থলেও জোনালীয়ে তাক প্ৰায়ে উলিয়াই পঢ়িছিল। পুৰণা বান্ধৱীহঁতক সুঁৱৰি সুঁৱৰি জোনালীৰ দিন নাযায় নুপুৱাই হ'ল। তাতৰ গোঁহায়ে বিমান পাৰে জোনালীক ওচৰ-পাজৰৰ অসমীয়া মানুহৰ ঘৰলৈ নিছিল আৰু কোনোবা অসমীয়া ছোৱালী বা মহিলা আহিলেই খুব চেষ্টা কৰি হ'লেও জোনালীৰ কাষলৈ আনিছিল। জোনালীক সুখী কৰিবলৈ তেওঁ মাত্ৰ এটাহে উপায় দেখিছিল—কোনোবা অসমীয়া ছোৱালীক জোনালীৰ লগ লগাই দিয়া।

জোনালীৰ প্ৰসৱৰ সাম্ভাব্য দিন কাষ চাপি অহাৰ লগে লগে গোঁহাই আৰু জোনালীৰ উদ্বেগও দিনক দিনে বাঢ়িবলৈ ধৰিলে। এই সময়ত যে জোনালীয়ে নিৰ্ভৰ কৰিব পৰা লগৰীয়া এজনীৰ বিশেষ দৰকাৰ তাক বুজিব পাৰি গোঁহায়ে বহুত দিনৰে পৰা কোনোবা এগৰাকীক আনিবলৈ যত্ন কৰি বিফল হৈ আছিল। সেয়েহে বৰ্ণাৰ দৰে ধুনীয়া মৰম লগা ছোৱালী এজনী অহা বুলি তেওঁলোকৰ খুব আনন্দ আৰু বৰ্ণাক যেনে তেনে হ'লেও আনিবলৈ তেওঁলোক একপ্ৰকাৰ উতাৱল হ'ল। বৰ্ণাৰ নিউ ইয়ৰ্কত টকা পইচা-সকলো ডকাইতে কাঢ়ি নিয়া বুলি জানি তেওঁলোকে বৰ্ণাৰ কাৰণে টিকট কাটিও পঠাই দিলে আৰু বৰ্ণাক বাৰে বাৰে আশ্বাস দিলে যে তেওঁক ৱাচিংটনত কি খৰচ-পাতি লাগে সকলো তেওঁলোকেই বহন কৰিব।

জোনালীহঁতৰ উৎসাহ আৰু তেওঁক লগ পাবলৈ হেঁপাহ দেখি বৰ্ণা অভিভূত হ'ল— অৱশ্যে, নহ'লেও উপায় নাছিল, কিয়নো ৰজেশ আৰু ডিম্বাই তেওঁ সোণাৰ সোৱালীকে দুৰোকত আৰু অপ্ৰত্যাশিত সময়ত সম্পূৰ্ণ বিদায় দিছিল। সেয়েহে

জোনালীহঁ'ব মনম উৎসাহক উপেক্ষা নকৰি তেওঁ এদিন ৱাশ্বিংটনলৈ যাবলৈ ওলাল আৰু বয়সেও তেওঁক অতি উৎসাহেৰে বিমান কোঠত তুলি থৈ আহিল।

বণহি অৱশ্যে জোনালীৰ যে প্ৰসন্ন দিনজোনেই বুকুতেই চাপিছিল তাক নাজানিছিল। বিমান কোঠতে ডাক্তৰ গোহাইৰ আৰু সাৰ্থৰ প্ৰাৰু জোনালীৰ উপৰ দেখি বৰ্ণাৰ মুখ এন্ধাৰে। গাড়ীত তেওঁ আৰু জোনালী একেলগে পাছত বহিল। তেওঁ নিজেই নাৰী যদিও জোনালীৰ অৱস্থাটো তেওঁৰ কাৰণে বৰ কুৎসিত যেন লাগিল। সেইকাৰণে তেওঁ জোনালীৰ পিনে নাচাই বাহিৰৰ পিনে মুখ কৰি একো নোকোৱাকৈ থাকিল। ডাক্তৰ গোহাৰে অৱশ্যে তেওঁক ৱাশ্বিংটনৰ বিষয়ে কৈ গ'ল—'এইখন পটোমাক নদী, পটোমাকটো ৰেড ইণ্ডিয়ান শব্দ, তাৰ মানে হৈছে বহুত মাছ "সেইটো ৱাশ্বিংটন মনুমেণ্ট", "সোৱা জেফাৰছনৰ মনুমেণ্ট—তুমি প্ৰেছিডেণ্ট জেফাৰছনৰ বিষয়ে পঢ়িছা নে?"

বৰ্ণাক দেখা মুহূৰ্তৰে পৰা জোনালীৰ মুখত যি হাঁহি বিৰিঙি উঠিল সেই হাঁহি আৰু মাৰ নোযোৱা হ'ল। তেওঁ বৰ্ণাক বাৰে বাৰে ক'লে; "তোমাক দেখিয়ে যে মোৰ ইমান ভাল লাগিছে, কি ক'ম আৰু, 'তুমি দেখিবলৈ সাইলাখ কি সেই

এক্ট্ৰেছজনীৰ নাম শৰ্মিলা ঠাকুৰ তাই', 'আমাৰ লগত বহুত দিন থাকিব লাগিব দেই, 'তোমাক এতিয়া পাইছো যেতিয়া আৰু এৰি নিদিওঁ।"

শিৰিষেক অন্য মনস্ক হ'লে তেওঁ মাজে মাজে ৱাশ্বিংটনৰ কথাবিলাক ক'বলৈ

সোধবাই দিয়ে:

"হেৰি, কওকচোন এই যে ডাঙৰটোৰ মানুহজনৰ কথা নাইশ্বান নে কি, বিমান

ডাঙৰ মানুহ?"

ডাক্তৰ গোহায়ে কয়,

"অ' এইটো আইনষ্টাইনৰ মূৰ্তি। এওঁ বৰ ডাঙৰ বৈজ্ঞানিক আছিল। দেখা, বহুত অদিৰ জ্যামিতিৰ অগাধ পণ্ডিত।"

দুই এবাৰ জোনালীয়ে বৰ্ণাৰ হাতত ধৰি বা গাত মোহাৰি মৰম কৰি দুই এটা কথা কয়। বৰ্ণাৰ কিন্তু মুখত ওঁ-আঁৰ বাহে আন শব্দ নাই। তেওঁৰ চকু বাহিৰত আৰু মন শূন্যত উঁকিবলৈ এবা গণীৰ দৰে অকল অকল ভাবে ওপঙি আছিল। জোনালীৰ পিনে চাবলৈকো তেওঁ অস্বস্তি বোধ কৰিছিল। ডাক্তৰ গোহাই আৰু জোনালীক তেওঁৰ বোজা লগা হ'লেই। সেয়েহে ৱাশ্বিংটন পাবলৈ আৰু [illegible] আৰ্জিনিয়াৰ সৰু চহৰ খনত থকা ডাক্তৰ গোহাইৰ ঘৰটো [illegible] [illegible] তেওঁৰ বিশেষ আনন্দ লাগিছিল, কিয়নো তেওঁৰ ধাৰণা হ'ল যে ডাক্তৰ গোহাই আৰু জোনালীয়ে নিজৰ স্বাৰ্থৰ কাৰণেহে তেওঁক [illegible] [illegible] [illegible]।

জোনালীহঁতে বৰ্ণাক [illegible] [illegible] এটাই স্বাৰ্থ আছিল সেই [illegible] [illegible] [illegible] পায়। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] বা [illegible] পালে বৰ ভাল পায়, কিয়নো [illegible]

তেওঁৰ মন মুকলি কৰিব পৰা বা তেওঁক বিশেষ আনন্দ দিব পৰা বস্তু মাত্র এটাই—সেয়েহে অসমীয়া ছোৱালীক মাতি আনি তেওঁৰ ঘৰত ৰাখিবলৈ তেওঁ সদায় হাবাথুৰি খায়। জোনালীয়ে নিজৰ আৰ্থিক সন্তুষ্ট কৰিবলৈ চেষ্টাৰ ত্রুটি নকৰে। তেওঁ বৰ্ণাৰ কাৰণে বেলেগে গা-ধোৱা ঘৰ থকা কোঠা এটা ধুনীয়াকৈ সজাই পৰাই থৈছিল আৰু তাত বৰ্ণাৰ কাৰণে এটা ৰঙীণ টেলিভিছনও থৈছিল। আন নালাগে বৰ্ণাই ভাল পাব বুলি তেওঁ আমেৰিকাৰ বৌ মাছ (কাৰ্প) অনাই ৰান্ধি থৈছিল আৰু ধনীয়া শাক ও বিচাৰি আনি ভালদৰে দাইল বনাই থৈছিল। দুৰ্ভাগ্যবশতঃ বৰ্ণাই মাছৰ টেঙা বা ধনীয়া দিয়া দাইলত জুতি নাপাইছিল। তেওঁৰ পছন্দৰ বস্তুবিলাক হৈছে চপ, কাটলেট, মোগলাই পাৰাঠা, পেটিছ আদিহে। খোৱাৰ টেবুলত বৰ্ণাক নিৰানন্দ দেখি জোনালীয়ে আক্ষেপ কৰিলে,

"তুমি আমাৰ কথা বেয়া পাইছা নহয়। বুজিছা, আজি এওঁহে তোমাৰ কাৰণে সকলো ৰান্ধিছে। মই বেছি দেৰি থিয় হৈ থাকিলেই পিঠি বিষায়, কিবা মুৰ-চুৰ ঘূৰাই পৰি যাম যেন লাগে। সেইকাৰণে বেয়া নাপাবা। খোৱা, লাগিলে কাইলৈ তুমি নিজেই ভালকৈ ৰান্ধিবা আৰু আমাকও খুৱাবা।"

অতি সোনকালেই জোনালীয়ে বুজিব পাৰিলে যে বৰ্ণাই আনক ৰান্ধি বাঢ়ি খুৱাব পৰা ছোৱালী নহয়। পাকঘৰৰ লগত বৰ্ণাৰ বাহি-যোৱা নাহে। বৰ্ণাই কোনো বস্তুকে কেতিয়াও ৰান্ধি পোৱা নাই। অৱশ্যে, টেবুলত খোৱা বস্তু ভালদৰে সজাই দিলে বৰ্ণাৰ সো হাঁতখনে তেওঁৰ মুখখন বিচাৰি পায়। পাকঘৰত তেওঁৰ হাত দুখনে কেৱল ৰান্ধি খোৱা বস্তু বিচাৰিব পাৰে আৰু তাকে পালে মুখলৈ তুলি দিব পাৰে। তাৰ বাদে তেওঁৰ হাত দুখন পাকঘৰত আন কাম কৰিবলৈ অপাৰগ। জোনালীয়ে তেওঁক দুই এবাৰ নিজে খোৱা কাপ প্লেটবোৰ আওখালি ধবলৈ কৈছিল। বৰ্ণাই কিন্তু সেইবিলাক খোৱাতকৈ ভাঙি পেলোৱাটোহে সহজ পাইছিল। দুই এদিনৰ ভিতৰতে জোনালীহঁতৰ দুটা ধুনীয়া ধুনীয়া 'ডিনাৰ চেট' সম্পূৰ্ণৰূপে 'এম্পটি চেট' ত পৰিণত হ'ল।

তথাপি জোনালীৰ আক্ষেপ নাই, তেওঁ বৰ্ণাক কোনো কথাতে দোষ নিদিয়ে আৰু বিমান পাৰে বৰ্ণাক দুৰ্ঘটনাৰ পৰা বচাবলৈ চেষ্টা কৰে, তেওঁলোকে বৰ্ণাৰ গুণ-গৰিমাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি নিতৌ কাগজৰ বা প্লাষ্টিকৰ কাপ প্লেট আদি ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু তেওঁ যি পাৰে নিজেই কেতিয়া লেহেকৈ বৰ্ণাক ৰান্ধি খুৱাবলৈ চেষ্টা কৰিলে।

বৰ্ণাই জোনালীহঁতৰ ঘৰত বেয়া কপাবা নাছিল কিয়নো, তেওঁ অলপ মুকলি-মুৰীয়াভাৱে থাকিবলৈ পাইছিল আৰু জোনালীয়ে তেওঁক বেলে জেলে হ'লেও খোৱা বস্তু যোগান ধৰি দিছিল। তাতে নিজৰ কোঠাত টেলিভিছনটো থকাই তেওঁ যেতিয়া তেতিয়াই টেলিভিছন চাব পাৰিছিল আৰু অতি কম সময়ৰ ভিতৰতে

তেওঁৰ বহুত প্ৰেমেৰেই ভাগ লগা হ'ল। কেৱল একমাত্ৰ সেটো এয়েই যে তেওঁ টেলিভিচন চাবলৈ ন'লেই জোনালীও তেওঁৰ কোঠালৈ আহি 'কি চাইছা, মইও তোমাৰ লগতে অলপ চাওঁ বুলি' তেওঁৰ লগতে বহে আৰু নানা ধৰণৰ কথা পাতিবলৈ চেষ্টা কৰে। সেইকাৰণে তেওঁ জোনালীৰ পৰা অলপ আমনি পোৱাই হ'ল। দুই এবাৰ বৰ্ণাই জোনালীক অলপ বেয়া পোৱা যেন ভাব দেখুৱাইছিল। কিন্তু জোনালীয়ে সহজ সৰলভাবে কয়,

'তুমি মোক এনেকুৱা অৱস্থাত দেখি বেয়া পাইছা নহয়। কি কৰিম? এইবিলাক বৰ দিগদাৰ বুলিছা। তথাপি ভাল লাগে। তেওঁ ল'ৰা-ছোৱালী বিচাৰে।' মোৰও যেখোন প্ৰাণটোৱে সদায় বিচাৰিছিল এইবাৰ যেন কিবা এটা হয়। এতিয়া মাজে মাজে বৰ ভয় লাগে কিন্তু কিবা এটা যেনেলে আনন্দ আছে বুলিছা। মতা মাইকীনো কি আৰু ল'ৰা-ছোৱালীয়েইতো জীৱন। ল'ৰা-ছোৱালী জন্ম দি সিহঁতক ভালদৰে মানুহ কৰিব পাৰিলেই জীৱন সফল হয় বুলিছা।'

তেনেকুৱা কথাবিলাক শুনিলে বৰ্ণাৰ খঙে উঠে। তথাপি তেওঁ একো নকয় আৰু বেছি বেয়া পোৱা ভাবও নেদেখুৱায়, কেনেবাকৈ ডাক্তৰ গোঁহায়ে ঘৰৰ পৰা উলিয়াই দিয়ে বুলি।

বৰ্ণাই ভালদৰে জানে যে গোঁহায়ে তেওঁক বৰ ভাল পোৱা নাই আৰু গোঁহায়ে জোনালীক খুব ভাল পায়। জোনালীৰ কাৰণেই যে গোঁহায়ে তেওঁৰ প্ৰতি ভাল ব্যৱহাৰ কৰে তাক তেওঁ ভালদৰে জানেয়ে জোনালীৰ কথামতে ডাক্তৰ গোঁহায়ে তেওঁক নিতৌ সন্ধিয়া অলপ গাড়ীত তুলি ফুৰাবলৈ লৈ যায় আৰু জোনালীৰ কথামতেই ডাক্তৰ গোঁহায়ে বৰ্ণাক হাত খৰচৰ বাবেও যথেষ্ট [illegible] দিয়ে। তেনেকৈয়েই অলপ শান্তিপূৰ্ণভাৱেই তেওঁ হাস্পিটেলত দুদিনমান কটাবলৈ পাই বৰ্ণাই দুই এটা কথা অলপ ভাবিবলৈকো সুবিধা পায়। অন্ততঃ তেওঁ বেয়া ব্যৱহাৰ কৰিলে ডাক্তৰ গোঁহায়ে তেওঁক ঘৰৰ পৰা উলিয়াই দিব পাৰে বুলিয়েই তেওঁ যে অলপ ভালদৰে থাকিবলৈ যত্ন কৰিলে সেইটো বৰ্ণাৰ কাৰণে এক বিৰাট জ্ঞান আহৰণ। জোনালীক ভাল নাপাইও জোনালীৰ প্ৰতি ভাল ভাব প্ৰদৰ্শন কৰাটোও বৰ্ণাৰ জীৱন নাটত প্ৰথম অভিনয়।

তথাপি বৰ্ণাৰ মনটোৱে ছটফট কৰে—আমেৰিকালৈ যি কাৰণে আহিছিল সি যেন সফল হোৱা নাই। সেয়েহে তেওঁ জোনালীহঁতৰ বহুত পোৱা শান্তিপূৰ্ণ জীৱনৰ কণতে নানা জল্পনা কল্পনা কৰিবলৈ আৰু ক'ত কেনেকুৱা সুযোগ পাব পাৰি সেই বিষয়ে তেওঁ চিন্তা কৰিলে।

সুযোগ আহিল—এদিন বৰ্ণা সি সুযোগৰ কোনোমতে পাইলে। বৰ্ণাই এদিন আমেৰিকাৰ ৰাজধানীৰ ৰাজনৈতিক ভাবে প্ৰসিদ্ধ অফিচিয়েলসকলৰ চাকৰি [illegible] কৰাত ডাক্তৰ গোঁহায়ে তেওঁক ৰাতিদুৱাই পাৰ্লিয়ামেন্ট হাউচ

সবাই থৈ গ'ল। বর্ণাই নিজ খুচীমতে যি ইচ্ছা তাকে চাই আবেলি নিজেই মেট্রোত (ৱাশ্বিংটনত মাটিৰ তলত চলা ৰেলগাড়ী) উঠি ৱবলৈ উভতি যোৱাৰ কথা। বর্ণাই পার্লিয়ামেণ্ট ভিতৰখন লাহে-ধীৰে চাই যাহিৰৰ ঘটথৰিবিলাক এটা এটাকৈ অতি লয়লাসেৰে নামি তলত ইফালে সিফালে চাই থিয় হৈ আছিল। হঠাৎ এজন ছিনেটৰ তেওঁৰ কাৰেদি বেগাই নামি গ'ল আৰু তেওঁৰ পিনে খৰতকীয়াভাৱে দৃষ্টিপাত কৰোঁতে তেওঁৰ চকুৱে চকুৱে পৰিল। তাৰ অলপ পিছতেই তেওঁ ক'লৈ যাওঁ কি কৰো বুলি এখুজি দুখুজিকৈ গাড়ী-ৰখা ঠাইখিনিৰ গাড়ী বিলাকৰ মাজেদি গৈ থাকোঁতে হঠাৎ এখন মাখন ৰঙৰ মাৰ্চেডিজ গাড়ীৰ সন্মুখতে পৰিল—ভিতৰত আকৌ সেই ছিনেটৰজন। ছিনেটৰজনৰ অলপ আগেয়ে দেখা সেই ছোৱালীজনীক আকৌ দেখি কিবা মৰম লগাত সুধিলে,

"আই, তুমি কোন ফালৈ যাবলৈ বিচাৰিছা ? তোমাক মই তোমাৰ গন্তব্যস্থানৰ পিনে গাড়ীৰে আগ বঢ়াই থৈ আহিব পাৰিম নে ?"

বর্ণাই একো ক'বলৈ নোপাওঁতেই তেওঁ ভিতৰৰ পৰাই গাড়ীৰ দুৱাৰখন খুলি দিলে আৰু এক অজান আকর্ষণেৰে বর্ণাই সেই ধুনীয়া মাৰ্চেডিজ গাড়ীখনত সোমাই হাঁহি এটা মাৰি দিলে। মুহূর্তৰ ভিতৰতে তেওঁলোকে বেছ আন্তৰিকতাৰে কথা পাতিবলৈ আৰম্ভ কৰিলে—

"তুমি কোনপিনে যাবলৈ বিচাৰিছা ?"

"মই ভাৰ্জিনিয়াৰ পিনে যাব লাগে।"

"খুব ভাল কথা, মইও মোৰ ভাৰ্জিনিয়াত থকা ঘৰলৈ ওলাইছো—মই ছিনেটৰ বাৰ্ণছ, তোমাৰ নাম কি ?"

"মোৰ নাম বর্ণা।"

"কি ক'লা, বর্ণা। বর্ণা—বাৰ্ণছ। মোৰ নামটোৰ লগত দেখোন তোমাৰ নামটোৰ কিবা এটা মিল আছে। তুমি পর্তুগীজ নে মেক্সিকান ? তোমাৰ ক'লা চুলিখিনি মোৰ খুব ভাল লাগিছে।"

"নাই, মই ভাৰতীয়। কিন্তু মই সদায় ইংৰাজী স্কুলতে পঢ়ি আহিছো।"

"খুব ভাল কথা। তুমি নিজেই নোহোৱা, তোমাৰ হাঁহিটো কিন্তু খুব মিঠা। তুমি ক'ত চাকৰি কৰা ?"

"নাই, মই চাকৰি নকৰো। আমেৰিকাত মই এনেয়ে ক'ৰিবলৈহে আহিছো। অৱশ্যে, চাকৰি পালে কৰিম।"

"সুজিহা মোৰ চেক্ৰেটাৰী এজনীয়ে আজি দুদিন আগতে চাকৰি এৰি গুচি গ'ল। মই সেইকাৰণে মোৰ অফিচত কাম কৰিবলৈ ভাল ছোৱালী এজনী বিচাৰি আছো। তুমি যদি তেনে এটা কাম কৰিবলৈ বিচাৰা তেন্তে'লে মই কিবা এটা বন্দোবস্ত কৰিবলৈ চেষ্টা চলাব পাৰো, কাৰণ তোমাক মোৰ খুব ভাল লাগিছে।"

"অ' খুব ভাল কথা। কিন্তু মোৰ যে ডিগ্ৰী নাই। মই মেথোন ইয়াৰ পৰা দুদিনমান পিছতে যাবই লাগিব।"

"চোৱা মই আমেৰিকাৰ ছিনেটৰ। এই দেশৰ আইন কানুনবিলাক আমিয়েই কৰোঁ। আমাৰ ক্ষমতা বহুত। সেই কাৰণে আমাৰ কথা মানুহে সহজে পেলাবলৈ সাহস নকৰে। তোমাৰ ডিগ্ৰী এটা সাধাৰণ কথা। তুমি টাইপ কৰিব জানা নে নাজানা ?"

"নাই, মই টাইপ কৰিব নাজানো।"

"ষ্টেনোগ্ৰাফী ?"

"নাই, ষ্টেনোগ্ৰাফীও নাজানো।"

"তুমি একাউণ্টিং জনা লোক ?"

"ওহো, মই অঙ্ক বৰ বেয়া পাওঁ। সংখ্যাবিলাক ইমান নিৰস আৰু শুষ্ক, মোৰ সহ্য নহয়। মই একাউণ্টিং কৰিব লাগিব ?"

"নাই, নাই নালাগে। মই এনেয়ে সুধিছোঁ। তুমি ফাইলিঙৰ কাম বা লাইব্ৰেৰীলৈ গৈ উল্লেখিত কিতাপ পত্ৰ বিচাৰি উলিওৱা কাম নিশ্চয় কৰিব পাৰিবা চাগৈ ?"

"নাই ভাই লাইব্ৰেৰীবিলাক দেখিলেই মোৰ মগজু গৰম হয়। আজি মোৰ বন্ধুৱে মোক লাইব্ৰেৰী-অব-কংগ্ৰেছ চাবলৈ কৈছিল, মই তালৈ যাম নে নাযাম ভাবি থাকোঁতেই আপোনাক লগ পালোঁ।"

"নাই, নাই তুমি লাইব্ৰেৰীত কাম কৰিব নালাগে। তুমি এনেয়ে কোঁজাৰা লাইব্ৰেৰী-অব-কংগ্ৰেছ চাব খুজিলে মই তোমাক লৈ গৈ সকলো দেখুৱাই দিম। তুমি পিছে এতিয়া আছা ক'ত ?"

"মই বন্ধু এজনৰ ঘৰত আছোঁ। তেওঁৰ ভনীয়েক এতিয়া গৰ্ভৱতী। মানুহজনীয়ে মোক একেবাৰে পাগল কৰি দিছে। মই তাৰ পৰা সোনকালেই ওলাই আহিম।"

"তুমি চিন্তাই নকৰিবা। মোৰ চাকৰিটো ল'লে তুমি থকাৰ মই ভাল সুবিধা কৰি দিম। আচলতে আমাৰ ছোৱালীবিলাকৰ মই ভাল আৰ্থিক ঘৰ এটা দিছোঁ। সেইটো এতিয়াও খালী হৈ আছে।"

"ইমানবিলাক সুবিধা থকা চাকৰি পালেতো মই ভালেই পাম। আজি আপোনাক লগ পোৱাটো সঁচাকৈয়ে মোৰ সৌভাগ্যই।"

"তোমাৰ নিচিনা ধুনীয়া শান্ত ছোৱালী এজনী লগ পোৱাটো মোৰও ভাগ্য। তুমি কেৱল মোৰ ওচৰত চাকৰি বিচাৰিছা বুলি এখন দৰ্খাস্ত লিখি দিবা, মই সকলো ঠিক কৰি দিম। কি কেনেকৈ লিখিব লাগে মই কাইলৈ তোমাক দেখুৱাই দিম।"

ৰুবীৰ ওপৰত দয়া হৈ ডাক্তৰ মোহাইৰ বৰ পাই মানে কেইটা চাকৰি আৰু ঘৰ

মেলাৰ বন্দোবস্ত হৈ গ'ল। ছিনেটৰ বাৰ্ণছে বৰ্ণাক আকৌ পিছদিনাখন লগ পাবলৈ বান্ধ বান্ধিলে। বৰ্ণাই অতি উৎসাহেৰে জোনালীক সকলো ক'লে। জোনালীয়েও খুব ভাল পাই ক'লে, "বুজিছা, এতিয়া ভেকা বয়সতে অলপ ফুৰ্ত্তি কৰি লোৱা।" কিন্তু জোনালীয়ে বাকি ডাক্তৰ গোঁহাইক সকলো বিৱৰি কোৱাত ডাক্তৰ গোঁহায়ে মন্তব্য কৰিলে যে টাইপিং, ষ্টেনোগ্ৰাফী, একাউণ্টিং আদি একো নজনা, কোনো ডিগ্ৰী নথকা আৰু আমেৰিকাৰ ৰাজনৈতিক বা সামাজিক কথা একোকে নজনা ছোৱালী এজনকী ছিনেটৰজনে তেনেদৰে চাকৰি যচাৰ একমাত্ৰ এটাই কাৰণ হ'ব পাৰে যে তেওঁ ছেক্ৰেটাৰী বিচৰা নাই, তেওঁ বৰ্ণাক এজনী চাপনী তিৰী হিচাপেহে ৰাখিব খুজিছে। ডাক্তৰ গোঁহায়ে জোনালীক খাটিলে যাতে জোনালীয়ে বৰ্ণাক সাৱধান কৰি দিয়ে। জোনালীয়ে কিন্তু বৰ্ণাক কথাটো কওঁতে বৰ্ণাই ক্ৰুদ্ধ হৈ উত্তৰ দিলে,

"নিজে ইমান দিনে ৱাশ্বিংটনত থাকিও কোনো ছিনেটৰ আদিৰ লগত চিনাকি হ'ব পৰা নাই কাৰণে তেওঁৰ নিশ্চয় হিংসা লাগিছে! ছিনেটৰ বাৰ্ণছ খুব ভাল মানুহ। তেওঁ মোক নিজৰ ছোৱালীৰ দৰে মৰম কৰে আৰু মোক সকলো শিকাই ল'ম বুলি কৈছে। মই এনে সোণালী সুযোগ কেতিয়াও এৰি নিদিওঁ।"

বৰ্ণাই দুদিনমান ছিনেটৰ বাৰ্ণছৰ লগত বেছ ঘূৰিলে। ছিনেটৰ বাৰ্ণছে তেওঁক ভালদৰে খুৱালে, বুৱালে, ফুৰালে আৰু কাপোৰ-কানিকে আদি কৰি কিবাকিবি বহুত উপহাৰ দিলে। তাৰ পিছত বৰ্ণাই এদিন অতি আনন্দেৰে আহি জোনালীক ক'লে যে তেওঁ পিছদিনাখনৰ পৰাই কাম আৰম্ভ কৰিব।

পিছদিনাখন বৰ্ণাই সাজি-কাচি বাৰ্ণছৰ ওচৰলৈ গ'ল। বাৰ্ণছে এটা ছেম্পেনৰ বটল, কিছুমান সৰুসুৰা খোৱা বস্তু আৰু বৰ্ণাক লৈ খালী হৈ থকা আংশিক ঘৰটোলৈ গ'ল। ছিনেটৰ বাৰ্ণছ বৰ্ণাই ভবাতকৈ বয়সত বহু ডাঙৰ আছিল— তেওঁ বৰ্ণাৰ দেউতাকৰ বয়সীয়া নহয়, ককাদেউতাকৰ বয়সীয়াহে আছিল। সেয়েহে বাৰ্ণছে তেওঁক গালে মুখে বা বা গাত হাত দি মৰম কৰোঁতে বৰ্ণাই প্ৰথমে সেয়া ককাদেউতাকে নাতিনীয়েকক কৰা মৰম বুলিয়েই ভাবিছিল কিন্তু লাহে লাহে বাৰ্ণছৰ থৰকঁপিয়া হাত দুখনে বৰ্ণাৰ দেহত আৰু বৰ্ণাৰ অঙ্গ-প্ৰত্যঙ্গবোৰত কিবাকিবিৰ এনে সন্ধান ল'বলৈ বিচাৰিলে যে বৰ্ণা অপ্ৰস্তুত হ'ল। বাৰ্ণছৰ ক্ষিপ্ৰ হাত দুখনৰ আৰু আঙুলিবিলাকৰ লেৰা লেপেৰা আক্ৰমণে বৰ্ণাৰ প্ৰতিৰক্ষাৰ প্ৰতিক্ৰিয়াবিলাক সজাগ কৰিলে। এবাৰ বাৰ্ণছে তেওঁক কাষলৈ টানি চুমা খাবলৈ চেষ্টা কৰোঁতে বৰ্ণাই কঠোৰভাৱে বুঢ়া বাৰ্ণছক দুই হাতেৰে ঠেলি দিলে; বাৰ্ণছে আচৰিত হৈ সুধিলে,

"তুমি মোৰ কাৰণে কাম কৰিবলৈ বিচৰা নেকি?"

"মই আপোনাৰ লগত কাম কৰি খুব ভাল পাম", বৰ্ণাই শান্তভাৱে ক'লে।

"তোমাকতো মই মোৰ কাৰণে কৰিব লগীয়া কাম বিলাকতে বিচাৰি পুঁজিছো।

তুমি একো ভয় কৰিব নালাগে। ভাল ছোৱালীৰ দৰে হোৱাচোন। এৰা আৰু অলপ হেম্পেন খোৱা, সকলো ঠিক হৈ যাব।"

বুলি বাৰ্ণছে গিলাছটোত আৰু অলপ হেম্পেন ঢালি দি আকৌ বৰ্ণাক কাষলৈ টানি আনিবলৈ চেষ্টা কৰিলে। বৰ্ণাই আচম্বিত হৈ বাৰ্ণছৰ চকুলৈ চালে—সুৰাৰ-চাৱনিত এক অদ্ভুত প্ৰকাশ, সেই চাৱনিয়ে বাৰ্ণছৰ বয়স, শক্তি, আত্মমৰ্যাদা সকলো ঢাকি পেলালে। সি যেন পুৰুষ প্ৰকৃতিৰ এক নিৰ্লজ্জ প্ৰকাশ। এক পাশৱিক আসক্তি পূৰণ কৰাৰ সেই অদম্য লিপ্সা দেখি বৰ্ণা অতিশয় আতঙ্কিত হ'ল। তেওঁৰ নিজৰ চকু মুখ দুহাতেৰে ঢাকি জোৰে কান্দি পেলালে। বৰ্ণাই কেনেকুৱা চাকৰি বিচাৰিছিল তাক বাৰ্ণছে আৰু বাৰ্ণছে কেনেকুৱা চাকৰি দিবলৈ বিচাৰিছিল তাক বৰ্ণাই বুজি পালে।

সেইদিনাখন বৰ্ণাই জোনালীৰ ওচৰলৈ উভতি গৈ যথেষ্ট চকুলো টুকিলে। জোনালীয়ে বৰ্ণাক সান্ত্বনা দি ক'লে,

"তুমি তেওঁৰ কথা শুনিব লাগিছিল। ইয়াত বহুত দিন আছে, বহুত মানুহ দেখিছে, সকলো কথা জানে। এওঁ যি কয় সদায় তাকে হয়। আৰু মই কওঁ শুনা, তুমি এই বুঢ়াবিলাকৰ লগত একোৱেই নকৰিবা দেই। তুমি ডেকা ল'ৰা-ছোৱালীৰ লগত হে চুপতি মৰা উচিত।" বৰ্ণাই দুদিনমান ঘৰতে সোমাই থাকিল।

এদিন ছিনেটৰ বাৰ্ণছৰ অফিচৰ পৰা বৰ্ণাৰ দৰ্খাস্তৰ উত্তৰও আহিল—বৰ্ণাৰ কাৰণে কোনো চাকৰি নাই বুলি দুখেৰে জনাই। সেইদিনাখনেই জোনালীয়ে প্ৰসৱৰ সঙ্কেত পোৱাত সন্ধিয়া হস্পিটাললৈ গ'ল আৰু ডাক্তৰ গোহাঁই জোনালীৰ লগত হস্পিটালতে থাকিল। শেষ ৰাতিপুৱা জোনালীয়ে এটি কন্যা সন্তান জন্ম দিয়াৰ পিছতহে ডাক্তৰ গোহাঁই ঘৰলৈ উভতি আহিল। আহিবৰ সময়ত জোনালীয়ে তেওঁক কৈ পঠিয়ালে,

"মই নাই কাৰণে তুমি কিন্তু বৰ্ণাক ধমকি চমকি নিদিবা। নহয় ছোৱালী, অন্ততঃ মাতষাৰ মৰমেৰে দিবা।"

ঘৰ পাই ডাক্তৰে ৰাতিখন বৰ্ণাক নজগালে আৰু পিছদিনাখন ৰাতিপুৱাই তেওঁ বৰ্ণাৰ খবৰ নকৰাকৈয়ে হস্পিটাললৈ দৌৰ মাৰিলে। জোনালী আৰু গোঁহায়ে বৰ্ণাক বিচাৰি হস্পিটালৰ পৰা দুই এবাৰ ঘৰলৈ ফোন কৰিলে কিন্তু কোনেও নধৰিলে। গোঁহায়ে ভাবিলে যে বৰ্ণাই চাগে আকৌ ছিনেটৰ বাৰ্ণছৰ লগতে দূৰৈ কৰিছে, কিন্তু জোনালীৰ মনত সন্দেহ হ'ল—কেনেবাকৈ ক'ৰবাত কিবা অঘটন ঘটা বুলি। অঘটন ঘটিল—

ৱাশ্বিংটনত চোৰ ডকাইত বেছি কাৰণে ঘৰে ঘৰে মানুহে নানা ধৰণৰ ইলেকট্ৰনিক সজাগ লগাই লয়। ডাক্তৰ গোঁহাই প্ৰায়ে ৰাতি ৰাতি হস্পিটালৰ পৰা অহা যোৱা কৰা কাৰণে আৰু জোনালী অকলশৰে থাকিব লগীয়া হোৱা কাৰণে ঘৰত এক বিশেষ পদ্ধতিৰ

সৰঞ্জাম লগাই থৈছিল। ৰাতি কোনোবাই দুৱাৰ বা খিড়িকী খুলিলে ডাঙৰ শব্দ কৰি পুলিচক জনাই দিয়ে। সেইদিনাখন জোনালীক হস্পিটাললৈ লৈ যাবৰ সময়ত গোঁহায়ে বৰ্ণাক সৰঞ্জামটোৰ বিষয়ে বুজাই গ'ল। কিন্তু নিজৰ জীৱন যৌৱনৰ জল্পনা কল্পনা কৰি বৰ্ণাই সেইবিলাকৰ প্ৰতি ভালদৰে ধ্যান নিদিলে।

গোঁহাইহঁত যোৱাৰ কিছু দেৰিৰ পিছত বৰ্ণাৰ মনটো কিবা কাৰণে একেবাৰে অশান্ত হৈ পৰিল—তাতে অলপ আঁতৰত থকা দোকান-পোহাৰ বিলাকৰ ৰংচঙীয়া নিয়ন চাকিবিলাকৰ চকুৰ টিপনীয়ে তেওঁক আৰু অশান্ত কৰি তুলিলে। মহানগৰীৰ জীৱনৰ সোৱাদ ল'বলৈ তেওঁৰ অদম্য হেঁপাহ হ'ল। তেওঁ ডাক্তৰ গোঁহায়ে কোৱা কথা পাহৰি দুৱাৰ খুলি বাহিৰলৈ ওলাই গ'ল। হঠাৎ হেঁ হেঁ কৈ এটা সৰু শব্দ হ'ল। তেনেকুৱা শব্দ কৰিলে কি কৰিব লাগে বুলি কৈছিল তেওঁ সম্পূৰ্ণ পাহৰিলে—কি হয় হ'ব বুলি তেওঁ দুৱাৰখন জপাই দিলে। ঘৰটোৰ চাৰিওপিনৰ পৰা ইমান ডাঙৰ ডাঙৰকৈ চাইৰেণ বজাৰ শব্দ হ'ল যে ভয়ত তেওঁৰ হাত ভৰি কঁপি উঠিল। তেওঁ ঘামি জামি ইফালে সিফালে দৌৰাদৌৰি কৰোঁতেই পুলিচৰ গাড়ী এখন আহি তেওঁক থানালৈ লৈ গ'ল।

বৰ্ণাৰ লগত কোনো পৰিচয়পত্ৰ বা আন কাগজ-পত্ৰ নথকা দেখি তেওঁনো কোন নিৰ্ধাৰণ কৰোঁতে পুলিচ বিষয়াসকল বেছ বিপাঙত পৰিল। ছিনেটৰ বাৰ্ণছে তেওঁক চিনি পায় বুলি বাৰে বাৰে কোৱা কাৰণে পুলিচ থানাৰ পৰা তেওঁলৈকো ফোন কৰিলে। ছিনেটৰ বাৰ্ণছে জনালে যে তেনেকুৱা নামৰ ছোৱালী এজনীয়ে তেওঁৰ ওচৰত কাম বিচাৰি দৰ্খাস্ত এখন দিয়া যেন তেওঁৰ অনুমান হয় কিন্তু তাৰ বাহিৰে তেওঁ বৰ্ণাৰ বিষয়ে একো নজানো বুলি ক'লে। গোঁহাইৰ ওচৰ চুবুৰীয়া সকলোৱে বৰ্ণাক আগেয়ে কেতিয়াও গোঁহাইৰ ঘৰত দেখা নাই বুলি ক'লে। কেঁচুৱা, হস্পিটাল, বেমাৰী আৰু জোনালীৰ লগত লাগি থকা ডাক্তৰ গোঁহাইক পুলিচৰ বিষয়াসকলে কেবাবাৰো চেষ্টা কৰি যোগাযোগ কৰিব নোৱাৰিলে। অৱশ্যে, ব্যস্ততাৰ মাজত তেওঁক তেওঁলোকে দিগদাৰ কৰিবলৈকো নিবিচাৰিলে।

মুঠৰ ওপৰত বৰ্ণা কোন, তেওঁ ডাক্তৰ গোঁহাইৰ ঘৰত কি কৰিছিল আদি নিৰ্ধাৰিত হোৱাৰ আগেয়ে বৰ্ণাই পুলিচ থানাতে দুৰাতি কটাব লগীয়া হ'ল। জোনালীয়ে ৰবকৈ খটাত ডাক্তৰ গোঁহায়ে ঘৰলৈ আহি তেওঁৰ চোৰ-সংকেতটো বজা বুলি জানি পুলিচ থানালৈ ফোন কৰোঁতেহে সকলো গম পালে। তেওঁ বৰ্ণাক পুলিচ থানাৰ পৰা তৎক্ষণাৎ লৈ আহিব বুলি প্ৰতিশ্ৰুতি দিলে।

ডাক্তৰ গোঁহায়ে গৈ প্ৰথমে কেঁচুৱাৰ সৈতে জোনালীক হস্পিটালৰ পৰা আৰু তাৰ পিছত কান্দ-কাটি জুৰুলা হোৱা বৰ্ণাক পুলিচ থানাৰ পৰা লৈ ঘৰলৈ আহিল। লাজ-অপমান-খঙত উত্তপ্ত হোৱা বৰ্ণাই জোনালীৰ কেঁচুৱাৰ পিনে এবাৰও নাচালে। জোনালীয়ে কিন্তু বৰ্ণাক দেখিয়েই ক'লে,

"ছোৱালী মুৰ্জিহা, ল'ৰা হোৱা হ'লে ভাল আছিল।"

বৰ্ণাই একোকে নক'লে, কিন্তু তাজৰ গোঁহায়ে জোনালীক সুধিলে,

"তুমি তেনেকৈ ক'লে মোৰ বৰ বেয়া লাগে ; মইতো ল'ৰা বিচৰা নাই। ইমান ভগৱানে ইমান ধুনীয়া সন্তান এটি জন্ম দিলা—আকৌ কিয় মনটো বেয়া কৰিব লাগে। মাক-দেউতাকে ল'ৰা আৰু ছোৱালীৰ মাজত একো পাৰ্থক্য দেখিব নলাগে। ল'ৰা হ'লে ভাল, কথাটো অতি পুৰণা। আজিৰ জগতত, বিশেষকৈ আমেৰিকাৰ নিচিনা দেশত সেই বিচাৰ নাথাকে।"

জোনালীয়ে অৱশ্যে ক'লে,

"মোৰ অৱশ্যে মনটো খুব ভাল লাগিছে। তাইৰ গালটো ছুইয়ে ইমান ভাল লাগে। মই এনেয়ে মানুহে কোৱা কথাহে কৈছোঁ।"

ওবে বাটটো গোঁহাই আৰু জোনালীয়ে কেঁচুৱাৰ কথা পাতিলে। বৰ্ণাই "মই আজি যামগৈ" বুলি এবাৰ কোৱাৰ বাহিৰে আন একো নামাতিলে। বৰ্ণাৰ কথাবাৰ শুনি গোঁহায়ে মনে মনে ভাবিলে, "ভালেই হয়, মোৰ ছোৱালীজনী ওপজিয়েই এনেকুৱা কুলক্ষণী এজনীক নেদেখাকৈ থাকিলেই ভাল।" জোনালীয়ে কিন্তু কুটাই কুটাই ক'লে,

"তুমি আমাক নিশ্চয় বেয়া পাইছা, তোমাৰ আমাৰ ওপৰত খং উঠিছে নহয়? বেয়া পাইছা যদি যোৱাগৈ। মইও এতিয়া তোমাক চাবলৈ সময় নাপাম। কিন্তু তুমি বেয়া নেপোৱা যদি দুদিনমান থাকিলে ভাল পাম।"

ঘৰ পাইয়েই বৰ্ণাই ৱাশ্বিংটন এৰি যাবলৈ সাজু হ'ল। তেওঁ যাকে তাকে ইংৰাজী, অসমীয়া, হিন্দী সকলো ভাষাতে গালি পাৰি পাৰি কান্দিলে আৰু কান্দি কান্দিয়েই তেওঁ নিজৰ কাপোৰ-কানিবোৰ সামৰিলে। কেঁচুৱা লৈ ব্যস্ত হৈ পৰা গোঁহাই আৰু জোনালীয়ে তেওঁক একপ্ৰকাৰ পাহৰিলেই। বৰ্ণাই কাপোৰ-কানি বন্ধা যেন গম পাই জোনালীয়ে এবাৰ অলপ আঁতৰৰ পৰা সুধিলে,

"বৰ্ণা, তুমি সঁচাকৈয়ে যাবলৈ ওলাইছা নেকি? ইয়াৰ পৰা ক'লৈ যাবা বাৰু?"

জোনালীৰ প্ৰশ্নটো শুনি বৰ্ণাই হুক হুককৈ কান্দিবলৈ ধৰিলে, তেওঁ ক'লৈ যাব তাক তেওঁ সঁচাকৈয়ে নাজানে। জোনালীয়ে গিৰিয়েকক মাতিলে,

"আপুনি গৈ ছোৱালীজনীক বুজাওকচোন—ডাঙৰী ছোৱালী এনেয়ে ঘূৰি ফুৰাটো কিমান বেয়া কথা। যাওক চোন, দুটামান ভাল কথা শিকাওক।"

তাজৰ গোঁহায়ে বৰ্ণাক বুজালে। "চোৱা, আমেৰিকাত থাকিবলৈ হ'লে বহুত টকা লাগে, নহয় এটা ভাল চাকৰি লাগে, নাইবা পঢ়া-শুনা কিবা এটা শিকিবলৈ থাকিব লাগে। তোমাৰ টকা নাই মই জানো, ভাল চাকৰি এটা যোটাবলৈ তোমাৰ যে অৰ্হতা নাই মই তাকো জানো। তোমাৰ কাৰণে এতিয়া মাত্ৰ এটাই পথ আছে আৰু সেইটো হৈছে কিবা এটা পঢ়া-শুনা কৰিবলৈ সুবিধা কৰি লোৱা। তুমি ইয়াত এনেয়ে অনিশ্চয়তা এটা লৈ থাকিবলৈ বিচাৰিলে কেতিয়া কি হয় কোনো ঠিকনা নাই। আমেৰিকাৰ [illegible]

"আৰু সভ্য দেশ আমেৰিকাতে ই এক বিৰাট জন অৰণ্য য'ত নিতৌ নানা ধৰণৰ হিংস্র কাৰ্য্য ঘটিবলৈ ধৰিছে। ইয়াৰ সভ্য সমাজৰ লগত মিলিবৰ সুবিধা নাপালে তুমি ইয়াৰ জন অৰণ্যত সোমাই পৰাটো স্বাভাৱিক। সেই কাৰণে হয় তুমি পঢ়া-শুনাৰ কিবা এটা ব্যৱস্থা কৰা। নহয় তুমি নিজৰ মা-দেউতাৰ ওচৰলৈ সোনকালে ঘূৰাগৈ।"

বৰ্ণাৰ কিন্তু দৃঢ় মত তেওঁ আমেৰিকাৰ পৰা সোনকালে উভতি নাযায়। কিবা নহয় কিবা এটা কৰি তেওঁ আমেৰিকাত থাকিবই। বৰ্ণাৰ মনৰ ভাব জানিব পাৰি জোনালীয়ে বৰ্ণাৰ কাৰণে এটা পথ বিচাৰি পালে আৰু সেইটো হৈছে আমেৰিকাত চিৰস্থায়ী ভাবে থাকিবলৈ ইচ্ছা থকা কোনোবা অসমীয়া ল'ৰাৰ লগত বৰ্ণাৰ বিয়া পতা, যাতে বৰ্ণাইও আমেৰিকাত নিগাজীকৈ থাকিবলৈ ইচ্ছা পায়। সেইটো প্ৰস্তাৱত বৰ্ণাও সন্মত হ'ল।

জোনালীয়ে নিউ ইয়ৰ্কৰ ৰমেশৰ লগত আলোচনা কৰি আমেৰিকাত থকা ভাল ভাল অসমীয়া ল'ৰাৰ খবৰ ল'লে। ৰমেশ হওঁতে বৰ্ণাৰ ককায়েক যেতিয়া তেওঁ ৰমেশকও বৰ্ণাৰ কাৰণে ল'ৰা এটা চাবলৈ জোৰ কৰিলে, বিয়া ঠিক হোৱালৈকে বৰ্ণা জোনালীহঁতৰ ঘৰতে থকাটো ঠিক হ'ল। ডাক্তৰ গোঁহায়ে কিন্তু সতৰ্ক কৰি দিলে,

"ইয়াতনো অসমীয়া ল'ৰা কেইটা আছে? তদুপৰি থকা কেইটাৰ মাজত কোনোবা ভাল আছে নে নাই সিও সন্দেহ। আন আন ভাৰতীয়ৰ ক্ষেত্ৰতো একেই কথা। তদুপৰি নজনা নশুনাকৈ ঘপহকৰে কোনোবা এজনক বিয়া কৰাটোও ভাল কথা নহয়।"

যাহওক জোনালীহঁতে ভাল বুলি বিবেচনা কৰা অসমীয়া কেইজনলৈ এজনৰ পিছত এজনকৈ বৰ্ণাৰ পাণি আগ বঢ়োৱা হ'ল। তেওঁলোকৰ এজনে জনালে যে তেওঁ বিয়াৰ কথা ভাবিবৰ বয়স হোৱা নাই, আন এজনে জনালে যে তেওঁ অসমত ভাল পোৱা ছোৱালী এজনী আছে। এজনে বৰ্ণাৰ দেউতাকৰ নাম শুনিয়েই নাক কোঁচালে, আন এজনে আকৌ বৰ্ণাক অশিক্ষিত বুলি হাঁহিলে।

ভাল বুলি ভবা কেইজনে প্ৰত্যাখান কৰাত জোনালীহঁতে ভাল বুলি নভবা কেইজনমানলৈকে বৰ্ণাৰ পাণি আগ বঢ়ালে। তেওঁলোকৰ এজনে কথাটো শুনিয়েই বাৰ্ম্বিংটনলৈ চোঁচা মাৰিলে আৰু বৰ্ণাক জোনালীহঁতৰ ঘৰতে হেঁচা মাৰি ধৰিবলৈ চেষ্টা কৰিলে, আন এজনে বৰ্ণাক দেখি ফুৰ্ত্তিতে ইমান হুইস্কি খালে যে জোনালীহঁতৰ দামী কাৰ্পেট, চকী আদিত বমি কৰি আটাইবে বৰ বিপদাৰ কৰিলে। তথাপি সেই কাম-পাগল বা সুৰা-বলিয়াজনেও বৰ্ণাক বিয়া কৰিবলৈ আগ নাবাঢ়িলে। আন এজনে আকৌ বৰ্ণাক বিয়া নকৰাকৈ লগত থাকিবলৈ প্ৰস্তাৱ দিলে।

উপায় নাপাই জোনালীহঁতে দুজনমান বিবাহ-বিচ্ছেদ হোৱা লোককও চেষ্টা

দিলে। তাৰে এজনে ক'লে যে কেৱল ভিছা দিয়াৰ কাৰণেই তেওঁ বিয়া কৰাবলৈ প্ৰস্তুত নহয়, এজনে বৰ্ণা আৰু হনমেনৰ কথা জানি ক'লে বিয়া কৰোৱা বা বিবাহ-বিচ্ছেদ কৰা যেন্না কথা নহয়, কিন্তু বিয়া নকৰোৱাকৈ মতাৰ লগত লেটী-পেটী কৰা ছোৱালী তেওঁ বৰ ঘিণ কৰে। আন এজনে আকৌ ক'লে অসমীয়া নাজানে বন্দী হৈছিলে।

মঠৰ ওপৰত বৰ্ণাৰ কাৰণে কোনো পাত্ত নোজান। ইপিনে বৰ্ণৰ ভিছাৰ দিন শেষ হ'বৰ হ'ল। কেৱল ভিছাৰ কাৰণে বাবে তাৰে লগত বিয়া নহওঁ বুলিয়েই বৰ্ণাই মন বান্ধিলে। তাৰৰ গোহাইহ'তেও জোনালীক কোনোবা কলেজ বিশ্ববিদ্যালয়ত ভৰ্ত্তি হ'বলৈকে চেষ্টা কৰিবলৈ ক'লে।

কিংগষ্টন কাণ্ড

বৰ্ণা ৰাশ্বিবৰ্টনত থাকোঁতেই মই বৰ্ণাৰ দেউতাকৰ পৰা এখন টেলিগ্ৰাম পালোঁ—বৰ্ণা ক'ত আছে, কি কৰিছে তেওঁক টেলিগ্ৰাম কৰি জনাবলৈ। মই কোন কৰি বৰ্ণাক কথাটো কওঁতে, বৰ্ণাই মোক ইংৰাজীতে ক'লে,

"টেল ডেট অ'ল্ড মেন টু গেট অফ মাই বেক"

[মনৰ ভাৱ : তেনেদৰে মোক দিগদাৰ নকৰিবলৈ সেই বুঢ়াটোক কৈ দিয়ক]

বৰ্ণাই নিজৰ দেউতাকৰ প্ৰতি তেনে মনোবৃত্তি প্ৰকাশ কৰা দেখি তেওঁ যে কিমান অসভ্য তাক মই বুজি পালোঁ। সেয়েহে তেওঁৰ লগত আৰু একো কথা নাপাতি মই জোনাল্ডী আৰু গোঁহাইৰ লগতে কথা পাতিলোঁ। বেচেৰী জোনালীয়ে বৰ্ণাৰ কাৰণে খুব চিন্তা কৰিছিল। বৰ্ণাই আমাৰ বিশ্ববিদ্যালয়ত কিবা পঢ়াৰ সুবিধা কৰি দিব পাৰিম নেকি সুধিলে। আমেৰিকাৰ যেই কোনো বিশ্ববিদ্যালয়ত ভৰ্ত্তি হোৱা সংক্ৰান্তত আন কোনেও সহায় কৰিব নোৱাৰে বা কৰিব পৰা একো নাই, কিয়নো আমেৰিকাৰ আইনমতে ছাত্ৰ-ছাত্ৰীৰ দৰ্খাস্তৰ কথাবিলাক সেই ছাত্ৰ-ছাত্ৰীৰ বাহিৰে আন কোনোবাক দেখুওৱা বা সেই বিষয়ে আন কোনোবাৰ লগত আলোচনা কৰাটো বে-আইনী। এইবিলাক ক্ষেত্ৰত তৃতীয় পক্ষ আহি সোমাবলৈ চেষ্টা কৰিলে ফল বিপৰীতহে হয়। ডাক্তৰ গোঁহাইক সেইবিলাক কথা মই বুজালোঁ, কিন্তু তেওঁলোকে মোক ক'লে যে বৰ্ণাক তেওঁলোকে ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ত খবৰ খাবাৰ লৈ পঠিয়াব খোজে, কিয়নো মই বিশ্ববিদ্যালয়ৰ তেনেই ওচৰতে থাকোঁ যেতিয়া মই অন্ততঃ বাট পথ দেখুৱাই দিব পাৰিম বা তেওঁক পৰামৰ্শ দিব পাৰিম। জোনালী আৰু গোঁহায়ে মোৰ ইমান উপকাৰ কৰি থৈছে যে মই তেওঁলোকৰ কথা পেলোৱা অসম্ভৱ আছিল।

বৰ্ণাক ৰ'ড আইলেণ্ডৰ কিংগষ্টন চহৰ অভিমুখে গোঁহায়ে বাছত তুলি দিলে। বাছত একো অঘটন বা ঘটন নঘটিল কাৰণ বাছত ভ্ৰমণ কৰা মানুহৰ প্ৰতি বৰ্ণাৰ সিমান আগ্ৰহ নাই—বৰ্ণাই ভাবে যে বাছত দুখীয়া মানুহহে উঠে। কিন্তু নিউ ইয়ৰ্ক'ৰ প্ৰকাণ্ড বাছ ষ্টেচনত তেওঁৰ এজন ধনীয়া আমেৰিকান ডেকাৰ লগত বন্ধুত্ব হ'ল।

বৰ্ণাই নিউ ইয়ৰ্ক'ত বাছ সলাব লগীয়া, আৰু তাতে তেওঁ প্ৰায় আঠ ঘণ্টামান সময় পাইছিল। ধনীয়া সাজ-পোছাকেৰে ফুলবাবু সজা সেই ডেকাজন বৰ্ণাৰ চকুত পৰিছিল আৰু অকলশৰীয়া বৰ্ণাই সেই প্ৰকাণ্ড বাছ ষ্টেচনটোত বাট পথ বিচাৰি অসুবিধাত পৰা যেন বুজি পাই ডেকাজনে আগ বাঢ়ি আহি বৰ্ণাৰ লগত চিনাকি হৈ তেওঁক ক'ত কোন বাছ লাগে দেখুৱাই সহায় কৰিছিল। বৰ্ণাই বাছৰ কাৰণে বহুত সময় ৰ'ব লাগিব বুলি তেওঁ বৰ্ণাক দূৰ তাত বাছ ষ্টেচনৰ ভিতৰতে থকা

ৰেষ্টুৰেণ্ট এখনত চাহ খাবলৈ নিমন্ত্ৰণ কৰিলে। কাম-বজিয়াত, দুবা-বজিয়া বা এনেয়ে বজিয়া অসমীয়া ডেকাহঁতৰ লগত হোৱা দেখাদেখিবোৰ পিছত অহু আমেৰিকান ডেকাৰ আদৰ সাদৰ বৰ্ণাৰ বৰ ভাল লাগিল। ডেকাজনৰ নাম ব্ৰুচ খটন। ব্ৰুচে হেনো খুব ডাঙৰ চাকৰি কৰে—উকীল, পুলিচ, বস্তুপাতী-লোক, হাকিম, প্ৰফেছাৰ সকলো হেনো তেওঁৰ মক্কেল। বৰ্ণাই ভিছাৰ কাৰণে চিন্তা কৰা আৰু আমেৰিকাত কিবা প্ৰকাৰে সংস্থাপিত হ'বলৈ ইচ্ছা কৰা বুলি জানিব পাৰি ব্ৰুচে বৰ্ণাক ক'লে,

"এইটো একেবাৰে সাধাৰণ কথা। তোমাৰ ভিছাৰ সকলো মীমাংসা মই কৰি দিম আৰু তোমাক মই এটা ইমান ভাল চাকৰি যোগাৰ কৰি দিম যে তুমি একেবাৰে মাৰ্চেডিজ গাড়ী দৌৰাই আৰামেৰে থাকিব পাৰিবা।"

ব্ৰুচৰ হেনো বৰ্ণাক ইমান ভাল লাগিল যে তেওঁ বৰ্ণাক বাৰে বাৰে খাটিলে তেওঁৰ আলহী হৈ দুদিনমান নিউ ইয়ৰ্কত থাকিবৰ কাৰণে। বৰ্ণা সম্মত হোৱাত তেওঁ বৰ্ণাক ফোন নম্বৰটো লিখি দি খাটিলে বৰ্ণাই যেন আকৌ নিউ ইয়ৰ্কলৈ আহিলে তেওঁক খবৰ দিয়ে। বৰ্ণাই আমেৰিকাৰ য'তে ত'তে কিবা অসুবিধাত পৰিলেও তেওঁলৈ ফোন কৰিবলৈ ব্ৰুচে খাটিলে আৰু বৰ্ণা কিবা বিপদত পৰিলে তেওঁ তৎকালাৎ বৰ্ণাৰ ওচৰলৈ যাব বুলি ব্ৰুচে প্ৰতিশ্ৰুতি দিলে।

বৰ্ণাই কিংষ্টন পোৱাৰ পিছত ব্ৰুচ খটনৰ কথা মোক অতি গৌৰৱেৰে ক'লে যাতে মই বুজি পাওঁ যে মই সহায় নকৰিলেও তেওঁক সহায় কৰোঁতা আন মানুহ আছে। ৰ'ড আইলেণ্ড বা মোৰ লগত বৰ্ণাৰ ভাল বাহি যোৱা নাছিল।

মই তেওঁক ৰ'ব নামে মোৰ ছাত্ৰ এজনৰ লগত চিনাকি কৰি দিলোঁ। ৰ'বে বৌদ্ধ ধৰ্মৰ কথাবিলাক, ভাৰতীয় মানুহৰ ভাব ভঙ্গীবিলাক আৰু ভাৰতীয় সংস্কৃতি খুব ভাল পায় কাৰণে ভাল ধুনীয়া, হিন্দু ছোৱালীৰ লগত চিনাকি কৰি দিবলৈ সি মোক সদায় কৈ থাকে। বৰ্ণা হওঁতে ধুনীয়া আৰু হিন্দু যদিও ৰ'বে কিজনা ছোৱালীজনীৰ তিনিটা গুণৰ ভিতৰত দুটা তেওঁৰ আছে—তিনিটাৰ ভিতৰত দুটা একো বেয়া নহয় বুলি ৰ'বক মই বৰ্ণাৰ লোকপোহ কৰিবলৈ পৰামৰ্শ দিলোঁ।

ৰ'বে বৰ্ণাক বিশ্ববিদ্যালয়ৰ ইটো বিভাগৰ পৰা সিটো বিভাগ ঘূৰাই ফুৰাই এই মতত উপনীত হ'ল যে বৰ্ণাৰ আমেৰিকাত পঢ়িবৰ মনোভাৱো নাই বা প্ৰয়োজনীয় যোগ্যতাও নাই। বৰ্ণাৰ কাৰণে যে পঢ়া-শুনাটো এটা অজুহাত আৰু তেওঁৰ যে পঢ়া-শুনা কৰিবৰ কোনো অভিপ্ৰায় নাই সেইটো মইও বুজিলোঁ।

এদিন ৰ'বে বৰ্ণাক এখন পোছাকীয় ৰংমেললৈ (Focmal party) যাবলৈ মাত দিলে—বৰ্ণাই খুব ভাল পালে। তেওঁ সেই ৰংমেলতেই শাৰী কিন পিন্ধিবলৈ যাব বুলি ভাবিছিল। পোছাকীয় ৰং-মেলত ছোৱালীয়ে দীঘলীয়া ফ্ৰকবোৰহে পোছাক পিন্ধি যোৱা নিয়ম বুলি কোৱাত বৰ্ণাই ক'লে যে তেওঁলোকৰ ফুল কলেজৰ ৰং-মেলতো শাৰী কিন পিন্ধি যোৱাটোহে বাহাদুৰি। মই তেওঁক বুজালোঁ যে কিন পোছাকটো ভাৰতত হে পাইতাম বা বিশেষ প্ৰদৰ্শনৰ বস্তু। কিন্তু আমেৰিকানসকলে

নিজৰ জীৱন সহজ কৰিব কাৰণেই হিন্দু কিন্তু কৰিব নলগা, সুবিধা অনুসৰি জেপ থকা আৰু যথাই মথাই পিন্ধিব পৰা এই কিপ পেন্ট আৱিষ্কাৰ কৰিছিল। সেয়েহে কিপ পেন্ট পিন্ধি গোছাকীয় ৰং-মেলতে যোৱাটো দুৰ্বোধ্য। যাহওক হ'লেও বৰ্ণাক শাৰী বা মেখেলা চাদৰ পিন্ধিবলৈ কোৱাত বৰ্ণাও অনিচ্ছাৰে মান্তি হ'ল।

তাৰ পিছত গম পালোঁ যে বৰ্ণাই লগত মেখেলা চাদৰ বা শাৰী এখনও অনা নাই। মোৰ ঘৰৰ ওচৰত থকা ভাৰতীয় মহিলা এগৰাকীৰ পৰা শাৰী এখন গোটাই দিয়াৰ পিছত জানিব পাৰিলোঁ যে বৰ্ণাই শাৰী পিন্ধিবই নাজানে। ব'ব আৰু মই ভাৰতীয় মহিলা গৰাকীকে খাটিলোঁ বৰ্ণাক শাৰীখন পিন্ধাই দিবলৈ।

ইন্দু সূৰ্য্যনাৰায়ণ মোৰ নগৰে গণিত অধ্যাপক এজনৰ পত্নী। ইন্দুৰ গিৰিয়েকে বহুত দিন আগতে গুৱাহাটী বিশ্ববিদ্যালয়তো গণিতৰ অধ্যাপক হিচাপে কিছুদিন কাম কৰিছিল। ইন্দুৱে ইয়াৰ বিশ্ববিদ্যালয়ৰ পৰাই ইংৰাজীত ডক্টৰেট ডিগ্ৰী লাভ কৰে। কোৱা বাহুল্য যে আমেৰিকাৰ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা অতি কঠিন। এগৰাকী ভাৰতীয়ই এই সম্মান আৰ্জ্জন কৰিব পৰাটো বিশেষ কৃতিত্বৰ কথা। তদুপৰি ইন্দু ইয়াৰ এখন ইংৰাজী আলোচনীৰ সম্পাদিকা আৰু এখন কলেজৰ ইংৰাজীৰ অধ্যাপিকা। ইন্দুৱে নিজেও বহু গল্প কবিতা প্ৰকাশ কৰিছে। তথাপি ইন্দুৱে ভাৰতীয় সংস্কৃতি সম্পূৰ্ণ বজাই ৰাখিছে। তেওঁ নিজে খুব ভাল ৰান্ধী বজাব পাৰে। ইন্দুৰ সাজ পোছাক আৰু ব্যৱহাৰ-পাতিত তেওঁৰ ভাৰতীয় সংস্কৃতি সম্পূৰ্ণ স্পষ্ট। সেয়েহে ইন্দুক ইয়াত সকলোৱে খুব সন্মান কৰে। বৰ্ণাক শাৰী পিন্ধাবলৈ আহি ইন্দুৱে তেওঁক ভালদৰে কথা শুনালে,

"তুমি নিজকে কি বুলি ভাবা? ভাৰতীয় ছোৱালী হৈ ভাৰতীয় পোছাক পিন্ধিব নাজানা, তোমাৰ লাজ নালাগে নে? তুমি কি নিজকে পশ্চিমীয়া বুলি ভাবা? তোমাৰ নিচিনা মানুহক আমেৰিকানসকলে কি বুলি কয় জানা—ফ'নি (Phony) আৰু তাৰ অৰ্থ হৈছে কিবা ভুৱা ভেঙুচালিৰ ব্যক্তি। তোমাৰ নিচিনা ছোৱালী—আমাৰ দেশখনৰ কাৰণেই অপমানজনক।"

মাজতে বৰ্ণাই এবাৰ কিবা কথাত "অ' গ'ড" বুলি কওঁতে ইন্দুৰ আকৌ খং উঠিল,

"তুমি কিয় অ' গ'ড ক'ব লাগে? তুমি কি 'হায় ভগৱান' বা 'হৰে কৃষ্ণ, হৰে ৰাম' ক'ব নোৱাৰা নেকি? নে তোমাৰ মুখত অসমীয়া কথা নফুটে। মোৰ স্বামীয়ে যেখোন অসমীয়া নহৈও অসমীয়া ক'বলৈ বিচাৰে। অসমখন, অসমীয়া মানুহবিলাক আৰু অসমীয়াটোক যেখোন মোৰ স্বামীয়ে খুব ভাল পায়। তুমি কি অসমীয়া নহয়? অসমীয়া নহ'লেওতো তুমি অসমীয়াক ভাল পাব পাৰা। মোৰ স্বামীতো অসমীয়া নহয়।"

বৰ্ণাই নম্ৰভাৱে ইন্দুক কলালে যে তেওঁ সৰুৰে পৰাই ইংৰাজী স্কুলত পঢ়িছিল ইত্যাদি, কিন্তু ইন্দুৱে তেওঁক নেৰিলে,

"তুমি ইংৰাজী শিকিছা বাবে ভালকে শিকা, কিন্তু তুমি যেখোন ইংৰাজী ভাষাৰে

নাজানা। তুমি ইংৰাজীৰ বাহিৰে আন এটা ভাষা নাজানো বুলি কিন্তু আৰু আনক নক'বা। মানুহে তুমি কোনো ভাষা নাজানা বুলি হাঁহিব আৰু তোমাক কোনোবা চিৰিয়াখানাতহে থোৱা উচিত বুলি ক'ব।"

সন্ধিয়া ঘৰৰ লগত থকা পিছফালে সেই ৰং-মেলত বৰ্ণাৰ সঁচাকৈয়ে চিৰিয়াখানাত সোমোৱা যেনেই লাগিল। তাত কেবাজনও ভাৰতীয় ল'ৰা আছিল। বিশেষত বহু ভাৰতীয় ছাত্ৰই কিছুমান অদ্ভুত কাণ্ড কৰে। ইয়াৰ ল'ৰা-ছোৱালীয়ে মুকলি-মূৰীয়াভাৱে মৰামৰি বা প্ৰেম বিনিময় কৰা দেখি তেওঁলোকে পশ্চিমীয়া ছোৱালী-বিলাক খুব সস্তীয়া বুলি ভাবে আৰু পশ্চিমীয়া ল'ৰা-ছোৱালীয়ে ইজনে সিজনৰ প্ৰতি কি দায়িত্ব লয় তাক নুবুজাকৈ তেওঁলোকে একোজনী পশ্চিমীয়া ছোৱালী গোটাই ল'বলৈ চেষ্টা কৰে। একনী ছোৱালীক জয় কৰিবলৈ তেওঁলোকে "তোমাক সাংঘাতিক ভাল পাওঁ", "তোমাৰ বাহিৰে মই আন কোনো ছোৱালীৰ কথা ভাবিব নোৱাৰোঁ", "তোমাক মই নিশ্চয় বিয়া কৰিম" আদি মিছা কথা কৈ তেওঁলোকে পশ্চিমীয়া ছোৱালীক ভুলাবলৈ বিচাৰে — এই সকলোবিলাকৰ উদ্দেশ্য মাত্ৰ এটাই — কেনেকৈ ছোৱালীজনীক প্ৰতাৰণা কৰি অলপ সময় সুখ লভিব পাৰে। আমেৰিকাৰ ল'ৰা-ছোৱালীয়ে সততে ইটোৱে সিটোক এনেকুৱা মিছা কথা নকয় বা ছলনা নকৰে কাৰণে এইবিলাক হয়তো সঁচা বুলিয়েই গ্ৰহণ কৰে। এনেকুৱা ভাৰতীয় ছাত্ৰসকলে যদি তেনেকুৱা ছোৱালী এগৰাকী গোটাবলৈ অসমৰ্থ হয় তেনেহ'লে কোনোবা ভাৰতীয় ছাত্ৰী তেওঁলোকৰ দিগন্তত দেখা দিলে আটায়ে একেবাৰে জাঙুল খাই পৰে আৰু সেই ছোৱালী গৰাকীৰ অন্তৰ আৰু প্ৰাণৰ জয় কৰিবলৈ ইটোৱে সিটোৰ লগত ভীষণ অঁৰিয়াঅঁৰি কৰে।

সেইদিনাখনৰ ৰং-মেলত থকা ভাৰতীয় ছাত্ৰ কেবাজনবো বৰ্ণাক দেখি গা সাতখন আঠখন লাগিল। তেওঁলোকে খাপদাৰাখাপ কৰি প্ৰত্যেকেই বৰ্ণাক নাচিবলৈ লগ ধৰিলে। বৰ্ণাই অৱশ্যে তেওঁলোক প্ৰত্যেককে 'না' বুলি ক'লে। তেওঁলোকে হয়তো নাজানিছিল যে বৰ্ণা মন প্ৰাণত ভাৰতীয় নহয় — অন্ততঃ ভাৰতীয় ল'ৰাৰ লগত নাচি ফুৰিবৰ কাৰণে তেওঁ আমেৰিকালৈ অহা নাছিল। বৰ্ণাক কোনেও জয় কৰিব নোৱাৰা দেখি বৰ্ণাৰ দৰে সমূহে পঢ়া ইংৰাজী স্কুলত পঢ়ি ভাৰত এৰা এজনে বহু কিম্বাই দুৰেত আৰু বিশ্বাসেৰে বৰ্ণাৰ পিঠিত হাত দি সুধিলে,

"হাউ এবাউট এ ডান্স, মিছ?" [মনৰ অৰ্থ : মোৰ লগত তুমি নাচিবই লাগিব]

বৰ্ণাই নাচিবলৈ অমান্তি হোৱাত তেওঁ এক প্ৰকাৰ ধমকি দিয়াৰ দৰে বৰ্ণাক ক'লে,

"হুৱাই ন'ট?" [মনৰ অৰ্থ : কিয় নানাচিব]

বৰ্ণাক তেনেধৰণে অপমানজনক ভাবে কথা কোৱা দেখি খঙত ৰঙা হৈ বৰ্ণাই প্ৰত্যুত্তৰ দিলে,

"ইউ ডণ্ট ফ'ও [illegible] এন আমেৰিকা। ইউ সে' [illegible]।"

[অৰ্থ ঃ তুমি তাৰ কথাৰ উত্তৰ দিব লাগিলেই বুদ্ধি নাভাবিবা। তুমি তাক আতৰ হ'বলৈ ক'ব পাৰা।]

বৰ্ণালিও তাকে কথাত ল'বাজন আতৰ হ'ল কিন্তু সি বৰ্ণাৰ মনটো অশান্ত কৰি থৈ গ'ল। বৰ্ণালি ভাবিবলৈ বাধ্য হ'ল যে তেওঁৰ মুখৰ ভাৰতীয় সাঁচ আৰু চুলিৰ ক'লা ৰংটোৰ নিচিনাকৈ ভাৰতীয় সমাজেও তেওঁক কোঁচালৈও নেলে। তাৰ পিছত বৰ্ণালি আৰু সেই ৰং মেলত বেছি ৰস নাপালে। ঘৰে কোনোমতে বৰ্ণালি জীৱনত কি বিচাৰিছে নাজানে আৰু সেই কথাটো তেওঁৰ প্ৰতিটো খোজতে প্ৰতিফলিত। ৰংমেলটো হেনো তেওঁ অস্থিৰ ভাবে ইফাল সিফাল কৰোঁতেই গ'ল। ঘৰেও তেওঁৰ লগত আলোচনা কৰিবলৈ বা দুয়ো একেলগে কিবা এটা কৰি আনন্দ লাভৰ একো উপায় নেদেখিলে। বৰ্ণাক লগ পোৱাৰ পিছত বৰ্ণাৰ ধাৰণা হ'ল যে কৃষ্টি সংস্কৃতিৰ শকত বাধা অতিক্ৰম কৰি সি এগৰাকী ভাৰতীয় নাৰীৰ অন্তৰ স্পৰ্শ কৰা কঠিন। মই অৱশ্যে ক'ব খুজোঁ যে সেয়া ভাৰতীয় কৃষ্টি সংস্কৃতিৰ গঢ়া বাধা নহয়, সেয়া বৰ্ণাৰ কৃষ্টি-সংস্কৃতি বিহীন ব্যক্তিত্বই সৃষ্টি কৰা বাধাহে।

যাহওক, সেই ৰংমেলখনৰ পিছত বৰ্ণাৰ প্ৰতি ঘৰৰ অকণো স্পৃহা নাইকিয়া হ'ল আৰু সি মোক এজনী ভাল, ধুনীয়া হিন্দু ছোৱালী বিচাৰি দিবলৈ খুনাই খুন্দিয়ালে।

গুৱাহাটীৰ এক নৃশংস হত্যাকাণ্ড

ঘৰে বৰ্ণাৰ খবৰ ল'বলৈ এৰিলে যদিও বৰ্ণাৰ খবৰ লৈ অসমৰ বন্ধুৱে পঠোৱা চিঠি আহিলে আৰু সকলোৱে গুৱাহাটীত হোৱা এক নৃশংস হত্যাকাণ্ডৰ কথা লিখিলে। ঘটনাটো হ'ল এই—

বৰ্ণাৰ লগত সুজাতা, মুকুন্দ আৰু হনুমন্তও কলিকতালৈ যোৱাৰ কথা আছিল, কিন্তু মুকুন্দ বিমান কোম্পানীত আছিল যদিও সুজাতা বা হনুমন্ত বিমান কোম্পানীত নাছিল। মুকুন্দৰ টিকটটো হনুমন্তৰ লগতে থকাৰ কাৰণে মুকুন্দক বিমানত উঠিব নোৱাৰিলে। আকাশী জাহাজখন যোৱাৰ পিছতও মুকুন্দক বহুত দেৰি বিমান কো..ত থাপ ল'লে হনুমন্তৰ কাৰণে। কিন্তু হনুমন্তৰ কোনো দেখাদেখি নোহোৱাত হনুমন্তই ভাটীবেলা কিবা মনেৰে গুৱাহাটীলৈ উভতিলে আৰু হনুমন্তক ক'তো বিচাৰি নাপাই ৰাতি তেওঁলোকৰ ঘৰত ওলালগৈ। তাত তেওঁ গম পালে যে হনুমন্ত আগদিনাখনও ঘৰলৈ অহা নাই। সেয়েহে হনুমন্তৰ ঘৰটো বিশেষ উৎকণ্ঠা আৰু হনুমন্তৰ মাক দেউতাকে গোটেই দিনটো মুকুন্দ ও হনুমন্তক বিচাৰি ফুৰিছিল। মুকুন্দে তেওঁলোক যে সেইদিনাখন কলিকতালৈ যোৱাৰ কথা আৰু তাৰ পৰা হনুমন্ত বৰ্ণাৰ লগত আমেৰিকালৈ যোৱাৰ কথা আছিল তাক জনালে। হনুমন্তৰ দেউতাকে হনুমন্ত বিমান কোম্পানীলৈ নগ'ল বুলি জানিও কলিকতাৰ আত্মীয়-স্বজন বন্ধু-বান্ধৱলৈ ফোন কৰি কলিকতাৰ আন্তৰ্জাতিক বিমান কোম্পানীত খাপ ল'বলৈ অনুৰোধ কৰিলে।

কিন্তু বৰ্ণালি তাৰত এবাৰ দুদিন পিছতেকে হনুমন্তৰ কোনো দেখাদেখি নাইকিয়া হোৱাতহে হনুমন্তৰ দেউতাকে গুৱাহাটীৰ পুলিচত পুত্ৰৰ নিৰুদ্দেশ হোৱা খবৰ দিলে।

পুলিচে যুবকক জেৰা কৰি গাড়ী বিক্ৰী কৰা কাহিনীটো শুনিলে আৰু গম পালে যে হনুমন্তই গাড়ী কিনা মানুহজনৰ পৰা পাঁচ হেজাৰমান টকা পাব লগীয়া আছিল আৰু দেউতাকৰ বিনা অনুমতিত গাড়ীখন বিক্ৰী কৰা বুলি জানি কিনোতাজনে হনুমন্তই গাড়ীখন গুৱাহাটীৰ বাহিৰতে তেওঁৰেই উলিয়াই নি ৰক্ষণপত্ৰৰ দলিলৰ ওচৰলৈকে নিব লাগিব আৰু তেতিয়াহে সেই টকাখিনি দিব। কলিকতালৈ যাবলৈ ঠিক কৰা দিনৰ আগনিশাখন সম্ভৱতঃ সেই বাটত যুবকে যোৱাৰ বন্দোবস্ত কৰিব লগীয়া হোৱা কাৰণে নগ'লে আৰু সেই ৰাতি তেওঁ হনুমন্তৰ লগত কোনো সাক্ষাৎ কৰিব লগীয়া নাছিল বুলি একো চিন্তা নকৰিলে। পুলিচে এইবিলাক কথা গম পাই যানে চাৰি দিন পাৰ হৈ গ'ল। তেওঁলোকে গুৱাহাটী কলিকতাৰ বাটত হনুমন্ত আৰু হনুমন্তৰ গাড়ীখন বিচাৰি চলাথ কৰিলে। হনুমন্তক তেওঁলোকে বেছি বিচাৰিব লগীয়া নহ'ল, কিয়নো, পলাশবাৰী শুৱালকুচিৰ কেবাটা যাতায়াত কৰা লোকসকলে ৰক্তাক্ত এটা মৰাশ ওপঙি থকা দেখা বুলি গম পাই তেওঁলোকে তাক অনালে আৰু সেইটো হনুমন্তৰে মৃতদেহ বুলি জানিব পাৰিলে। তেওঁক কোনোবাই ডিঙিত টিপি মাৰি নদীত পেলাই দিয়া বুলিয়েই ভোলপাৰ লাগিল।

হনুমন্তৰ মাক দেউতাকে বৰ্ণালি দেউতাকেই গুণ্ডা লগাই কামটো কৰোৱা বুলি সন্দেহ কৰিলে আৰু বৃন্দাবনে তেনে অভিপ্ৰায় আগেয়ে দুই এজনৰ আগত প্ৰকাশ কৰা বুলি সাক্ষীও উলিয়ালে। বৃন্দাবনে গোটেই চিঠিত লিখিলে যাতে মই তৎক্ষণাৎ বৰ্ণা ক'ত আছে খবৰ কৰি তেওঁক নিৰাপদে দিল্লীলৈ পঠিয়াওঁ আৰু তেওঁ যে বৰ্ণালিক দিল্লীতে লগ ধৰিব সেই যাব—বৰ্ণালিক কলিকতাত পালে হনুমন্তৰ দেউতাকে কি হানি কৰে কোৱা টান।

বহুতে যুবকৰেই তাত কিবা হাত আছে বুলি সন্দেহ কৰিলে, কিয়নো সিয়েই হনুমন্তৰ লগত সদায় ঘূৰিছিল। পুলিচেও যুবকক আটাইতকৈ বেছিকৈ জেৰা কৰিলে। যুবকে আকৌ সন্দেহ কৰিলে সুজাতাইহে কিবা কাৰবাচী কৰা বুলি কিয়নো সুজাতাই যুবকৰ লগত যাবাওঁ বুলি আগনিশাখনেই ঠিক কৰি টিকটো। এতোতাই তাৰ টকাখিনি উলিয়াইছিল। যুবকজনও কাণ্ড আজান বৰ্ণালি সোমকালে পঠাই দিব লাগে, কাৰণ বৰ্ণালিয়ে জানে সি হনুমন্তক কিমান ভাল পাইছিল।

হনুমন্তৰ অপমৃত্যুৰ কথা বৰ্ণালিক জনোৱাৰ অপ্ৰিয় দায়িত্ব পৰিল মোৰ ওপৰত। বৰ্ণা আৰু হনুমন্তৰ এনে সম্বন্ধৰ বিষয়ে মই জানিছিলোঁ আৰু বৰ্ণালি আমেৰিকাত আহি হোৱা অপ্ৰিয় ঘটনাবোৰৰ কাৰণে মোৰ ভয় হৈছিল যে বৰ্ণালি হয়তো কথাটো শুনি একেবাৰে ভাগি পৰিব। মই সেই কাৰণে বৰ্ণালিক আদৰ সাদৰ কৰি জানালে দুৱাৰ বন্ধ কৰি সুস্থিৰভাৱে সকলো ক'বলৈ আৰম্ভ কৰিলোঁ।

"বৰ্ণা, তোমাক মই বৰ বেয়া খবৰ দিবলৈ আহেঁ।"

"কিয় কি বেয়া খবৰ ?"

"তোমাৰ যে বন্ধ্ হন্মন্ত ৰায়—এই জগতত আৰু নাই।"

"কিয় কি হ'ল ?"

"তেওঁক কোনোবাই হত্যা কৰিলে।"

"হ্বাই, হ্ন কিল্ড হিম ? এনিবে আই ড'ণ্ট কেয়াৰ।"

[মনৰ ভাব : কিয় কোনে মাৰিলে ? মই অযথা চিন্তা কৰাৰ কাৰণ নাই।]

"নাই নাজানো। বহুতে তোমাৰ দেউতাৰাই গুণ্ডা লগোৱা বুলি সন্দেহ কৰিছে।"

"ন' বে—দাদি ওড নেভাৰ দু এ থিং লাইক দেট। হন ইজ নট বৰ্থ ইট। এনিবে হি ডিজাৰ্ভচ ইট ইউ নঅ' হি ইজ ভেৰী চেলফিচ।"

[মনৰ ভাব : নাই দেউতাই মুখেৰে কট কটালেও তেনে কাম নকৰে। হন্মন্তক মাৰি কি লাভ। যাহওক, হন্মন্ত ইমান স্বাৰ্থপৰ যে তাৰ এনে হোৱাটো স্বাভাৱিক]

মুঠৰ ওপৰত হন্মন্তক কোনোবাই হত্যা কৰা বুলি শুনি বৰ্ণাই এটুপিও চকুলো নুটুকিলে বা এটাও হুমুনিয়াহ নাকাঢ়িলে।

দুখ কৰা দূৰৈত থাওক বৰ্ণাই ষ্টীভ নামেৰে দ'ৰা এজনৰ লগত বান্ধ বাখিবলৈহে আৰম্ভ কৰিলে। য'বেই বৰ্ণাক ষ্টীভৰ লগত চিনাকি কৰি দিছিল। বৰ্ণাই হন্মন্তৰ মৃত্যুৰ বাতৰি পোৱাৰ অলপ পিছতেই ষ্টীভে ফোন কৰি বৰ্ণাক গ্ৰীচ দেশীয় খানা খাবলৈ লগ ধৰিলে ষ্টীভৰ লগৰ আন কিছুমান দ'ৰা-ছোৱালীৰ লগত। বৰ্ণা তৎক্ষণাৎ সম্মত হ'ল আৰু তেওঁলোক আটায়ে গৈ এখন গ্ৰীক ৰেস্টুৰেণ্টত খালে। পইচা দিওৰ সময়ত তেওঁলোক প্ৰত্যেকেই নিজৰ নিজৰ খোৱা খৰচবিলাক দিলে কিন্তু বৰ্ণাই ক'লে যে তেওঁক ষ্টীভেহে মাতি নিছে বেতিয়া ষ্টীভেই তেওঁৰ খোৱা খৰচখিনি দিব লাগিব। তেওঁলোক সকলোৱে আচৰিত হৈ বৰ্ণাৰ মুখলৈ চালে। ষ্টীভে সকলোকে বুজালে যে বৰ্ণা নতুনকৈ অহা ছোৱালী কাৰণে আমেৰিকাৰ কথাবিলাক ভালকৈ নাজানে। তথাপি তাৰে এগৰাকীয়ে বৰ্ণাক বুজালে,

"তুমি ষ্টীভক তোমাৰ খৰচ বহন কৰিবলৈ বাধ্য কৰা উচিত নহয়।"

বৰ্ণাই কিন্তু এটা দুষ্ট হাঁহি মাৰি ষ্টীভৰ পিনে চাই ক'লে,

"ৱেল, ষ্টীভ কেয়াৰচ ক'ৰ মি। হি উইল পে'। ৱন্ট ইউ ষ্টীভ ?"

[ষ্টীভে বুজা অৰ্থ : ষ্টীভে মোক বিচাৰিছে যেতিয়া সি মোৰ খৰচ দিব]

খাই বৈ উঠি দ'ৰা-ছোৱালীবিলাক ভাগে ভাগে গ'ল। ষ্টীভে বৰ্ণাক তেওঁ কি কৰিব বিচাৰে সোধোঁতে বৰ্ণাই ক'লে,

"লে'ট আছ হেভ ছাম ফান"

[ষ্টীভে বুজা অৰ্থ : আমি অলপ স্ফুৰ্তি কৰোঁগৈ ব'লা]

তাকে শুনি ষ্টীভে বৰ্ণাক সি থকা হোষ্টেলটো দেখুৱালে। হোষ্টেলটো দীঘা-হোৱাৰ উভয়ৰে কাৰণে—এফালে হোৱালী থাকে আৰু আনফালে দীঘা থাকে। তাকে দে বৰ্ণাই মন্তব্য কৰিলে, "কি বাহিৰ ভাই, আমাৰ তাত দীঘা-হোৱালী একেলগে দূৰ দূৰত থাকিলেও মাক দেউতাকে চকুৰে দেখে।" ষ্টীভহঁতৰ হোষ্টেলত দীঘ কোঠাৰে হোৱালী অবাধে আহিব পৰা আৰু হোৱালীৰ কোঠালৈ দীঘা অবাধে যাব পৰা বন্দোবস্তটো বৰ্ণাই খুব ভাল পালে। বৰ্ণা তেনেকৈয়ে সহজে হোৱা সোঁধ ষ্টীভে ভালেই পালে।

ষ্টীভ ফুটবল খেলুৱৈ। তেওঁৰ লগত ফুটবল খেলা আন দুজন দীঘাও তেওঁৰ ওচৰৰে কোঠা দুটাত থাকে। ষ্টীভে একমী হোৱালী নিজৰ কোঠালৈ আনিছে বুলি জানি সিহঁত দুটাইও হাতত বিয়েৰ লৈ ষ্টীভৰ কোঠালৈ আহিল। সিহঁত তিনিওটাই বৰ্ণাৰ লগত প্ৰথমে বেছ ভালকৈ কথা পাতিলে কিন্তু পিছত তিনিওটা একগোট হৈ বৰ্ণাক জোকাবলৈ আৰম্ভ কৰিলে তেওঁৰ দেহটো আৰু অংগ-প্ৰত্যংগ বিলাকৰ কথা কৈ কৈ। তাৰ পিছত আৰম্ভ হ'ল খোচা দিয়া আৰু "পৰ্ণ" পৰ্ণ", কিবা থি্-ইন-ৱান খেলাৰ কথা, কিবা ফুৰ্তিৰ কথা ইত্যাদি ইত্যাদি। বৰ্ণা অপ্ৰস্তুত হ'ল। সিহঁতে এনে দুৰ্ব্যৱহাৰ কৰে বৰ্ণাৰ হাতে-পাতে ধৰি টনা-আজোৰা কৰিবলৈ ধৰিলে যে বৰ্ণাই কান্দিবও লগীয়া হ'ল।

সৌভাগ্যবশতঃ ব'বে একেটা হোষ্টেলতে বাস কৰিছিল আৰু তেওঁ বৰ্ণাক ষ্টীভৰ কোঠালৈ যোৱা দেখিছিল। বহু ভাবি চিন্তি ব'বে মোক ফোন কৰি জনালে, "বুজিছে বৰ্ণা ষ্টীভৰ কোঠালৈ আহিছে। বৰ্ণাইতো নিজৰ দায়িত্ব নিব নাজানে। সেই কাৰণে আপুনি তেওঁক সতৰ্ক কৰি দিয়া উচিত যে ষ্টীভ দীঘাটোৰ বিদ্যমান বেয়া বদনাম আছে। মইতো তেওঁক একো কোৱাৰ অধিকাৰ নাই। আপুনি তেওঁক সতৰ্ক কৰি দিয়ক, তাৰ পিছত যি কৰে বৰ্ণাৰ ওপৰত।" নিজকে অতি সৰল বুলি ভবা বৰ্ণাই যে সদায় বিপদ আহ্বান কৰি থাকে তাকে জানি মই ব'বক ক'লো তেওঁ যেন ষ্টীভৰ কোঠালৈ গৈ মই বৰ্ণাক কোনত কথা পাতিবলৈ মাতিছো বুলি কয়। ব'বে গৈ ষ্টীভৰ কোঠাৰ বাহিৰৰ পৰাই ক'লে,

"ষ্টীভ, ইয়াত বৰ্ণা আছে নেকি? জেন দত্তই তেওঁক ফোনত বিচাৰিছে।"

ষ্টীভহঁতে বৰ্ণাক কোঠাটোৰ ভিতৰত হোৱা কান্তাকিলাক মোক ক'বলৈ মানা কৰিলে আৰু আকৌ কোঠাটোলৈ উভতি যাবলৈ ক'লে। বৰ্ণাই ফোনটো লৈ মই কিবা ক'বলৈ পোৱাৰ আগেয়ে ক'লে,

"আপুনি অনুগ্ৰহ কৰি মোক ইয়াৰ পৰা লৈ যাওক না? মোক ইহঁতে খুব বিৰক্ত কৰিছে। অনুগ্ৰহ কৰি আহক না? মই আপোনাক আৰু কেতিয়াও একো আমনি নকৰো।"

বৰ্ণাই প্ৰথমবাৰৰ কাৰণে তেনেকৈ অনুনয় বিনয় কৰা দেখি মই তেওঁক আনিবলৈ গলোঁ। বৰ্ণা মই কোৱামতে হোষ্টেলটোৰ দুৱাৰমুখত থিয় হৈ আছিল।

তেওঁৰ লগত ষ্টীভও আছিল। ষ্টীভে তেওঁক গাড়ীৰ ওচৰলৈকে আগ বঢ়াই দি বৰ্ণাক ক'লে,

"তোমাৰ মনত যদি দুখ দিলো তেনেহ'লে মই সঁচাকৈয়ে দুঃখিত। তুমি কিবা ফূৰ্ত্তি কৰিবলৈ বিচৰা বুলি কোনো কাৰণে মই তুমি এনেকুৱা ধৰণৰ ফূৰ্ত্তিকে বিচৰা বুলি ভাবিছিলো। মোৰ ইয়াতে অহা কাৰণে ধন্যবাদ—শুভেচ্ছাৰি কামনা কৰিলো।"

বৰ্ণাই একো নকৈ গাড়ীত উঠিল, মই ষ্টীভক ধন্যবাদ জনাই খৰকৈ বা হ'লো। বৰ্ণাই মোক সেইদিনাখনৰ সকলো ঘটনা বৰ্ণনা কৰি মন্তব্য দিলে,

"ইয়াৰ ল'ৰাবিলাক বৰ অসভ্য। সিহঁতে ছোৱালীৰ কেৱল দেহটোহে চিনি পায় নহয় ?"

উত্তৰত মই ক'লো, 'নাই, সেইটো সঁচা নহয়। সকলো ছোৱালীকে সিহঁতে তেনে ব্যৱহাৰ কৰিবলৈ সাহস নকৰে। কিন্তু তুমিতো নিজৰ দেহটোৰ বাহিৰে সিহঁতক আন দেখুওৱা নাই। সিতো তোমাক ক'লেই যে তুমি ফূৰ্ত্তি কৰিবলৈ বিচাৰিছো বুলি কোনো কাৰণেহে সি তেনে কৰা বুলি। এজন ডেকাৰ লগত ফূৰ্ত্তি কৰিবলৈ তোমাৰ দেহটোৰ বাহিৰে তুমি জানো আন কিবা জানা ? তুমি তাক তোমাৰ খবচাখিনি দিবলৈ কৈয়ে জনালা যে তুমি এজনী ছোৱালী আৰু সি তোমাক অনুগ্ৰহ ক'ৰা উচিত—সেয়া এক যৌন আবেদন। সি তোমাক তাৰহে উত্তৰ দিলে। তুমিতো তাৰ লগত ভাব, জ্ঞান শিল্পকলা আদি একোৰে বিনিময় কৰা নাই। তুমি তাৰ লগত হয়তো ব্যৱহাৰ কৰিছিলা কেৱল তোমাৰ দেহৰ ভাষা আৰু যৌন-আবেদন আৰু সিও তোমাক উত্তৰ দিলে একে ভাষা আৰু আবেদনেৰে। সেই কাৰণে ষ্টীভক মোৰ দি লাভ নাই। অন্ততঃ সি সাহসেৰে তোমাক বেয়া নাপাবলৈ কৈ গ'ল।"

তাৰ পিছত মোৰ কি মন গ'ল ক'ব নোৱাৰো, হঠাৎ মই বৰ্ণাক তেওঁৰ বিষয়েনো কি ভাবো ক'বলৈ আৰম্ভ কৰিলো,—

"তুমি হয়তো খুব ভাল ছোৱালী—মই নাজানো। কিন্তু মোৰ এনে ধাৰণা যে তুমি কেতিয়াও একো ভাল কথা শিকা নাই। জীৱনত কি বিচাৰিছা তুমি একো নাজানা। আজি-কালিৰ ল'ৰা-ছোৱালীবিলাক সকলো তোমাৰ নিচিনাই নেকি ? আমি তোমালোকৰ সমান বয়সত যেতিয়া বহুত ডেকেৰা আছিলো। কলেজীয়া জীৱনত মোৰ বহুত নগৰীয়া ছোৱালীৰ লগত ভাল বন্ধুত্ব আছিল আৰু তেওঁলোকৰ লগত মোৰ এতিয়াও এনে বন্ধুত্ব আছে যাৰ কাৰণে মই খুব গৌৰৱ কৰো। তেওঁলোক কোনোজনেইতো তোমাৰ নিচিনা নহয়। তেওঁলোক সকলোৱে যেতিয়া কলেজীয়া দিনৰে পৰা জীৱনৰ একেটা উদ্দেশ্য লৈ আছিল। কিন্তু তোমাৰ কি উদ্দেশ্য আছে—তোমাৰ পঢ়া-শুনাত মন নাই, নিজৰ মা দেউতাৰ প্ৰতি তোমাৰ কোনো শ্ৰদ্ধা নাই, মানুহৰ প্ৰতি তোমাৰ

কোনো বেবেশ নাই। আলীক তুমি সিকল আৰাটোকে ক'ব নোৱাৰা। ইংৰাজ ভেদে তুমি কোনো ভাষাকে অনুভূতিৰে মাতিব নোৱাৰা। মোৰ ধাৰণা যে তোমাৰ কোনো অনুভূতিয়েই নাই। তোমাৰ হিয়েকো, বুদ্ধি একো নাই—তুমি এক বিৰাট শূন্য। মনুষ্যৰ আকাৰত ভিতৰ কেৰেপোনা বিনা এক শাৰীৰিক স্থিতি।"

মোৰ কথাখিনিক শুনি বৰ্ণাৰ চকু চলচলীয়া হ'ল আৰু তেওঁ নিজাতে সকলো গ্ৰহণ কৰিবলৈ বেয়া পালে। সেয়েহে সহজ মোকও আপোন লোকাবিলাৰ মাধ্যমেৰে তেওঁ ইংৰাজী, অসমীয়া মিলাই কোৱা কথাখিনিৰ অৰ্থ হ'ল,

"মতা মানুহবিলাক চব বৰবাত। কি চিনেমাৰ খাওঁহ, কি কীৰ, কি আপুনি সকলো একেই, চব বদমাচ পাজী। সিহঁতে জানে কেৱল দেহ। চব অসভ্য জানোৱাৰ। মই জানো আপুনিও মোক একে ব্যৱহাৰ কৰিব। কেৱল আপুনি চালাক, আপুনি খুব বুদ্ধিৰে কৰিব। মই চব জানো। আপুনি কেৱল এটা সুযোগৰ কাৰণে অপেক্ষা কৰি আছে।"

বৰ্ণাৰ কথাখিনি শুনি মোৰ খং নুঠিল। মোৰ এনেহে লাগিল যে সেয়া তেওঁৰ প্ৰথমবাৰৰ কাৰণে চকু মেলি চোৱাৰ প্ৰচেষ্টা। মোৰ এইটোও বুজিবলৈ বাকী নাথাকিল যে মোক কথা শুনোৱাৰ চলেৰে তেওঁ মোৰ পক্ষ কিবা শুনিবলৈহে বিচাৰিছে। মই অতি শান্তভাৱেই তেওঁক ক'লোঁ,

"তুমি নিশ্চিত পাৰা যে তোমাৰ দেহত মই দৃষ্টিপাত পৰ্যন্ত নকৰো। তুমি যদি ভাবিছা যে মই তোমাক প্ৰেম নিবেদন কৰিব তেনেহ'লে তুমি অলীক সপোন দেখিছা। অতএৱ ভাল পোৱা নৰকাকৈ মই তোমাৰ সমস্ত দৈহিক সুখ দুখ লয় বুলি যদি ভাবিছা তেনেহ'লে তুমি সাংঘাতিক ভুল কৰিছা। সঁচা কথা ক'বলৈ গ'লে মই তোমাক ঘিণ কৰোঁ। মোৰ কাৰণে তুমি এক অপদাৰ্থ, আৱৰ্জনা।"

বৰ্ণাই কিন্তু আধা কান্দোন আধা দুখভাৱে ক'লে,

"আপুনি যতো নিজে কি হ'ব। মই মানুহক ভালদৰে চিনি পাওঁ। সকলোৱেই খুব স্বাৰ্থপৰ। ৰমেশ আৰু চিন্নাই মোক নিউ ইয়ৰ্কত আনিছিল সিহঁতৰ কেঁচুৱা চাম বুলি। জোনালী আৰু তাৰ গৌৰাঙ্গে মোক ৰাখিবলৈ মাতি নিছিল অকলশৰীয়া আৰু সন্তানহীনা জোনালীৰ লগৰীয়া হৈ তেওঁক তোষামোদ কৰি থাকিব বুলি। আৰু সেই পাপিষ্ঠ চিনেমাটোৱেও ভাবিছিল মোক নিস্তেজ কৰিব বুলি। আপোনাৰ কি স্বাৰ্থ আছে মই নাজানিব পাৰোঁ, কিন্তু এইটো ভালদৰে জানো যে আপোনাৰ কিবা এটা মতলব আছে।"

বৰ্ণাক নিৰাশ নকৰি মই ক'লোঁ,

"আচলো কথাটো সঁচা—মোৰও এক স্বাৰ্থ আছে। তোমাক আমাৰ ঘৰৰ কৰি ৰাখিও ভিজাবলৈ এক আৱশ্যক। মই খুব অকলীয়া। অকলীয়া জীৱন-যুঁজ

আৰু অসমীয়া মানুহৰ প্ৰতি মোৰ বিশেষ প্ৰীতি। তাতে তোমাৰ দেউতা মোৰ দেউতাৰ লগৰীয়া। মোৰ দেউতা নাই কাৰণে তোমাৰ দেউতাই তোমাক সহায় কৰিবলৈ কোৱা কথাবাৰকে মই হয়তো মোৰ দেউতাৰ আদেশ বুলিয়েই লৈছো। মোৰ ভনীলৈও মোৰ খুব মৰম। তুমি মোৰ ভনী নহয় যদিও তোমাৰ যে মোৰ নিচিনা এজন ককায়েক আছে তাক মই জানো। সেয়েহে হয়তো মোৰ ভনীৰ মৰমত তোমাক মই বিশেষত আদৰিছো। মোৰ অসমীয়া প্ৰীতি, পিতৃ-ভক্তি আৰু ভগ্নী প্ৰেম চৰিতাৰ্থ কৰিবলৈ বিচাৰিছো তোমাক মৰম কৰি—ই হয়তো এক আত্মতৃপ্তি। সেই আত্মতৃপ্তিত তুমি যদি স্বাৰ্থপৰতা দেখা পোৱা তেনেহ'লে মোৰ ক'ব লগীয়া একো নাই। কিন্তু মোৰ বোধেৰে স্বাৰ্থপৰতা শব্দটোৰ ই এক অপপ্ৰয়োগ। কেৱল নিজৰ দৈহিক বা মানসিক স্বাৰ্থ পূৰণৰ ক্ষেত্ৰতহে স্বাৰ্থপৰতা দেখা যায়। আমাৰ তৃপ্তি বা আত্মাৰ অন্বেষণত স্বাৰ্থপৰতাৰ প্ৰশ্ন নুঠে, কিয়নো আত্মা নৈৰ্ব্যক্তিক। যাহওক তোমাক যে মই মোৰ কোনো দৈহিক বা মানসিক প্ৰয়োজন পূৰণ কৰিবলৈ প্ৰয়োগ নকৰো সেই বিষয়ে তুমি নিশ্চিন্ত থাকিব পাৰা। তাতে তোমাকতো মই মাথো অনা নাই। তুমি নিজে আহি মোৰ ঘৰত আলহী হৈছা। তোমাকতো মই ধৰি বান্ধি ৰখা নাই। মই মাথো অতিথি সৎকাৰ কৰিছো, হয়তো তুমি তোমাৰ দেহটোকহে চিনি পোৱা কাৰণেহে তেনেদৰে ভাবিছা। তুমি তোমাৰ আত্মাক চিনি পোৱা হ'লে মোক তেনেকৈ নকলাহেঁতেন।"

বৰ্ণাহি, "আপুনি এইবিলাক কি কৈছে মই একো বুজি পোৱা নাই" বুলি মন্তব্য কৰাত মই বৰ্ণাক প্ৰশ্ন কৰিলো,

"তুমি নিজেই কোৱাচোন বাৰু তুমি নিজকে কি বুলি ভাবা?"

বৰ্ণা নিৰুত্তৰ হৈ থকা কাৰণে মই পুনৰ সুধিলো,

"কোনোবাই যদি মোক সোধে বৰ্ণা চৌধুৰী কোন, কি, তেওঁ কি কৰে তেনেহ'লে মই কি বুলি উত্তৰ দিম?"

বৰ্ণাই একো উত্তৰ নিদি মোৰ পিনে কৌতুহলেৰে চাই থাকিল। মই খোৱা বাটি-কাঁহী বোৰ ধুই ধুই একপ্ৰকাৰ নৃত্য ভাবেৰেই কৈ গ'লো।—

"মোক যদি কোনোবাই সোধে পৰবীণ চুলতানা কোন, মই ক'ব পাৰো যে তেওঁ এগৰাকী অসমীয়া ছোৱালী যি উচ্চাঙ্গ সঙ্গীত গাই গোটেই পৃথিৱীতে সুনাম অৰ্জ্জন কৰিছে। মোক যদি কোনোবাই সোধে জ্যোতি নিৰ্ম্মল প্ৰভা কোন, মই তৎক্ষণাৎ ক'ব পাৰিম যে তেওঁ এগৰাকী খ্যাতনামা সাহিত্যিক আৰু গীতিকাৰ যি আমাৰ সমাজৰ বাধা বিঘিনি আৰু অন্ধ বিশ্বাসৰ বিপক্ষে সাহসেৰে থিয় দি নিজকে এটিয়া সমাজৰ এক উচ্চ আসনত উপবিষ্ট কৰাব পাৰিছে। মোক যদি কোনোবাই সোধে নন্দিতা বেনাৰ্জী কোন, মই ক'ম আমাৰ জনম নন্দিতা বাৰ চৌধুৰী, খুব যে তেওঁ আইনৰ আৰু আমাৰেক আপোন

অভিনয়ক কৰিবলৈ সদায় প্ৰতিদ্বন্দ্বিতা কৰা নন্দিতা এতিয়া আমেৰিকাৰ এখন বিশ্ব বিদ্যালয়ৰ অধ্যাপিকা। নন্দিতাৰ ইমান আদৰ সাদৰ, মাক দেউতাকৰ প্ৰতি ইমান শ্ৰদ্ধা আৰু ল'ৰা-ছোৱালীৰ প্ৰতি ইমান মৰম যে দেখিলেই ভাল লাগে। সেইদৰে মোক যদি কোনোবাই সোধে বন্দনা চৌধুৰী কোন, মই ক'ম অ' আমাৰ লগৰ বন্দনা কলিতা। গণিতত অনাৰ্চ পোৱা আৰু এজন গণিত শিক্ষকক বিয়া কৰা বন্দনা এতিয়া এগৰাকী অধ্যাপিকা আদৰ্শ, পত্নী আৰু আদৰ্শ মাতৃ। মোক যদি কোনোবাই সোধে মিনতি চৌধুৰী কোন? মই ক'ম আমাৰ লগৰ সেই মিনতি গোস্বামী, ৰমেশ চৌধুৰীক যে ভাল পাই বিয়া কৰাইছিল—আজি প্ৰায় পঁচিছ বছৰ আগতে যেতিয়া অসমীয়া সমাজখন আৰু গোড়া আছিল। তেওঁৰ কি আত্মবিশ্বাস—মাক দেউতাক, সমাজ সকলোকে বিশ্বাস কৰবালৈ চেষ্টা কৰিছিল তেওঁলোকক যেন সংসাৰ পাতিবলৈ অনুমতি দিয়ে। কিন্তু বহুত দিন বাট চাইও সেই অনুমতি নাপাই তেওঁলোক দুজনে সাহস আৰু গভীৰ আত্মবিশ্বাসেৰে ইজনে সিজনক গ্ৰহণ কৰিলে। আজি সকলোৱে একবাক্যে স্বীকাৰ কৰে যে তেওঁলোকে যি কৰিছিল সি আদৰ্শনীয়। যোৱা বছৰ মিনতিৰ দেউতাকেও মোৰ আগত গৌৰবেৰে কৈছিল, বুজিছা, দিলীপ তোমাৰ বন্ধু ঠিক আছে আৰু ৰমেশ মানুহৰ মাজত এক নং।' এতিয়া বৰ্ণা চৌধুৰীৰ কথা মই কি ক'ম? হয়তো মই ক'ম যে বৰ্ণা চৌধুৰীৰ এজন 'বয়-ফ্ৰেণ্ড' আছিল যাৰ সহায়ত তেওঁৰ আমেৰিকালৈ যোৱা সপোন দিঠকত পৰিণত হ'ল। কিন্তু সেই 'বয়-ফ্ৰেণ্ড' জনে দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুৱা বুলি শুনি বৰ্ণাৰ চকুততো পানী নাই নাজেই, তেওঁ এতিয়া আপ্ৰাণ চেষ্টা কৰিছে আন কোনোবা এটা চহকী বয়-ফ্ৰেণ্ড যোটাবলৈ। হৰি, হৰি, অসমীয়া ছোৱালী এজনীক সভ্যতাৰ পোহৰে এনেদৰে স্পৰ্শ কৰিব বুলি মই কেতিয়াও কল্পনা কৰা নাছিলো। আৰু এই বৰ্ণা চৌধুৰীয়ে দেউতাকৰ কথা কয় সেই বুঢ়াটো বুলি তুচ্ছ ভাৱে। বৰ্ণা এজনী অসমীয়া ছোৱালী, যি অসমীয়া লিখিব, পঢ়িব বা ভালকৈ ক'ব নাজানে। এয়াইতো তোমাৰ পৰিচয়, লে, মই কিবা বাদ দিলো। অ' হয়, পাহৰিছিলোৱেই বৰ্ণা গুৱাহাটী মহানগৰীত অনুষ্ঠিত সৌন্দৰ্য্য প্ৰতিযোগিতাত 'মিছ গুৱাহাটী' বুলি অভিহিতা। তাকও অৱশ্যে বিচাৰক সকলক ভেটী দিয়া আদৰ বিবৰে উৰা বাতৰি উলিওৱা আদি নানা ছলে কৌশলে তেওঁৰ বয়-ফ্ৰেণ্ডে আয়োজন কৰিছিল।"

সাৰ কথা শুনি বৰ্ণাই আচৰিত হৈ সকলো জানিব খুজিলে। মই সেই দেশপাণ্ডেৰ কথাত হৃদয়েশই কেনেকৈ বিচাৰক সকলক আৰু বিচাৰক পত্নী ভেটী দি তেওঁ যেন 'মিছ গুৱাহাটী' হয় সেইটো নিশ্চিত কৰিছিল সকলো ক'লো আৰু তেওঁ 'মিছ গুৱাহাটী'ৰ মুকুটটো ওভোতাই দিয়া উচিত বুলি পৰামৰ্শ দিলো। তাৰে শুনি বৰ্ণাই তেওঁৰ বয়ফ্ৰেণ্ড হৃদয়েশক গালি পাৰি ক'লে,

"সেই পাপিণ্ডটোজেক্সো জেনে কৰিবৰ কোনো প্ৰয়োজন নাছিল। মইতো এনেয়ে জিকিলোহেঁতেন।"

আমি জেনেৰৰে কথা-পাতি থাকোঁতেই নিউ ইয়ৰ্কৰ পৰা ৰমেশে ফোন কৰি জনালে যে ইমিগ্ৰেছন বিভাগৰ পৰা চিঠি আহিছে যে বৰ্ণাৰ ভিছাৰ দিন শেষ হ'বলৈ মাত্ৰ এসপ্তাহ বাকী, গতিকে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত তেওঁ উভতি যোৱাৰ ব্যৱস্থা কৰিব লাগে। ৰমেশে সেইকাৰণে বৰ্ণাক সোনকালেই নিউ ইয়ৰ্কলৈ মাতিলে।

বৰ্ণাই মই কোৱা অপ্ৰিয় সত্যবিলাকও নিশ্চয় ভাল নাপালে। পিছদিনাখন ৰাতিপুৱাই তেওঁ শুই উঠিয়েই ঘোষণা কৰিলে যে তেওঁ সেইদিনাখনেই নিউ ইয়ৰ্কলৈ যাবগৈ। বাছৰ সময়-চময় সকলো ঠিক কৰি দিয়াৰ পিছত তেওঁ নিউ ইয়ৰ্কলৈ ফোন এটা কৰিবলৈ বিচৰাত মই তেওঁক কৰিবলৈ ক'লোঁ। মই ভাবিছিলোঁ তেওঁ ৰমেশৰ লগতহে কথা পাতিবলৈ বিচাৰিছিল, কিন্তু তেওঁ দুবাৰমান ডায়েল কৰি ঠিকমতে নম্বৰটো নাপাই মোক চেষ্টা কৰিবলৈ অনুৰোধ কৰিলে। মই তেওঁৰ পৰা নম্বৰটো লিখি লওঁতেহে বুজিলোঁ যে তেওঁ ব্ৰুচ ষ্টন নামৰ কোনোবা এজন মানুহৰ লগতহে কথা পাতিবলৈ বিচাৰিছিল। তেওঁ ব্ৰুচক জনালে যে চাৰিটা বজাত তেওঁ নিউ ইয়ৰ্কৰ বাছ ষ্টেচন পাবগৈ। বৰ্ণাই ব্ৰুচক খাটিলে ব্ৰুচ যেন বাছ ষ্টেচনলৈ আহি তেওঁক লগ ধৰে, কাৰণ ব্ৰুচৰ লগত তেওঁৰ বহুত কথা আছে। মই আচৰিত হৈ বৰ্ণাক সুধিলোঁ,

"তুমি কি ৰমেশৰ তাতে নোযোৱা নেকি? মই ৰমেশলৈ ফোন কৰিম। তুমি ক'ত আছা কি কৰিছা সিওঁ জানিব লাগে।"

বৰ্ণাক মই বাছত তুলি দি ভাবিলোঁ বকা পৰিলোঁ। যোৱাৰ আগতে তেওঁ মোক ৰমেশলৈ ফোন কৰি জনাবলৈ ক'লে যে তেওঁ ৰাতি সিহঁতৰ ঘৰলৈকে যাব বুলি। হোৱালীজনীৰ মুখামি দেখি মই আচৰিত হলোঁ। মোৰ খু-খুৱনি লগাত ৰমলৈ আহি নিউ ইয়ৰ্কৰ টেলিফোন অফিচলৈ ফোন কৰি জানিব পাৰিলোঁ যে নিউ ইয়ৰ্কত কোনো 'ব্ৰুচ ষ্টন'ৰ নামত ফোন নাই আৰু বৰ্ণাই ফোন কৰা নম্বৰটো কাৰ মই উলিয়াব নোৱাৰিলোঁ। ৰমেশক কথাটো জনাবলৈ কেইবাবাৰও চেষ্টা কৰি সন্ধিয়া সাতটামান বজাতহে তাক পালোঁ। তাক সকলো ঘটনা কৈ মই জনালোঁ,

"বুজিছ ব্ৰুচ ষ্টন তাৰ প্ৰকৃত নাম নহয়। তাতে বৰ্ণাই তাৰ বিষয়ে মিছিলাক কথা ক'লে মানুহটো ভাল যেন অনুমান নহয়। তই সেইকাৰণে পুলিচত খবৰ এটা দিয়া ভাল হ'ব। মানুহটোৱে দিয়া নাম আৰু ফোন নম্বৰটো দিলে পুলিচে হয়তো জানিব। তই পুলিচক কৈ দে যে তই তাইৰ অভিভাৱক আৰু তই তাইক ভিছাৰ পৃষ্ঠপোষকতা কৰিছ যেতিয়া তাইক সময়মতে পঠিয়াই দিয়াটো তোৰ দায়িত্ব।"

কাৰণে পুলিচত ধৰা দিবলৈ বুলি সোচৰ দিলে, কিন্তু সেইদিনাখন ৰাতি বাতৰি পিছত পুলিচে জনাব খবৰ দিলে যে নিউ ইয়ৰ্কৰ কোনোবা এটা হস্পিটালত বৰ্গাক ভৰ্তি কৰা হৈছে বুলি।

বৰ্গাই অনুৰোধ কৰাৰ মতে ব্ৰুচে যে তেওঁক বাহু সেটেলতে লগ ধৰিলে হাতত কলম এডাল দিলে। তাৰ পিছত বৰ্গাক ইটালীয় বেষ্টুৰেণ্ট এখনলৈ নি ভালদৰে খুৱালে, বহুত সময় কথা পাতিলে। বৰ্গাই তেওঁক অনুৰোধ কৰিলে কেনেবাকৈ তিনিমাহৰ দিন কাৰণে বন্দোবস্ত কৰিবলৈ আৰু পাৰিলে তেওঁক ভাল চাকৰি এটা যোগাই দিবলৈ। ব্ৰুচে সকলো ঠিক হৈ যাব বুলি আশ্বাস দি বৰ্গাক নিজৰ এটা আংশিক ঘৰটোলৈ লৈ গ'ল। তাতে ভালদৰে কথা পাতো বুলি। ব্ৰুচে ক'লে যে তেওঁৰ এনেকুৱা বন্ধু আছে আৰু তেওঁ এনেকুৱা এটা ঠাই জানে য'ত বৰ্গা লুকাই থাকিব পাৰিব আৰু পুলিচে তেওঁক হাজাৰ বছৰেও বিচাৰি উলিয়াব নোৱাৰিব। ব্ৰুচে তেওঁক এইটোও আশ্বাস দিলে যে তেওঁ বৰ্গাক এনেকুৱা কাম দিব যাৰ পৰা তেওঁ দিনে শ শ ডলাৰ উপাৰ্জন কৰিব পাৰিব। তেওঁৰ নিৰ্বাচিত ধনীয়া গ্ৰাহক আৰু ধনীয়া দেহৰ ছোৱালীৰে কোনো চিন্তাই কৰিব নালাগে। লগত ব্ৰুচে এইটোও আশ্বাস দিলে যে কোনেও বৰ্গাৰ একো অন্যায় কৰিব নোৱাৰে কিয়নো তেওঁ আৰু তেওঁৰ বন্ধুবিলাকে সদায় বৰ্গাৰ ওপৰত চকু ৰাখিব।

বৰ্গাই ব্ৰুচৰ কথাবিলাক বিশ্বাস কৰিব নোৱাৰা হ'ল, তাৰ কথাবিলাকৰ অৰ্থ বুজিব নোৱাৰি সেয়েহে তেওঁ আচৰিত হৈ ক'লে,

"তুমি কি কামৰ কথা কৈছা মই একো বুজা নাই। মই পুলিচৰ পৰা লুকাই পলাই থাকিবলৈ বিচৰা নাই।"

শেষত ব্ৰুচে নিঃসংকোচে নিজৰ পৰিচয় দি ক'লে,

"তুমিতো বুজিছাই, মই এজন পিম্প (বেশ্যাবিলাকৰ কাৰণে তিৰোতা নিয়োগ কৰি সেই তিৰোতাৰ উপাৰ্জনেৰে জীৱিকা নিৰ্বাহ কৰা লোক)

বৰ্গাই তেওঁ ভাল পোৱা আমেৰিকাত 'পিম্প' বোলা কিবা এবিধ লোক আছে বুলি হয়তো ভবাই নাছিল। সেয়েহে তেওঁ ব্ৰুচৰ কামটোৰ কথা সুধিলে। ব্ৰুচে সকলো বুজাই দি ক'লে,

"ছোৱা, তোমাক মই খুব ভাল পাওঁ, তুমি এতিয়া মোৰ কাৰণে অলপ ডলাৰ ঘটিব লাগে। আমি দুয়োজন সুখে আৰামেৰে থাকিব পাৰিম।"

তাৰ পিছত বৰ্গাক ভালৰি লগাবলৈ নানা কথা কৈ ব্ৰুচে বৰ্গাৰ ওচৰত থাই অলপ মৰম কৰিবলৈ চেষ্টা কৰিলে। বৰ্গাই উত্তৰ দাবি আতৰি আহি ক'লে,

"মই ভাল মানুহৰ ঘৰৰ ছোৱালী। মই সেইবিলাক কৰিব নোৱাৰো।"

ব্ৰুচে কিন্তু "তুমি একো চিন্তা নকৰিবা, মইও ভাল মানুহৰ ঘৰৰ ল'ৰা, তুমি এতিয়া দুখিত নকৰিবা" বুলি বৰ্গাৰ কাষ চাপি গ'ল। তাতে বৰ্গাৰ গোটেই শৰীৰ কঁপি উঠিল, তেওঁ চিঞৰি এটা মাৰি "মোৰ ওচৰলৈ নাহিবি, মোক যাবলৈ দে" বুলি

দুৱাকমুখলৈ ঘোৰ মাৰিলে। ৰুচে বৰ্ণাৰ বাউ ভোটি ধৰিলে আৰু তেওঁৰ মুখত জোৰে সোপা দি ধমকি দিলে,

"এনেধৰে যদি আকৌ এবাৰ চিঞৰ তোক মাৰি শেষ কৰি দিম।"

ৰুচৰ মুখৰ প্ৰকাশ সম্পূৰ্ণ সলনি হ'ল, সি ক'লে,

"তুমি যে কুমাৰী তাক মই জানো। সেই কাৰণে আজি তুমি মোৰ লগত প্ৰথমে আৰম্ভ কৰা, তাৰ পিছত সকলো সহজ হ'ব।" বৰ্ণাই "মোক তই নুছুঁবি" বুলি চকু মুখ ঢাকি কান্দিবলৈ আৰম্ভ কৰিলে। তেওঁ ভাবিছিল যে ছিনেটৰ বাৰ্ণচৰ দৰে ৰুচেও তেওঁৰ কান্দোন দেখি পিছ হুহঁকিব। কিন্তু ৰুচে তেওঁৰ হাত দুখনত ধৰি খুব জোৰে এচাৰ মাৰি বৰ্ণাৰ গালত ৰব জোৰে এটা চৰ মাৰিলে। বৰ্ণাৰ চকু পানী বন্ধ হ'ল, তেওঁ ৰুচৰ মুখলৈ চাই দেখে সি যেন কিবা এক জন্তু—নিউ ইয়ৰ্কৰ জল অৰণ্যৰ মাজত থকা এক জঘন্য জন্তুৱে যেন তেওঁক আক্ৰমণ কৰিলে। প্ৰথমে চৰ, তাৰ পিছত ঘোঁচা আৰু তাৰ পিছত মাটিত বাগাই লৈ ভুকু, কিল, গোৰ বৰ্ণাৰ গাত বৰষুণ বৰষা দি বৰষিবলৈ ধৰিলে। ৰুচে বৰ্ণাৰ কাপোৰ-কানি ফালি চিৰাচিৰ কৰিলে। বৰ্ণাই কান্দিব, চিঞৰিব, পলাব বা আন একো কৰিব নোৱাৰা হৈ মূচকছ গ'ল।

ৰমেশে দিয়া নাম আৰু ফোন নম্বৰটোৰ পৰা পুলিচে তৎক্ষণাৎ জানিলে যে বৰ্ণা তেওঁলোকে জনা এটা ধুৰন্ধৰ পিম্পৰ হাতত পৰিল। পুলিচে তেওঁক তাৰ ঘৰৰ পৰাই উদ্ধাৰ কৰিলে।

হস্পিটালত বৰ্ণাই দুদিন কটাব লগীয়া হ'ল। গোৰ, ঘোঁচা আদিৰে কত বিকত হোৱা তেওঁৰ দেহটোৰ উপৰিও মনস্তাত্তিক বিশেষজ্ঞ ও পৰামৰ্শকে তেওঁৰ মানসিক কষ্টও লাঘৱ কৰিবলৈ চেষ্টা কৰিলে। হস্পিটাল এৰিব লগীয়া দিনাখন ৰাতিপুৱাই বৰ্ণাই মোলৈ ফোন কৰি অনুনয় বিনয় কৰিলে,

"মোৰ কথা গম পাইছে নহয়? মোক আজি আপুনি হস্পিটালৰ পৰা আপোনাৰ তালৈ লৈ যাব নে? মই কিমান পাৰো সোনকালেই ঘৰলৈ যামগৈ। আপোনাক খুব দিগদাৰ দিয়া হৈছে। আপুনি একনী নিঃসহায়া অসহায়া ছোৱালীক নিশ্চয় সহায় কৰিব বুলি থকা বিশ্বাসৰ কাৰণেহে আপোনাক খাটিছোঁ। নিজৰ ভনী বুলি ভাবি আহক।"

মোৰ লগত দুদিনমান থকাৰ পিছত বৰ্ণাৰ গা টনকিয়াল হ'ল আৰু তেওঁৰ মনতো বেছ আনন্দ দেখিলো। তেওঁক মই ভাত ৰাইচকে আদি কৰি কিবাকিবি ৰান্ধিবলৈকো শিকাই দিলো। তেওঁ বেছ ফুৰ্ত্তিৰে কথা কোৱা কৰি মোকও খুৱালে। মনস্তাত্বিক পৰামৰ্শকৰ কথামতে মই তেওঁক কেবাবাৰও সাগৰৰ পাৰত আৰু ইপিনে সিপিনে ফুৰাবলৈও নিলো। তেওঁ মোৰ লগত নানা ধৰণৰ কথা পাতিবলৈকো আৰম্ভ কৰিলে। কথাৰে উক্তিবৰ আগদিনাখন তেওঁ মোক ক'লে,

"পাৰ কিব কিলাক ভাল হ'ল। মোৰ মনটোও এতিয়া শাঁত হৈছে নেদেহ, তথাপি

ক'ৰবাত কিবা এটা যেন অশান্ত। আপুনি যে কৈছিল আত্মাৰ কথা মই আজি তাক উপলব্ধি কৰিছো। মোৰ দেহ মনক মই এতিয়া ভালদৰে চিনি পাইছো। তথাপি মই এতিয়া কি পথ ল'ম তাক বিচাৰি একপ্ৰকাৰ অশান্ত হৈছো। আপুনি আজি কেইদিনমান আগতে যে মোক হাঁহিছিল, মোৰ আপুনি কি বুলি পৰিচয় দিব তাক সুধি। আপুনিয়েই মোক এতিয়া সেই প্ৰশ্নৰ উত্তৰ দিয়ক। মই যাবলৈ সঁচাকৈয়ে কি কৰা উচিত? জীৱনত মই কি দিশ বিচৰা উচিত?"

মই বৰ্ণাক কেৱল আশ্বাস দিলোঁ,

"তুমি নিজকে উপলব্ধি কৰিছা যেতিয়া পথ তুমি নিজেই দেখিবা। এটা কথা ঠিক যে মানুহৰ দেহটো ক্ষণস্থায়ী আৰু যৌৱন তাতোকৈয়ো ক্ষন্তেকীয়া, মানুহৰ মনটোও অনিত্য। সেয়েহে দেহ, মনৰ পাছত মানুহ ধাবিত হ'ব নালাগে। নিত্য আৰু প্ৰেম-উৎপাদক বস্তুৰ প্ৰতিহে মানুহ ধাবিত হ'ব লাগে। তেনে কৰাৰ সহজ উপায় হৈছে ভাল পাবলৈ শিকা—নিজৰ ভাই-ভনী, আই-বোপাই, ভাষা, সমাজ, কৃষ্টি-সংস্কৃতি আৰু সকলোকে ভাল পাবলৈ শিকা। প্ৰেম মানেই সৃষ্টি। সেয়েহে মানুহ সৃষ্টি ধৰ্মী হ'ব লাগে। নিজৰ দেহ-মন আৰু সকলো শক্তিক সৃষ্টিত প্ৰয়োগ কৰাটোৱেই মানুহৰ ধৰ্ম হোৱা উচিত। সৌভাগ্যবশতঃ সঙ্গীত, ক'লা, সাহিত্য, জ্ঞান বিজ্ঞান, সমাজ আদি মানুহে নানা সৃষ্টি ক্ষেত্ৰ তৈয়াৰ কৰি থৈছে। সেইবিলাক চহাই তুমি সৃষ্টিত লাগি যোৱা। তুমি এক বিশেষ আনন্দৰ অধিকাৰিণী হ'ব পাৰিবা। আন একো নোৱাৰিলেও তুমি এখন সুখৰ সংসাৰকে পাতিব পাৰা, কিয়নো ল'ৰা-ছোৱালীক জন্ম দি সিহঁতক মৰমেৰে ডাঙৰ দীঘল কৰাতকৈ শ্ৰেয় কিবা সৃষ্টি আছে বুলি মই নাভাবোঁ—এইয়া ভগৱানৰ সৃষ্টিৰ অনুৰূপ সৃষ্টি মাথোন। সেয়েহে যিসকলে তেনে সৃষ্টিতে নিজৰ সকলো শক্তি ঐকান্তিকতাৰে প্ৰয়োগ কৰিছে তেওঁলোকে সৃষ্টিৰ এক পৰম আনন্দ লাভ কৰিবলৈ সমৰ্থ হৈছে—তেওঁলোকক পুৰুষ ধৰণৰ বুলি উপলুঙা কৰা সকলহে অজ্ঞ।"

বৰ্ণাই মোৰ কথাত হয়তো দি দুষ্টামি কৰি ক'লে, "আপুনিহে মোক বেয়া ছোৱালী বুলি ভাবে। মই কিন্তু আজি-কালি আপোনাৰ কথা সকলো বুজি পাওঁ।"

বৰ্ণাক মই আৰু ৰমেশহ'তে কেনেডী বিমান কোঠৰ বিমানত তুলি দিবলৈ গ'লো। তেওঁক পুলিচে আৰু কিছুদিন থাকিবলৈ খুব জোৰ কৰিছে কিয়নো আমেৰিকা এখন সভ্য দেশ—ব্ৰুচ ঘটনৰ দৰে দুষ্ট লোকক দোষী সাব্যস্ত কৰিবলৈ প্ৰয়োজন সাক্ষীৰ, আৰু বৰ্ণাই সাক্ষী দিবলৈ ক'টলৈ নগলে ব্ৰুচক দোষী প্ৰমাণ কৰা অসম্ভৱ। বৰ্ণা কিন্তু তেনে কৰিবলৈ সন্মত নহ'ল। যাবৰ সময়ত বৰ্ণাৰ ইমান আনন্দ যে তেওঁ ব্ৰুচৰ কথা ভাবি মন বেয়া নকৰিবলৈ দৃঢ় প্ৰতিজ্ঞ।

বৰ্ণাই সকলোকে হাঁহি মুখেৰেই মাত লগালে। মই তেওঁক কাষ্টমচৰ গেট পৰ্যন্ত আগ বঢ়াই দিলোঁ। "যাওঁ দেই" বুলি এটা অতি দুষ্ট হাঁহি মাৰি তেওঁ মোৰ পৰা

আতৰ হ'ল। তেওঁক নেদেখা হোৱালৈকে মই তেওঁৰ পিনে চাই ৰ'লো আৰু মোক নেদেখা হোৱালৈকে তেওঁও মোৰ পিনে চাই চাই হাত জোকাৰিলে, যাৰেপাতি মুখত এমুঠুমা ৰহস্যপূৰ্ণ হাঁহিৰে। তাৰ পিছত তেওঁ কি কৰিলে নাজানো।

তেওঁ নেদেখা হোৱাৰ লগে লগে মোৰ প্ৰাণত কোনোবা কোনোবা এটা কোণত হঠাৎ প্ৰজ্বলিত হ'ল এক ৰহস্যৰ দীপশিখা। মই দেখিব নোৱৰা, মই সংস্কৃতি-বিহীন ধূলি ভৰা আৰু মই অকণো ভাল নোপোৱা বৰ্ণা চৌধুৰী হঠাৎ মোৰ কাৰণে হৈ পৰিল এক ৰহস্য! মই ঘৰ আহি পোৱাৰ পিছত মোৰ ঘৰখন খুব খালী খালী লাগিল। বৰ্ণাৰ অবিহনে যেন মোৰ ঘৰখন চিৰদিনৰ কাৰণেই শূন্য হ'ল।

অসম পৈ পোৱাৰ পিছত বৰ্ণাই মোলৈ চিঠি এখনও নিদিলে। বৰ্ণাই কেৱল জোনালীলৈহে চিঠি এখন দিছিল।

তৃতীয় ভাগ

অসম আন্দোলনত মিছ গৌহাটী

ৰক্ষা কৱচ

ঊনৈশ শ আশী চনৰ জুলাই মাহৰ দুই তাৰিখে অসম অভিমুখে দিল্লী পালোঁগৈ। তেতিয়া অসমৰ আন্দোলন পুৰাদমে চলি আছিল। মই অৱশ্যে আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ যোৱা নাছিলোঁ। সুদূৰ আমেৰিকাত থাকি আন্দোলনৰ আও ভাও বুজা একপ্ৰকাৰ অসম্ভৱ আছিল। আমেৰিকাৰ কাগজে পত্ৰে আন্দোলনৰ খবৰ-বাতৰি দুই চাৰিটা ওলাইছিল যদিও সঁচা কথাবিলাক সঠিকভাৱে পোৱা নগৈছিল। অসমৰ ৰাইজৰ দাবীবিলাক আৰু প্ৰকৃত সমস্যা বিলাকৰ কেনে সমাধান হোৱা সম্ভৱপৰ, অসমৰ ছাত্ৰনেতা আৰু আন নেতাসকলে আন্দোলনটো কেনে ভাবে চলাইছিল বা চলাবলৈ বিচাৰিছিল আদি কথা ভালদৰে বুজিব নোৱৰাৰ কাৰণে বিদেশত থকা অসমীয়া সকলে ছটফটাব লগীয়া হৈছিল। তেওঁলোকৰ বহুতেই অসমীয়াৰ শেষ শৰাইঘাটত সক্ৰিয় অংশ গ্ৰহণ কৰিব নোৱাৰি হতাশ হৈছিল। সেয়েহে মোৰ ইচ্ছা আছিল মই যেন সেইবিলাকৰ অলপ আও ভাও লৈ আহিব পাৰোঁ, যাতে ইয়াৰ অসমীয়াসকলে কি কৰিব পাৰে সেই বিষয়ে অলপ দিহা পৰামৰ্শ দিব পৰা যায়।

দিল্লীৰ এয়াৰপ'ৰ্টত মই ৰূপৰামক লগ পালোঁ। তেওঁ এয়াৰপ'ৰ্টলৈ আহিছিল ছৌডি আৰবিয়ালৈ যাবৰ কাৰণে। ইতিমধ্যে মই তেওঁৰ বিষয়ে বহুতো কথা শুনিছিলোঁ। নিশ্বাসলৈ উঠিবলৈ নাপাই আৰু মন্ত্ৰীৰ গাদীত বহি মন গোটাবলৈ অসমৰ্থ হৈ তেওঁৰ গা উচপিচাবলৈ ধৰিলে। কেৱল তেওঁৰ গণনা কৰোঁতে অলপ দিগদাৰ হ'ল। কংগ্ৰেছ (আই) জিকিব নে পুৰণা কংগ্ৰেছ জিকিব নে জনতা পাৰ্টি জিকিব তেওঁ ঠিক ধৰিব নোৱৰা হ'ল। তাতে ইমান দিনে তেওঁ বেআইনীভাৱে অসমত বহুৱাই অহা বাংলাদেশীসকলে তেওঁক ভোট দিব নে নাই তেওঁৰ সন্দেহ হ'ল। এই বিলাক অনিশ্চয়তাৰ স্বত্বেও তেওঁ ভাৰতৰ প্ৰধান মন্ত্ৰীৰ হাতে ভৰিয়ে ধৰিলেগৈ তেওঁক কোনোবা গৱৰ্ণৰ বা ৰাষ্ট্ৰদূত কৰি পঠাবৰ কাৰণে— ঠিক বাদুলী ফুকনৰ দৰে—মিৰজুমলাই অসম আক্ৰমণ কৰিবৰ সময়ত অসমৰ নবাব হোৱাৰ আশাত অসম সন্তান বাদুলী ফুকনে অসমীয়া সকলক বিশ্বাস-ঘাতকতা কৰি মিৰজুমলাক সহায় কৰাৰ দৰে ৰূপৰামেও ইমান দিনে অসমীয়া সমাজ বিনষ্ট কৰিবলৈ চলি অহা প্ৰচেষ্টাতহে সহায় কৰিবলৈ যত্নপৰ হ'ল। মিৰজুমলাই অসম এৰি পলাব লগীয়া হোৱাত বাদুলী ফুকনে অসমীয়া সমাজত দুৰ্নীতিৰ সন্মুখীন হোৱাৰ ভয়ত মিৰজুমলাক হাতে ভৰিয়ে ধৰিলেগৈ তেওঁকো লগত লৈ যাবৰ কাৰণে। মিৰজুমলাই বাদুলী ফুকনক দি নিৰ্বাসিত কৰি লৈ গ'ল। বাদুলী ফুকন অসমৰ পৰা আঁতৰিলে, কিন্তু অসমত হেজাৰ বাদুলী ফুকনৰ আৰু হেজাৰ বদন বৰফুকনৰ আৱিৰ্ভাৱ হৈ আহিছে যি ব্যক্তিগত স্বাৰ্থৰ কাৰণে অসমীয়া

সমাজক ধ্বংসৰ পথলৈ ঠেলি আছে। তাৰ ভিতৰত ৰূপৰাম অন্যতম। সেয়েহে দিল্লী বিমানকোঠত তেওঁক লগ পাই মই আচৰিত হৈ সুধিলোঁ,

"আপুনি আকৌ ছোৱিড আৰাবিয়ালৈ কিয় যায়? আপুনি ঢাকা বা ছিলেটতহে গৈ বসতি কৰা উচিত।"

তেওঁ মোক জনালে যে তেওঁক বাংলাদেশীলোকে বৰ অপমান কৰিলে আৰু অসমীয়া বাইজেও তেওঁক একপ্ৰকাৰ এৰৰীয়া কৰিলে। আন নালাগে তেওঁৰ ল'ৰা-ছোৱালীয়েও হেনো তেওঁক সম্পূৰ্ণৰূপে ত্যাগ কৰিলে। সেইকাৰণে সকলোকে এৰি তেওঁও দিল্লীত থাকিবলৈ ল'লে। অসমীয়া জাতি অলপ জাগি উঠা দেখি তেওঁ হেনো এনে এটা পৰিস্থিতি হ'ব পাৰে বুলি আগৰে পৰা আশঙ্কা কৰিছিল। সেয়েহে তেওঁ ছোৱিড আৰাবিয়াৰ লগত আগৰে পৰা সংযোগ আৰম্ভ কৰিলে। অসমত থকা বাংলাদেশী ব্যৱসায়ীৰ সহায়ত আৰু কাঠ আৰু আতৰ আদিৰে তেওঁ সুদূৰ ছোৱিড আৰাবিয়াৰ লগত সেতু বান্ধিলে।

অসমত বিশেষকৈ ৰূপৰামৰ হাতত জেপত ছোৱিড আৰাবিয়াৰ পেট্ৰো-ডলাৰ জৰ জৰকৈ পৰিবলৈ ধৰিলে। সেই টকাৰে অসমৰ চুকে কোণে মছজিদ মকতব আদি গঢ়ি উঠিল, দুখীয়া ভাৰতীয় মুছলমান ছোৱালীক কিনি সুদূৰ আৰব দেশত হাৰেম গঢ়িল। এমুঠি ধনৰ আশাত ৰূপৰামৰ দৰে নেতাই অসমীয়া জাতিটোক বিসৰ্জন দিলে এক বিষজোৰা ষড়যন্ত্ৰ চক্ৰলৈ। ইয়াৰ দ্বাৰা হিন্দু ধৰ্ম আক্ৰান্ত হোৱা নাই, আক্ৰান্ত হৈছে অসমীয়া জাতি, অসমীয়া হিন্দু মুছলমান, আৰু ভাৰতীয় নাৰীৰ মৰ্যাদা। অসমবাসীয়ে এইটো গৌৰৱ কৰিব পাৰে যে অসমীয়া হিন্দু মুছলমান অভেদ্য—যুগ যুগ ধৰি তেওঁলোকে সম্প্ৰীতিৰে বাস কৰি আছিছে। বাহিৰাগত ইছলামৰ সম্প্ৰসাৰণে অসমীয়া জাতিটোক নিশ্চিহ্ন কৰি অসমত ধৰ্ম বিদ্বেষহে কঢ়িয়াই আনিছে।

সেয়েহে, অনিচ্ছা সত্বেও ৰূপৰামক উপহাস নকৰি নোৱাৰিলোঁ,

"আপুনি যে অগৰুৰ সুগন্ধি ল'বলৈ অকলে আহিলে, পৰিয়ালৰ বাকীবিলাক ক'লৈ গ'ল?"

হাতত থকা হুইস্কিৰ গিলাচটোৰ বাকী থকাখিনি এক ঢোকতে শেষ কৰি ৰূপৰামে উত্তৰ দিলে,

"সিহঁত অসমতে আছে। তুমি গুৱাহাটীলৈ গলে সকলো গম পাবা। অসমীয়া কি এক মূৰ্খ জাতি তুমি তাকও দেখিবা।"

মই উত্তৰ দিলোঁ,

"আপোনালোকৰ নিচিনা ধূৰন্ধৰ বিলাক থাকিলেহে বোধহয় অসমীয়া জাতি আৰু মূৰ্খ হৈ নাথাকে। অসমীয়া ভাষা, সংস্কৃতি লোপ পালে যে কোনো অসমীয়াৰ অস্তিত্ব নাথাকে তাক এতিয়া সকলো অসমীয়াই জানে।"

ৰূপৰামৰ ওচৰৰ পৰা মই আঁতৰি আহিলোঁ। কেনেকুৱা অসমীয়া মানুহৰ জীৱত

ৰূপটোৱে মোক একেবাৰে অসহ্য কৰি তোলে। মই অৱশ্যে তেওঁৰ কাষ চাপিছিলো বৰ্ণা ক'ত আছে, কি কৰিছে আদি জানিবলৈহে। বৰ্ণাৰ বিষয়ে একো সমিধান নোপোৱাকৈ তেওঁৰ ওচৰৰ পৰা গুচি আহিব লগীয়া হোৱাই বেয়া লাগিল আৰু বৰ্ণাৰ কাৰণে মোৰ কৌতুহল বাঢ়িহে বাঢ়িলে।

বৰ্ণালৈ মনত পৰিলেই মোৰ বেয়া লাগিছিল এই কাৰণেই যে তেওঁ অতি অসন্তোষেৰে মোৰ ওচৰৰ পৰা আঁতৰি আহিছিল। তেওঁৰ কাণ্ড-কাৰখানাবিলাক আচৰিত আছিল যদিও তেওঁৰ চৰিত্ৰত মই কিবা এটা সৰলতাও দেখিবলৈ পাইছিলো। মাজে মাজে তেওঁৰ প্ৰতি মোৰ বৰ পুতৌও হৈছিল এই ভাবিয়েই যে তেওঁৰতো একো দোষ নাই—তেওঁ পৰিৱেশৰ নিঃসহায় ভুক্তভোগী মাত্ৰ। ৰূপনাথৰ দৰে মোৰ দেশৰ বৰ্জ্জিত, সংস্কৃতিবিহীন, নৈতিকতাবিহীন স্বাৰ্থান্বেষী লোকৰ কন্যাৰ পৰা নো আমি কি আশা কৰিব পাৰো। তথাপি আমেৰিকাত তেওঁ কটোৱা কালছোৱাৰ শেষৰ ফালে মই তেওঁৰ কিছু পৰিবৰ্তনও লক্ষ্য কৰিছিলো—তেওঁৰ যেন নিজকে বিচাৰিবলৈ, নিজৰ আত্মা উপলব্ধি কৰিবলৈ কিবা এটা হাবিয়াস আৰম্ভ হৈছিল। অসমীয়া, আন ভাৰতীয় বা ইংৰাজী কোনো পৰিচয় নথকা আৰু কোনো স্থাপিত সমাজত থাপ খাব নোৱাৰাকৈ ডাঙৰ হোৱা কিন্তু বেছ চতুৰ ও কৰ্মপটু সেই যকম লৰা ছোৱালীজনীয়েনো জীৱনৰ কি দিশ বাচি ল'লে তাক জানিবলৈ মোৰ খুব ইচ্ছা হৈছিল।

বৰ্ণাকও মই দিল্লীতে দেখা পাম বুলি ভাবিছিলো। দিল্লীৰ কনাট প্লেচৰ কোনোবা বায়ু-তাপ নিয়ন্ত্ৰিত ৰেষ্টুৰেণ্ট নাইবা কোনো চহকী ডেকাৰ লগত চকচকীয়া এখন গাড়ীৰ ভিতৰত মই বৰ্ণাক দেখা পাম বুলি ভাবিছিলো। কিন্তু, মই দিল্লীত কটোৱা দিন কেইটাত বৰ্ণাক লগ নাপালো—লগ পালো অসমৰ ৰাজনৈতিক দলবিলাকৰ বহু নেতাক। তেওঁলোক সকলোকে মই এটা প্ৰশ্নকে সুধিলো,

> "অসমত বোলে আন্দোলন হৈছে, কিন্তু আপোনালোক দেখোন ইয়াত। নেতাই বাহিৰক বাট দেখুৱাই দিব লাগে। আপোনালোকে দেখোন ৰাজধানীৰ হাৱা খোৱাতে একেবাৰে আত্মহাৰা?"

আমাৰ নেতাসকল এনেকুৱাই, বাইৰুৰ সংগ্ৰামত যোগ নিদি তেওঁলোকে ৰাজধানীৰ সুন্দৰ পৰিৱেশত থাকিবলৈ ভাল পায়। তদুপৰি কোনো কোনোৱে নিজৰ ল'ৰা-ছোৱালীক দিল্লীৰ স্কুল-কলেজত ভৰ্ত্তি কৰিবলৈকো আহিছিল। অসমৰ স্কুল-কলেজবিলাক বন্ধ হৈ থকা কাৰণে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনা ক্ষতি হোৱাটো তেওঁলোকে সহ্য কৰিব নোৱাৰে। নিজৰ জাতিৰ বিষয়েই মহত্ত্ব আঁতৰিলে নিজৰ ল'ৰা-ছোৱালীয়ে ভালদৰে পঢ়া-শুনা কৰি ভাল চাকৰি কৰাটো তেওঁলোকে বিচাৰে। এই বিষয়ে এজন নেতাই মোক ক'লে,

> "এই স্কুল কলেজবিলাক খুলিবলৈ নিদিয়া কাৰণে ল'ৰা-ছোৱালীবিলাকৰ বৰ ক্ষতি হৈছে;"

তেতিয়া তেওঁক মই ক'লোঁ,

"অসমীয়া বাইজে ইমান দিন হাত সাবটি বহি থকা কাৰণে অসমৰ তাতোকৈ সহস্ৰগুণে বেছি ক্ষতি হৈছে। আন নালাগে অসমীয়া জাতিৰ অস্তিত্বই লোপ পাব লগীয়া। অসমীয়া বুলি জীয়াই থাকিব পৰাটো ইমান অনিশ্চয় যেতিয়া ডিগ্ৰী লাভৰ কি প্ৰয়োজন? প্ৰত্যেক অসমীয়াৰ কাৰণে এতিয়া মাত্ৰ এই শিক্ষাৰেই প্ৰয়োজন যে অসমীয়াৰ এয়েই শেষ-সংগ্ৰাম—এইবাৰ যদি নিজকে বচাবৰ কাৰণে নিশ্চিত ব্যৱস্থা হাতত নলয় তেনেহ'লে অসমীয়া জাতিটো নিশ্চিহ্ন হোৱা স্বাভাৱিক।

তেওঁ ক'লে,

"আন্দোলনটো হৈছে ভাল কথা। আন্দোলন চলি থাকক কিন্তু স্কুল-কলেজবিলাক খুলি দিয়ক,

মই তেওঁক সোঁৱৰাই দিলোঁ,

"গান্ধীজীৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলনৰ সময়ত দেখোন ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে স্কুল-কলেজ এৰি স্বাধীনতা আন্দোলনত জাঁপিয়াই পৰিছিল। দেশবন্ধু চিত্তৰঞ্জন দাস, মতিলাল নেহেৰু আদিৰ নিচিনাকৈ বহুতে ওকালতি বা নিজৰ চাকৰি আদি এৰি স্বাধীনতা আন্দোলনৰ কাৰণে নিজৰ সৰ্বস্ব ত্যাগ কৰিছিল। তাৰ দ্বাৰা তেওঁলোকৰেই ক্ষতি হ'ল নে দেশৰেই ক্ষতি হ'ল? এতিয়া অসমীয়া জাতিৰ আন্দোলন ভাৰতীয় স্বাধীনতা আন্দোলনতকৈও বেছি গুৰুত্বপূৰ্ণ। এই আন্দোলন ইমান দিনে চলি থাকিব পাৰিছে ছাত্ৰসকলৰ কাৰণেহে, আপোনালোকৰ নিচিনা স্বাৰ্থম্বেষী নেতাৰ কাৰণে নহয়।"

এজনে মোক ঠাট্টা কৰি ক'লে,

"তুমি আমেৰিকাত আছা কাৰণে আচল-কথা একোৱেই নাজানা।"

মই ক'লোঁ,

"মই আমেৰিকাত থকা কাৰণে একো নজনাটো সম্ভৱ, কিন্তু আপোনালোকে অসমত থাকিও বিধিৰ লিখনী দেখিও সকলো নজনা কাৰণেহে মই আচৰিত হৈছোঁ। আপোনালোকে এতিয়া সুবিধাবাদী নেতা হ'বলৈ বাদ দি আহক ছাত্ৰ-সকলে জাতি ৰক্ষা কৰিবলৈ দিয়া আহ্বানকে শুনিবলৈ চেষ্টা কৰক।"

তেওঁলোকৰ পৰা আন্দোলনৰ বিষয়ে একো যে সহায় নাপাওঁ তাক উপলব্ধি কৰিব পাৰি। তেওঁলোকৰ ওচৰৰ পৰা আঁতৰি হলো আৰু ডি. কে. ছাৰিণৰ 'নৰ্থ-ইষ্ট ইন্ ক্ৰেচ্' বোলা কিতাপখনকে কিনি লৈ পঢ়িবলৈ ল'লোঁ আৰু চল্লিশ জুলাইৰ পৰা অসমত পিকেটিং আৰম্ভ হ'ব বুলি জানি পিছদিনাখন তিনি তাৰিখেই গুৱাহাটী অভিমুখে উৰা জাহাজত উঠিলোঁ।

গুৱাহাটী বিমান-কোঠত নামি মাল-বস্তুৰ কাৰণে অপেক্ষা কৰি থকোঁতে এজন ল'ৰাই মোৰ হাতত সৰু কিতাপ এখন দি ক'লে, "এইখন আন্দোলনৰ কিতাপ লওক

দাম পাঁচ টকা।" মই অন্যমনস্ক ভাৱে কিতাপখনত চকু ফুৰালোঁ, নাম 'ৰক্ত-কমল'। তাৰ পিছত কৌতূহলেৰে কোনে লিখা চাই দেখিলোঁ তলত বৰ্ণা চৌধুৰী বুলি লিখা আছে—কিবা এক পুলকে মোৰ শৰীৰত বিদ্যুত সঞ্চাৰে গতি কৰি মোৰ সকলো ইন্দ্ৰিয়ক জোকাৰি তুলিলে। খপাহকৰে কিতাপখন টানি লৈ সুধিলোঁ 'এইজনা কোন বৰ্ণা চৌধুৰী?' উত্তৰ আহিল,

"কিয় বৰ্ণা বাইদেউক নাজানে? আগৰ মন্ত্ৰী মিঃ অনাদি ৰূপৰাম চৌধুৰীৰ জীয়েক।"

কথাখিনি শুনি মই ইমান উত্তেজিত হ'লোঁ যে পইচা দিবলৈ জেপত হাতৰ আঙুলি নোসোমোৱা হ'ল। বহুত তত্তা-ফুতা কৰি বিহু টকীয়া নোট এখন পাই দোকানীৰ হাতত দি খপজপকৈ কিতাপখনৰ পাত লুটিয়াবলৈ ধৰিলোঁ। গোটেইখন যেন একে উশাহতে পঢ়ি শেষ কৰিম, কিতাপৰ আখৰবিলাক যেন এটা এটাকৈ গিলি পেলাম তেনে সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰিবৰ মন গ'ল। মানবেন্দ্ৰৰ কথা পাহৰি মই ওচৰতে থকা সৰু অৰ্ধ-উচ্চ বেৰখনত বহি কিতাপখন গ্ৰাস কৰাত লাগিলোঁ। ল'ৰাজনে, "ছাৰ, খুচুৰা নাই" বুলি কোৱাত আৰু তিনিখন কিতাপকে অন্যমনস্ক-ভাৱে খুজি ল'লোঁ।

হয়, সেইখন মোৰেই পৰিচিতা বৰ্ণা চৌধুৰীৰে লিখা। অসমীয়া মাত মাতিলে মুখত খুকুৰা লগা আৰু পকোৱা অসমীয়া আখৰ পঢ়িব নজনা বৰ্ণা অসমীয়া লেখিকা হ'ল। গতিবিহীন, সংস্কৃতিবিহীন, কলা-কৃষ্টি বৰ্জিত এক পৰিৱেশত ডাঙৰ দীঘল হোৱা বৰ্ণাই নিজৰ অসমীয়া পৰিচয় বিচাৰি পালে। নৈতিকতাবিহীন, আদৰ্শবিহীন আৰু স্বাৰ্থান্বেষী পিতাকৰ জাতিদ্ৰোহী কাৰ্যকলাপৰ বিপক্ষে বিদ্ৰোহ কৰি উঠা বৰ্ণাই নিজৰ গাতে হাজাৰ সূৰ্যৰ জ্যোতি বিচাৰি পালে। বৰ্ণাই বুলিব নোৱৰা শকতিৰে অসমী আইক বহুসময় বুকু বকা কৰি শিখাবলৈ আগ বাঢ়ি আহিল।

অসমীয়া সকললৈ

বৰ্ণাই সতৰ্ক বাণী শুনাইছে "অসমীয়া ভাষাটো দুৰ্বল হৈ পৰাৰ প্ৰধান কাৰণ হৈছে আমি আমাৰ সামাজিক জীৱনত, সাংস্কৃতিক জীৱনত বা জাতীয় জীৱনত অসমীয়া ব্যৱহাৰ কৰিবলৈ এৰি দিছোঁ। এনেকুৱা ব্যৱহাৰ কিছুদিন চলিলে অসমীয়া ভাষাৰ মৃত্যু অনিবাৰ্য। নিজৰ ভাষাটো জাল-পাৰলৈ প্ৰয়োজন ভাষাটোক চৰ্চা কৰা, ভাষাটোক নতুন জ্ঞান-বিজ্ঞানৰ-বাহন হিচাপে ব্যৱহাৰ কৰা আৰু ভাষাটোৰ সামাজিক ও সংস্কৃতিক দিশটো পৰিপুষ্ট কৰা। দুৰ্ভাগ্যবশতঃ অসমীয়াৰ ক্ষেত্ৰত এইটো সত্য যে আজিকালি কেপিটেল মিছনেৰী স্কুল আৰু পাব্লিক স্কুল কনভেণ্টৰ বলে দুই চাৰিজন লোকহে এই ভাষাটোক [illegible] জ্ঞান আহৰণৰ বাহন হিচাপে ব্যৱহাৰ কৰিবলৈ আগ্ৰহীয়া হোৱাটো চকুত পৰা নাই।" সেয়েহে অসমীয়া সকললৈ বৰ্ণাই দিছে আহ্বান,

"প্ৰত্যেক অসমীয়াৰে এইটো কৰ্ত্তব্য যে নিজৰ ভাষাটোক আদৰ কৰি তাৰ বিস্তৃত ব্যৱহাৰ কৰা আৰু ভাষাটোক এনেদৰে চহকী কৰা যেন প্ৰতি মুহূৰ্ত্ততে ভাষাটোৰ প্ৰয়োগ ক্ষেত্ৰ বিস্তৃত হয়।"

"অসমত যদি কোনোবা বুদ্ধিজীৱী আছে তেনেহ'লে তেওঁ নিজৰ জ্ঞান আৰু বুদ্ধিৰ পৰিচয় দিয়াৰ একমাত্ৰ উপায় হৈছে সেইবিলাক নিভাজ অসমীয়া ভাষাত সৰ্ব্বসাধাৰণে বুজাকৈ প্ৰকাশ কৰা। প্ৰকৃত জ্ঞানখিনি আহৰণ নকৰাকৈ আধা ইংৰাজী আধা অসমীয়াত বা ইংৰাজী ভাষাৰ পৰা প্ৰতিটো বাক্যৰ অসমীয়া অনুবাদ কৰিবলৈ চেষ্টা কৰি কৰি বুদ্ধিজীৱীৰ ফুটা টেকেলী বজাবৰ দিন পাৰ হ'ল।"

সমাজ, ভাষা আৰু শিক্ষাৰ বিষয়েও বৰুৱাই নিজৰ অভিজ্ঞতাৰ পৰা কিছুমান ভাবোদ্দীপক সূত্ৰ দাঙি ধৰিছে আৰু সেইবিলাকৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ অসমৰ খলুৱা, নতুন অসমীয়া আৰু অসমত নিগাজীকৈ বাস কৰিবলৈ লোৱা বঙালী, মাৰোৱাৰী আদি অন্য ভাষী লোকলৈকো পৰামৰ্শ আগ বঢ়াইছে। বৰুৱাৰ মতে,

"আমি যিখন সমাজত বাস কৰোঁ সেই সমাজৰ ভাষাটোক নিজৰ কৰিব নোৱাৰিলে সেই সমাজত আমাৰ কোনো সংস্থান নোহোৱাটো স্বাভাৱিক। এখন সমাজত থাকি আন এখন সমাজৰ ভাষাৰ যোগেদি নিজৰ ব্যক্তিত্বৰ সম্পূৰ্ণ বিকাশ সাধন কৰিবলৈ যোৱাটোও বৃথা। কেৱল ভাষাৰ খোলাটোৰে আন এখন সমাজৰ জ্ঞান-বিজ্ঞান, সাহিত্য সংস্কৃতিৰ নিৰ্ভৰযোগ্য জ্ঞান আহৰণ কৰাটো একপ্ৰকাৰ অসম্ভৱ। তাতে আন এখন সমাজৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ তাৰ ভাষাটো জানিলেও সেই সমাজৰ বা সেই ভাষাৰ সূক্ষ্ম অভিব্যক্তি বা অনুভূতি কেতিয়াও আহৰণ কৰিব নোৱাৰি। নিজে বাস কৰা সমাজখনৰ ভাষাৰ সহায় নোলোৱাকৈ কোনেও অৰ্থপূৰ্ণ শিক্ষালাভ কৰিব নোৱাৰে।"

উদাহৰণ স্বৰূপে বৰুৱাই কৈছে যে অসমত থাকি ইংৰাজী ভাষাকে আপোন কৰি সদায় ইংৰাজী ভাষাত শিক্ষা লাভ কৰা সকলৰ পৰা আজিকোপতি কোনো লেখত লবলগীয়া ব্যক্তি বা সৃষ্টি ওলোৱা নাই। সেইদৰে অসমত বাস কৰা বঙালীসকলৰ মাজৰ পৰা বিশেষ খ্যাতি সম্পন্ন লোক ওলোৱা নাই। তেওঁলোকৰ মাজৰ পৰা ওলোৱা সাহিত্যিক বা গীতিকাৰৰ প্ৰায় সকলোৱেই অসমীয়া ভাষাৰ যোগেদিহে সৃষ্টিধৰ্মী হ'ব পাৰিছে। অসমৰ বঙালীসকলকেও বৰুৱাই বহুত কথা আগ বঢ়াইছে:

"অসমত নিগাজীকৈ বাস কৰা 'বঙালীসকলে কলিকতীয়া বাতৰি কাকত বা কলিকতীয়া নেতৃত্ব এৰি যদি অসমত নপূৰ্বাধ অসমীয়াৰে এক সুস্থ সমাজৰ কাৰণে চেষ্টা কৰিলেহে তেওঁলোক উপকৃত হ'ব। তেওঁলোকে বঙালী এৰিব নালাগে কিন্তু অসমীয়া সমাজ আৰু নিজৰ-ভাষিত্যত সুস্থ কৰিবলৈ অসমীয়া স্বাৰ্থক অকৈতৱালি লোৱা উচিত।"

সেই একে কাৰণতে বৰুৱাই অসমীয়াসকলকও কৈছে যে অসমীয়া সমাজ বাহিৰে

জনজাতীয়, কিন্তু অসমৰ পৰ্বতে ভৈয়ামে থকা জনজাতীয় সকলক ভৈয়ামৰ হিন্দু অসমীয়াই অনাদৰ কৰি কৰি আমাৰ সমাজলৈ বিশেষ ক্ষতি সাধন কৰিলে। সেয়েহে বণহি বকা বকচত কৈছে,

"অসমৰ জনজাতি সকলে যাতে নিজৰ সমাজৰ বৈশিষ্ট্য ৰক্ষা কৰি নিজৰ ভাষা সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰিব পাৰে তাৰ কাৰণে চেষ্টা কৰাটো বিশেষ কৰ্তব্য। অসমৰ জনজাতীয় অঞ্চলত শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে যিমান দূৰ সম্ভৱ সিহঁত নিজ ভাষাৰ শিক্ষা ব্যৱস্থা কৰিলেহে অসমীয়া সমাজৰ উপকাৰ হ'ব। [illegible] আদি ভাষাকও সম্পূৰ্ণ বিকাশৰ সুবিধা দিয়াটো আমাৰ কৰ্তব্য।"

বণহি অসমীয়া ৰাইজক অসমৰ ভিন ভিন জনজাতিৰ আশা আকাংক্ষাৰ প্ৰতি [illegible] সচেতন হ'বলৈ আহ্বান কৰিছে। বণহি কয়, "অসমীয়াসকলৰ অনাদৰ উপেক্ষা [illegible] অৱহেলাৰ কাৰণেই অসমৰ বহু জাতিয়ে হতাশাত বিচ্ছিন্নতাবাদৰ পথ লৈছে।"

বণাৰ পুথিৰ পৰাই জানিব পাৰিলোঁ যে গুৱাহাটীত বড়ো ভাষা শিক্ষাৰ ব্যৱস্থা তেওঁলোকে কৰিছে।

বণহি আক্ষেপ কৰি লিখিছে যে আজিৰ বহু খলুৱা জনজাতীয় লোকে অসমীয়া ভাষাক আদৰ নকৰাৰ এটা কাৰণ এয়েই যে সংস্কৃত জনা অসমীয়া পণ্ডিতসকলে জোনাকী যুগৰে পৰা অসমীয়া ভাষাত সংস্কৃত ব্যাকৰণৰ একোডাল জাপি দি অসমীয়া ভাষাটো জটিল কৰি আহিছে। আজিৰ অসমীয়া ভাষা বহু অসমীয়া আৰু অসমৰ খলুৱা জনজাতিসকলৰ (যিসকলৰ নিজৰ সুকীয়া ভাষা আছে) কাৰণে একপ্ৰকাৰ দুৰ্বোধ্য। সেয়েহে বণহি পৰামৰ্শ আগ বঢ়াইছে যে ব্ৰাউন চাহাবে দেখুৱাই যোৱাৰ দৰে আমি অসমীয়া ভাষাৰ নতুন গঢ় আৰু নতুন ৰীতি অনুসৰণ কৰিহে তাৰ বিকাশৰ পথ বান্ধিব লাগে। তেনে কৰিলেহে অসমৰ আন আন জনজাতীয় ভাষা আৰু অসমীয়া ভাষাৰ বান্ধ নিকপকপীয়া হ'ব আৰু জনজাতীয় ভাষাবিলাকৰ পূৰ্ণ বিকাশ হ'লেও অসমীয়া ভাষাটো সকলোৰে কাৰণে [illegible] আৰু আদান প্ৰদানৰ ভাষা হৈ থাকিব।

বণহি অসমত অবাধে বিদেশী সোমাবলৈ দিয়া কাৰণে দুই এজনক দোষ দিবলৈ বিচৰা নাই। তেওঁৰ মতে তাৰ কাৰণে প্ৰত্যেক অসমীয়াই সমানে দায়ী। তেওঁৰ মতে—অসমীয়াৰ বাজহাঁড়ডাল ইমান কেঁকোৰ যে নিজৰ অলপ স্বাৰ্থৰ কাৰণে জাতিৰ স্বাৰ্থক বিসৰ্জন দিবলৈ তেওঁলোকে কুণ্ঠাবোধ নকৰে। কেইটামান ভোটৰ টকাৰ কাৰণে বিদেশীক অসমত সোমাবলৈ বা চৰকাৰী মাটিত বহিবলৈ দিবলৈ বিধায়কসকলে বেয়া নাপায়, কেইটামান টকা কামোৰ কাৰণে বাংলাদেশীলোক বিক্ৰী কৰিবলৈ বা ভোট পোৱাৰ আশাত বিদেশীক নাগৰিকত্ব দিবলৈ এওঁলোকে [illegible] বোধ নকৰে। বণহি কয় যে স্বাধীনতাৰ পিছত অসমীয়াৰ জাতীয় চৰিত্ৰ যি অৱনতি ঘটিবলৈ ধৰিলে সিয়েই বিদেশীসকলক অসমত প্ৰতিপত্তি লাভ কৰিবলৈ সুবিধা দিলে, সেয়েহে তেওঁ কৈছে প্ৰত্যেক অসমীয়াই সতৰ্ক হোৱা উচিত।

"নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে, নিজৰ অলপ সুবিধাৰ কাৰণে জাতিৰ স্বাৰ্থক কেতিয়াও বিসৰ্জ্জন নিদিও। বিদেশী লোকক অসমত সংস্থাপিত হ'বলৈ কেতিয়াও সহায় নকৰো। আনে যেনে কৰিলেও তাক বাইজৰ দৃষ্টিলৈ আনিম— কিতেওঁ নিজৰ পিতৃয়েই হওক, মিতিৰ-কুটুমেই হওক বা জীৱনৰ সঙ্গীয়েই হওক।"

ৰক্ষা কৱচ হিচাপে বৰ্ণাই এইটো পৰামৰ্শও আগবঢ়াইছে যে ভাৰত চৰকাৰৰ সীমান্ত আৰক্ষী বাহিনীত (Border Security Force) অসমীয়া ডেকাই যোগ দিবলৈ চেষ্টা কৰা উচিত। এই বাহিনীৰ অধিকাংশ লোকেই যাতে অসমৰ লোকৰ দ্বাৰা গঠিত হয় তাৰ বাবে অসমীয়া ৰাইজে দাবী কৰা উচিত। বৰ্ণাৰ মতে,

"আমি এইটো আশা কৰা অনুচিত যে আন কোনোবাই আমাৰ সীমা ৰক্ষা কৰিব। চৰকাৰে নিদিলেও অসমীয়াই নিজে এটা আৰক্ষী বাহিনী গঠন কৰিব লাগে।"

অসমৰ সীমান্তৰে বাংলাদেশীৰ অনুপ্ৰৱেশ বন্ধ কৰিবৰ কাৰণে বৰ্ণাই এই পৰামৰ্শ আগ বঢ়াইছে, যে অসমৰ থলুৱা লোকক নি এই সীমান্ত অঞ্চলত নিগাজীকৈ বসতি কৰোৱা।

তাৰ পিছত বৰ্ণাই ব্লন্ড' বেঞ্চৰ পৰা দিয়া তথ্য পাতি প্ৰদৰ্শাই লিখিছে,

"বাংলাদেশে জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ কোনো কাৰ্য্যকৰী নীতি হাতত লোৱা নাই, সেয়েহে তাৰ জনসংখ্যা বছৰি শতকৰা ২·৬ জনকৈ বাঢ়িবলৈ ধৰিছে। অৰ্থাৎ বাংলাদেশৰ জনসংখ্যা বছৰি প্ৰায় পঁচিছ লাখকৈ বাঢ়িব ধৰিছে। এই বৰ্দ্ধিত জনসংখ্যাৰ এক বৃহৎ অংশই যে অসমলৈ আহিবলৈ চেষ্টা কৰিব তাত সন্দেহ নাই।"

গতিকে বৰ্ণাৰ কৱচ,

"অসম আৰু বাংলাদেশৰ সীমান্তত দুৰ্ভেদ্য বেৰা দিয়াটো নিতান্ত প্ৰয়োজন। কেৱল পহৰা দিলেই নহ'ব। যদি কোনোবাই মানৱীয়তাৰ প্ৰশ্ন তোলে তেনেহ'লে বাংলাদেশক খাদ্য-সামগ্ৰী, ঔষধ পাতি দি সহায় কৰক, কিন্তু তেওঁলোকে সৃষ্টি কৰা এটা সমস্যা অসমৰ ওপৰত জাপিবলৈ দিয়া অনুচিত।"

বৰ্ণা দুৰ্বিত্তকৰণৰ প্ৰতিও সজাগ। ডাঙৰ ডাঙৰ উদ্যোগবিলাকে কেনেকৈ এখন ঠাইৰ জল, স্থল আৰু বায়ুমণ্ডল ধ্বংস কৰে তাক হয়তো বৰ্ণাই আমেৰিকাত দেখি গ'ল। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য জল, স্থল ও বায়ুমণ্ডল প্ৰতিৰক্ষা নকৰিলে যে অসমীয়া সকল বিপদত প'ৰব তাৰ বিষয়েও বৰ্ণাই ৰক্ষা কৱচত সতৰ্ক কৰি দিছে—

"অৰ্থনৈতিক বিকাশৰ অজুহাতত আমি নভবা নিচিন্তাকৈ ডাঙৰ ডাঙৰ উদ্যোগ-বিলাক অসমত প্ৰতিষ্ঠিত হ'বলৈ দিয়া উচিত নহয়। গুৱাহাটী আৰু বঙাই-গাঁৱত তেলশোধানাগাৰ প্ৰতিষ্ঠিত হ'ল, অসমত কাগজৰ মিল প্ৰতিষ্ঠিত হ'ল, কিন্তু তাৰ পৰা অসমীয়াৰ কি লাভ হ'ল? এইবিলাকৰ পৰা হয়তো কেইজনমান অসমীয়াৰ অলপ উপকাৰ হৈছে কিন্তু তাৰ বিপৰীতে এইবিলাকৰ কাৰণেই

অসমতো বহিৰাগতৰ সোঁত বাঢ়িছে আৰু অসমৰ জল, স্থল দূষিত কৰা হৈছে। শোধনাগাৰ বা কাগজৰ মিলৰ পৰা ব্ৰহ্মপুত্ৰ বা আন নদীৰ পানীত কিমান পাৰা বা আন ৰাসায়নিক দ্ৰব্য পেলোৱা হৈছে তাৰ লেখ জোখ নাই। পৃথিৱীৰ অন্যান্য ঠাইত এইটো প্ৰমাণিত হৈছে যে এনেকুৱা উদ্যোগে পানীত পেলোৱা ৰাসায়নিক দ্ৰব্যই সেই জলবিভাগক নষ্ট কৰাৰ উপৰিও তাৰ মাছ খাইছে এনে ভাৱে সোমাই পৰে যে সেইবিলাক খোৱা মানুহৰ স্বাস্থ্য হানি হয়।"

বৰ্ণাই সেয়েহে কৈছে,

"অসমত উদ্যোগ এটা পাতিলেই আমি আমাৰ উন্নতি হ'ব বুলি ভবা অনুচিত। বৰঞ্চ এইবিলাকক আমি খুব সন্দেহেৰে চোৱা উচিত আৰু পৰাপক্ষত সেইবিলাক গ্ৰহণ নকৰাহে উচিত। অকল চেয়ে নহয়, অসমৰ শোধানাগাৰ আৰু কাগজৰ মিলবিলাকে আমাৰ জলবিভাগৰ কি অনিষ্ট কৰিছে বা কৰিব পাৰে তাক বৈজ্ঞানিক ভাৱে বিশ্লেষণ কৰা উচিত। নহ'লে কেৱল অসমীয়াই নহয়, অসমখন ছাৰখাৰ হ'ব।"

বৰ্ণাই লিখা সৰু কিতাপখন পঢ়ি মই আনন্দত অভিভূত হৈ পৰিলোঁ, কিয়নো এক বিশেষ আনন্দই মোৰ দেহ মন জুৰ পেলোৱাৰ উপৰিও মোক পৰিতৃপ্ত কৰিলে। বৰ্ণাৰ ব্যক্তিত্বৰ পৰিবৰ্তন আৰু নৱবিকাশে মোৰ শান্তত আত্মাকো স্পৰ্শ কৰিলে। কেনেকৈ কেতিয়া সেই পৰিবৰ্তন আৰম্ভ হ'ল তাক জানিবলৈ অতি ইচ্ছুক হ'লোঁ। মই সকলো পাহৰিলোঁ। বৰ্ণাক লগ পোৱাটোৱেই মোৰ যাত্ৰাৰ চৰম লক্ষ্য হৈ পৰিল।

সেইদিনাখনেই মই বৰ্ণাহঁতৰ ঘৰলৈ গ'লোঁ। বৰ্ণাহঁতৰ ডাঙৰ পকীঘৰটো চৰকাৰী কাৰ্য্যালয়ে ভাড়া কৰি লৈছে। সেয়েহে ঘৰটোৰ জীৰ্ণ শীৰ্ণ অৱস্থা। চৰকাৰে হাতত লোৱা কাৰণে কাৰো হাত নলগা ঘৰটোৰ বেৰ চালবিলাক ছটাছট হ'বলৈ আৰম্ভ কৰিলে। বাৰাণ্ডাৰ খুটা, দুৱাৰ, খিড়িকী আৰু খিড়িকীৰ চৌকাঠবোৰত মানুহে তামোল খাই তাত আঙুলিৰে টিপত অৱশিষ্ট চূণ মোচাৰ হাজাৰ হাজাৰ দাগ। মোজাইক কৰা মজিয়াত বঙা বঙা পিক আৰু থুই থেকাৰৰ সহস্ৰ দাগে আমাৰ মানুহৰ কুৰুচিক কিছুমান স্বভাৱৰ চিৰস্থায়ী ছবি আঁকিলে।

বাৰাণ্ডাত সৰ্ম্বাংশ পাৰি শুই থকা চকীদাৰক সুধি মই গম পালোঁ যে বৰ্ণাহঁতনী পাছফালৰ সৰু ঘৰটোত থাকে। পকাম নকৰি মই ডাঙৰ ঘৰটোৰ নৰ্দমাৰ কাষে কাষে যোৱা বাটটোৰে পিছৰ সৰু ঘৰটোৰ পিনে আগ বাঢ়িলোঁ। সেইটো আগৰ মন্ত্ৰী মহোদয়ৰ ঘৰ বুলি বিশ্বাস কৰিবলৈ টান। নৰ্দমাটোৰ পৰা দুৰ্গন্ধ। আনকি সেই ঠেক বাটটোত কাৰ্য্যালয়লৈ অহা মানুহে কৰা প্ৰস্ৰাৱে একেবাৰে অৱস্থা শোচনীয়া কৰি পেলাইছিল।

বাঁহৰ সৰু দুৱাৰখন ঠেলি কৰি ভিতৰ সোমাই যোৱাৰ পৰা এজনী ছোৱালী সম্ভৱ দেখিলোঁ—নহ'লেও এখন বাৰীত মুখোপাধ্যায় নেকেৰা, মুখোপাধ্যায় অসমীয়া,

কেওঁপিনে ভাত কেবেলা, জিকা, লাউ আদি লগাইছে। সব্ ঘৰটোৰ সব্ কোঠা কেইটা পৰিপাটী কৰি ৰাখিছে। চঁৰা ঘৰত সোমাই বৰ্ণাৰ এখন সব্ কটো, বেৰত এখন ৰূপৰামৰ আৰু এখন ৰূপৰামৰ দেউতাকৰ ডাঙৰ ফটোৰ বাহিৰে আন একো বস্তু মোৰ চকুত পৰা নাছিল। মই ঘোৰা দেখি সব্ কাম কৰা হোৱালী একনীয়ে দৌৰি আহি সুধিলে,

"কাক বিচাৰিছে ?"

"বৰ্ণা আছে নে নাই ?" মই সুধিলোঁ।

উত্তৰ আহিল, "বাইদেউ ইয়াত নাথাকে নহয়।"

উত্তৰটো শুনি মোৰ মনটো খুব বেয়া লাগি গ'ল। বৰ্ণাক দেখা কৰিবলৈ মি উৎসাহ আৰু হেপাহ লৈ দৌৰি গৈছিলোঁ তাত চেঁচা পানী পৰিল। বৰ্ণাক লগ পোৱাত বিশেষ বাধা আছে এনে এটা সম্ভাৱনাৰ আগ জাননীয়ে মোৰ মনত বিষাদৰ ছাঁ পেলালে।

"ইয়াত কোন থাকে", মই সুধিলোঁ।

হোৱালীজনীয়ে "ইয়াত আইহে থাকে" বুলি কোৱাত "যা আইক আমেৰিকাৰ পৰা মানুহ এজন আহিছে বুলি ক'গৈ" বুলি নিৰ্দ্দেশ দিলোঁ। মোক বহিবলৈ দি হাঁহি এটা মোৰ তাই ভিতৰলৈ দৌৰ মাৰিলে।

কুচন দিয়া বেতৰ চকীখনত বহি মই কাষৰ সব্ টেবুলখনৰ পৰা বৰ্ণাৰ ফটোখন আনি চাবলৈ ল'লোঁ। মুখত লিপষ্টিক, ডিঙি কাণ উৰঙাই ওপৰলৈ বন্ধা চুলি, মুখত এক কৃত্রিম সাৰশূন্য হাঁহি। ছবিখন যেন কোনোবা ভাব ভাষা নথকা যৌন আলোচনীৰ পাউদাৰ বা স্নোৰ বিজ্ঞাপনৰ বাবেহে তোলা। ছবিখন চাই থাকোঁতেই বৰ্ণাৰ মাক কোঠাটোত সোমাই 'অ' দিলীপ!' বুলি আশ্চৰ্য্য প্ৰকাশ কৰিলে আৰু তেওঁৰ আধা আনন্দত, আধা বেজাৰত ওলোৱা চকু পানী চাদৰৰ আঁচলেৰে মচি একো ক'ব নোৱাৰা হৈ কিছু দেৰি থিয় হৈ থাকিল। সেই চকুলো আৰু সেই আধা আনন্দ আধা বেজাৰৰ প্ৰকাশ মই পিছত বহু অসমীয়া মাতৃৰ মুখত দেখিলোঁ। মোৰ এনেহে লাগিল যেন আজি অসমী আইৰ আনন্দ যে তেওঁৰ সন্তানসকলে তেওঁৰ মান-সন্মান আৰু সৌন্দৰ্য্য ৰক্ষা কৰিবলৈ উঠি পৰি সংগ্ৰাম চলাইছে। সেই আনন্দত সেই সন্তানসকলৰ গৌৰৱত অসমী আইৰ মুখত হাঁহি বিৰিঙি উঠে, কিন্তু অসমী আইয়ে আজি বেজাৰও কৰিব লগীয়া হৈছে, কাৰণ সেই সংগ্ৰামত যে তেওঁৰ বহু সন্তানে আত্ম বলিদান দিব লগা হৈছে। সেই সংগ্ৰাম যে আৰু বহুত দিন চলিব লাগিব তাক হৃদয়ঙ্গম কৰিয়েই হয়তো বৰ্ণাৰ মাকৰ চকুলো বৈ আহিছিল। তেওঁ ক'লে,

"সেই ফটোখন নাচাবা। তাই যব বেয়া পায়। মোৰ হাতত তাইৰ বেলেগ ফটো নাই দেখি সেইখনকে থৈছো।"

"বৰ্ণা আজিকালি ক'ত থাকে ?" মই সুধিলোঁ।

"জানো" বুলি তেওঁ কোৱাৰ লগে লগে মই গম পালোঁ যে বৰ্ণা আন্দোলনত ভালকৈয়ে লাগিছে আৰু তেওঁ পুলিচৰ হাতত সাৰিবলৈ আত্ম-গোপন কৰিছে। ঠিক তেনেকুৱাতে 'আই আম লাগে নেকি' বুলি ফেৰীৱালা এজন আহি মোৰ পিনে কৌতূহলৰ চাৱনি এটা মৰাত মই তৎক্ষণাৎ বুজি পালোঁ যে সি কোনোবা গুপ্তচৰহে। সেইকাৰণে বৰ্ণাৰ কথা নুসুধি মই তেখেতে কিয় সেই সৰু ঘৰটোত থাকিবলৈ ল'লে আদি আৰু ৰূপৰামৰ কথা সুধিবলৈ ল'লোঁ।

ৰূপৰামৰ কাৰ্য্যকলাপবিলাক যেতিয়া অসমীয়া ৰাইজে এটা এটাকৈ বুজিবলৈ ধৰিলে তেতিয়া মানুহে তেওঁক লাজ অপমান দিবলৈ ধৰিলে। এদিন বৰ্ণা আৰু ল'ৰা ছোৱালী কেইটাই ঠিক কৰিলে যে তেনেকুৱা জাতিদ্ৰোহী মানুহৰ ঘৰত তেওঁলোক থাকিব নোৱাৰে। তেওঁলোকে দেউতাকক ক'লে যে হয় তেওঁ অসমীয়া ৰাইজৰ ক্ষমা প্ৰাৰ্থনা কৰি সক্ৰিয় ভাৱে আন্দোলনত লাগক নহয় তেওঁলোকে ঘৰ এৰি গুচি যাব। শেষত তেওঁলোক কেইজনে হাতত এটা পইচা বা এটা বস্তু-বাহানি নোলোৱাকৈয়ে ঘৰ এৰি গুচি গ'ল—লাগিলে বোলে ভিক্ষা কৰিয়েই খাব। মাকে আৰু ক'লে,

"সিঁহঁতে মোকও খুব লগ ধৰিছিল। কিন্তু মই সিহঁতক আশীৰ্ব্বাদ দি ক'লোঁ—যা তহঁত সজ পথত থকাটোৱেই মই বিচাৰোঁ, অন্যায় অধৰ্ম্মৰ পথ তহঁতে নলবি। অসমীয়া হৈ অসমক আৰু অসমীয়াক তহঁতেই জীয়াই ৰাখিব লাগিব।—মই আৰু তেওঁকতো এৰিব নোৱাৰোঁ। পতি সেৱাই জীৱনৰ লক্ষ্য হিচাপে লৈছোঁ যেতিয়া সেই পতিক মই এৰিব নোৱাৰোঁ। সমাজৰ চকুত চোৰেই হওক বা ডকাইতেই হওক মোৰ মানুহজন চিৰদিনৰ কাৰণে মোৰ কাৰণে দেৱতা সদৃশ হৈ থাকিব। আমি তেওঁক সদায় কৈছিলোঁ যে টকাৰ লোভ ক্ষমতাৰ লোভ এৰি দিয়া, আমি ল'ৰা-ছোৱালী কেইটা লৈ ৰাঁহতলীতে শান্তিৰে থাকিব পাৰিম। ক'ত শুনে মোৰ কথা! মই কৈছিলোঁ মাক দেউতাক অসৎ পথত চলিলে ল'ৰা-ছোৱালীৰ অনিষ্ট হয়। চোৰৰ ল'ৰা-ছোৱালী হয় চোৰ হ'ব নহয় সিহঁতে দেউতাকক ঘিণ কৰিব। মই কোৱাটোৱেই হ'ল।"

বৰ্ণা আৰু বৰ্ণাৰ ককায়েক ভায়েকহঁতে দেউতাকৰ ধন সম্পদ আৰু সহজ জীৱন এৰি বাটৰ ভিখাৰীৰ নিচিনা হ'ল। তথাপি ৰূপৰামৰ চকু মেল নাখালে। তেওঁৰ পত্নীয়েকে তেওঁক বাৰে বাৰে খাটিলে যে আছে টকা-পইচা সকলো ৰাইজক দান দি তেওঁ যেন আন্দোলনত লাগে কাৰণ তেওঁলোকেইতো বিদেশী বিলাকক অবাধে আহিবলৈ দি দেশখনৰ সৰ্ব্বনাশ কৰিলে। তদুপৰি তেওঁলোকে সকলো জানে যেতিয়া ল'ৰাহঁতক দেশৰক্ষা কৰাৰ পথও তেওঁলোকে দেখুৱাব পাৰিব। কিন্তু ৰূপৰামৰ মতিগতিৰ অকণো পৰিবৰ্ত্তন নহ'ল। ইপিনে মানুহে তেওঁক-আতি বেয়াকৈ লাজ দিবলৈ ধৰিলে। শেষত তেওঁ অতিষ্ঠ হৈ ঘৰটো ভাড়া দি গুচি গ'ল। ৰাঁহতলাত তেওঁ পত্নীয়েকক লৈ গ'ল,

"এই ঘৰৰ ভাড়াৰে তুমি থাকিবা। ইহঁত কেইটাক এক পইচাও নিদিবা। অসমীয়া মানুহক মই এটা ভাল শিক্ষা দিম।"

বুপৰামে প্ৰথমে দিল্লীলৈ আৰু তাৰ পিছত কোনোবা এখন দেশলৈ যাব বুলি ঘৈণীয়েকক কৈ গ'ল। তেওঁৰ ঘৈণীয়েকে বহুত কাবৌ কাকুতি কৰা স্বত্বেও তেওঁক লগত নিনিলে। সকলো বন্দোবস্ত কৰাৰ পিছতহে হেনো তেওঁ ঘৈণীয়েকক লৈ যাব। চকুলো টুকি টুকি বৰ্ণাৰ মাকে মোক আৰু ক'লে,

"আবৰৰ মৰুভূমিৰ শুকান বালিতেই যদি তেওঁ থাকিব লগা হয় বিচাৰে মইও সেই শুকান বালিকেই আপোন কৰি ল'ম। তেওঁৰ লগতেই মই জীৱনৰ বাকী থকা দিন কেইটা কটাব বিচাৰোঁ। পতি হিচাপে তেওঁ মোৰ কাৰণে সদায় ভাল। জনমে জনমে মই তেওঁকেই স্বামী হিচাপে বিচাৰিম। মই তেওঁক সদায়ে সজ পথলৈ আনিবলৈ চেষ্টা কৰিম, কিন্তু তেওঁৰ প্ৰতি শ্ৰদ্ধা-ভক্তি কেতিয়াও এৰি নিদিওঁ। কেতিয়াবা কেতিয়াবা মোৰ দুখ চিন্তা হয়। মানুহজন এতিয়া বা ক'ত আছে, কি কৰিছে, কি খাইছে—

মই ৰূমপবামক দিল্লীত লগ পাই অহা বুলি শুনি আৰু তেওঁ ভালে থকা বুলি জানি বৰ্ণাৰ মাকে খুব ভাল পালে আৰু মোৰ পৰা সকলো খবৰ বাতৰি বুজি ল'লে। মই কথাটো ভাবিবলৈকে নহ'ল—ৰূপবামৰ লগত ভালদৰে কথা-বতৰা পাতি আহিব লাগিছিল। লেঠা এইখিনিতেই যে ৰূপবামৰ প্ৰতি থকা মোৰ হেয় ভাবৰ কাৰণেই তেওঁৰ লগত মোৰ অকণো সময় কটাবৰ মন নাযায়, কিন্তু তেওঁৰ ঘৈণীয়েকৰ সুৰুচি আৰু মৰ্য্যাদাপূৰ্ণ ব্যক্তিত্বৰ কাৰণে ইমান শ্ৰদ্ধা হয় যে তেওঁৰ কাৰণে সকলো কৰিবৰ মন যায়।

এইটোও সঁচা যে অসমীয়াৰ লগত বৰ্ণাৰ একমাত্ৰ সংযোগ আছিল তেওঁৰ মাক, কিয়নো বৰ্ণাৰ মাকে ইংৰাজী বুজি নাপাইছিল আৰু তেওঁ ঘৰুৱা জীৱনতো সদায় অসমীয়া নীতি-নিয়ম মানি চলিছিল। মাকৰ বাহিৰে বৰ্ণাই নিজকে অসমীয়া বুলি চিনিব বা জানিবৰ আন কোনো উপায় নাছিল। বৰ্ণাৰ দেউতাক ৰূপবামে কেতিয়াও অসমীয়া প্ৰীতিৰ কোনো কাৰ্য্য কৰা বৰ্ণাই দেখা নাই। বৰ্ণাই দেউতাকে নিজৰ স্বাৰ্থৰ কাৰণে অসমীয়া জাতিক ব্যৱহাৰ কৰা আৰু মূৰ্খৰ দৰে অসমীয়া ভাষা সংস্কৃতি বিসৰ্জ্জন দিয়াহে দেখিবলৈ পাইছিল। আনকি বৰ্ণাৰ দেউতাকৰ এইটো দৃঢ় বিশ্বাস যে অসমীয়া এটা পিছ পৰা ভাষা আৰু পিছ পৰা জাতি। ৰূপবামে হয়তো ভাবিছিলে যে তেওঁৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে ইংৰাজী ভাষা আৰু ইংৰাজী শিক্ষাৰ ওপৰত।

বৰ্ণাৰ মাকৰ কথাখিনিক শুনি মোৰ দৃঢ় বিশ্বাস হ'ল যে তেনে এগৰাকী মাকৰ পৰা জাতিৰ সুৰুৰে জয়পুৰুক্ত ইংৰাজী শিক্ষাৰ কাৰণে সহজে পৰা নবৰ হ'লে বৰ্ণাই হয়তো জীৱনত সম্পূৰ্ণ হ'ব লগীয়া বহু মানসিক সংঘাতৰ সম্মুখীন হ'ব নালাগিলেহেঁতেন। যিহওক বৰ্ণাৰ বিষয়ে জানিবলৈহে মই বৰ্ণাৰ মাকৰ ওচৰলৈ

গৈছিলোঁ কিন্তু বৰ্ণাৰ বিষয়ে যা বৰ্ণা ক'ত লুকাই আছে আদি কথা তেওঁক সোধা অনুচিত বুলি জানি মই তেওঁক একো নুসোধিলোঁ যদিও মই তেওঁক খুব লগ পাবলৈ বিচাৰিছোঁ বুলি জনালোঁ।

তথাপি বৰ্ণাক সোনকালে লগ পোৱাটো সম্ভৱ নহ'ব বুলি হৃদয়ঙ্গম কৰিব পাৰি মোৰ মন প্ৰাণ বিষাদেৰে পূৰ্ণ হ'ল। আনকি সেই সেমেকা ভাবৰীয়া সন্ধিয়া মোৰ মুখ শুকালে আৰু বিষাদৰ স্পৰ্শত মোৰ শৰীৰটোও লাজুকী বনৰ দৰে জ'হ পৰি গ'ল। তাৰ পৰা ওলাই আহি মই নিজকে বাৰে বাৰে প্ৰশ্ন কৰিলোঁ বৰ্ণাক লগ পাবলৈ কিয় মোৰ এনে প্ৰবল ইচ্ছা। ছোৱালীজনীকতো মোৰ আগেয়ে একণো ভাল লগা নাছিল। আৰু তেওঁৰ ব্যক্তিত্বৰ প্ৰতিও মোৰ অকণো শ্ৰদ্ধা নাছিল। তথাপি মই মনে প্ৰাণে বিচাৰিলোঁ বৰ্ণাক লগ পাবলৈ।

ময়ূৰ পক্ষীৰ ৰহণ

মই বৰ্ণাক লগ পোৱাৰ আশা এক প্ৰকাৰ এৰি দিয়াৰ পিছত এদিন গুৱাহাটীৰ পকীঘাটৰ ওচৰত হোৱা বজাৰখনত আনাৰচ কিনি থাকোঁতে সৰু ল'ৰা এটাই "এইপিনে আহকচোন আপোনাক ভাল আনাৰচ দিম" বুলি মাতি আঁতৰাই আনি ক'লে যে মোক কোনোবাই লগ পাবৰ কাৰণে পকীঘাটৰ ওচৰত বৈ আছে। ল'ৰাজনৰ কথা শুনি বৰ্ণাই মোৰ মনলৈ খপহকৰে আহিল। মই কৌতূহলেৰে গৈ ঘাটৰ ওচৰ পালোঁ। তাত বৰ্ণা নাছিল কিন্তু আন এজন যুৱকে মোক জনালে যে বৰ্ণাই মোক সেইদিনাখন সন্ধিয়া শুক্লেশ্বৰ মন্দিৰৰ ওচৰত থকা ঘৰ এটাত মোক লগ ধৰিবলৈ মাতিছে।

সন্ধিয়া হাতটকীয়াৰ দোকান এখনৰ পৰা মই ভাল কৰিবলৈ দিয়া ছামৰাৰ বেগটো গোটাই লৈ ল'ৰাজনে নিৰ্দ্দেশ দিয়া ঘৰটোলৈ গ'লোঁ। বৰ্ণাই সম্ভৱ মোৰ কাৰণে অপেক্ষা কৰি আছিল। মই ঘৰটোৰ চাঁৰিত ভৰি দিয়াৰ লগে লগেই তেওঁ দুৱাৰখন খুলি পৰ্দাখন কাষৰ কৰি 'আহক' বুলি মাতিলে। দুৱাৰ মুখত মুগাৰ মেখেলা আৰু এখন ক'লা চাদৰ পিন্ধি বৈ থকা বৰ্ণাক দেখি মই থৰ হৈ ৰ'লোঁ—তেওঁ যে ইমান ধুনীয়া মই কেতিয়াও উপলব্ধি কৰা নাছিলোঁ। বৰ্ণাই মোক অতি আন্তৰিকতাৰে হাঁহি হাঁহি একেবাৰে হাতত ধৰি নি বহুৱাই সুধিলে,

"এতিয়া ক'ৰ পৰা আহিলে?"

মই মোৰ সেই পুৰণা বেগটো চকীৰ কাষতে থৈ ক'লোঁ,

"বুজিছা, এইটো মোৰ বৰ মৰমৰ বেগ, অতি পুৰণা। বেচেৰাৰ চিলাই তিলাই এৰি একেবাৰে অৱস্থা নাইকিয়া হৈছিল। বেগটো পেলাই দিবৰ সত নোযোৱা কাৰণে আজি এইতিয়া চিলাই কৰাই আনিলোঁ।

বৰ্ণাই 'চাওঁ' বুলি বেগটো যতনেৰে তুলি ঘূৰাই পকাই চাই নিজে বহা বেতৰ চ'ফাখনত নিজৰ কাষতে মৰমেৰে থৈ আলফুলে ধৰি থাকিল। মানুহৰ প্ৰতিও মৰম জনাব নজনা বৰ্ণাই এনেদৰে মোৰ মৰমৰ চিন স্বৰূপ বেগটোকে খুব মৰম কৰা দেখি মোৰ খুব ভাল লাগিল। বৰ্ণাই মোক ধেমেলীয়া সুৰত ক'লে,

"তথাপি আপোনাক দেখি যে আমি চবেই খুব হাঁহিলোঁ সেই। আপুনিও ভাল দিয়ক—ক'ৰ পুৰণা হাফ পেণ্ট আৰু সোলোক ঢোলোক গেঞ্জী এটাৰে আপোনাৰ চেহেৰাটো চাব লগীয়া হৈছিল।"

"কিয় তুমি বাতিপুৱা তাত আছিলা নেকি? মই দেখোন নেদেখিলোঁ।"

"নাই, আমি অলপ সাৱধান হৈছোঁ। কালি সিহঁতে ভৰত নৰক খোৱাৰ ঘৰলৈ যাওঁতে বাটতে ধৰি নিলে। আমি গাঁৱৰ মাউৰা ল'ৰা দুজনমানক বজাৰত বস্তু বিক্ৰী কৰিবলৈ লগাইছোঁ। পুলিচৰ ইমান উৎপাত, সঁচাকৈয়ে পলাই

কৰিব লগীয়া হৈছে। এতিয়া বৰো ভাবাৰ লাচটোলৈকো বাৰ নোহোৱা হ'লো।"

"ইস ৰাম, মই তোমাক ইমান বিচাৰি ফুৰিছো, কিন্তু ক'তো তোমাৰ ছাটোকে দেখিবলৈ পোৱা নাই।"

"অথনি মই একেবাৰে আপোনাৰ পাৰ কাষেদি গ'লো তথাপি আপুনি মোক চিনি নাপালে। মই সেইকাৰণে ভয়েই খাইছিলো যোলো এতিয়া কিজানি আপুনি মোক চিনিয়েই নাপাব।"

"মইহে তোমাক চিনি নাপাম? বুজিছা, মই তোমাৰ কিতাপখন ইমান বাৰ পঢ়িলো যে কিতাপখন মোৰ মুখস্থ হৈ যোৱাৰ নিচিনা।"

"আপুনি চাগে বহুত ভুল পাইছে, নহয়? মই যৰ খৰ খৰকৈ লিখিলো।"

"মই স'চাকৈয়ে আচৰিত হৈছো তুমি কেনেকৈ ইমান কম সময়ৰ ভিতৰতে ইমান সুন্দৰ অসমীয়া লিখিব পৰা হ'লা আৰু কেনেকৈ নিজৰ ভাৱবিলাক এনেদৰে সুসংগঠিত কৰিব পৰা হ'লা।"

"কিয় আপুনি কৈছিলে নহয় যে নিজকে চিনি পালেহে যোতিয়া পথ মই বিচাৰি পাম। বুজিছে, মই আপোনাৰ ঘৰতেই মনটো দৃঢ় কৰি আহিছিলো যে অসমতে উভতি আহি নিজকে অসমীয়া হিচাপে আৰু অসমীয়া সমাজখন চিনি পাবলৈ সকলো চেষ্টা কৰিম। ঘৰ পোৱাৰ মুহূৰ্ত্তৰে পৰা মই প্ৰথমে অসমীয়া কিতাপ পঢ়াত লাগি গ'লো আৰু নিজৰ মনৰ ভাৱবিলাক যেনেকৈ তেনেকৈ খুৰ লিখিবলৈ ধৰিলো। মোৰ মায়ে স'চাকৈয়ে ইমান সহায় কৰিলে কি ক'ম? মহাভাৰত, ৰামায়ণ, গুৰু চৰিত মোক সকলো পঢ়ালে আৰু বুজালে। লাহে লাহে সকলো সহজ হৈ পৰিল। বহুতৰ লগত কথা পাতিলো, বহুতৰ লগত তৰ্ক কৰিলো। মোৰ মনটো এতিয়া শান্ত। মই পিছে এইবিলাক সকলো আপোনাৰেই দান বুলি সদায় আপোনাৰ প্ৰতি কৃতজ্ঞ। অ' বুজিছে, আপোনাৰ 'শুভ দিনৰ নিৰ্ঘণ্ট' খন মায়ে মোৰে পঢ়ি যে ইমান ফুৰ্ত্তি পালো কি ক'ম? আপুনি কাটিং মৰাত ওস্তাদ নেই। আপুনি মোৰ হাতত যে ফৰ্মটো পঠিয়াইছিলে "মনে মোৰ কইনা বিচাৰে'ৰ হাতে লিখা কপিটোও পঢ়িলো। সেইখন যেন আপুনি মোক উদ্দেশ্যিয়েই লিখিছিল।"

"নাই দেও, মই সেইবিলাক কাকো লৈ বা কাকো উদ্দেশ্যিও লিখা নাই। চল চলতে নিজৰ কথাকে লিখিছো। সেইবিলাক কথা বাদ দিয়া। এতিয়া তোমাৰ কথা কোৱা।"

"মোৰ কথা আৰু কি ক'ম. দেখিছেই নহয় অসমীয়াৰ কি অৱস্থা। অসমীয়া হৈ নিজকে চিনাৰ পিছত উপলব্ধি কৰিলো যে আমাৰ জাতিটো বাচি থকাৰ আশা দূৰ ক'ৰ। এতিয়া সকলো অসমীয়াই নিজৰ সৰ্বশক্তি প্ৰয়োগ কৰি যুঁজ নকৰিলে আৰু উপায় নাই। আপুনি কি কয়?"

"মই আৰু কি ক'ম। তোমালোক নতুন মনৰ ডেকা-গাভৰুৱে অসমীয়া জাতিটোক যি নতুন তেজ দিয়া তাক দেখিয়েই ভাল লাগিছে। জীৱনত প্ৰথম বাৰৰ

কাৰণে অসমীয়াসকল এটা জাতি যেন অনুমান হৈছে। তোমালোকক লৈ আমি সঁচাকৈয়ে গৌৰৱ অনুভৱ কৰিছোঁ। বুজিছা, শৰাইঘাটৰ যুদ্ধৰ সময়ত লাচিতে অসমীয়াক মোগলৰ বিপক্ষে যুঁজ কৰিবলৈ সাজু কৰোৱাৰ পিছত এয়েই প্ৰথমবাৰৰ কাৰণে অসমীয়াসকল সংঘবদ্ধ হৈছে। আমি পলাও তেই গ'ল।"

"কিয়, আপুনিতো কেতিয়াও পলোৱা নাই।"

"নহয়, আগৰ অসমীয়া আছিল এক ভগ খোচৰা, ঈৰ্ষাপৰায়ণ আৰু গুণীৰ মোল নুবুজা জাতি। সেই জাতিটোৱে মোৰ দেউতাৰ নিচিনা নিজৰ সকলো সুখ দুখলৈ পিঠি দি গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভৰে পৰা সম্মানিত গঢ় দিয়া এজন গুণী লোকৰ যি দুৰ্গতি কৰিলে তাকে দেখি মই সেই জাতিটোক সম্প্ৰসাৰিত নকৰোঁ বুলিয়েই অসম এৰিছিলোঁ। এতিয়া তোমালোকৰ সাহস দেখিহে মই বুজিছোঁ যে বৰ ভুল কৰিলোঁ। তেতিয়াই মইও আমাৰ জাতীয় চৰিত্ৰ সংশোধন কৰিবলৈকে থাটিব লাগিছিল। যাহওক, এতিয়া তোমালোকেহে যদি অসমীয়া জাতিটোৰ বাজহাড় পোনাব পাৰা।"

"আপোনাৰ কথা আমাৰ মাজত প্ৰায়ে ওলায়। আপুনি লিখা ভূপেন হাজৰিকাৰ কিতাপখন আমি সকলোৱেই ভাল পাইছোঁ। কিন্তু আপোনালোকৰ সমসাময়িক বা আপোনালোকতকৈ বয়সত ডাঙৰ লোক অনেকেই বেয়া পাইছে। তেওঁলোকৰ কোনোৱে কয় এতিয়া আন্দোলনৰ সময়ত কিয় হাজৰিকাক লৈ কিতাপ উলিয়াব লাগে, কোনোৱে কয় শঙ্কৰদেৱৰ লগত হাজৰিকাক সাঙুৰিব নালাগিছিল, আৰু কোনোৱে হাজৰিকাৰ ব্যক্তিত্বত ধৰি উলিয়াই কয় বোলে তেওঁক ইমান গুৰুত্ব দিবৰ কোনো কাৰণ নাই। আপুনি ভূপেন হাজৰিকাৰ সৃষ্টিক এনেদৰে আদৰ কৰি তেওঁক যথোচিত সম্মান প্ৰদৰ্শোৱাটো সহ্য কৰিব পৰা নাই। মই কিন্তু কওঁ যে গায়ক গীতিকাৰ হিচাপে ভূপেন হাজৰিকা এক অদ্বিতীয় শিল্পী। তেওঁ সৃষ্টি কৰা সুৰ আৰু গীতেৰে তেওঁ অসমীয়াৰ জাতীয় জীৱনক চহকী কৰিছে। আমি তেওঁৰ সৃষ্টিক আদৰ কৰিব লাগে, তেওঁৰ ব্যক্তিগত জীৱনৰ দোষ ত্ৰুটিবিলাক খোদালিৰ কোনো প্ৰয়োজন নাই। তাতে আপুনিতো হাজৰিকাক শঙ্কৰদেৱৰ লগত বিজোৰা নাই। আপুনি মাথোঁ বাৰে বাৰে কৈছে যে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সৃষ্টিবিলাকক অলৌকিকভাৱে ধোঁৱাময় নকৰি আমি সেইবিলাকক আদৰিবলৈহে চেষ্টা কৰা উচিত।"

"তুমিহে দেখিছোঁ মোৰ প্ৰাণৰ কথা বুজিছা। অসমীয়াই যদি গুণী লোকৰ স্বাৰ্থ ত্যাগ ও কৰ্ম আৰু সৃষ্টিধৰ্মী লোকৰ সৃষ্টিবিলাক আদৰ কৰিবলৈ নিশিকে তেনেহ'লে এই জাতিটোৰ উন্নতি নাই। ঈৰ্ষা পৰায়ণ অসমীয়াই গুণী-লোকৰ ভগ খুচৰি গোটেই জাতিটোক মোগাক্ৰান্ত কৰি আছিছে।"

"মোৰ আটাইতকৈ ভাল লাগে সেই কিতাপখনত আপুনি লিখা উপলব্ধিখিনি। এই সকলোকে বুজাও সেইখিনিৰ অৰ্থ এয়েই যে নিজৰ স্বাৰ্থৰ কাৰণে যশ বা

টকা ঘটিবলৈ তেওঁ কিতাপখন লিখা নাই। ই তেওঁৰ অসম আই আৰু অসমীয়া জাতিটোৰ প্ৰতি থকা ভাল পোৱাৰে আন অসমীয়াকও নিজৰ জাতি আৰু ভাষাক পাবলৈ শিকোৱা প্ৰচেষ্টা মাথোন। ই সময় আৰু স্বাৰ্থৰ সীমা চেৰাই জাতীয় প্ৰেমেৰে আত্মা উপলব্ধি কৰাৰ এক অপূৰ্ব প্ৰকাশ। তাক অসমীয়াই আদৰ কৰিলেই হয়।

মই বৰ্ণাক ক'লোঁ,

"মই তোমাক লৈ ইমান গৌৰৱ উপলব্ধি কৰিছো যে তোমাক মই মৰমত আঁকোৱালি ল'ম নে তোমাক শিৰত তুলি লৈ ফুৰিম ঠিক কৰিব পৰা নাই।"

মোৰ কথা শুনি বৰ্ণাই আগ বাঢ়ি আহি আঁঠু কাঢ়ি মোৰ ভৰিত সেৱা কৰি ক'লে,

"আপুনি কিয় তেনেকৈ কৈছে? আপোনাৰ পৰাইতো মই সকলো পালোঁ। আত্মোপলব্ধিৰ প্ৰথম পাঠ মইতো আপোনাৰ পৰাই পালোঁ। আপোনাৰ অবিহনে মই একোৱেই নাজানিলোহেঁতেন। ৰাজ অট্টালিকাৰ ৰাজকুঁৱৰীৰ দৰে ঐশ্বৰ্য বিভূতিৰে বিভূষিতা হৈ মই যেনেকৈ আছিছিলোঁ তেনেকৈয়ে থাকিলোহেঁতেন। যৌৱনৰ চঞ্চলতাত আবদ্ধ হৈ মই জীৱনৰ চৰম লক্ষ্য কেতিয়াও বুজি নাপালোহেঁতেন।"

বৰ্ণাৰ দুটুপি চকুলো মোৰ ভৰিত শান্তি পানীৰ দৰে পৰি মোক সম্পূৰ্ণ পবিত্ৰ কৰা যেন লাগিল। মই বৰ্ণাক দুই হাতেৰে তুলি আঁকোৱালি লৈ ক'লো,

"তোমাক যদি মই কেতিয়াবা বেয়া ব্যৱহাৰ কৰিছিলোঁ তেনেহ'লে মোক ক্ষমা কৰিবা। তোমাৰ ভালৰ কাৰণেই তোমাক মই কেতিয়াবা কটু কথা শুনাব লগীয়া হৈছিল।"

বৰ্ণাই মোৰ কথা কাটি ক'লে,

"আগেয়ে মই ভাবিছিলোঁ যে আনে মোক যেনেদৰে বুজি পায় বা ভাল পায় তেনেকৈ মোৰ প্ৰতি আপোনাৰ কোনো

ভাল ভাব নাই। মোৰ আগেয়ে এনে লাগিছিল আপুনি যেন খুব কঠুৱা মানুহ—জীৱনৰ ঘাত-প্ৰতিঘাতে যেন আপোনাৰ প্ৰকৃতি খুব নিষ্ঠুৰ কৰিলে। কিন্তু আমেৰিকাৰ পৰা উভতি অহাৰ পিছত সদায় মই উপলব্ধি কৰোঁ যে আপোনাৰ বাহিৰে আন কোনেও হয়তো মোক কেতিয়াও বুজি নাপায়। মোৰ আজি এনেহে লাগিছে যেন মই এখন চিৰ প্ৰবাহী নৈত সাঁতুৰি ওপঙি ফুৰিছোঁ। সেই নৈত চাৰিওপিনে চাই মই কেৱল আপোনাকেই দেখোঁ। এনেকৈ ধৰণেৰে একে পিনে সাঁতুৰি গৈ থকা। এই যাত্ৰা সঁচাকৈয়ে খুব মধুৰ। মানুহ চিৰ সুন্দৰত ব্ৰতী হ'লে সকলোৱেই সুন্দৰ হয়। যি স্ৰষ্টিৰে স্ৰষ্টিৰ সৌন্দৰ্য্য বিচাৰিবলৈ চেষ্টা কৰিছে তেওঁহে এনে সৌন্দৰ্য্যৰ সঁহাৰি পায়।

তলমূৰ কৰি কথা কৈ থকা বৰ্ণাৰ থুতৰিত ধৰি মই তেওঁৰ মুখখন ওপৰমুৱা কৰিলোঁ। বাহৰ পৰা ভুমুকি মাৰি ওলোৱা চৰাইৰ পোৱালিৰ দৰে বৰ্ণাই চকু তুলি মোৰ পিনে চালে আৰু মই অন্তৰাত্মা ভৰি পৰা মৰমেৰে তেওঁক জনালোঁ,

"তুমি সঁচাকৈয়ে 'মিছ গৌহাটী'। ইয়াৰ আগতে তোমাক "মিছ গৌহাটী' নিৰ্ব্বাচিত কৰিবৰ সময়ত তোমাক মোৰ ভোটটো দিয়া নাছিলো—আজি দিলোঁ। তুমি মিছ গৌহাটী কিয় তুমিয়েই পৃথিৱীৰ আটাইতকৈ ধুনীয়া ছোৱালী, তুমিয়েই "মিছ ইউনিভাৰ্চ। কেৱল আজিৰ কাৰণে নহয় চিৰ দিনৰ কাৰণেই তুমি মিছ ইউনিভাৰ্চ। চিৰ সৌন্দৰ্য্যত ব্ৰতী তোমাৰ সৌন্দৰ্য্যক কোনেও কেতিয়াও আক চেৰ পেলাব নোৱাৰে। তোমাৰ ক'লা কৃষ্টি আছে, তোমাৰ সকলো শক্তিকে তুমি সাহিত্য, সঙ্গীত, সুকুমাৰ কলা আদিৰ সৌন্দৰ্য্য স্ৰষ্টিত প্ৰয়োগ কৰিছা যেতিয়া তোমাৰ দেহক সময়ে সাৰটি ল'লেও তোমাৰ স্ৰষ্টিয়ে তোমাক চিৰ দিনেই জীয়াই ৰাখিব।"

বৰ্ণাই মোৰ হাতৰ পৰা এৰাই গৈ দুষ্টামি কৰি সুধিলে,

"আপুনি যে মোৰ কাহিনীটো লিখিম বুলি কৈছিলে, লিখিলে নে নাই?"

মই ক'লোঁ,

"লিখিছোঁ, অলপ বাকী আছে। এইখিনিলৈকে মই লিখিম। বাকীখিনি এতিয়া তুমিয়েই লিখিব পাৰিবা।"

বৰ্ণাৰ পৰা বিদায় লৈ অহাৰ আগেয়ে বৰ্ণাই মোক আথে বেথে সুধিলে,

"আপুনি বাৰু মোক এতিয়াও বেয়া পায় নেকি?"

মোৰ উত্তৰ:

"তোমাক মই কেতিয়াও বেয়া পোৱা নাছিলোঁ। আচলতে তোমাক মই সদায়ে ভাল পাই আছিছোঁ। আজিও তোমাক মোৰ খুব ভাল লাগিছে আৰু তোমাক মই সদায়ে ভাল পাম। কেৱল তোমাক মই ইমান দিনে বিচাৰি পোৱা নাছিলোঁ। আজি মোৰ এনেকুৱা লাগিছে যে বিম্বিসাৰ অশোকৰ ধোঁৱামন্ন সময়ৰও আগৰ কোনোবা কাহিনিৰ পৰা তোমাক বিচাৰি বিচাৰি যেন মই বহু ক্লান্ত হৈ পৰিছিলোঁ। আজি দুই এক পলৰ বাবে তোমাক পাই যি শান্তি লভিছোঁ সি মোৰ সকলো ক্লান্তি আঁতৰালে। তোমোৰ মুখত শ্ৰাবস্তীৰ কাৰুকাৰ্য্য তোমাৰ চকুত অজন্তাৰ দীপ্তি আৰু তোমাৰ শাশ্বত আত্মাৰ আকুলতা চাই চাই মোৰ হেঁপাহ নপলোৱা হৈছে।"

বাহিৰলৈ ওলাই আহি মই চাঁয়াময়া আন্ধাৰত দেখিলোঁ যে দুবৈৰ অশ্বক্ৰান্তত ইমান যুগে জাগৰত বহি থকা ঘোঁৰা এটাই নতুন শক্তি পাই থিয় হ'ল। এগৰাকী ধুনীয়া গাভৰুৱে পালত ময়ূৰপংখীৰ বহণ ছটিওৱা এখন পানচৈত উঠি আহি পদুম পাতৰ যো ভাগকৰা অশ্বাৰোহীজনক থুৱালে। পদুমৰ মধু পাই তেওঁ নতুন বলেৰে ঘোঁৰাটোত উঠি বায়ু বেগে আকৌ যাত্ৰা আৰম্ভ কৰিলে। সেই নাৰীয়েও একে পিনে একে বেগে পানচৈ এৰিলে। তেওঁলোক দুয়োৰে গাৰ পৰা ছিটিকি পৰা সোণোৱালী জ্যোতিবোৰে লুইতৰ পানীত নাচিবলৈ ধৰিলে সিহঁতৰ ছন্দে ছন্দে, লহৰে লহৰে নতুন আনন্দত নাচি উঠিল মোৰ জীৱন তৃষ্ণা। ★